॥ এই সীমার পিপারে ॥

এই সীমাৰ সিপাৰে

মূল ৰচনা

সৌৰীন সেন

অনুবাদ

খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা

॥ প্ৰকাশক ॥
শ্ৰীবিচিত্ৰনাৰায়ণ দত্তবৰুৱা
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী

॥ মূল গ্ৰন্থৰ ৰচনাকাল ॥
মহালয়া ১৩৬৬

॥ প্ৰথম প্ৰকাশ ॥
চেপ্তেম্বৰ ১৯৬৪

॥ ছপাশাল ॥
প্ৰবৰ্ত্তক প্ৰিণ্টিং এণ্ড হাফ্‌টোন লিঃ
৫২।৩, বিপিনবিহাৰী গাঙ্গুলী ষ্ট্ৰীট,
কলিকতা-১২

মূল্য
পাঁচ টকা মাত্ৰ

দাৰ্জিলিঙত এই গ্ৰন্থৰ নায়ক কুণাল সেনক লগ পোৱাৰ পিচত মূল গ্ৰন্থৰ লেখকে লেখিছে: 'নাটকীয়ভাৱে মোৰ লগত দেখা হয় কুণাল সেনৰ। তাৰ পিচত এদিন নহয়, দুদিন নহয় সদায়েই। স্মাল ৰোড আৰু ক্যালকাটা ৰোড ঘূৰি ঘূৰি, জলা পাহাৰ বগাই বগাই কুণাল সেনে উত্তৰ জাৰ্মান ভ্ৰমণৰ বিশদ কাহিনী মোক শুনাইছিল। বহুতৰ মুখত ইউৰোপ ভ্ৰমণৰ অসংখ্য কাহিনী শুনিছোঁ, কিন্তু কুণাল সেনৰ অভিজ্ঞতাই মোক স্পৰ্শ কৰে। তেওঁৰ দৃষ্টি-ভঙ্গীয়ে মোক আকৰ্ষণ কৰে।'

কুণাল সেনৰ কাহিনীয়ে মোকো মুগ্ধ কৰে—সেয়েহে এই অনুবাদ। গতানুগতিক ভ্ৰমণ কাহিনীৰ পৰা সম্পূৰ্ণ ভিন্ন সুৰৰ এই গ্ৰন্থৰ সবাতোকৈ উল্লেখযোগ্য কথা হ'ল ঘটনা আৰু জীৱনৰ অপূৰ্ব সমন্বয়। জাৰ্মানীৰ অন্য এক ৰূপ গল্পৰ ছলেৰে এই গ্ৰন্থত লেখকে উপস্থাপন কৰিছে। পঢ়ুৱৈ সমাজে ভাল পালে আমাৰ শ্ৰম সাৰ্থক হ'ব।

খ. না. দ. ব

॥ এই অনুবাদকরে অনূদিত ॥

মরু প্রান্তর

বিগলিত-করুণা জাহ্নবী-যমুনা

অভিশপ্ত চম্বল

সন্ধ্যা বাতির শিখা

অমৃত কুম্ভের সন্ধানে

'আলবেয়াৰ কামু, আপোনাৰ কামুক কেনে লাগে?' কৌতূহলৰ হাঁহি তেওঁৰ চকুৰে মুখে দেখা দিয়ে। কোলাত থকা বিজুলী চাকিটো সুমুৰাই সহযাত্ৰীয়ে মোক প্ৰশ্ন কৰিলে।

অলপো অস্বস্তি বা অপ্ৰস্তুতও বোধ কৰা নাই। চোৰৰ গৰু চুৰ কৰা নাই, ভয় কিহলৈ? সহজ সৰল স্বীকৃতি, তথাপিও চেষ্টাকৃত সঙ্কোচ মোৰ কণ্ঠত। ক'লো: চাওক নোবেল পুৰস্কাৰ পোৱাৰ আগলৈকে কামুৰ নাম কেতিয়াও শুনা নাছিলো। আজিলৈকে তেওঁৰ লিখা কোনো কিতাপো পঢ়া হোৱা নাই।

সুন্দৰ মুখশ্ৰীত আনন্দৰ হাঁহি দেখা দিয়ে। ক'লে: আপুনি খুব সুন্দৰকৈ কথা ক'ব পাৰে। নোবেল লৰিয়েট হোৱাৰ আগতে কামুৰ নাম শুনা নাই। বেচ কৈছে। সামান্য এটি ইংৰাজী তৰ্জমাৰ বাহিৰে মোৰো কামুৰ কোনো কিতাপ পঢাৰ সৌভাগ্য হোৱা নাই।

যি দেখিছো গণনাত মোৰ খুব বিশেষ ভুল হোৱা নাই। তথাপিও সঠিক আন্দাজ কৰিব নোৱাৰিলেও বাৰ্মাশ্বেল নাইবা ষ্টেন্‌ভেকৰ যে কোনো নহয়, এই কথা মই কমেই। কৰকেল্লাৰ ব্লাষ্ট ফাৰ্ণেচৰ গঢ় দিয়া মানুহো এওঁ নহয়। টুৰিষ্ট? তেনে যেনো নেলাগে।

আমাৰ মাজত বহু কথাই হৈছে। নানান বিষয়ৰ কথাও উঠিছে। বেৰৰ কাষৰ বহা ঠাই এৰি দিয়াত যিমান আনন্দিত হৈছে তাতোকৈ বেচি হৈছে লজ্জিত।

তেওঁক কবিতা পঢ়া দেখি মই অচৰিত হৈছো। মোৰ সীমিত গণ্ডাৰ জীৱনত কোনো চাহাবকে কবিতা পঢ়া দেখা নাই। ক্লাইভ ষ্ট্ৰীটৰ ৰঙামুলা নাইবা বেলৰেৰ সেউজীয়া নিচান কপোৱা গাৰ্ডৰ বাহিৰে তেনেকুৱা চাহাব দেখিছোৱেবা ক'ত?

যাত্ৰীসকলক দুভাগত ভগোৱা হৈছে। দুটি টুৰিষ্ট কোঠালী। আৰু আন দুটি প্ৰথম শ্ৰেণীৰ। টুৰিষ্ট কোঠালীত ভীৰ বেছি, ঠাই কম। প্ৰথম শ্ৰেণীত অকল ভৰি হাত মেলি বহিবই পৰা নাযায়, দৰকাৰ হলে কষ্ট নোহোৱাকৈ শুবও পৰা যায়।

বহুত আগতেই 'লাইফ-জেকেট' লৈ সুন্দৰী এয়াৰ হোষ্টেছৰ কচৰৎ শেষ হৈছে। চাৰিওফালে প্ৰগাঢ় নিৰবতা। মোৰ ঘড়ীত ৰাতি আঠ বজাৰ সঙ্কেত। বাহিৰত ঘন অন্ধকাৰ। চাণ্টাক্ৰুজৰ পৰা বেইকট। মাজৰ কোনো ঠাইত আৰু ৰব নালাগে।

মাটিৰ পৰা ওঠৰ হাজাৰ ফুট ওপৰেদি আকাশৰ বুকুৰেদি গৈ আছোঁ। বাহিৰৰ ঠাণ্ডা তাপমান যন্ত্ৰৰ পাঁচ ডিগ্ৰীৰ তলত।

বহা আসনত বহি থাকি বুজিবৰ একো উপায় নাই, এক হাজাৰ, আঠহাজাৰ বা ওঠৰ হাজাৰৰ পাৰ্থক্য বুজা কঠিন। গ্ৰাউণ্ড স্পীড অঢ়েশ মাইল, মাত্ৰ শুনিলোহে। কিন্তু অনুভৱ কৰা হলে নহ'ল।

আনকি শীত সম্পৰ্কেও হতাশ হ'ব লগা হ'ল। একো ভুল শুনা নাই। তাপমান যন্ত্ৰৰ পাঁচ ডিগ্ৰীৰ তলৰ শীত কেনেকুৱা লাগে ?

এয়াৰ হোষ্টেছে পানীয় বিতৰণ কৰি গৈ আছে। নিতান্ত ব্যৱসায়ী-সুলভ হাঁহি মাৰি যাত্ৰীসকলৰ হাতত সৰু ডাঙৰ স্ফটিকৰ পাত্ৰ দি গৈ আছে। এনেয়ে লোভনীয় দুৰ্মূল্য পানীয় তাৰো ওপৰত আকৌ সুন্দৰীৰ সহজ আপ্যায়ন। প্ৰত্যাখানৰ প্ৰশ্নই নুঠে। অকল সেয়ে নহয়, পানীয় নাইবা চিগাৰেটৰ দাম বেলেগকৈ দিব নালাগে। ভদ্ৰতা ৰক্ষা কৰি যি কোনো পৰিমাণ অক্লেশে পাণ কৰা যায়।

মোৰ কাষৰ সহযাত্ৰীজনক এই বিষয়ত মৌনতা অৱলম্বন কৰা দেখিছো। নিৰ্লিপ্ত হাঁহি এটি মাৰি মাত্ৰ এয়াৰ হোষ্টেছক ধন্যবাদ দিছে।

মই ক'লো ঃ কিবা এটা লওঁক !

আগৰ সেই নিৰ্লিপ্ত হাঁহি মাৰিয়ে ক'লে ঃ ধন্যবাদ।

ঃ 'লাইট' কিবা এটাকে দিয়ক !

নাই, নাই, একো নালাগে। মূৰ জোকাৰি ভদ্ৰলোকে ক'লে। বেয়া লাগি গ'ল, পানীয়কণ ডিঙিত ঢালি লাটিমৰ দৰে গোমোঠা মাৰি বহি থাকিলোঁ।

পশ্চিমৰ নিয়ম-কানুনৰ বিষয়ে মোৰ একো জনা নাই। কিহৰ পৰা যে কি হয় মই একোৱে নাজানোঁ। শুনিছোঁ অপৰিচিত কোনোবা পুৰুষে কোনো সুন্দৰীৰ লগত যদি নাচিব খোজে, তেতিয়া তেওঁ আপত্তি নকৰে। হাট-বজাৰত বহু লোকৰ সম্মুখত দীৰ্ঘস্থায়ী চুম্বন বোলে ভাতৰ লগত পানীখোৱাৰ দৰে। কিন্তু ৰেস্তোঁৰা নাইবা ট্ৰেনৰ কোঠালীত যদি অপৰিচিত কাৰোবাক প্ৰশ্ন কৰা হয়, ডাঙৰীয়া আপুনি কি কৰে ? আপোনাৰ নামটো জানিব পাৰো নে ? বচ আৰু ৰক্ষা নাই। বুজিব লাগিব মেনাৰ্চৰ শেষ সীমাৰেখা টোপ মাৰি উকৰাই দিয়া হৈছে। ছোৱালীৰ বাথৰুমত ভুল কৰি সোমালেও বোলে ইমানখিনি অপ্ৰস্তুত হোৱাৰ আশংকা নাই !

এইবোৰ একোকে আমি নাজানোঁ। ইমান নিয়ম-কানুনৰ প্ৰশিক্ষণ লোৱাৰ বিষয়েও আমাৰ সোঁৱৰণীত লেখা নাই। অপৰিচিত কাৰোবাৰ লগত কথা পাগুলিব খুজিলে ময়েশ্চাৰ বা হিউমিডিটিৰ প্ৰসঙ্গ নুতুলিলেও হয়। মেট্ৰওলজী অফিচৰ মুণ্ডপাত কৰাৰো দৰ্কাৰ নপৰে। সম্পূৰ্ণ অপৰিচিত কাৰোবাক আমাৰ দেশত অতি সহজতে প্ৰশ্ন কৰা যায় ঃ আপোনাৰ দেশ ? কিমান দৰমহা ? বছৰত কিমানটা বনাচ ? এনে পৰিবেশতে আমি অভ্যস্ত। কিন্তু এই দেশত যি স্বাভাৱিক, সেই দেশত সেয়েই ব্যতিক্ৰম।

মোৰ সহযাত্ৰীক দেখিলো তেওঁ এক স্বতন্ত্ৰ প্ৰকৃতিৰ মানুহ। তেওঁৰ এটিকেট আৰু মেনাৰ্চ দেখিলো। সেই ধৰণৰ এক বিশেষ মেনাৰ্চৰ গোড়ামি তেওঁৰ নাই। মানুহজনৰ প্ৰতি মোৰ কৌতুহল যথেষ্ট। মোৰ বিষয়েও দেখিলো তেওঁৰ আগ্ৰহৰ সীমা নাই।

ক্ষীণ চেহেৰা। বুদ্ধিদীপ্ত তীক্ষ্ণ চকু। সুন্দৰ মুখশ্ৰী। সোণবৰণীয়া চুলি বিলাক এফলীয়াকৈ আঁচোৰা।

আপোনমনেৰে মানুহজনে কৈ গ'ল: ৰাতিপুৱাতেই জুৰিখ পাবগৈ। কপাল ভাল থাকিলে কোনো চুইছ বিমানত এঘণ্টামানৰ ভিতৰতে মিউনিক পাবগৈ। আপুনি জাৰ্মানী জানেনে ?

: কোনো ৰকমে কাম চলাব পাৰোঁ।

: মোৰ গন্তব্যস্থান বেইৰুট। মানুহজনে ক'লে।

মানুহজনৰ নাম উইলিয়ম অৰপেন। লণ্ডনৰ কোনো এখন কাগজৰ সাংবাদিক। কৰ্মস্থল বেইৰুট। মধ্যপ্ৰাচ্যৰ সংবাদ আহৰণৰ কাৰণে সকলো সময়তে আৰৱ ৰাষ্ট্ৰৰ ভিতৰত অহা-যোৱা কৰে। বিশেষ প্ৰয়োজনত ভাৰতলৈ গৈছিল—জম্মু আৰু কাশ্মীৰলৈ। এসপ্তাহ মান বোম্বেতো আছিল। এতিয়া বেইৰুটলৈ উভতি আহিছে।

জাৰ্ণালিজম হয়তো পেশা, কিন্তু ৰাজনীতিতো যে আগ্ৰহ আছে সেই বিষয়ে সন্দেহ নহল। তেওঁ কিন্তু সেই প্ৰসঙ্গ সম্পূৰ্ণ এৰি যাব খুজিলে।

মইও এৰি দিয়া বিধৰ মানুহ নহয়। প্ৰশ্ন কৰোঁ, মধ্যপ্ৰাচ্যৰ পলিটিকেল ভ্যকুয়াম আইচেনহাৱাৰে যি ভাবে সম্পূৰ্ণ কৰিব খুজিছে, সেই সম্পৰ্কে আপোনাৰ মতামত কি ?

মোৰ কথা শুনি হাঁহি উৰুৱাই দিব খুজিলে। মাত্ৰ ক'লে: মোৰ মতামতৰ দামেই বা কি ? তথাপিও লেবাননক দেখিলো বেচ আনন্দিত হৈছে। কিন্তু চিৰিয়া আৰু ডামাস্কাচৰ ৰেডিঅ' খুলিবৰ উপায় নাই। সকলোতে হা-হা কৰি উঠিছে।

মই ৰাজনীতিৰ ছাত্ৰ নহয়। সেই বিষয়ত অলপো আগ্ৰহো নাই। তথাপিও এইখিনি হলে বুজি পাওঁ, এই গোটেই অঞ্চল জুৰি আজি এক নতুনৰ দুৰন্ত আহ্বান শুনা গৈছে। সেই ঠাইত মানুহ চঞ্চল। তেওঁলোকৰ মন আজি বিক্ষিপ্ত।

কাইৰো শতাব্দীৰ কবৰখানাৰ মাজৰ পৰা নবজন্ম লভি আজি দুৰন্ত আবেগত থৰথৰ কৈ কঁপিছে। চিৰিয়াও আজি আঁতৰি থকা নাই। মোৰক্কোই আজি নেপাহৰে মৰক্কো। কোনো মিঠা কথাতে জৰ্ডন আজি সাঙুৰি থকা নাই। নিৰ্ভেজাল খেজুৰ গছে বাগদাদত আজি কিমানখিনিয়ে বা ছায়া বিতৰণ কৰিব?

এই মহাশক্তিৰ উৎস ক'ত?

কিহৰ শক্তিত আজি শত সহস্ৰ জীৱনৰ প্ৰাণ চঞ্চল হৈ উঠিছে। বাৰমুডা? শ্ৰীনেহেৰুৱে কৰিছে কি? কোনোৱে কয় 'ডিচকোভাৰী অব ইণ্ডিয়া'—'ফাইভ—ইয়াৰ-প্লেন'।

কিন্তু মই জানো—'পঞ্চশীলা'।

এয়াৰ ইণ্ডিয়া ইণ্টাৰনেচনেলৰ বাহাদুৰী আছে। ভাৰতীয় খাদ্যক পৰিপূৰ্ণ ভাবে ইণ্টাৰনেচনেল কৰাৰ চেষ্টা কৰিছে। ট্ৰে লৈ এয়াৰ হোষ্টেছ আগুৱাই আহিল। মচলা আদিৰে পৰিপূৰ্ণ এটা কাটলেট্। লগতে সিজোৱা আলু। তাৰ লগতে বিলাহীৰ ৰস। সৰু চাউলৰ বগা ভাত সুন্দৰকৈ এখন প্লেটত সজোৱা। লগতে অলপ আমৰ আচাৰ।

এচামুচ ভাত মুখত লৈ উইলিয়মে কলে: জলা সহ্য কৰিব পাৰিলে মচলা আদিৰে ৰন্ধা ভালেই লাগে। নানান দেশ ঘূৰি ফুৰি মই বেচ সহ্য কৰিব পৰা হৈছোঁ। বোম্বেতে মই ভাৰতীয় খাদ্য খাইছোঁ। মোৰ ভালেই লাগিছে। ইউৰোপত মচলা অচল। আমাৰ দেশৰ খোৱা-মেজত জলকীয়াৰ প্ৰবেশ নিষেধ। জাৰ্মানীততো কথাই নাই, নিমখকে তেওঁলোকে মচলা বুলি জানে।

উইলিয়মৰ কথাত হাঁহি উঠিল। কবলৈ ইচ্ছা হ'ল, চাহাব, তুমিতো ফৰিদপুৰৰ মানুহ নোহোৱা। ভাৰতীয় ৰন্ধাৰ সোৱাদ পাবলৈ হলে তুমি খানখানাপুৰলৈ আহিবই লাগিব। বোম্বেৰ তাজত কুমিল্লাৰ

আখতাৰ বা এক গোৱানীজৰ হাতৰ ভাৰতীয় ৰন্ধা খাদ্যই তুমি খাইছা। ৰস, তৃপ্তি পাবলৈ হলে পদ্মা পাৰ হৈ আহিব লাগিব। তেতিয়াহে ইলিছ মাছৰ জোলেৰে ইউৰোপৰ তিনি কোৰ্চৰ ডিনাৰ একেবাৰতে পাৰ হৈ যাব।

ক’ৰ ‘ইতালীয়ন ৰিচোট্টো’। সেই খাদ্য খালে পলাবলৈ পথ বিচাৰি নাপাব। ওভতাৰ ফালে মাৰাথন দৌৰ আৰম্ভ হৈ যাব। তুলনা কাৰ লগত? ‘হাঙ্গেৰিয়ান গুলাচ?’ কব খুজিছে কওঁক। শুনিবলৈ বেয়া নালাগে। কিন্তু তুলনাটো ল’ৰা ধেমালি নহল জানো? মই জোৰকৈ ক’ব পাৰোঁ, ভিয়েনাৰ ‘স্নিৎচেল’ ইলিছ মাছৰ জোলৰ ওচৰত নিস্প্রভ।

ভোজন পৰ্ব শেষ হ’ল। চিগাৰেট এটি শেষ কৰি নিজৰ ঠাইলৈ উভতি আহিলো। উৰাজাহাজৰ বিৰক্তিকৰ সেই একেইং শব্দ। শ শ মাইল এৰি কিমান নগৰ-চহৰ চুকাযে এৰি থৈ দুৰ্জয় বেগত ক্লান্তিহীন ভাবে গৈ আছে এই আকাশীযান।

কেবিনে কেবিনে কিহবাৰ এক আলোড়ন পৰি গ’ল। বুজিবলৈ বেচ কিছু সময় লাগিল। বুজিলো, প্রাক্‌-শয়ন পৰ্ব আৰম্ভ হৈছে। সাজ-পাৰ সলনি কৰিছে। সকলোৰে সূতাৰ কাপোৰত হাত পৰিছে।

তথাপিও কথাটো পৰিষ্কাৰ নহ’ল। ভিতৰত যিখিনি ঠাণ্ডা, তাতে কোটৰ ওপৰত এটি ওভাৰকোট হলেই বোধহয় ভাল হ’লহেঁতেন। জানুৱাৰীৰ দাৰ্জিলিং নহলেইবা! পুহমাহৰ ধানবাদৰ শেষৰাতিৰ ঠাণ্ডাতকৈ কেবিনৰ অৱস্থা একোতেই সহ্য নহয়। সূতাৰ কাপোৰে কুলাব কিয়?

সূতাৰ কাপোৰেৰে নহ’ল। সকলোকে দেখিলো কম্বল উলিয়াই লৈছে। মূৰৰ পৰা ভৰিলৈকে মেৰুৱাই লৈছে। তেনেহলে ইমান কচৰৎ কৰাৰ কি দৰকাৰ আছিল

ধৰি লব লগা হ'ল এইয়া অভ্যাস। কিন্তু এইয়া কি দেখিছোঁ। এগৰাকী শকত পাঞ্জাবী মহিলাই সোলোক-ঢোলোক সাজপাৰ এজোৰ লৈ টয়লেট-কমলৈ সোমাই গ'ল। 'ভেকেণ্ট'ৰ নির্দ্দেশলিপি নুমাই গ'ল। জ্বলি উঠিল 'এনগেজড্'।

কেবিনৰ উজ্জ্বল পোহৰ সলনি হ'ল। পাতল নীলা ৰঙৰ পোহৰ চাৰিওফালে জ্বলমলাই উঠিল। বহুতেই চকু মুদি বহি আছে। কোনোবাইবা শুইয়ে পৰিল। সন্মুখৰ প্রবীণ ভদ্রলোকজনে ৰিডিং লাইট জ্বলাই কিতাপ হাতত লৈ বহিল।

একোতেই মোৰ মন বহা নাছিল। কি ভাব হৈছিল কিবা এটা পালে ভাল হ'লহেঁতেন। কি ভাবি এটা গিলাচ বিচাৰিলোঁ। এয়াৰ হোষ্টেছগৰাকীয়ে মিঠা হাঁহি এটি মাৰি আতৰি গ'ল।

চকুৰে চকুৰে পৰাত উইলিয়মে হাঁহিলে। দলত টনাৰ চেষ্টা বৃথা। মোক বাধা দি ক'লে ঃ বুজিছোঁ, আপুনি লগ বিচাৰিছে। কিন্তু এই অনুৰোধ নকৰিলেই মই ভাল পাম। ড্রিস্কচ্‌ৰ ভয়ত অপৰিচিত পৰিবেশত ডিনাৰ বা ৰাতিৰ নিমন্ত্রণো মই আজিকালি প্রায় বাদ দিছোঁ। মোক ক্ষমা কৰিব।

মই অলপ অপ্রস্তুত হ'লো, উইলিয়ম যেন অন্যমনস্ক হৈ পৰিল। মোৰ হাতত এয়াৰ হোষ্টেছে এটা গিলাচ তুলি দি গ'ল।

কৌতূহল হ'ল। উইলিয়মক প্রশ্ন কৰোঃ ড্রিস্কচ্ এৰি দিছে কিয়? ডাক্তৰে বোধহয় বাধা দিছে।

উত্তৰ পোৱাত বেচ পলম হ'ল। মোৰ কথাত যেন অপ্রস্তুত হৈ পৰিল। লাহে লাহে মুখখন তুলি ধৰি ক'লেঃ শৰীৰৰ অজুহাত মই নিদিও। এনেয়ে এৰি দিছোঁ।

উইলিয়মৰ কণ্ঠত কিছুখিনি যেন প্রত্যুত্তৰ দিয়াৰ সুৰ নিহিত আছিল।

মই প্রসঙ্গ পৰিবৰ্ত্তন কৰিব খুজিছেলোঁ। কিন্তু উইলিয়মে এৰি

নিদিলে। মোৰ ফালে মুখ ঘূৰাই বহিল। ক'লেঃ আমাৰ দেশত মদৰ অতি সহজ প্ৰচলন আছে। শীতৰ দেশ। ইউৰোপৰ বহুত ঠাইত মানুহে পানীৰ সলনি বীয়াৰ খায়। বুজিছোঁ, আপোনাৰ মনত দ্বিধা জন্মিছে। ড্ৰিঙ্কচ্ এৰি দিয়াৰ কাৰণে বিশেষ হয়তো যুক্তি নাই। কিন্তু মই যে সাহস নাপাওঁ।

সহজ কৰিবলৈ ক'লোঃ কিহবাৰ গোন্ধ পাইছোঁ।

সহজ কিন্তু নহ'ল। এক বিষাদৰ ছাঁ যেন উইলিয়মৰ গোটেই মুখমণ্ডলতে নামি আহিল। মুহূৰ্ত্তৰ কাৰণে কণ্ঠস্বৰ কঁপি উঠিল। ম্লান এটি হাঁহি মুখত খেলি গ'ল। কলেঃ একেবাৰেই। এতিয়া প্ৰায়শ্চিত্ত কৰিছো। সেইয়া বহুত কথা। হয়তো সেই কাহিনী শুনিবলৈ আপোনাৰ ভাল নালাগিব।

উত্তৰত ক'লো ঃ মোৰ অন্যায় কৌতূহলে আপোনাক বিব্ৰত কৰিছে। ক্ষমা কৰিব, মাত্ৰ কথাৰ খাতিৰত কথা কৈছিলোঁ।

মোৰ কথাৰ মাজতেই উইলিয়মে ক'লেঃ আপোনাৰ একো দোষ নাই। এনেকুৱা প্ৰশ্ন আপোনাৰ মনলৈ অহা নিতান্ত স্বাভাৱিক। আহিবই। গোটেই ঘটনাতো নুশুনিলে মোৰ বক্তব্য স্পষ্ট নহব। একোতেই আপোনাৰ সহজ নেলাগিব।

মই উইলিয়মক অতিশয় সংযত চৰিত্ৰৰ মানুহ বুলি ভাবিছিলোঁ। অতি সাধাৰণ প্ৰসঙ্গ এটিৰ কাৰণে কেনেকুৱা যেন ভাবপ্ৰবণ হৈ পৰিল। তুচ্ছ কথা এটিৰ আলমতে তেওঁৰ মন উধাও হৈ গ'ল আৰু জীৱনৰ এক বিচিত্ৰ কাহিনী উইলিয়মে মোৰ আগত উদ্‌ঘাটিত কৰি দিলে—

উইলিয়ম অৰপেন,—আইৰিচ। বাপেকে চাকৰি লৈ লণ্ডনলৈ আহিছিল। হেমাৰস্মিথৰ এক ফ্লেটত থাকে। কোনো এক বিখ্যাত বেঙ্কৰ চাকৰিত তেওঁ আছিল। মানুহজন গোড়া কেথোলিক।

উইলিয়মৰ ইংৰাজী উচ্চাৰণত বিশেষ এটি টান আছিল। লগতে জড়তাও আছিল। স্কুলত পোন প্ৰথমতে তেওঁ অসুবিধা পাইছিল। এজন চকলেট বিলাসী ল'ৰাৰ তাড়ণাত নতুন পৃথিৱীত তেওঁ যেতিয়া সঙ্কুচিত, সেইসময়তে উইলিয়মৰ টমচনৰ লগত দেখা হ'ল।

ধনীৰ ঘৰৰ ল'ৰা টমচন। বাপেকৰ আছিল প্ৰেছ। হেমাৰস্মিথৰ পুৰণি বাসিন্দা।

অতি কম সময়ৰ ভিতৰতে দুয়োজনৰ মাজত এক নিবিড় সম্পৰ্ক গঢ়ি উঠিল। দুয়োজনৰ মাজত বন্ধুত্ব প্ৰগাঢ় হৈ উঠিল। ক্লাচ শেষ হোৱাৰ পিচত দুয়োজনৰ মাজত নানান কথাৰ আদান-প্ৰদান হয়। উইলিয়মৰ পঢ়া শুনাত মন আছিল। টমচন আছিল তেওঁৰ লগৰীয়া। বাপেকৰ চকুত ধূলি দি টমচনৰ ঘৰত গৈ গোটেই দুপুৰীয়াৰ সময়খিনি কটাই দিছিল। ডি এইচ লৰেন্সৰ কিতাপ সেই বয়সতে শেষ কৰি থৈছিল।

তাৰ পিচত কলেজ—লণ্ডন স্কুল অব ইকনমিকচ্। টমচনৰ একমাত্ৰ ভবিষ্যত সপোন, তেওঁ সাংবাদিক হ'ব। লিখাত উইলিয়মৰ সুন্দৰ হাত আছিল। ঠিক কৰিলে, দুয়োজনে মিলি এখন সাদিনীয়া কাগজ উলিয়াব। টমচনৰ বাপেকৰ প্ৰেছেই হ'ল ভৰসাস্থল।

সময় আৰু সময়। কলেজৰ দিন বিলাক পাৰ হৈ গ'ল। টমচনে কৈছিল : মিউজিয়মত বহি মাত্ৰ কিতাপ পঢ়িছ, আৰু ৰাতিয়ে দিনে চিনেমা থিয়েটাৰ চাই সময় কটাইছ। কিন্তু আমাৰ কাগজ সম্পৰ্কে জানো কিবা ভাবিছ ?

উইলিয়মে কৈছিল : বিশুদ্ধ সাহিত্যচৰ্চ্চা। সাদিনীয়া কাগজ আমি দুয়োজনে উলিওৱা টান হ'ব। মাহেকীয়াই কৰিব লাগিব। বৰদিনৰ দিনাখন আমাৰ কাগজৰ হব শুভ উদ্বোধন।

টমচনে কৈছিলঃ তই মাত্ৰ কলম ধৰ। মই ললো মেনেজাৰী। দেউতাৰ প্ৰেছৰ কাম মই হাতত লওঁ।

কিন্তু উইলিয়মৰ কলম ধৰাও নহ'ল। বাপেকৰ প্ৰেছৰ কামো টমচনৰো হাতত লোৱা নহ'ল। ৰাইফল লৈ শ শ সৈনিকৰ লগত জাহাজত উঠিব লগা হ'ল।

তাৰ পিচত এক বিচিত্ৰ জীৱন কাহিনী। মৃত্যুৰ সমুখাসমুখিকৈ থিয় হৈ দিনৰ পিচত দিন দেশে-বিদেশে তেওঁলোক ঘূৰি ফুৰিব লগা হ'ল।

বেচ কিছুদিনৰ পিচত। বহুত বিপদ পাৰ হৈ চিঙ্গাপুৰৰ ওচৰৰ পাহাৰৰ সামান্য এটি টিলা দখল কৰিবলৈ গৈ টমচনে এক গুৰুতৰ আঘাত পালে। অতি সোনকালে তেওঁক সামৰিক হস্পিটাললৈ স্থানান্তৰিত কৰা হ'ল। বিহ্বল উইলিয়মে ভাবিবলৈকে সময় নাপালে। এসপ্তাহমানৰ ভিতৰতে তেওঁ চিঙ্গাপুৰৰ ৰণাঙ্গণ এৰি কোনো নতুন অজানা পথৰ আহ্বানত ওলাই পৰিল।

ভৰপূৰ জাহাজ খালি হৈ গ'ল খিদিৰপুৰত। কিছুমান গ'ল অসমলৈ। যি কোনো মুহূৰ্ত্তত ৰাওনা হোৱাৰ অপেক্ষাত এটা বিৰাট দলৰ লগত উইলিয়ম কলিকতাত ৰৈ গ'ল।

এমাহমানৰ পিচত টমচনৰ নিজ হাতে লিখা চিঠি উইলিয়মৰ হাতত পৰেহি। ভালেই আছে। তেওঁ বৰ্ত্তমান ভাল হৈ উঠিছে।

কিছুদিন পিচত টমচন হস্পিটালৰ পৰা ওলাই আহিল। সেই খবৰ যেতিয়া উইলিয়মে পালে তেওঁ তেতিয়া ইম্ফলত। তেতিয়ালৈকে শত্ৰুপক্ষ পিচ হুহুকিছে। একেলগে বাসত্তৰ ঘণ্টা মেচিনগান চলোৱাৰ পিচত উইলিয়মে কলম হাতত লৈ বহিল। টমচনক জনালে: মই নদি ক'ব পাৰো আগন্তুক শীতত আমি হেমাৰস্মিথলৈ উভতি যাব পাৰিম। ইয়াত শত্ৰুপক্ষ সম্পূৰ্ণভাবে বিধ্বস্ত হৈছে। ইত্যাদি......... ।

উইলিয়মৰ অনুমান মিছা নহ'ল। ফেব্রুৱাৰী মাহত ইয়াল্টা কনফাৰেন্স। মে মাহত ৰাছিয়াৰ বাৰ্লিন অধিকাৰ। আগষ্ট মাহৰ প্ৰথম সপ্তাহত নাটকীয় ভাবে হিৰোশ্বিমা আৰু নাগাচাকিৰ ধ্বংস স্তূপৰ মাজত ভয়ঙ্কৰ যুদ্ধৰ যৱনিকা।

টমচন ঘৰ পোৱাৰ দুসপ্তাহ পিচতে উইলিয়মো আহি পালেহি। ক্লান্ত দেহ। অৱসন্ন মন। গোটেই ইউৰোপতে শ্ৰান্তি।

অতি উৎসাহী টমচনে ক'লেঃ এইবাৰ আমাৰ কাগজৰ কথা ভাবিচাব লাগে উইলিয়ম।

উইলিয়মে উত্তৰত ক'লেঃ কলমৰ চিয়াহী শুকাই গৈছে। বাৰুদৰ গোন্ধ এতিয়াও যেন হাতত লাগি আছে। অপেক্ষা কৰ, সকলো হ'ব।

টমচনে অপেক্ষা কৰিলে। কিন্তু সকলো নহ'ল। সেই দোষ হ'লে উইলিয়মৰ নহয়। কাগজৰ ভীষণ নাটনি। অকল জুই-ছাই দামেই নহয়, বজাৰত গোটোৱাও সহজসাধ্য নাছিল। তাৰোপৰি সেইসময়ত কাগজ উলিওৱাটো বাধা আছিল প্ৰচুৰ।

টমচনে এখন দৈনিক কাগজত সাংবাদিকৰ কাম ললে। দিনৰ বেচিভাগ সময় উইলিয়ম মিউজিয়মৰ কিতাপৰ মাজতে ডুবি থাকিল। মঞ্চ আৰু চিনেমাৰ সমালোচনাৰ কাম এটি হাতলৈ আহিল। ক্লেনবুড্‌নোৰ এখন সাপ্তাহিক কাগজৰ লণ্ডন প্ৰতিনিধিৰ কাম এটিও সেই সময়তে হাতলৈ আহিল।

টমচন সাংবাদিক। উইলিয়ম হ'ল সমালোচক। দুয়োজনেই কেইবছৰমানৰ ভিতৰতে যথেষ্ট সুনাম অৰ্জ্জন কৰিলে। উইলিয়মৰ সামান্য এটি কলমৰ আচোৰত বহুত অভিনেতাৰ ৰঙ্গমঞ্চৰ দুৱাৰ বন্ধ হৈ যায়। আৰু তেওঁৰে পক্ষপাতিত্বত কোনো অভিনেত্ৰীয়ে টি-ভিৰ পৰা প্ৰমোচন পায় চিনেমালৈ।

এদিনাখন আবেলি। প্ৰেছৰ জৰুৰী তাগিদাত উইলিয়মে তেওঁৰ লেখা প্ৰায় শেষ কৰি আনিছে, ঠিক এনে সময়তে তেওঁৰ কোঠালৈ

সোমাই আহিল ডায়না ৰো। 'টি-ভি' ত সুন্দৰ অভিনয় দেখি উইলিয়মে তেওঁৰ কাগজত খুব জোৰে কলম চলাইছিল। সেই কাৰণে ডায়নাই তেওঁক কৃতজ্ঞতা জনাবলৈ আহিছিল।

সৰল উইলিয়ম আপ্যায়নত ব্যস্ত হৈ পৰিল। বিনয়ৰ হাঁহি মাৰি ক'লেঃ চেম্পেন নে চেৰী ?

একোঠালি আনন্দৰ হাঁহিৰে ডায়নাই মূৰ জোকাৰি ক'লেঃ উহু, একোকে নালাগে।

ঃ একপাত্ৰ কিবা এটা ?

ঃ নাই, নালাগে।

ঃ এপিয়লা কফিও জানো নাখায় ?

ঃ প্ৰয়োজন নাই।

ঃ তেনেহলে ?

ঃ আপোনাৰ লগত বহি কথা ক'বলৈ পালেই মই সুখী হ'ম।

হঠাতে কোনো এক জোকাৰনিত যেন উইলিয়মৰ টোপনি ভাঙি গ'ল। কথা-বাৰ্ত্তা, চাল-চলনত ইমান মাধুৰ্য্য উইলিয়মৰ চকুততো কোনোদিনাখনে পৰা নাছিল। কামৰ কথা অতি সামান্য। বহুত কথা, আৰু বহুত কিবাকিবি। ডায়নাক তেওঁৰ অসম্ভৱ ভাল লাগি গ'ল। গোটেই দেহ আৰু মনত সুৰবাহাৰৰ তৰঙ্গৰ দৰে এক মিঠা হিল্লোল কঁপি কঁপি দূৰৈত মিলি গ'ল। ডায়না অকল সুন্দৰীয়ে নহয়—অপৰূপো।

সকলো ওলট-পালট হৈ গ'ল। সকলোতে গোলমাল হব ধৰিলে। মিউজিয়মলৈ অহা-যোৱা কমি গ'ল। ঠিকসময়ত প্ৰেছে তেওঁৰ লিখা নোপোৱা হ'ল। হেমাৰস্মিথৰ ফ্লেটলৈ টমচন আহি বহুতবাৰ উভতি গৈছে। উইলিয়মৰ ডায়নাৰ লগত ডিনাৰ আদি খাওঁতে ঘৰলৈ ওভতোতে বহুত পলম হৈ যায়গৈ। আহোতে বাটত মাত্ৰ ভাবিছে বৰদিনত ডায়নাক লৈ ক'লৈ যাব। ব্যাকপুল নে স্কাৰবাৰলৈ ?

এদিনাখন উইলিয়মে টমচনক ক'লে ঃ ডায়না নিতান্ত প্ৰতিভা-সম্পন্না। আজি হয়তো তেওঁ অনাদৃত। কিন্তু ভৱিষ্যতত তেওঁ এক বিৰাট প্ৰশ্ন। দায়িত্ব অকল তেওঁৰ নহয়। কিছুপৰিমাণে দায়িত্ব তেৰো লব লাগিব—টমচনো পিচত থাকিব লাগিব। তেওঁৰ কাগজতো যেন ডায়নাৰ কাৰণে ঠাই থাকে।

ৰসিকতা কৰি টমচনে ডায়নাক কৈছে ঃ আপোনাৰ খাতিৰত পূৰা এক কলম ঠাই কাগজত ৰাখিম। প্ৰয়োজন হলে হাইড পাৰ্কত চাহৰ বাকচত থিয় হৈ ডিণ্ডি ফালি চিঞৰিম।

ঠিক সেইদিনাখনে জৰুৰী টেলিগ্ৰাম পাই উইলিয়ম তেওঁৰ ঘৰলৈ গুচি গ'ল। ইতিমধ্যে বাপেকে বেঙ্কৰ চাকৰিৰ পৰা অৱসৰ লৈ দেশলৈ গুছি গৈছে। ঘোঁৰাৰ মুখত লাগাম লগাবলৈ গৈ গোড়া-কেথোলিক বাপেকে মাৰাত্মক আঘাত পাইছে। যোৱাৰ সময়—উইলিয়মে ডায়নাৰ লগত দেখা কৰি যোৱাৰ সময়কণো নাপালে।

তেওঁৰ উভতি আহোতে বেচ পলম হৈছিল। প্ৰায় এমাহ পিচতহে তেওঁ লণ্ডনলৈ উভতি আহিছিল।

সেইদিনাখন তুয়োজনৰ মাজত কথা-বতৰা হৈছিল। বাহিৰত তুৰ্য্যোগ। প্ৰচণ্ড বৰষুণ চহৰৰ ওপৰত! কথাৰ লাচতে ডায়নাই ক'লে ঃ টি-ভি'ত অভিনয় কৰা মই এৰি দিছোঁ।

আচৰিত হৈ উইলিয়মে প্ৰশ্ন কৰে ঃ কিয় ?

ডায়না কেইটিমান মুহূৰ্ত্ত মনে মনে ৰ'ল। তাৰ পিচত সুন্দৰকৈ হাঁহি এটি মাৰি উত্তৰ দিলেঃ টমচনে পছন্দ নকৰে।

ক্ষতি বহুমূলীয়া পানীয় বিস্বাদত ভৰি উঠিল। সহজভাবে হোৱা কথাৰ মাজতে এই তুচ্ছ কথাটিয়ে হঠাতে অহা বতাহৰ দৰে যেন সকলো ওলট-পালট কৰি দিলে। নাচৰ ছন্দ হেৰাই গ'ল। এটা কথাই মাত্ৰ বাৰে বাৰে উইলিয়মৰ মনলৈ আহিল ঃ টমচনে পছন্দ নকৰে !

পিচদিনাখন উইলিয়মে টমচনক সুধিলেঃ 'টি-ভি' লৈকে তই ডায়নাক যাবলৈ বাৰণ কৰিছ ?

টমচনে উত্তৰ দিয়াত পলম কৰিলে। অলপ যেন অপ্ৰস্তুতো। কিছুপৰিমাণে যেন লজ্জিতও। বেচ কিছুসময় মনে মনে থাকিল। তাৰ পিচত ক'লেঃ মই ডায়নাক যাবলৈ বাৰণ কৰি দিছোঁ। তই মোৰ অকৃত্ৰিম বন্ধু। শুনি ভাল পাবি, ডায়নাক মই ভাল পাওঁ। এই বিৰল প্ৰতিভা আবিষ্কাৰ কৰিছ তইয়ে। তোৰ ওচৰত মই চিৰদিন ঋণী হৈ থাকিলোঁ।

ভগ্ন হৃদয় লৈ উইলিয়ম উভতি আহিল। নিজৰ মনৰ কথা কাক ক'ব। ভাৰাক্ৰান্ত হৃদয় লৈ পথে পথে ঘূৰি ফুৰিছে। টমচনকে বা তেওঁৰ কি ক্ষুবলগীয়া আছে ? ডায়নাকে বা কি দোষ দিব ? ডায়নাইতো তেওঁক কোনোদিনাখনে আশাৰ বাণী শুনোৱা নাছিল। তেওঁ নিজেই হৈছে বেহিচাবী। চতুৰ ছোৱালী ডায়না। মিঠা কথাত, সহজ ব্যৱহাৰত, তেওঁৰ সহজ দুৰ্বলতাক এৰাই গৈছে।

উইলিয়মে নিজকে সংযত কৰিবলৈ চেষ্টা কৰিছে। সহজ হবলৈ চেষ্টা কৰিছে। কিহৰ অভিমান ? অভিযোগে বা কাৰ ওপৰত ? কিন্তু বন্ধুত্বৰ কিবা এটি যেন ক'ৰবাত হেৰাই গৈছে। উইলিয়মে ধৰিব পৰা নাই। হয়তো টমচনেও।

কিছুদিন পিচত দুটা ঘটনা ঘটিল। টমচন আৰু ডায়নাৰ বিয়া হৈ গ'ল। তাৰ পিচত এমাহো নগ'ল। কোৰিয়াৰ এখন ইংৰাজী কাগজত সম্পাদকৰ চাকৰি লৈ টমচন চিউললৈ গুচি গ'ল।

লগতে ডায়নাও গ'ল।

উইলিয়ম কামৰ মাজতে ডুবি যাব খুজিলে। কিন্তু সেই লণ্ডন চহৰ সেই একে ৰেস্তোঁৰা আৰু হেমাৰস্মিথৰ ফ্লেট ; কেনেকুৱা যেন অসহ্য লাগিল। বৃটিছ মিউজিয়মৰ কিতাপেও তেওঁৰ মনক যেন শাসন কৰিব নোৱাৰা হ'ল।

এই দৰেই বেচ কিছু দিন হৈ গ'ল। হঠাতে এদিনাখন উইলিয়মৰ ওচৰলৈ কোনো এখন বিখ্যাত সংবাদপত্ৰৰ ভ্ৰাম্যমান ৰিপোৰ্টাৰৰ এটি চাকৰিৰ প্ৰস্তাব আহিল। উইলিয়মে চুক্তিপত্ৰ নোচোৱাকৈ সম্মত হৈ গ'ল। তিনি ঠাইত তিনিটা চাকৰি। বন. বেইৰুট আৰু পিকিং। উইলিয়মে বেইৰুটকে বাচি ললে।

চিউলৰ পৰা তিনি পাত ভৰ্ত্তি চিঠি টমচনৰ পৰা আহিল। বহুত কথা, বহুত প্ৰশ্ন আৰু উচ্ছ্বাসৰে ভৰা! অতি সুন্দৰ টমচনৰ চিঠিখনে তেওঁক যেন মুগ্ধ কৰিলে। ইটো-সিটো কথাৰ পিচত টমচনে দুখ কৰিছে: বিশুদ্ধ সাহিত্য চৰ্চ্চাৰ ফালৰ পৰা চাবলৈ গলে আমাৰ হেমাৰস্মিথৰ ঘৰেই প্ৰকৃত তীৰ্থক্ষেত্ৰ। ৰাজনীতিৰ নানান মেৰপাকত প্ৰাণ অতিষ্ঠ হৈ উঠিছে। ৰাজনৈতিক বদনামীসকলৰ মন ৰাখিবলৈ গৈ নিজৰ স্বকীয় সত্ত্বা নিঃস্ব হবলৈ ধৰিছে। তোৰ নতুন কাম কেনে লাগিছে? বোধ হয় খুব অপচন্দৰ হোৱা নাই···ইত্যাদি।

উইলিয়মে উত্তৰ দিলে: তই পৰিছ ৩৮ পেৰেলেলৰ জালত। আৰু মই সৰ্কলো ঠাইতে ঘূৰি ফুৰিছো। ৰাজনৈতিক চুলিয়া-চুলি ইয়াতে বা কি কম? এতিয়াহে ভাবিছো পিকিং বা বনেই মোৰ কাৰণে ভাল আছিল।

তীব্ৰ গতিত সময় গৈ আছে। ঘটনা ঘটিছে বহুত। অঘটনো কম ঘটা নাই। উইলিয়মৰ চিঠি টমচনে ঠিক সময়তে পায়। উত্তৰ দিওতে টমচনেও পলম নকৰে। এই দৰেই সুদীৰ্ঘ চাৰি বছৰ পাৰ হৈ গ'ল।

গতানুগতিক জীৱন। কেনেকুৱা যেন ক্লান্তিকৰ। তথাপিও নতুন দেশত নতুন মানুহৰ মাজত আৰু আচৰিত খবৰত উইলিয়মে বোধহয় নতুনত্বৰ কিছু সংবাদ পায়।

এদিনাখন ৰাতি উইলিয়মে টমচনলৈ লিখিবলৈ বহিল: কালিলৈ পুৱাতে বাণ্ডুংলৈ যাম। সেই অঞ্চলত হৈ-চৈ লাগিছে। 'চিডো'ৰ

খুটিৰ জোৰ কিমান খিনি টান এইবাৰ বুজা যাব। পিকিংৰ খুব হাত আছে বুলি ভাব হোৱা নাই।' এই দেশৰ নেতাসকল যেতিয়াই-তেতিয়াই দিল্লীলৈ গৈছে। শ্ৰীজৱহৰলাল নেহৰু সম্পৰ্কে তোৰ মতামত কি? বাণ্ডুংৰ পৰা তোলৈ সকলো লিখিম ইত্যাদি।

পিচদিনাখন জাকাৰ্তা। তাৰপৰা মাত্ৰ আধা ঘণ্টাৰ বাট বাণ্ডুংলৈ।

দহ দিনমান মৰিবৰ সময়ে নাছিল। অপৰ্য্যাপ্ত সংবাদ আহৰণ কৰিছে। দেশবিদেশৰ নেতাসকলৰ মুখৰ খবৰৰ পিচত উন্মাদ হৈ ঘূৰি ফুৰিছে।

ৰাতি হোটেললৈ আহি উইলিয়মে এখন টেলিগ্ৰাম পালে।

টমচনৰ আমন্ত্ৰণঃ বাণ্ডুংৰ পৰা তই চিউললৈ আহিবি। এসপ্তাহমান তই ইয়াত থাকি গলে আমাৰ দুয়োজনেৰে ভাল লাগিব। তই ক্লান্ত। তোৰ বিশ্ৰামৰো দৰকাৰ। তই যেন আহ।

মন স্থিৰ কৰিবলৈ অৱশ্যে বৰ বেচি সময় লগা নাছিল। দ্বিধা অৱশ্যে হৈছিল। দুদণ্ড ভাবিব লগা হৈছে। টমচন তেওঁৰ শ্ৰেষ্ঠ বন্ধু। কিন্তু ডায়না জানো আগৰ দৰে সহজ হব পাৰিব?

হাতৰ কাম শেষ কৰাত এসপ্তাহমান সময় লাগিল। ছুটীও যোগাৰ হ'ল।

নতুন দেশৰ নতুন কিছু বস্তুৰ বজাৰ কৰিলে। কিবা ভাবি নিজৰ অনুমানতে ডায়নাৰ কাৰণে 'চাবং-কেবায়া'—ইন্দোনেচিয়া'ন ছোৱালী সকলৰ অতি প্ৰচলিত পোচাক এজোৰা কিনি পেলালে। ওৰণীৰ দৰে এটুকুৰা চিত্ৰ-বিচিত্ৰ 'চ্ল্যানডাং'ও দোকানীয়ে উইলিয়মৰ হাতত গুজি দিলে।

তাৰ পিচত পোনে পোনে চিউল।

টমচনৰ একো পৰিবৰ্ত্তন হোৱা নাই। অলপো সলনি হোৱা নাই ডায়না। অৱশ্যে চেহেৰাৰ কিছু পৰিবৰ্ত্তন হৈছে। দেহটি আগৰ দৰে ক্ষীণ নহয়—ভৰা ভৰা। চকুৰ চঞ্চল চাহনিত স্নিগ্ধ গভীৰ দৃষ্টি।

টমচনে সুধিলে: বাণ্ডুংৰ পৰা আহিছ, লগত কি আনিছ?

উইলিয়মে উত্তৰ দিছে: 'চীংম্যান ৰী'ৰ ওপৰত থিয় হৈ মই কব পাৰো শ্ৰীনেহেৰুৰ তুলনা নাই। এই মহান মানুহজনে মোক মুগ্ধ কৰিছে। সেই কাৰণে তোৰ কাৰণে লগত আনিছো 'পঞ্চশীলা'। ডায়নাৰ হাতত কাগজৰ টোপোলাটো দি ক'লে: এয়া আনিছো তোমাৰ কাৰণে।

গল্প! গল্প! গল্প! দিনেৰাতিয়ে মাত্ৰ গল্প। ইমান দিনে দুয়োজনৰ কিমান কথা জমা হৈছিল। ডায়নাৰ কি নিখুঁত আপ্যায়ন। টমচনৰ অকৃত্ৰিম ভালপোৱাত উইলিয়ম অভিভূত হৈ পৰিল।

টিলাৰ ওপৰৰ ঘৰটো অকল সুন্দৰে নহয় নয়নাভিৰামো। সুন্দৰ ফুলৰ বাগিছা। টেনিচ খেলিবৰ কাৰণে সেউজীয়া কাৰ্পেটৰ দৰে এখন পথাৰ। চাৰিওফালে ফুলেৰে পৰিপূৰ্ণ। কোৰিয়াৰ আভিজাত্য ধৰণেৰে ঘৰৰ ছাল ইটাবৰণীয়া বালিৰে সুন্দৰভাবে সজোৱা। বাৰাণ্ডাৰ পৰা নগৰৰ বহুতখিনি চকুত পৰে।

ঘৰটো অকল টমচনৰে নহয়। কাগজৰ লগত সম্পৰ্ক থকা আন দুটি পৰিয়ালো ইয়াতে বাস কৰে।

সুন্দৰভাবে দুদিনমান পাৰ হৈ গ'ল। ৰাতিপুৱা কোৰিয়ান খানা। তাৰ পিচত হেন নদীৰ ফালে ফুৰিবলৈ যোৱা, দুপৰীয়া বাণ্ডুংৰ গল্প, চিউলৰ 'টমে অব ওবাৰ'। আবেলি 'ভিক্টৰী ডান্স হল'ত অতি সুন্দৰ পানীয়। ডায়নাৰ হাতৰ অতি সুন্দৰ ডিনাৰ। গভীৰ নিশালৈ পলিটিক্সৰ মুণ্ডপাত।

পিচদিনাখন কিবা এটা আছিল। সেই কাৰণে টমচনে কেইজন-মানক নিমন্ত্ৰণ কৰিছিল। নিমন্ত্ৰণ আছিল পানীয় বিধৰ কাৰণে।

বাগানত সুন্দৰকৈ বেতৰ চকীবোৰ সজোৱা হৈছিল। আকাশ আছিল নিকা। বাহিৰত ঝিৰ-ঝিৰকৈ বতাহ বলিছিল। মিঠা পৰিবেশ চৌদিশে।

সেইদিনাখন ডায়নাই অতি সুন্দৰ পোচাক পিন্ধিছিল। 'চাৰং-কাবায়'ৰে খুব সুন্দৰ দেখাইছিল। অতিথি আপ্যায়নত ব্যস্ত ডায়নাৰ অস্থিৰ সুডৌল দুয়োখন হাতৰ ওপৰত মিহি বিচিত্ৰিত 'স্ল্যানডাং'। অনবৰত ওঁঠত লাগি থকা হাঁহিটোৱে ডায়নাক সুন্দৰ কৰি তুলিছিল।

সেই আবেলিটো বেচ জমিছিল। উইলিয়ম এখন টেবুলত। তেওঁৰ সম্মুখত বহিছিল ডায়না! টমচন আছিল সোঁফালে। বাওঁ-ফালে মিঃ কিম্। মিঃ কিম্ স্থানীয় এখন কাগজৰ সম্পাদক। দক্ষিণ কোৰিয়াৰ সাংবাদিক জগতৰ এজন নেতৃস্থানীয় ব্যক্তি।

এইদৰে বহুত সময় পাৰ হৈ গ'ল। বিচিত্ৰ ৰঙৰ নানান লোভনীয় পানীয়। তাৰোপৰি নানান কথা। মূল্যহীন অবাস্তব কথাই বেচি। প্ৰায় টেবুলতে পলিটিক্সৰ কথা। কোনো এখন টেবুলত চোপেনহাৱাৰৰ পৰা আইচেনহাৱাৰ। প্ৰসঙ্গ উঠিছে পেভলভত আৰু শেষ হৈছে পিকাচোত। উইলিয়মৰ কিন্তু সঙ্গতিবিহীন এই পৰিবেশ ভালেই লাগিছিল।

এনে সময়তে এখন প্ৰকাণ্ড গাড়ী আহি উপস্থিত হ'লহি। প্ৰায় দৌৰিয়ে এজন আহিল। জৰুৰী বাৰ্ত্তা বহন কৰি আনিছে। চীং-ম্যান ৰীয়ে জৰুৰী এক প্ৰেচ কনফাৰেন্স মাতিছে। আজি ৰণ-কৌশলত দক্ষ এজন মাৰ্কিন আহিছে। তেওঁ হেনো কিবা নতুন পৰিকল্পনা লৈ আহিছে। গতিকে এক মুহূৰ্ত্তও নষ্ট কৰাটো বোলে মূৰ্খামী হ'ব।

টমচনৰ লগত প্ৰায় সকলো খৰধৰকৈ ওলাই গ'ল। একমাত্ৰ মিঃ কিম্ নগ'ল। উইলিয়ম, ডায়না আৰু মিঃ কিম ৰৈ গ'ল।

টেবুলত থপৰিয়াই মিঃ কিমে ক'লে ঃ কী-মিৰ সেনৰ শক্তিতো আজি কম নহয়। এই কথা আজি মই চাৰি বছৰ ধৰি লিখি আছোঁ। নিজ স্বাৰ্থৰ খাতিৰত আমেৰিকা আজি সকলো শক্তি লৈ আগবাঢ়ি অহা দৰ্কাৰ।

নীৰব শ্ৰোতা হিচাবে উইলিয়মৰ সুনাম আছিল। মনে মনে তেওঁ মিঃ কিমৰ কথা শুনি গৈ আছিল। মাজে মাজে কেতিয়াবা অৱশ্যে সহঁাৰিও দিছিল।

কথাৰ হয়তো শেষ নাই কিন্তু পানীয়ৰ শেষ নিশ্চয় আছে। কিন্তু সেই শূন্য পাত্ৰ ভৰি উঠিবলৈয়েবা কিমান সময় ?

ডায়নালৈ চাই চাই উইলিয়ম অন্যনমস্ক হৈ গ'ল। সুন্দৰ মুখশ্ৰীত যেন এক কিহবাৰ অৱসাদ লাগি আছে। শূন্য দৃষ্টিৰে সম্মুখলৈ চাই আছে। কি চাইছে, কি ভাবিছে ডায়নাই ?

ডায়না যেতিয়া কোঠালৈ সোমাই গ'ল তেতিয়ালৈকে তেওঁৰ ভৰি কঁপি আছিল। হঠাতে উইলিয়ম সচেতন হ'ল যে তেঁৱো প্ৰকৃতিস্থ নহয়। মিঃ কিমক যেতিয়া ধৰাধৰিকৈ ড্ৰাইভাৰে গাড়ীত তুলিলে তেতিয়া ৰাতি গভীৰ।

নীৰৱতা। অন্ধকাৰ। পোৰ্টিকত ক্ষীণ পোহৰৰ এটি বাম্ব জ্বলি আছে। উইলিয়ম উঠিব খুজি পৰি গ'ল। সেইদৰেই টেবুলত মূৰ থৈ কিছু সময় মনে মনে পৰি থাকিল। তাৰ পিচত অতি সাৱধানে লাহে লাহে চিৰিৰ ফালে আগুৱাই আহিল।

ক'ত ভৰি পৰিছে একোকে ক'ব নোৱাৰে। তেওঁ যেন শূন্য গহ্বৰত ক্ৰমাগত খোজ পেলাই শূন্যতে ক্ৰমাগত আগবাঢ়ি গৈ আছে।

চোৰৰ দৰে লাহে লাহে আহি তেওঁৰ কোঠাত সোমালহি। অৱসন্ন গধুৰ দেহটো কোনো ৰকমে বিছনাত এৰি দিলে।

কিহৰ এক শব্দত উইলিয়মৰ টোপনি ভাঙি গ'ল। চকু মেলি দেখে যে পোহৰ হৈছে। সমুখত এজনী কোৰিয়ান ছোৱালী, বাওঁহাতত এখন ট্ৰেৰ এক প্ৰান্তত ধৰা অৱস্থাত; মাটিত হাতৰ যাবতীয় বস্তুবোৰ পৰি চূৰ্ণ-বিচূৰ্ণ হৈ গৈছে। ছোৱালীজনীৰ চকুত যেন এক বিস্ময়। নিশ্চুপ শিলৰ দৰে তাই থিয় হৈ আছে।

দুই এখন মুখ খিৰিকীৰে ভুমুকি মাৰিলেহি। উইলিয়মৰ যেন কেনেবা কেনেবা লাগিল। সিহঁতে তেওঁলৈ সেইদৰে কি চাইছে।

বিছনা এৰি উঠিবলৈ গৈ যি চকুত পৰিল—সেই দৃশ্য দেখি নিজৰ চকুকো যেন বিশ্বাস কৰিব পৰা নাই। বিস্ময়ৰ যেন শেষ সীমা পাইছেগৈ। তেওঁৰ বিছনাত ডায়না? পিন্ধনত ৰাতিৰ সেই 'চাৰং-কাবায়া'। এটি বিশেষ ভঙ্গী লৈ শুই আছে। কাৰ কোঠাত, তেওঁ ক'লৈ আহিছে?

খিৰিকীৰ পৰা দুখন মুখ আতৰি গ'ল। আচৰিত হৈ উইলিয়ম থিয় হ'ল। সেই মুহূৰ্ত্তে ডায়নাইও সাৰ পাই উঠিল। উইলিয়মক দেখি বিস্ময়ত চিঞৰি উঠিল।

পাগলৰ দৰে চলং-পলংকৈ উইলিয়ম কোঠাৰ পৰা ওলাই আহিল।

দুৱাৰৰ সমুখত টমচন। মূৰ তলকৈ উইলিয়ম ওচৰৰ কোঠালৈ সোমাই গ'ল। সেই কোঠাটোলৈ যিটো কোঠাত তেওঁৰ থকাৰ বন্দোৱস্ত হৈছিল।

উইলিয়মে টমচনক বুজাব পৰা নাছিল। ৰাতি তেওঁ কোঠা ভুল কৰিছিল। হুইস্কীৰ আমেজত তেওঁ জ্ঞান হেৰুৱাই পেলাইছিল। ডায়নাও যে অপ্ৰকৃতিস্থ আছিল এই কথাও বুজাব পৰা নাছিল। টমচন স্তব্ধ। চকুত তেওঁৰ মৃত মানুহৰ দৃষ্টি।

কাজিয়া নহয়। ' অপ্ৰীতিকৰ একোৱে ঘটা নাছিল। টমচনে

একো কথাই কোৱা নাছিল। কিন্তু এই সন্দেহ কেনেকৈ দূৰ হ'ব? উইলিয়মে জানো যুক্তিৰে বুজাব পাৰিব?

কিন্তু উইলিয়ম সেইদিনাখনে চিউল এৰি গুচি আহিল। পৰাজিত, বিধ্বস্ত সৈনিকৰ দৰে নহয়। অন্ধকাৰত, চোৰৰ দৰে।

এমাহমান পিচত উইলিয়মে খবৰ পালে, টমচনৰ লগত ডায়নাৰ বিবাহ বিচ্ছেদ হৈছে। তাৰ পিচত উইলিয়মে কোনো খবৰে ৰখা নাই।

উইলিয়মৰ কাহিনী শেষ হ'ল।

কেনেকুৱা যেন তন্ময় হৈ গৈছিলোঁ। প্ৰকৃতিস্থ হবলৈ কিছু সময় লাগিল। কোনো কথাই মোৰ মুখলৈ নাহিল। স্তব্ধ হৈ বহুত সময় মাত্ৰ চাই থাকিলোঁ। ম্লান হাঁহিৰ ক্ষীণ ৰেশ উইলিমৰ লাহে লাহে মিলি গ'ল।

ক'লে ঃ সেই তেতিয়াৰ পৰাই মোৰ ড্ৰিঙ্কচলৈ ভয়। অতি দুৰ্মূল্য পানীয় দেখিলেও আজি মোৰ মন বিস্বাদত ভৰি উঠে। মদ মই পুনৰ স্পৰ্শ নকৰোঁ।

উৰাজাহাজৰ গতানুগতিক শব্দৰ পৰিবৰ্ত্তন হ'ল। এইবাৰ মাটি স্পৰ্শ কৰিব। ঘূৰি ঘূৰি তললৈ নামি আহিল।

উইলিয়মে ক'লেঃ বেইৰুট।

গেঙ্গওৱেৰে উইলিয়মৰ লগত নামি আহিলোঁ। বিমানঘাটিৰ জনশূন্য বিৰাট ঘৰটো পোহৰত জলমলাই আছে।

ট্ৰানজিষ্ট কাউণ্টাৰত ৰূপহী এজনী লেবানীজ তৰুণীৰ হাতত আমি দুজনে পাচপোৰ্ট জমা দি সোমাই আহিলোঁ।

দেখিলোঁ উইলিয়মৰ সুন্দৰ বুদ্ধিদীপ্ত চকুদুটিত ক্লান্তি। দৃষ্টিত কেনেকুৱা যেন ৰিক্ততা।

জানোঁ, উইলিয়ম এজন বিখ্যাত সাংবাদিক। কূটনৈতিক ক্ষেত্ৰত

হয়তো তেওঁ অভিজ্ঞ। আনহাতে সংবাদ পৰিৱেশনৰ অতি সুন্দৰ কৌশলো তেওঁ আহৰণ কৰি লৈছে। ৰোমাঞ্চকৰ খবৰৰ কাৰণে পৃথিৱীৰ এক প্ৰান্তৰ পৰা আন প্ৰান্তলৈকে ঘূৰি ফুৰে। আজি এই দেশত, কালিলৈ হয়তো দেখা যাব আন এখন দেশত। জীৱনত যশ নাইবা ঐশ্বৰ্য্যৰ হয়তো কোনোদিনাখনে অভাব নহব।

কিন্তু শান্তি? অপ্ৰস্তুত এই মানুহজনে সেই ৰিক্ততা কিহেৰে ঢাকিব। নাটকত সংশোধন চলে—কিন্তু জীৱনত? অতি প্ৰিয়জনৰ মৃত্যুৰ কথা পাহৰা যায়। ব্যৰ্থ প্ৰেমৰ হতাশা দূৰীকৰণৰ বাবেও হয়তো কিছু সময় লাগে। কিন্তু উইলিয়ম যে নিজৰ ওচৰতে প্ৰতাৰক। সেই প্ৰতাৰণাৰ ক্ষতিপূৰণ তেওঁ আজীৱন দি যাব লাগিব। চিউলৰ সেই ৰাতিপুৱা, টমচনৰ চকুৰ শূন্য প্ৰশ্ন তেওঁ পাহৰা সহজ নহয়। পাহৰা সহজ নহয় ৰাতিপুৱা বিছনাত দেখা ডায়নাক। পিন্ধনত তাৰ আছিল 'চাৰং—কাবায়া'।

জুৰিখ্! প্যাৰী! লণ্ডন!

চাৰিওফালৰ নীৰৱতা ভাঙি এজনী ছোৱালীৰ কণ্ঠস্বৰ শুনা গ'ল। ম্লান হাঁহি এটিৰে উইলিয়মে মোৰ লগত কৰমৰ্দন কৰিলে: আপোনাৰ লৈতে ইমান দূৰ বৰ আনন্দেৰে আহিলোঁ। আপোনাৰ যাত্ৰা শুভ হওক।

বিদায় লৈ উইলিয়ম গুচি গ'ল!

ধুনীয়া গাভৰু গৰাকীয়ে পাচপোৰ্ট ওভতাই দিলে। প্ৰায় জনশূন্য বিমানঘাটিত আধা অন্ধকাৰত যমদূতৰ দৰে উৰাজাহাজখন ৰৈ আছে।

গেঙ্গৱেৰেৰে উঠি আহোঁতে চকুত পৰিল, ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে—'ৱেলকাম টু লেবানন'।

এনেধৰণৰ আমন্ত্ৰণত আমি অভ্যস্ত নহয়। এনেধৰণৰ একো লিখাই চাণ্টাক্ৰুজ্ নাইবা দমদমত চকুত পৰা নাই। সেই স্থান দখল

কৰি আছে ঃ বৰ্মা শ্বেল ! নহলে সেই ঠাইত দেখা যায় 'কে. এল. এম' নাইবা 'এয়াৰ ফ্ৰান্স'।

আমি বিশেষ ব্যৱহাৰিক সৌজন্যক খাটিৰ নকৰোঁ। 'থেঙ্ক ইউ'ৰ কিবা অনুৰূপ শব্দ আমাৰ ভাষাত আছে বুলি মোৰ জনা নাই। বিচাৰিলে হয়তো পোৱা যাব 'ধন্যবাদ'। কিন্তু পৰিপূৰ্ণ পৰিপূৰক হ'ল জানো? এয়া যেন 'চেক্স'ৰ অসমীয়া ৰূপ 'যোনি'ৰ দৰে শুনায়!

আকৌ যাত্ৰা আৰম্ভ। এইবাৰ পোনে পোনে জুৰিখ। কলিকতাত হাইকোৰ্টৰ ট্ৰাম চলা আৰম্ভ হৈ গৈছে। কৰ্পোৰেচনৰ গোটেই বাটতে গঙ্গাজল ঢলা হৈ গৈছে। হকাৰৰ খবৰৰ কাগজ বিলোৱা শেষ হৈ গৈছে। দূৰ গাৱঁত ডেলহাউচীগামী ডেইলী পেচেঞ্জাৰৰ স্নান পৰ্ব শেষ হৈ গৈছে। পূবৰ বগা আকাশ হৈছে ৰক্তিম।

কিন্তু ইয়াত অৱস্থাৰ ভিন্নৰূপ। যিমান দূৰ দৃষ্টি যায় চাৰিওফালে মাত্ৰ অন্ধকাৰ। ভাব হ'ল প্ৰাকৃতিক ভূগোলৰ কাৰণে আকাশৰ এনেকুৱা অৱস্থা হৈছে। সূৰ্য্যক পিচত পেলাই পশ্চিম ফালে আগুৱাই গৈছোঁ। ইয়াত ৰাতিপুৱাবলৈ এতিয়াও বহু সময় বাকী।

শুই পৰিছিলোঁ। চকু মেলি চাই দেখো যে টয়লেট ৰুম অধিকাৰ কৰা লৈ ৰীতিমত ব্যস্ততা আৰম্ভ হৈ গৈছে। পুৰুষতকৈ ডবল সময় লাগিছে ছোৱালীৰ। দাড়ি খুৰাবলৈ হয়তো নালাগে। কিন্তু গাল সজাবলৈ আছে। তাৰোপৰি আছে ওঁঠৰ প্ৰসাধন। গোঁফ নাই, কিন্তু ভুৰু আছে।

ছোৱালী বোৰৰ মাজতে আকৌ দেখিলো ব্যতিক্ৰম। ধুনীয়া ইংৰাজ গাভৰুৰ য'ত লাগিব ছয় মিনিট সময়, প্ৰৌঢ়া ফৰাচী মহিলাৰ তাতে লাগিল তেৰ মিনিট। গ'ল যেন কেচাঁমাল, কিন্তু উভতি আহিল ৰঙবিৰঙৰ মেৰোৱা মহাৰ্ঘ এক 'ফিনিচড্ প্ৰডাক্ট'। পূৰা সোতৰ মিনিট পিচত ওলাই আহিল পাঞ্জাবী মহিলা। দোকানৰ সমস্ত কলাকৌশলক আকোৱালি ধৰাত সুন্দৰীৰ অপগত যৌবন

বৰ বেয়াকৈ প্ৰস্ফুটিত। তাত চেষ্টাকৃত সাধনা অৱশ্যে আছে, কিন্তু আকৰ্ষণ নাই।

ৰাত্তিপুৱাই এজন পাঞ্জাবী ভদ্ৰলোকৰ লগত পৰিচয় হ'ল। সামান্য ভাবেই হোৱা পৰিচয়তে বুজিলো এওঁ বিপজ্জনক চাহাব। প্যাৰীলৈকে আহিছে। মামাকৰ ঘৰলৈ আহিছে ভনী জোঁৱাই।

তেওঁৰ মামাকক চিনি নোপোৱা কাৰণে তেওঁ বেচ আচৰিত হৈছে। এনেকুৱা ভাৱ দেখুৱালে যেন মোৰ গোটেই জীৱনৰ শিক্ষা-দীক্ষা সকলো ব্যৰ্থ হৈ গ'ল। বোম্বেলৈ মোৰ প্ৰায়ে অহা-যোৱা কৰা হয় যেতিয়া তেওঁৰ মামাকক চিনিব নোৱাৰৰ কোনো কাৰণেই নাই।

ভদ্ৰলোকে হাঁহি হাঁহি কলেঃ হাউ ফানি! ইউ ডোণ্ট নো মাই আংকল। হি ইজ এ গ্ৰেট ম্যান অব বম্বে।

আৰু শুনিলো সমুদ্ৰ পাৰত সজোৱা সোতৰটি ঘৰৰ মালিক এই যোগীন্দ্ৰ সিং। বিশেষ এখন মাৰ্কিন মোটৰ গাড়ীৰ একমাত্ৰ এজেণ্ট। পাঠানকোটৰ পৰা জম্মুলৈকে বোলে তেওঁৰে গাড়ী দিনে ৰাতিয়ে অহা-যোৱা কৰে।

এতিয়াহে যেন অলপ বুজিব পাৰিলোঁ। এনেয়ে 'গ্ৰেট', তাৰ ওপৰত আকৌ বোম্বেৰ 'গ্ৰেট'। তথাপিও ভয়ে ভয়ে ক'ব লগা হ'ল : পাৰহ্যাপচ ইউ আৰ মিচটেকেন .....ইউ মিন ইয়োৰ আংকল ইজ এ 'বিগ' ম্যান আই প্ৰিজিউম্?

সশব্দে ভদ্ৰলোকজনে হাঁহি উঠিল। কলে : ম্যাটাৰচ্ লিটল্ ......বিগ মেন্ আৰ অলৰেজ গ্ৰেট মেন্।

শুনিবলৈ হয়তো বেয়া। কিন্তু কথা হলে সত্য। আমাৰ দেশত আজিকালিতো যোগীন্দ্ৰ সিঙহঁতৰে দিন। একে জাপে চেম্বাৰ্চ অব কমাৰ্চ। দুহাতেৰে টকা ছটিয়াই লোকসভাৰ আসন লোৱা তেনে গ্ৰেটমেনৰ নিশ্চয় অভাৱ নহ'ব।

অলপতে হয়তো যোগীন্দ্ৰ সিঙৰ প্লেনিং কমিচনত হাত পৰিব। 'উপ' কথাতো হয়তো বেয়া কিন্তু 'উপমন্ত্ৰী'নো বেয়া কিহত। যোগীন্দ্ৰ সিং 'বিগ' ম্যান, সেই কাৰণে প্ৰতি পদে পদে 'গ্ৰেটনেচ' দেখা যাবই।

জুৰিখ পালো। অকল ঠাণ্ডাই নহয় লগতে বৰষুণো নামিছে। ভাবিছিলো ঠাণ্ডাতে বৰফ হৈ যাম। আকাশ অসহিষ্ণু। গোমোঠা বতৰ। কিন্তু বিশেষ বেয়া নালাগিল। আমাৰ দেশত ইউৰোপৰ শীত সম্বন্ধে অলপ বঢ়াই কোৱা হয়।

আকাশীজাহাজৰ পৰা নামিয়ে দেখিলোঁ। বহুত ৰঙা ছাটি হাতত লৈ ছুগৰাকী যুৱতী ছোৱালী। যাত্ৰীসকলৰ হাতত এটা এটাকৈ দি আছে। ৰঙা ছাটিৰ এক সুন্দৰ শোভাযাত্ৰা যেন সমুখলৈ গৈ আছে।

এজন ভদ্ৰলোকে চিঞৰি উঠিল ঃ হেৰ জেন্। হেৰ জেন্!

চুইজাৰলেণ্ডত প্ৰধানত ছুটি ভাষা প্ৰচলিত। পূবত জাৰ্মান, পশ্চিমত ফ্ৰান্স। জুৰিখত জাৰ্মান, জেনেভাত ফ্ৰান্স। ইয়াত চক্ৰবৰ্ত্তী হয় চাক্ৰাবাটি, মিঃ দত্তক এওঁলোকে কয় হেৰ ড্যত। ঠিক সেই দৰেই মই ৰূপান্তৰিত হৈছো হেৰ জেনলৈ।

নিজৰ উপস্থিতিৰ বিষয়ে হাত দাঙি জনালোঁ। মোৰ গাৰ ছাল দেখিয়ে ভদ্ৰলোকে ইংৰাজীতে কথা আৰম্ভ কৰিলে। এটি এন্‌ভেলাপ হাতত তুলি দি বিদায় ললে। এয়াৰ ইণ্ডিয়াৰ জুৰিখত থকা অফিচে লিখিছে, মোৰ মিউনিকলৈ পেচেজ আছে আবেলিৰ প্লেনত। চিঠিৰ লগতে টিকটো, বানহোফ'ত লাঞ্চ ব্যৱস্থা থাকিব।

কিন্তু বুকিং অফিচে মোক হতাশ কৰিলে। ঠাই নাই। আবেলিৰ প্লেনত কোনো ঠাই নাই। কালিলৈ পুৱাৰ আগতে তেওঁলোকৰ কৰাৰ একোৱে নাই। এতিয়াই বোলে এখন প্লেন মিউনিকলৈ যাব। আপত্তি নথাকিলে তাতে বোলে মোৰ কাৰণে ঠাই ৰখা অসম্ভৱ নহয়।

পাম্প নোহোৱা বেলুন যেন পুনৰ বতাহেৰে ভৰি উঠিল। এই মুহূৰ্ত্তত জুৰিখত থকা আগ্ৰহ মোৰ নাই উত্তৰ দিলোঁ : কুচপৰোৱা নেহি, উচিমে দিজিয়ে।

জুৰিখৰ পৰা মিউনিক। এঘণ্টা মানৰ পথ। কলিকতাৰ পৰা বাগদোগৰা নহয়—বালুৰ ঘাট। মাত্ৰ মেঘ। মূৰৰ ওপৰত সূৰ্য্য ক'ত? তলত আত্মচৰ চিহ্ন মাত্ৰ নাই।

এজনী দীৰ্ঘকায় চুইচ ৰমনীয়ে অতি সুন্দৰ দেহভঙ্গীমাৰে অহা-যোৱা কৰি আছে। ভাৰসাম্য বজাই ৰাখি হাতে হাতে কফি হাতত তুলি দি গৈ আছে।

মিউনিকৰ আকাশো সহিষ্ণু নহয়। ইয়াতো বৰষুণ আৰু ৰঙা চাটি। লগতে শুল্ক বিভাগ।

আপত্তিকৰ একো নাথাকিলেও শুল্ক বিভাগ সম্পৰ্কে মোৰ এক সাংঘাটিক ভয় আছিল। এতিয়া দেখিলো মোৰ ভয় সম্পূৰ্ণ অমুলক। মোৰ চুটকেচটো লণ্ডভণ্ড নহ'ল। চকুতো তেনেকুৱা শেনচৰাইৰ দৃষ্টি নাই। মাত্ৰ প্ৰশ্ন কৰিলে কি পৰিমাণৰ মুদ্ৰা মোৰ পকেটত আছে। বেগ খুলি দেখুৱাৰ প্ৰয়োজন নহ'ল।

দুই মিনিট মানৰ ভিতৰতে কাৰ্য্য সমাধান হ'ল। 'গুটেন্‌টাক' 'ভিডাবজেহেন' বুলি কৈ এৰি দিলে।

ৰক্ষা পালোঁ। বিমানঘাটিৰ টেলিফোন হাতৰ ওচৰতে পোৱা গ'ল। অফিচৰ ঠিকনাও বিচাৰি পোৱাত পলম নহল। ফোনেৰে ক'লো : অযময়ং ভো।

উত্তৰ আহিল : তিষ্ঠ ক্ষণকাল।

পোন্ধৰ মিনিট মানৰ ভিতৰতে এজন ভদ্ৰলোক এখন 'ওপেল ক্যাপিটেন' লৈ উপস্থিত হ'লহি। বগা দাঁতপাৰি উলিয়াই মোক অভ্যৰ্থনা কৰিলে : খৰ খেদাকৈ গাড়ীত উঠক, বেলৰ কাৰণে বেচি সময় নাই মিঃ হেৰ জেন।

এখন হাতেৰে স্বচ্ছন্দে মোৰ গধুৰ চুটকেচটো হাতত তুলি ললে।

গোটেই বাটটো নিজে পেকপেকাই গ'ল। মিউনিকত শীত নাই। ডিৰেক্টৰ গৈছে চিকাগোলৈ। মই আহি পোৱাৰ সংবাদ নিউৰেমবাৰ্গৰ অফিচলৈ জনোৱা হৈছে। ইত্যাদি।

ৰেলৱে ষ্টেচন।

কুলি আদিৰ চিনেই নাই। মোৰ বিৰাট চুটকেচতো ভদ্ৰলোকে দাঙি ললে। 'কৰে কি' বুলি মই বাধা দিলোঁ। কিন্তু ভদ্ৰলোকে গ্ৰাহ্যই নকৰিলে। এখন প্ৰথম শ্ৰেণীৰ টিকেট কিনি আনি মোক ৰেলত উঠাই দিলেহি।

শীতৰ দেশ। তথাপিও ষ্টেচনৰ ওপৰত কোনো আচ্ছাদন নাই। যথেষ্ট পৰিষ্কাৰ। অতিশয় পৰিচ্ছন্ন। হাওৰা ষ্টেচনৰ দৰে নহয়— বোম্বেৰ টি ভি ৰ লগত হয়তো অলপ তুলনা কৰিব পৰা যায়।

ষ্টেচনত ফেৰিৱালাৰ উৎপাত নাই। 'চা-গৰম' 'চাই পাণ,' বা 'চিক্ৰেট' ধ্বনি কাণলৈ নাহিল।

ভদ্ৰলোকে মোক অভয় দিলে। বগা দাঁত জোৰ উলিয়াই কলে : আপোনাক নিবলৈ কাৰখানাৰ গাড়ী আহিৰ্ব।

গাড়ী এৰি দিয়াৰ সময় হ'ল। হাত জোকাৰি মোৰ পৰা বিদায় ললে।

কৃতজ্ঞতাত মোৰ মূৰ দোঁ খাই আহিল। ক'লো : ফিলেন ডাঙ্ক্।

এটি সুন্দৰ হাঁহি ভদ্ৰলোকৰ মুখত দেখা গ'ল। ভাব হ'ল যেন বহুত দিনৰ চিনাকি। যেন বহুতদিনৰে পৰিচয় মোৰ লগত।

গাড়ী এৰি দিলে। পুনৰ মই ক'লোঃ ফিলেনডাঙ্ক। ভদ্ৰলোকজনে উত্তৰ দিলে : গুটে ৰাইজে।

বৈদ্যুতিক গাড়ী। কোঠাৰ কাষেৰে কৰিডোৰ। ওচৰা ওচৰিকৈ বহুত কোঠালী। এটি কোঠাত ছয়জনকৈ বহাৰ ব্যৱস্থা। মুখামুখিকৈ তিনিজন।

মোৰ কোঠাত এজন বৃদ্ধ ভদ্ৰলোক। লগত তেওঁৰ স্ত্ৰী। কৰিডোৰেৰে ফেৰিৱালাই ট্ৰলী ঠেলি লৈ গৈ আছে। কফি, ৰুটি, মাখন আৰু চকোলেট। আনকি কোকো-কোলাও।

চিগাৰেট জ্বলাই আৰাম কৈ বহিব খুজিলোঁ। কোঠাৰ বেৰত দেখিলো গোট গোট আখৰেৰে লিখা আছেঃ 'নিষ্ট ৰাউখেন'। অৰ্থাৎ ধূমপান নিষেধ।

এনেধৰণৰ নিৰ্দ্দেশ আমাৰ দেশতো আছে। অকল ৰেলগাড়ীতে নহয় কলিকতাৰ ট্ৰাম বাচতো। ৰেলত এই বাধ্যতামূলক অনুশাসন মোৰ চকুত পৰিছে বুলি মনত পৰা নাই।

চিগাৰেটটো পুনৰ সুমুৱাই থলোঁ। বেচ ঠাণ্ডা বতাহ। ৰিম্ ঝিম্ ৰিম্ ঝিম্ কৈ বৰষুণ পৰি আছে।

বৃদ্ধ ভদ্ৰলোক তেওঁৰ স্ত্ৰীৰ লগত কোনো এক বিশেষ আলোচনাত ব্যস্ত। মইও ক্লান্ত। মুৰটোও গধুৰ গধুৰ লাগিছে। আকাশত এ'কটা শব্দ, যান্ত্ৰিক শব্দ যেন এতিয়াও কাণত বাজি আছে। গোটেই শৰীৰতে এক অৱসাদ নামি আহিছে।

নিউৰেমবাৰ্গ।

সস্ত্ৰীক ভদ্ৰলোকে খিৰিকীৰে মুখ উলিয়াই মোৰ কাৰণে ব্যস্ত হৈ পৰিল। মোৰ চুটকেচটো দেখি বাহিৰলৈ চাই মাতিবলৈ ধৰিলেঃ গেপেক্‌ট্ৰেগাৰ! গেপেকট্ৰেগাৰ।

কিন্তু ক'ত কুলি। ক'তো গেপেকট্ৰেগাৰৰ চিহ্নমাত্ৰই নাই।

মই লাজ পালোঁ। হাঁহি ক'লোঃ মোৰ চুটকেচ মই নিজেই বহন কৰিম। আপোনালোক ব্যস্ত নহব।

কিন্তু কোনে কাৰ কথা শুনে। খিৰিকীৰে মুৰটো উলিয়াই দি চকুৰ চশমাজোৰ ঠিক কৰি লৈ পুনৰ মাতিব ধৰিলেঃ গেপেকট্ৰেগাৰ।

অৱশেষত এজন মিলিল। মোক ভাল দৰে চাই-মেলি গম্ভীৰ মাতেৰে ক'লেঃ আইনে মাৰ্ক চোৱানচিক্।

কয় কি ? সেয়া যে প্ৰায় দেৱটকাৰ সমান।

কিন্তু এয়াতো হাওৰা নহয়।—নিউৰেমবাৰ্গ। এয়া জাৰ্মানী। আনন্দিত হোৱা যেন দেখুৱাই ক'লো ঃ তথাস্তু।

এনেয়ে জানো এই দেশত নিজৰ মাল নিজে কঢ়িয়ায়।

বহা ঠাই এৰি উঠিব খোজোতেই চকুত পৰিল। মোৰ ঠিক পিচতেই এটি সৰু কেবিন। ইমান সময়ে চকুতে পৰা নাছিল। দুৱাৰখন টানোতেই নিৰ্দ্দেশ চকুত পৰিল। একেবাৰে অপ্ৰস্তুত হৈ হৈ গ'লো। ধুমপানৰ বাবে বেলেগ কোঠাৰ কথা ভাবিবই পৰা নাছিলো !

ক'লা ৰঙেৰে গোট গোটকৈ লিখা আছে ঃ ৰাউখেন্।

পাভচিয়ন !

বাটৰ কাষতে আঢ়ৈতলাৰ ঘৰ। দুই মহলাৰ বাৰাণ্ডাৰ থিয় হ'লে নিউৰেমবাৰ্গ চহৰৰ বহুতখিনি চকুত পৰে। দূৰৈত ফুয়েৰ্থ— কাৰখানাৰ চিমনিৰ ধোঁৱাৰ বাদামী ৰেশ।

এই কাৰখানাৰ ডাঙৰ চাহাবৰ লগত মোৰ আগৰে পৰা পৰিচয় আছিল। কলিকতাত পৰিচয় হৈছিল। দুই এটি বিভাগত আমদানী-ৰপ্তানীৰ ভয়ানক অসামঞ্জস্য লক্ষ্য কৰি কিছুদিন আগতে বোম্বে কলিকতা ঘূৰি আহিছে।

অতিশয় সদালাপী। হাঁহি থকা মুখখনৰে ভালেখিনি আপোন-ভোলা মানুহ যেন লাগিছিল। অমায়িক সন্দেহ নাই, কিন্তু বুদ্ধিত দেখিলো অতি প্ৰখৰ। চকুৰ ফালে চাই কথা কয়। কাৰোবাৰ সম্পৰ্কে সন্দেহ হলেও ওঁঠত তেওঁৰ হাঁহি লাগিয়ে থাকে।

দিল্লীৰ চৰকাৰী অফিচবোৰত পাঞ্জাবীসকলৰ অখণ্ড প্ৰতাপ লক্ষ্য কৰি বুজিলো, কাম আদায় কৰিবলৈ হলে অকল বগা চামৰাৰে নহ'ব। ইয়াত ইঞ্জিনিয়াৰৰ যোগ্যতাতকৈ ৰাজনৈতিক দক্ষতাৰ

প্ৰয়োজন বেচি। সময়ত তেওঁলোকৰ লগত নচা-নচিও কৰিব লাগিব। ওড়নাৰলীৰ চোফাৰ হেংগেলত বহি তাচ নিৰ্বাচনতো সাহায্য কৰিব লাগিব। 'অশোক হোটেল'ৰ কৰিডোৰত হঠাতে দেখাদেখি হোৱাৰ 'চিচুয়েচন' তৈয়াৰ কৰি লব লাগিব। টোকিওত বগা চামৰাৰ নিৰ্ব্বাসন হ'ল।

মোক তেওঁৰ ওচৰলৈ মাতি নি কোনো ভণিতা নকৰাকৈ এখন টাইপ কৰা কাগজত চকু ৰাখি পোনে পোনে প্ৰশ্ন কৰিলে: আপুনি হেনো অইন ক'ৰবাত চাকৰীৰ চেষ্টা কৰিছে?

প্ৰস্তুত হৈয়ে গৈছিলোঁ। উত্তৰত কৈছিলোঁ: হয় সঁচা কথা। অফিছত জনাই সকলো কৰিছোঁ। অমুক অফিছে মোক বিচাৰিছে। তমুক কোম্পানীয়ে মোক ইমান দৰমহা দিবলৈ ৰাজী আছে।

কিছুসময় মনে মনে থাকিল। তাৰ পিচত ক'লে: অহা শীতকালত আপোনাক আমি জাৰ্মানীলৈ পঠিয়াম।

হাঁহি এটি মাৰি ক'লো: তাতে মোৰ কি লাভ হ'ব?

উত্তৰত ক'লে: কোম্পানীৰ স্বাৰ্থও আপোনাৰ চোৱাটো দৰকাৰ।

মুখৰ ওপৰতে উত্তৰ দিলোঁ: কোম্পানীৰ স্বাৰ্থৰ বিষয়ে মই সদায় ভাবোঁ। আৰু সেই কাৰণেই অহা শীতকালিত মোৰ জাৰ্মানীলৈ যোৱাৰ ইচ্ছা নাই। শীতৰ শেষতহে বছৰৰ সকলোতকৈ বেচি কাম। কোম্পানীৰ স্বাৰ্থৰ খাতিৰত আপোনাক এই কথা ভাবি চাবলৈ কম।

মোৰ কথা যেন ভদ্ৰলোকে সহজতে বুজিব নোৱাৰিলে। কলিকতা অফিচৰ 'বৰ চাহাব' ওচৰতে আছিল। তেওঁৰ ফালে চাওতে ক'লে: মিঃ সেনে ঠিকেই কৈছে। এই দেশত চৰকাৰী হিচাবত বছৰৰ আৰম্ভ হয় এপ্ৰিল-মাৰ্চৰ শেষ। এই দেশৰ চৰকাৰেই আমাৰ ডাঙৰ গ্ৰাহক। জানুৱাৰীৰ পৰা মাৰ্চলৈকে

তেওঁলোকৰ কিনা-মেলাৰ ধুম বেচি। শীতকালত মিঃ সেনকে ভাৰতৰ বাহিৰলৈ পঠোৱা ঠিক নহ'ব।

মোৰ মুখৰ পৰা ভৰিলৈকে এবাৰ চাই ললে। তাৰ পিচত সামান্য হাঁহি এটি মাৰি ক'লে: আপোনাৰ কথা মোৰ মনত থাকিব। মোক ভাবিবলৈ দিয়ক। হঠাতে আপুনি যেন একোকে নকৰে।

পিচদিনাখন পুনৰ মোক মাতি পঠিয়ালে। ক'লে: আপুনি জাৰ্মানী জানে?

উত্তৰ দিছিলো: সামান্য। কাম চলাব পাৰোঁ। কাজিয়া হলে কৰিব নোৱাৰোঁ।

ভদ্ৰলোকে হোঁ হোঁ কৈ হাঁহি উঠিল। ক'লে: আপুনি মোৰ লগত তৰ্ক কৰিব? আপোনাৰ সাহসতো কম ন'হয়।

মইও হাঁহিছিলোঁ। কিন্তু মোৰ হাহি ওঁঠত। আৰু তেওঁৰ হাঁহি ডিঙিৰ।

হাঁহি সংযত কৰি ক'লে: আপোনাৰ যদি বিশেষ অসুবিধা নহয় দয়া কৰি মোৰ লগত এবাৰ ওলাবনে? কলিকতাখন চাব খোজো।

সেইদিনাখন ভদ্ৰলোকক গোটেই কলিকতাখন দেখুৱালোঁ। কালিঘাটৰ পৰা আৰম্ভ। কেওড়াতলা শ্মশান ঘাট, পৰেশনাথৰ মন্দিৰ, আলিপুৰৰ কিতাপমহল, আৰু জন্তু-জানোৱাৰ। দিন শেষ হল শিৱপুৰ বাগানত।

'গ্ৰেট ইষ্টাৰ্ণত' নমাই দি গুচি আহিব খুজিছিলো। কোটত টান মাৰি ক'লে: নপলাব! মোৰ লগত আহক।

কোঠাত সোমাই ৰিচিভাৰ দাঙি লৈ ক'লে: আপোনাৰ ঘৰলৈ ফোন কৰক। খবৰ দিয়ক যে আপুনি ইয়াত ডিনাৰ খাই যাব।

মোৰ লগত বহুত গল্প কৰিলে। কিন্তু অফিচ বা কাৰখানা সম্পৰ্কে হ'লে নহয়। দেশ-বিদেশৰ নানা কথা।

সেইদিনাখন বহুত ৰাতিহে ঘৰলৈ উভতিছিলোঁ। পিচদিনাখন তেওঁ বোম্বেলৈ গুচি গ'ল।

এই দেশলৈ আহি মোৰ অৱশ্যে অথাই সাগৰত পৰাৰ সম্ভাৱনা নাই। তেওঁৰ পক্ষপাতিত্বত মোৰ হলে বহুত সুবিধা হৈছে। অৱশ্যে দেখা হলে সহস্ৰ যোজন দূৰৈত থাকিলে কথা কয়। কিন্তু এইখিনি হলে বুজিছো মচলাবৰ্জিত আহাৰৰ বাহিৰে মোৰ আন কোনো অসুবিধা হবলৈকে তেওঁ নিদিয়ে। ইয়াত মই ভালেই আছোঁ।

পাওচিওন ঠিক হোটেল নহয়। প্ৰায় বৰ্ডিংৰ দৰে। কিন্তু কলিকতাৰ 'মহামায়া বোৰ্ডিং'ৰ লগত হলে ইয়াৰ তুলনা নচলে!

ইয়াতে গভীৰ নিশা মূৰত সুগন্ধি তেল ঘঁহিবলৈ কোনো অবিনাশ বাবু সাৰে থকা নাই। স্ত্ৰীৰ পত্ৰ আনৰ হাতত পৰাৰো আশঙ্কা নাই। সুবিধা বুজি উড়ীয়া ঠাকুৰক অনুৰোধ কৰি ভাত খোৱা পাতত ডাঙৰ মাছৰ টুকুৰা দিবলৈ কোৱাৰো কোনো সুযোগ নাই।

পাওচিওনত ইয়াৰ কোনো সুযোগ নাই। লাঞ্চ বা ডিনাৰৰ কোনো নাম-গোন্ধেই নাই। ইয়াত ব্ৰেকফ্ৰাষ্টৰ চিনমাত্ৰও নাই।

মজলীয়া ধৰণৰ ঘৰ। পৰিষ্কাৰ-পৰিচ্ছন্ন। সকলো ধৰণৰ প্ৰয়োজনীয় বস্তু আছে। মেজত পাৰি থোৱা আছে কাৰ্পেট। বিছনাও।

পাওচিনত গৃহকৰ্ত্তা নাই—গৃহকৰ্ত্ৰী আছে।

মধ্যবয়সীয়া এগৰাকী মহিলাই ইয়াৰ মালিক। সকলোৰে সুখ-সুবিধাৰ কাৰণে প্ৰখৰ দৃষ্টি। কিবা কোৱাৰ আগতেই হাতৰ ওচৰত সকলো পোৱা যায়।

আমি যেনেকৈ চাহ খাওঁ এওঁলোকে তেনেদৰে খায় কফি। চাহ বনোৱাৰ পদ্ধতি দেখিলে জ্বলি উঠিব লাগে। দেশত হোৱাহেঁতেন কিবা কৰা গ'লহেঁতেন, কিন্তু চল্লিচ ফেনিগ দি চাহ খোৱা মানে বেঁত্তোৱা এৰি পলাই অহাৰ বাদে অন্য উপায় নাই।

গডিকে বাভিপুৱা সেইবাবেই কফি খোৱাই কৰিছোঁ। লগত মাখন বা জাম লগোৱা ব্ৰোয়েট্চন। তাৰ পিচত পোনে পোনে কাৰখানা। দুপৰীয়াৰ লাঞ্চত স্নিৎচেল্ আৰু আলু। লগতে প্ৰচুৰ পৰিমাণৰ চালাড্। প্ৰয়োজন হলে আৰু এক প্লেট কিকাবলিঙ্গেন। ৰাতি চিকেন, লগত ব্ৰোয়েট্চেন্। বিয়াৰেৰে দিন শেষ কৰিব লগা হয়।

সোৱাদ বুলি কোনো পদাৰ্থ স্নিৎচেলত নাই। জলাৰ নাম-গোন্ধেই নাই। মাংসৰ কাটলেট্ত পিয়াজ নাই। পিয়াজক বাদ দি মাংসৰ কিবা আমি একোৱে ভাবিবই নোৱাৰোঁ। এয়া যেন ৰবি-শঙ্কৰৰ চেতাৰ আছে—অনিবাৰ্য্য কাৰণত কেৰামৎউল্লা অনুপস্থিত।

শনিবাৰ। আজিৰ দিনটো ছুটি আছিল। অফুৰন্ত অৱসৰ। শুই থাকোতেই দিনটো গৈছে। আবেলি এবাৰ ঘুৰি আহিম বুলি ভাবিছিলোঁ। এনেতে হেৰ টলাৰ আহি উপস্থিত হ'লহি।

মানুহজনৰ লগত অলপদিনতে বেচ জমি উঠিছিল। ৰেস্তোৰাঁত সামান্যভাবে হোৱা পৰিচয়তে অতি সহজ ভাবেই তেওঁ মোৰ কোঠালৈ সোমাই আহিছে।

মোৰ কোনো কামত আহিলেই তেওঁ খুব আনন্দিত হয়। তেওঁৰ পৰামৰ্শ নোলোৱাকৈ কিবা কিনিলে তেওঁ ভাল নাপায়। 'ঠাণ্ডা ডিনাৰ' তেওঁ মোক খাবলৈ বাৰে বাৰে মনা কৰিছে। কৈছে : মোৰ বোলে একেবাৰে অভ্যাস নাই। কোনো কথা নাই, অসুখত পৰি যাম বোলে। শুক্ৰবাৰৰ বাহিৰে আনদিনা মাছ খাবলৈ মনা কৰিছে, কেথোলিক সকলে শুক্ৰবাৰে মাংস নাখায়। সেই কাৰণে বোলে হাটে-বাজাৰে হোটেল বা ৰেস্তোঁৰাত সেইদিনাখন ভাল মাছ পোৱা যায়। সেইদিনাখনেই বাহি হোৱাৰ ভয় নাই।

হেৰ টলাৰ প্ৰৌঢ়। বেচ টনকিয়াল চেহেৰা। তপা মুৰ। বেচ হাঁহিব পাৰে। অসুৰৰ দৰে খাটিবও পাৰে।

হেৰ টলাৰ ইয়াৰ স্থানীয় মানুহ নহয়। ফ্ৰাঙ্কফুটৰ দক্ষিণ হানাউৰ অধিবাসী। চাকৰীৰ বাবে ফুয়েৰ্থত আছেহি। কৰ্মস্থল গ্ৰুণ্ডিগৰ কাৰখানা।

তেওঁৰ মুখত গ্ৰুণ্ডিগৰ গল্প শুনি মই আচৰিত হৈ গৈছোঁ।

যুদ্ধৰ আগতে গ্ৰুণ্ডিগে ৰেডিঅ' মেৰামত কৰিছিল; ভাল কামৰ অজুহাতত পৰিচিত পৰিবেশত যথেষ্ট সুনাম আছিল।

হঠাতে এদিনাখন আহ্বান আহিল। ৰেডিঅ'ৰ যন্ত্ৰপাতি পেলাই গ্ৰুণ্ডিগ যুদ্ধলৈ গ'ল। ক'ত ক'ত ঘুৰিছে তেওঁ? প্যাৰী, ইউক্ৰেন নে গ্ৰীচ? সঠিক তথ্য তেওঁৰ জনা নাই। কিন্তু দিন যায়। ভয়াবহ যুদ্ধৰ শেষত গ্ৰুণ্ডিগ দেশলৈ উভতি আহে।

ৰণক্লান্ত সৈনিক দেশলৈ উভতি আহিল। চাৰিওফালে মাত্ৰ হতাশা। মাত্ৰ প্ৰশ্ন। উত্তৰ নাই কেনিও। নতুন মানুহৰ ভীৰত চিনাকি মুখ হেৰাই গৈছে। মানুহ আছে, ঘৰ নাই। যি ঠাইত ঘৰ আছে তাত জীৱনৰ চিহ্নমাত্ৰও নাই।

কিছুদিনৰ কাৰণে গ্ৰুণ্ডিগ প্ৰায় মূক হৈ গৈছিল তাৰপিচত নতুনকৈ ৰেডিঅ'ৰ তাঁৰ হাতত তুলি ললে।

বহুদিনৰ অৱহেলাৰ কাৰণে যন্ত্ৰপাতিবোৰেই অকল গোলমাল নকৰে, নিজৰ আঙুলি বিলাকেৰ ওপৰতো যেন সন্দেহ হয়। মূৰটোও যেন আগৰ দৰে কাম নকৰে। আঙুলি বিলাকক শাসনত আনিবই লাগিব। মূৰে কাম নকৰিলে চলিব কেনেকৈ?

দিন যায়। পুনৰ শীত আহে। এইদৰেই বছৰৰ পিচত বছৰ পাৰ হৈ গৈ আছে।

গ্ৰুণ্ডিগৰ কোনোফালে চোৱাৰ সময় নাছিল। এক অদম্য উৎসাহত ক্লান্তিহীন পৰিশ্ৰম কৰি গৈ আছে।

ৰেডিঅ'ৰ ছেট বিক্ৰী হ'বলৈ ধৰিলে। মানুহৰ মুখত গ্ৰুণ্ডিগৰ কামৰ প্ৰশংসা শুনা গ'ল। নানান পৰিশ্ৰম কৰিও গ্ৰাহকক

শাসন কৰা টান হৈ পৰিল্। সহকাৰীৰ দৰকাৰ অনুভৱ কৰা গ'ল। তাতেও নহ'ল। বহুত কৰ্মচাৰী ৰাখিব লগা হ'ল। দৰমহা দি কেইজনমান মেকানিককো কামত খটুৱাব লগা হ'ল।

গ্ৰুণ্ডিগৰ নাম চাৰিওদিশে বিয়পি পৰিল। কেইজনমান ইঞ্জিনীয়াৰক নিয়োগ কৰিব লগা হ'ল, তেতিয়াৰ পৰাই নতুন প্ৰচেষ্টা আৰম্ভ হ'ল। টেপ্ ৰেকৰ্ডাৰ তৈয়াৰ কৰাও আৰম্ভ হৈ গ'ল। হাত পৰিল টি-ভি ছেটত।

উন্নতিৰ সোপানত গ্ৰুণ্ডিগ দোপত দোপে উঠিবলৈ ধৰিলে তেতিয়ালৈকে সৌভাগ্যৰ দুৱাৰ পৰিপূৰ্ণভাবে উন্মুক্ত। অৰ্থ, যশ আৰু প্ৰতিপত্তিয়ে এইজন মানুহক কেইবছৰ মানৰ ভিতৰতে দুৰ্বাৰ বেগত আগুৱাই নি আছে।

গ্ৰুণ্ডিগৰ কাৰখানাৰ টেপ্ ৰেকৰ্ডাৰে অকল জাৰ্মানীতে নহয়, দেশ বিদেশৰ দোকানে দোকানে অক্লেশে ঠাই দখল কৰি লৈছে। দুৰ্ধষ ইংৰাজ আৰু আমেৰিকান কোম্পানীবোৰে গ্ৰুণ্ডিগৰ কাৰখানাক ভয় কৰে। পৃথিৱীত গ্ৰুণ্ডিগক তেওঁলোকৰ এজন শক্তিশালী প্ৰতিদ্বন্দী হিচাবেই জানে।

আজিও গ্ৰুণ্ডিক কাৰখানালৈ আহে। কাম চায়। দৰকাৰ হলে হাতো লগায়। দেশ-বিদেশৰ বহুত ছাত্ৰই আজি তেওঁৰ কাৰখানাত শিকিবলৈকে আহে।

গ্ৰুণ্ডিগক কাৰ লগত তুলনা কৰিম? ডালমিয়া নে মুন্দ্ৰা? এই ধৰণৰ কোনো চৰিত্ৰৰ সন্ধান আমাৰ দেশত পোৱা দুষ্কৰ।

আজিকালি আমাৰ দেশত মাত্ৰ কলাবজাৰ। তাত বাণিজ্য নাই, কাৰবাৰ আছে। লাভ নাই, মূল আছে। ব্যৱসায়ীক গণিতৰ কোনো দৰকাৰ নাই।

তথাপিও মোৰ ভাৱ হয় গ্ৰুণ্ডিগ কোনো বিছিন্ন চৰিত্ৰ নহয়। এই শ্ৰেণীৰ মানুহ এনেকুৱাই হয়। এই দেশৰ নানান স্থানত এনে

ধৰণৰ বহু চৰিত্ৰ সিৰ্চৰিত হৈ আছে। ধ্বংস হোৱা এখন দেশ, পৰাজিত এটা জাতি সেয়া নহলে ইমান সোনকালে কিদৰে মূৰ তুলি থিয় হ'বলৈ শিকিছে।

অন্য দেশৰ অন্য ধাতুৰ মানুহ আমি। গ্ৰুণ্ডিগৰ জীৱন কাহিনীত আমাৰ আচৰিত হোৱা অৱশ্যে দোষৰ নহয়।

হেৰ টলাৰ যুদ্ধলৈ যোৱা নাছিল।

প্ৰথমতে আচৰিতো হৈছিলোঁ। পিচত শুনিলো লৰালি কালত এক দুৰ্ঘটনাত মূৰত আঘাত পায়। যুদ্ধৰ আৰম্ভণীত তেওঁ ৰোগ শয্যাতে আছিল। সেই কাৰণে তেওঁ সৈন্য দলত ভৰ্ত্তি হোৱাৰ পৰা ৰেহাই পাইছিল। হানাউত থকা তেওঁৰ ঘৰতে যুদ্ধৰ ভয়াবহ দিন বিলাক পাৰ কৰি দিছিল। দুবাৰকৈ তেওঁক গেষ্টাপোই ধৰি লৈ গৈছিল। একোকে নোপোৱাত দুয়োবাৰেই তেওঁ ৰেহাই পাইছিল।

যুদ্ধৰ শেষৰ দিনকেইটাত সকলো আতঙ্কত অধীৰ। এফালে মাৰ্কিন আৰু ইংৰাজ বাহিনী। আনফালে ৰুছ সৈন্যই জাৰ্মানীৰ ফালে খেদি আহিছে। সকলো সময়তে চাইৰেণ বাজি উঠিছে। গোটেই ৰাতি ধৰি বোমাবৰ্ষণ।

হানাউৰ জাৰ্মান বাহিনীৰ মুৰব্বীক হেৰ টলাৰে সুধিলে : আৰু কিমান দূৰ ?

উত্তৰ দিলে : বহুত দূৰ !

যথাৰীতি ৰাতি ঘৰৰ তলৰ চেলাৰত বিছনা কৰি সকলোৱে শুবৰ চেষ্টা কৰিছিল। অন্ধকাৰ ৰাতি হঠাতে টোপনি ভাঙি গ'ল। দুৱাৰ খুলি বাটলৈ পলাই আহিল।

চাৰিওফালে নীৰৱতা। ভীষণ অন্ধকাৰত নিজৰ শৰীৰ পৰ্য্যন্ত দেখা নাযায়। হঠাতে শুনা গ'ল বোমাৰু বিমানৰ অতি পৰিচিত শব্দ। কিন্তু আচৰিত, সেই দিনাখন হানাউ চহৰত চাইৰেণ ধ্বনি শুনা নগ'ল। নিশ্চিন্ত টোপনিত থকা সাধাৰণ মানুহে

একো গমকে নাপালে কেনেদৰে অতল তলীত তেওঁলোকৰ ঘৰ-বাৰী সোমাই গ'ল।

টলাৰে দৌৰি দৌৰি চেলাৰত কোনোৰকমে আশ্ৰয় ললে। তেওঁ আৰু তেওঁৰ স্ত্ৰীয়ে কণ কণ ল'ৰা ছোৱালীহওঁক বুকুত সাবটি লৈ মৃত্যুৰ ক্ষণ গণিবলৈ ধৰিলে। ক্ষণে ক্ষণে বিস্ফোৰণ। তাৰপিচত অসংখ্য ইটা কাঠ, আৰু শিলৰ শব্দ। বহুত সময় ধৰি ধ্বংসৰ তাণ্ডব নৃত্য চলিল।

তাৰ পিচত কোনো এসময়ত বিস্ফোৰণ বন্ধ হ'ল। তেতিয়ালৈকে ভৰিৰ তলৰ মাটি পুনৰ কঁপা নাই। কিন্তু বাহিৰত শব্দ হৈয়ে আছে। যেন বাহিৰত ধুমুহাহে বলি আছে। টলাৰে কোনোমতে দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল।

ঘৰৰ প্ৰায় আধাখিনি খহি গৈছে। বাকীখিনি দপ্‌দপ্‌কৈ জ্বলি আছে। গোটেই হানাউ জ্বলিব ধৰিছে। চাৰিওফালে পোহৰৰ জিলমিল ৰূপ।

কাঠ পুৰিছে আৰু ফাটিছে। জ্বলি জ্বলি ঘৰবোৰ খহি পৰিব ধৰিছে। আৰু সকলো শব্দ, বিস্ফোৰণ চেৰ পেলাই শুনা গৈছে শিশু আৰু করুণ কণ্ঠত ভাহি অহা নাৰীৰ আহত কণ্ঠৰ মৰ্মভেদী আৰ্ত্তনাদ।

চাৰিওফালৰ পৰা বতাহ জুইৰ ফাললৈ বলিব ধৰিছে। উৰিছে ঘৰৰ ছাল, টেবুলৰ টুকুৰা। কাপোৰ-কানি আৰু বিছনাপত্ৰ টুকুৰা-টুকুৰ হৈ বতাহত উৰিব ধৰিছে।

পথ অৱৰুদ্ধ। ভয়াবহ।

টলাৰে বুজিলে, এই নৰককুণ্ডৰ পৰা ৰক্ষা পাবলৈ হলে একমাত্ৰ ঠাই হ'ল হানাউৰ পাৰ্ক। একমাত্ৰ খোলা ঠাই যি ঠাইত জুই লগাৰ ভয় নাই।

এজন এজনকৈ টলাৰে আশী বছৰৰ বৃদ্ধা মাক, স্ত্ৰী আৰু

ল'ৰাছোৱালী কেইটাক পার্ক পোৱালেগৈ। মৃত আৰু অৰ্দ্ধমৃত প্রিয়জনৰ দেহ বহন কৰি লৈ আহিছে অন্য সকলে।

হেৰ টলাৰে হাঁহি ক'লে : ভগবান বিশ্বাস কৰা হেৰ জেন? মই কৰোঁ—গোড়া ৰোমান কেথোলিক মই। শুনিছোঁ বিপদত পৰিলে মানুহে ভগবানক মাতে। কয়, হে ভগবান। ৰক্ষা কৰা। কিন্তু এক মুহূর্ত্তৰ কাৰনেও মই ভগবানক স্মৰণ কৰিছোঁ বুলি মনত পৰা নাই। মাত্র মনত হৈছে, এয়াতো হ'বই। যিদিনাখন জার্মানীয়ে গোটেই পৃথিৱীৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিলে, সেই দিনাখনে মই জানিছিলোঁ। ইয়াত পৰিণতি কি হ'ব?

পঁচিশ মার্চতে বোধহয় আমেৰিকাৰ সৈন্যই হানাউ দখল কৰিলে। কাৰণ এটিও জাৰ্মান সৈন্য সৈইদিনাখন হানাউত উপস্থিত নাছিল।

মই সুধিলো : তাৰপিচত?

প্রৌঢ় হেৰ টলাৰে ম্লান হাঁহি এটি মাৰিলে। ক'লে : মোৰ প্ৰায় সকলো শেস হৈ গৈছিল। ঘৰ নাই, এটুকুৰা ৰুটী পর্য্যন্তও খাবলৈ উপায় নাই। মোৰ জীয়াই থকাৰ ইচ্ছাই নাছিল। মাত্র ধ্বংসস্তূপ আৰু ধ্বংসস্তূপ। কিন্তু মানুহৰ মাত্র এটাই প্রশ্ন—খাম কি? সেই সময়ত মুৰলৈকে একোকে অহা নাছিল। তথাপিও জীয়াই থাকিব লাগিব।

অলপ সময় ৰ'ল। পুনৰ আৰম্ভ কৰিলে : থং কৰি পৰিবাৰক কৈছিলো, ঘৰ-বাৰীৰ কোনো দৰকাৰ নাই। জীৱনত এইবোৰৰ কোনো মূল্য নাই। যুদ্ধ শেষ হোৱাৰ বহুদিন পিচলৈকে আমাৰ ঘৰত খিৰিকীত লেতেৰা পৰ্দ্দা, ভাৰা কৰি অনা আধাপোৱা বিছনা, ৰঙ উঠি যোৱা মেজ। কিন্তু মানুহৰ মন অদ্ভুত। মোৰ পৰিবাৰে এদিনাখন ক'লে : এইদৰে জীৱন নচলে। মানুহ এইদৰে জীয়াই থাকিব নোৱাৰে। নতুনকৈ পুনৰ আমি সকলো কৰি লব লাগিব।

তাৰপিচত আৰম্ভ হ'ল। খোৱাৰ খৰচ ৰাহি কৰি পয়চা জমোৱা হ'ল। সকলো পুনৰ নতুনকৈ গঢ়ি তুলিব লগা হোৱাত যথেষ্ট খাটিবলগীয়া হ'ল। আজি অকল মোৰ ঘৰেই নহয়, নতুন নতুন ঘৰেৰে হানাউ আজি পৰিপূৰ্ণ। কি দুঃস্বপ্ন, কি দুৰ্দিন যে গৈছে আজি যদি ভাবো গাৰ নোম জিকাৰি উঠে হেৰ জেন।

কথা কৈ থাকোতে বেচ ৰাতি হৈ গৈছিল। হেৰ টলাৰক আগবঢাই থৈ আহিলোঁ।

বাহিৰত বেচ শীত। মানুহৰ সমাগম খুব কম। আকাশ পৰিস্কাৰ। বাৰাণ্ডাত আহি থিয় হলোহি। দুয়োখন হাত পকেটত। হেৰ টলাৰে পূবফালে ৰখা তেওঁৰ গাড়ীৰ ফালে দ্ৰুত খোজত আগবাঢ়ি গৈছে।

বাৰাণ্ডাত থিয় হলে চহৰৰ বহুতখিনি চকুত পৰে। নিউৰেমবাৰ্গ আৰু ফুয়েৰ্থ লগ লাগি যেন লক্ষ্ণৌ। বেনাৰস নহয়। যুদ্ধৰ পিচত ধ্বংসস্তূপৰ মাজৰ পৰাই নতুন নতুন ঘৰ-বাৰী সজোৱা হৈছে। নতুনকৈ গঢ়ি উঠিছে ধ্বংসপ্ৰাপ্ত চহৰ। কলকাৰখানা বোৰ নতুন কৈ সজাব লগা হৈছে।

তথাপিও পুৰণি চিন এতিয়াও নিৰ্মূল হোৱা নাই। চহৰৰ চাৰিওফালে প্ৰাচীন বহুত গীৰ্জাই এতিয়াও মুৰ তুলি থিয় হৈ আছে। পুৰণি কালৰ প্ৰাসাদ বহুতো আছে। বোমাত ধ্বংস হোৱা ডুাৰৰ ঘৰ আজিও মুৰ তুলি ৰৈ আছে।

নিউৰেমবাৰ্গ চহৰ হঠাতে হোৱা নহয়। ইয়াতে বহু পুৰণি কথা, বহু কাহিনী আছে।

ভৌগোলিক অৱস্থানে বাণিজ্যৰ সহায়ক আছিল। এই চহৰ আগৰে পৰা তীৰ্থস্থান আছিল। দ্বিতীয় ফ্ৰেডৰিকৰ সময়ৰ পৰাই ৰজা-মহাৰজা সকলৰ চকু ইয়াত পৰিছিল। তেওঁৰ হাতত চহৰখনে

নতুনকৈ গঢ় ললে। প্ৰচলন হ'ল নতুন নিয়ম। স্বীকয় মুদ্ৰাৰ প্ৰচলন হ'ল। চাৰ্লচৰ ৰাজত্বত নিউৰেমবাৰ্গৰ সমৃদ্ধি আৰু যেন বৃদ্ধি হ'ল।

শিল্প আৰু বিজ্ঞানত নিউৰেমবাৰ্গৰ মৌলিকতা কম কিহত? ঘড়ীৰ জন্ম ইয়াতেই। মাৰ্টিনে বনোৱা প্ৰথম পৃথিৱীৰ গোলক এতিয়াও মিউজিয়মত ৰখা হৈছে। এই নিউৰেমবাৰ্গৰ কোনো এক স্থানত লবচিভাবে এয়াৰগান সাজিছিল।

বিশ্ববিখ্যাত শিল্পী ড্যুৰেৰ জন্মস্থান এই নিউৰেমবাৰ্গতে। ক্ৰাফটে জড় শিলৰ পৰা বটালিৰ সহায়ত জীৱন্ত ভাস্কৰ্য সৃষ্টি কৰিছিল। ব্ৰোঞ্জ পিটাৰৰ হাতত নতুন গঢ় পালে। সঙ্গীতে বিচাৰি পাইছে নতুন নতুন সুৰ।

বেচ কিছুদিন এইভাবে আগুৱাই গৈ আছিল। নতুন কোনো মানুহেই এই চহৰৰ উন্নতিৰ পথত বাধা দিব পৰা নাছিল।

এদিনাখন হঠাতে অহা প্ৰবল আঘাতত এই চহৰ কঁপি উঠিল।

যুদ্ধ আহিল। দেশ অৱৰুদ্ধ হ'ল—অষ্ট্ৰীয়া আৰু ফ্ৰান্সৰ হাতত পৰি দেশৰ সমৃদ্ধি থান-বান হৈ পৰিল। বেভেৰিয়াত নেপোলিয়নে আড্ডা পাতিলে। লাখ লাখ ফ্লোৰিণত ঋণী হব লগাত পৰিল। হঠাতে অহা প্ৰবল ধুমুহাত নিউৰেমবাৰ্গ কঁপি উঠিল।

তাৰপিচত আধুনিক ইতিহাস। সেইদিনা খনৰ কাহিনী, ইতিহাসো ঠিক নহয়।

হিটলাৰে ক্ষমতা হাতত লৈ গোটেই জাৰ্মানীখন নতুনকৈ সজালে। তেওঁৰ প্ৰধান ঘাঁটি হ'ল মিউনিক, নিউৰেমবাৰ্গ তাৰপিচতে। ইয়াতে বহুতবাৰ নাৎসীসকলৰ অধিবেশন বহিছিল। জাৰ্মানীৰ জনসাধাৰণক তিনি ভাগত ভাগ কৰি নিউৰেমবাৰ্গ আইন প্ৰচলন কৰা হৈছিল। নিউৰেমবৰ্গৰ প্ৰতিখন হোটেল, ৰেস্তোৰাঁ আৰু কলকাৰখানাত নাৎসী দল, উপদল ভাগ হৈ গৈছিল। সেইদিনাখন এই চহৰৰ অন্যৰূপ।

এয়া সেই নিউৰেমবার্গ যি ঠাইত জীৱিত নাৎসী নেতাসকলৰ বিচাৰ হৈছিল। পৃথিৱীৰ অশান্তি আৰু মানুহৰ দুৰন্ত অপচয়ৰ প্ৰথম নম্বৰ আচামী গোৱাৰিঙৰ ফাঁচিৰ হুকুম ইয়াতে হৈছিল। ডানজিগ আৰু পোলিচ কোৰিডৰৰ অন্যতম নেতা, কীটপতঙ্গৰ দৰে নিৰীহ ইহুদীসকলক বিষাক্ত গেচ দি হত্যা কৰাৰ মস্ত দায়িত্ব আছিল ৰিবেনট্ৰপৰ ওপৰও। তেওঁৰো বিচাৰ হৈছিল ইয়াতেই। আৰু কাইটেল? এজন নাৎসীৰ মৃত্যু সংবাদত যিজনে শেষ কৰিব পাৰিছিল এশ কমিউনিষ্টৰ জীৱনৰ বিনিময়ত সেইজন অন্যতম নেতাৰ ফাঁচিৰ হুকুমো হৈছিল এই নিউৰেমবার্গতে। ৰজেনবার্গ, ভণ্ প্যাপেন, ফ্ৰাঙ্ক আৰু বহুতৰ বিচাৰ এই চহৰতে হৈছিল।

এই চহৰৰ কোনো এক অন্ধকাৰ কক্ষত গোৰেৰিঙে তেওঁৰ বেভেৰিয়ান পাইপ ওঁঠত লৈ সকলো অপৰাধ ফিউৰেৰ কান্ধত পেলাবলৈ চেষ্টা কৰিছিল। খণ্ডত অন্ধ বৃদ্ধ ভন্ প্যাপেনে গোৰেৰঙৰ টেটুত চেপি ধৰিছিল। খিৰিকীৰে নিউৰেমবার্গ চহৰৰফালে আঙুলিয়াই চিঞৰি কৈছিল: কোৱা। এই সকলোবোৰ সর্বনাশৰ বাবে তুমিয়েই দায়ী। গোটেই পৃথিৱীৰ লাখ লাখ মানুহৰ জীৱন নিৰ্মূল জানো তুমিয়ে কৰা নাই?

লাজৰুমৰ অন্য এক প্ৰান্তত আন এজন অট্টহাঁহিৰে সচকিত কৰি তুলিছিল। ফিউৰেৰ একনিষ্ঠ সাধক—হেৰ হেচ্।

অতর্কিতে অষ্ট্ৰিয়া আৰু পোলেণ্ডৰ ওপৰত জপিয়াই পৰি সেই দেশৰ সুন্দৰ নিৰিবিলি জীৱনত এনেই ভয়ঙ্কৰ সর্ব্বনাশ মাতি আনিছিল। নির্বিচাৰে শিশু হত্যা আৰু মাক সকলক জ্বলন্ত অগ্নিকুণ্ডত নিক্ষেপ কৰা হৈছিল! বনৰীয়া বাঘবোৰও বিস্মিত হৈছিল। চেঙ্গিজ, তুমি জানো আচৰিত হোৱা নাই? হেৰ হেচে তোমাকো জানো আচৰিত কৰি তোলা নাই?

ইতিহাসৰ কেনে নির্মম পৰিহাস। প্ৰাণৰ ভয়ত হেৰ হেচ্

উন্মাদ। ধূসৰ ৰঙৰ কোট গাত লৈ কোঠাৰ এক প্ৰান্তত থিয় হৈ কাইটেল। কৰিডোৰত জ্বলি থকা পোহৰত তেওঁৰ নিজৰ ছায়া গোটেই দেৱাল জুৰি পৰিছে। মৃত্যুৰ ভয়ত গোটেই শৰীৰ থৰ্‌থৰ্‌কৈ কঁপিছে। জোকাৰণি খাই সেই বিশাল মূৰ্ত্তিটি যেন আগুৱাই আহিছে।

পাইপৰ ধপাত সম্পূৰ্ণ ছাঁই হৈ গৈছে। দুই ওঁঠৰ মাজৰ পৰা পাইপটো টেবুলত থলে। প্ৰশ্নবোধক চিনৰ দৰে সজা দুৰ্মূল্য জড় বেভেৰিয়ান পাইপটো যেন সজীৱ হৈ উঠিছে। গোটেই পৃথিৱীৰ জ্বলন্ত প্ৰশ্ন যেন পাইপটোৰ মাজৰ পৰা গোৰেৰিঙৰ সন্ত্ৰস্ত দৃষ্টিক আচ্ছন্ন কৰি পেলাইছে। শত সহস্ৰ কণ্ঠই যেন চিঞৰি উঠিছে: উত্তৰ দিয়া।

দুৰন্ত এক প্ৰস্তুতিত যেন প্ৰস্তুত হ'ল। মেজত পাইপটো দলিয়াই দিলে। চাৰিওফালে টুকুৰা-টুকুৰ হৈ ভাঙি সিচঁৰিত হৈ পৰিল।

লাহে লাহে সমুখৰ খিৰকীখন বন্ধ কৰি দিলে। বেচ কিছুসময় মনে মনে বহি থাকিল। সামৰিক পোচাকৰ গোপন গহ্বৰৰ পৰা বিষখিনি উলিয়ালে। নিজৰ বিষতে নিজেই সেইদিনাখন গোৰেৰিঙ নীলা হৈ গ'ল।

বাহিৰত জ্বলন্ত বীভৎস চহৰ। উলঙ্গ, ক্ষুধাৰ্ত্ত শিশুই মাকক বিচাৰিছে।

পৰাজিত, বিধ্বস্ত নিউৰেমবাৰ্গ।

মৃত ধ্বংসস্তূপৰ মাজৰ পৰা পুনৰ জীৱনে যেন প্ৰাণ পাই মূৰ্ত্ত হৈ উঠিছে। ধ্বংসস্তূপৰ স্বাক্ষৰ আজি হঠাতে চকুত নপৰে। নতুন নতুন ঘৰ। অতি ধুনীয়াকৈ সজা বাট-পথ। গীৰ্জ্জাৰ ওখ চূড়া। তাৰ মাজত ধ্বংসৰ অন্য ৰূপ আছিল বুলি অনুমানেই কৰিব নোৱাৰি।

উচ্ছল হাঁহিৰ উচ্ছ্বাসত, মানুহৰ মৰ্মস্পৰ্শী কান্দোন আৰু হাহাঁকাৰ আজি ইয়াত সম্পূৰ্ণ বিলীয়মান।

গোটেই চহৰ পোহৰত জকমকাই আছে। প্ৰবল শীততো যেন নিউৰেমবাৰ্গে হাঁহিছে। মাথোন হাঁহিছে।

বাটে বাটে ঘূৰি ফুৰিছিলোঁ। বাটৰ দুয়োফালে শাৰী শাৰী দোকান। নানাধৰণৰ বস্তু। লোভনীয় পোচাক অতি সুন্দৰভাৱে সজোৱা হৈছে। ছুটিৰ সন্ধ্যা। বাটত সেই কাৰণেই ভীৰ বেচি। ভাবিছিলোঁ ঘূৰি-মেলি পোনে পোনে ঘৰলৈ যাম।

বাটৰ কোণ পাই মুখ ঘূৰাওতেই চকুত পৰিল দুখন পৰিচিত মুখ। ভাব হ'ল যেন শ্বো কেচত সজাই থোৱা পণ্যসামগ্ৰী গোগ্ৰাসেহে গিলিছে।

ইউৰোপৰ আন আন ঠাইত কেনেকুৱা অৱস্থা সেই বিষয়ে মোৰ অভিজ্ঞতা নাই, শুনিছোঁ লণ্ডন চহৰ নাইবা প্যাৰীৰ বাট-পথে ভাৰতীয় সকলৰ অতি সহজতে সাক্ষাৎ মিলে। কিন্তু ইয়ালৈ আহিটো তেনেকুৱা পৰিচিত মুখৰ দৰ্শন মিলা নাই।

ওচৰ পাওঁতেই গতি কমাই দিলোঁ। দেখিলো আপোনামনেৰে দুযোজনে হাঁহি আছে। কথা-বতৰা হৈছে হিন্দীত।

চকুৱে চকুৱে পৰাত হাঁহি দিলোঁ: ইয়ালৈ অহা আপোনালোকৰ কিমান দিন হ'ল? কথাৰ লগতে মোৰ উচ্ছ্বাসৰ আধিক্যও আছিল।

কেনেকুৱা যেন দমি গ'ল। পৰস্পৰ চকুৱে চকুই চালে। হাঁহি থকা মুখ দুখন হঠাতে গম্ভীৰ হ'ল।

তেওঁলোকৰ মাজৰ ওখকৈ মানুহজনে কান্ধত ওলোমাই থোৱা কেমেৰাটো হাতত লৈ কিছুসময় মোলৈ চাই থাকিল। পিচত উত্তৰ দলে: ঘূৰি ঘূৰি এইখিনি পাইছোহি।

ইয়াত ক'ত আছে?

: গ্ৰেগুত। অৱশ্যে কাইলৈ পুৱাই বুনলৈ যামগৈ।

: ইউৰোপলৈ ফুৰিবলৈ আহিছে বোধ হয় ?

: প্ৰায় তেনেধৰণৰ ?

: পশ্চিম জাৰ্মানী কেনেকুৱা দেখিলে ?

: বেয়া নহয় ।

মোৰ কৌতূহল আৰু উচ্ছ্বাস ভদ্ৰলোকৰ উত্তৰ দিয়াৰ ধৰণত বাৰে বাৰে বাধা পালে । মোৰ প্ৰতি আগ্ৰহতো দূৰৈৰ কথা, সামান্য ধৰণৰ কৌতূহলৰ চিন পৰ্য্যন্ত নাই ।

লগত থকা শকত মানুহজনে প্ৰশ্ন কৰিলে : ইঞ্জিনিয়াৰীং পঢ়িবলৈ আহিছে বোধহয় ? চৰকাৰৰ স্কলাৰশ্বিপ পাইছেনে ? হামবুৰ্গত কিছুমান ভাৰতীয় ছাত্ৰ দেখা পালে ? আমি আহিছোঁ ট্ৰেড ডেলিগেশ্যনত । মানুহজনে ক'লে ।

যদিও মোৰ মুখৰ ফালে চাই তেওঁ কথা নকলে । দূৰৈৰ কিবা বস্তু বোধহয় লক্ষ্য কৰি আছিল । বেচ এটি শ্লেষাত্মক চপৰিওৱাৰ সুৰ আছিল কথাত ।

উত্তৰত কলো : চৰকাৰৰ স্কলাৰশ্বিপ আমাৰ দৰে দুৰ্ভগীয়াৰ কাৰণে নহয় । হামবুৰ্গত থকা ভাৰতীয় ছাত্ৰসকলৰো খবৰ মোৰ জনা নাই । আপোনালোক ট্ৰেড ডেলিগেশ্যনত আহিছে । কিহৰ ডেলিগেস্যন ?

ওখকে মানুহজনে মুখৰ পৰা কিছু ধোঁৱা এৰি দি গম্ভীৰ ভাবে ক'লে : গবৰ্ণমেণ্ট অব ইণ্ডিয়া ।

মুহূৰ্ত্তমাত্ৰ । বুকু ফুলোৱা কথা । বুজিলোঁ, পুনৰ আগবঢ়া সম্ভৱ নহয় । মোৰ আগ্ৰহপূৰ্ণ কৌতূহল এওঁলোকৰ নিৰ্লিপ্ত উত্তৰত অতিমাত্ৰাই সঙ্কুচিত । কলা ৰঙ, একেখন দেশৰে মানুহ । কিন্তু পাৰ্থক্য বিস্তৰ । 'ভেৰী ইমপৰটেণ্ট পাৰচন' হয়তো নহয় কিন্তু এক নম্বৰৰ 'হাই গবৰ্ণমেণ্ট অফিচিয়েল' তাতে অকণো সন্দেহৰ অৱকাশ নাই ।

এতিয়া সাফল্যৰ লগত পশ্চাৎ অপসৰণৰ বাদে উপায় নাই। কেনেকুৱা যেন হতভম্ব হৈ পলোৱাৰ চেলু বিচাৰিছোঁ।

শকতকৈ মানুহজনেই চেলু উলিয়ালে। ঘড়ী চাই ব্যস্ততাৰ লগে লগে লগৰজনৰ হাত স্পৰ্শ কৰি কিবা যেন ক'লে। একেলগে দুয়োজনে মোৰ ফালে ঘূৰি চালে। ভাৱটো এনেকুৱা, এইবাৰ মই বাট এৰি দিয়া উচিত। হাতত তেওঁলোকৰ সময় কম।

বাট এৰি একাষৰীয়াকৈ থিয় হলোঁ। বিদায় লৈ লজ্জিতভাৱে নিজৰ পথ লওঁ। অতি দুখতো কিয় জানো হাঁহি উঠিল।

কেইটিমান মুহূৰ্ত্তমাত্ৰ। অতি সাধাৰণ ঘটনা। কি দোষ দিম? কাৰ বিৰুদ্ধে, কিহৰে অভিযোগ বা মোৰ?

বুজি পাওঁ, এওঁলোক ওচৰৰ যদিও দূৰৈৰ মানুহ। এওঁলোক ভাৰতৰ, তথাপিও ভাৰতীয় নহয়। শ্ৰীনেহেৰুৱে দিনে ৰাতিয়ে চিঞৰিলে কি হ'ব। ইংৰাজৰ এক আচৰিত সৃষ্টি আমাৰ দেশৰ 'হাই গবৰ্ণমেণ্ট অফিচিয়েল'। এই দেশৰ কিছুমান মানুহক লৈ এটি অদ্ভুত জাতি সৃষ্টি কৰি গৈছে। এওঁলোকক সম্পূৰ্ণ গ্ৰাস কৰি পেলাইছে 'অন হিজ মেজেষ্টিচ চাৰ্ভিচ'। অশোক স্তম্ভৰ প্ৰতীক চিহ্ন ভাল লাগে। কিন্তু তেওঁলোকৰ কাৰোবাৰ মতে 'এডাল্ট ফ্ৰ্যাঞ্চাইজ' আমাৰ দেশত বোলে বৰ বেচিকৈ কোৱা হয়। ভোট দিয়াটো দূৰৈৰ কথা, ভোটাৰ লিষ্টত ঘৰৰ আয়াৰ লগত একেখন পাততে যদি নাম থাকে এওঁলোক কেনেদৰে আনন্দিত হ'ব?

আৰু কিছু বছৰ আমি ইংৰাজৰ ওচৰত মানুহ হোৱা উচিত আছিল, প্ৰকাশ্যে দিনৰ পোহৰত এই কথাই এওঁলোকে জোৰকৈ কৈ থাকে। 'ৰিফিউজী' সকল এওঁলোকৰ চকুত 'পলিটিকেল চিফিলিচ'। আৰু কমিউনিষ্ট? দৰকাৰ আছে। দেশত বোলে তেওঁলোকো থকাৰ দৰকাৰ আছে। নহলে আমেৰিকাই আমাক গ্ৰাহ্যকে নকৰিব। ৰাচিয়া? সেয়াটো ইউৰোপৰ বিহাৰ।

এওঁলোকেই দেশৰ কৰ্ণধাৰ। সাধাৰণ মানুহৰ ভৰসাস্থল। বাণিজ্য প্ৰতিনিধি হিসাবে আজি আহিছে এই দেশলৈ। কালিলৈ হয়তো আৰু উচ্চ পদলৈ প্ৰমোচন হ'ব।

মি-নু-টু-উ।

থমকি ৰ'ব লগাত পৰিল। পিচলৈ চাই কাকো নেদেখিলোঁ। মোৰ ঘৰত মতা নামেৰে ইয়াতে আকৌ কোনে মাতিব। তথাপিও ইফালে সিফালে ঘূৰি ঘূৰি চালোঁ। কোনো প্ৰাণীয়ে চকুত নপৰিল। ইমান ভুল হ'লনে ?

এইবাৰ মাত ওচৰতে শুনা গ'ল। মাতটো স্পষ্ট। বাটৰ সিফালৰ দৌৰি দৌৰি আহিছে আমাৰ পালোৱান।

নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলোঁ। সপোন দেখিছোঁ নেকি ? ইয়ালৈকে পালোৱান কেতিয়া আহিল ? হতভম্ব হৈ থিয় হৈ ৰলোঁ।

পালোৱানে আহি মোক সাবটি ধৰিলেহি। আনন্দ আৰু প্ৰচণ্ড কৌতূহলত প্ৰশ্ন কৰো : তই ইয়াত ?

পালোৱানৰ সেই প্ৰাণখোলা হাঁহি। তাৰ আনন্দৰ আতিশয্যৰ প্ৰকাশ দেখি দুই এজন পথচাৰী ৰৈ গ'ল।

পালোৱানৰ নামৰ লগত চেহেৰা নাইবা আকৃতিগত কোনো মিল নাই। মঙ্গলীয়া ধৰণৰ চেহেৰা। মুখশ্ৰী বেয়া নহয়।

পালোৱান মোৰ বন্ধু। ককাইদেউৰো। ইঞ্জিনীয়াৰিং কলেজত প্ৰথমে সি ককাইদেউৰ সহপাঠী আছিল। কিন্তু ওপৰা-ওপৰিকৈ কেইবাৰমান পৰীক্ষা দি আৰু নিদিয়াকৈ এদিনাখন দেখো যে মোৰ ওচৰতে সি ঠাই দখল কৰি লৈছে। মই অপ্ৰস্তুত হৈছিলো। কিন্তু সঙ্কোচৰ ভাব অতি সহজতে দুয়োফালৰ পৰাই একই পেলাব পৰা গৈছিল।

মই পালোৱানক পচন্দ কৰোঁ। ধনী মানুহৰ ল'বাৰ অতি সাধাৰণ গুণ 'দেমাক'। পালোৱানৰ সেইবোৰ একোৱে নাই। কোনো কথা পেটত ৰাখি থব নোৱাৰে। বিচাৰ কৰি কথা ক'ব শিকা নাই। যেতিয়া যি ভাল লাগে কোনো চিন্তা নকৰাকৈ সেই কাম কৰি পেলায়।

অসাধ্যসাধন কৰাৰ কৌশলো তাৰ নখদৰ্পণত। ৰাচিয়ান ব্যালেৰ টিকেট সম্পূৰ্ণ নিঃশেষিত। 'এমিউজমেণ্ট টেক্স' কমিচনাৰেও এখন টিকেটৰ কাৰণে ফোন কৰি ব্যৰ্থ হৈছে। তেনেকুৱা অৱস্থাত পালোৱানে কাউণ্টাৰৰ পৰা ৰাশি ৰাশি টিকেট উলিয়াই আনিব পাৰে।

এবাৰ নিউ এম্পায়াৰত 'অথেলো' হৈছিল। বহুত মানুহে টিকেট নাপাই উভতি আহিছিল। নাটক আৰম্ভ হোৱাৰ আগ মুহূৰ্ত্তত ক'ব পৰা যে পালোৱানে টিকেট সংগ্ৰহ কৰি আনিছিল সেই কথা আজিও ক'ব পৰা নাই।

স্কুলৰ সহপাঠিয়ে আহি কৈছে। অমুক মানুহজনৰ হতুৱাই অমুকক ক'ব পাৰিলে কামটো হয়। পিচদিনাখনে এটি সম্বোধন ধৰি পালোৱান গৈ অমুক মানুহজনৰ ঘৰত উপস্থিত হ'বগৈ। আনকি দৰকাৰ হলে নিজৰ গাড়ীত অমুক মানুহজনক উঠোৱাই লৈ তমুকৰ ঘৰলৈ যাব আৰু তেওঁৰ হতুৱাই পালোৱানে কোৱাইহে এৰিব।

ওচৰচুবুৰীয়াৰ ছোৱালীসকলৰ ইনচাৰ্জ্জ? পালোৱানৰ খোৱা নাই, বোৱা নাই। গাড়ী লৈ গোটেই দিনটো ঘৰ আৰু লালবাজাৰ কৰি থাকোতে যায়। চাহৰ দোকানক কেন্দ্ৰ কৰি দিনেৰাতি ট্ৰাউজাৰৰ লগত কোলাপুৰী চেণ্ডেল পিন্ধি হিন্দী চিনেমাৰ নায়কৰ ঢঙত বাটৰ কাষত থিয় হোৱা ডেকা সকল পালোৱান উৎপাতত পলাল।

অজিতৰ ভনীয়েকৰ বিয়াতহে পালোৱানে আটাইতকৈ ডাঙৰ কাণ্ড কৰিছিল। বিয়াৰ পিছদিনাখন কইনা ধানবাদলৈ যাবগৈ। পালোৱানে তাৰ ডজগাড়ীত কইনাক হাৰবাত থবলৈ আহিল। বেড ৰোডত ফুটিল চকা। ভীষণ বৰষুণ। ওচৰে-পাজৰে টেক্সিৰ নাম গোন্ধে নাই। উৎকণ্ঠিত নূতন জোৱাইয়ে অসহায়ৰ দৰে ক'লে : আজি কইনাৰ উপস্থিতিত ভোজ দিব। সেই কাৰণে সকলো অপেক্ষা কৰি থাকিব।

সেই ভীষণ বৰষুণতো পালোৱানে গাৰীৰ চকা বদলালে। কিন্তু বেল হলে ধৰিব পৰা নগ'ল। অজিতে কলে : মই এখন টেলিগ্ৰাম কৰি আহোগৈ। জনাওঁগৈ এওঁলোক ৰাতি পাবগৈ।

ম্লান এটি হাঁহি মাৰি পালোৱানে কলে : মানুহে ছোৱালী চাবলৈ আহিব। তোৰ দৰে সকলোৱেটো ৰসগোল্লা খাবলৈ নাহে।

পালোৱানে গাড়ীখন ঘূৰাই গ্ৰেণ্ড ট্ৰাঙ্ক ৰ'ডত উঠিল।

হাৰবাৰ পৰা ধানবাদ। বহুত দূৰ। আবেলি সময়ত গৈ ধানবাদ পোৱা গ'ল। সকলো যেতিয়া ব্যস্ত মোক মাতি আনি ক'লে : পোষ্ট অফিচ কিমান দূৰ। মালৈ এটি ফোন কৰোঁ। আজি ৰাতি অসম্ভৱ। ডায়নামোই চাৰ্জ দিয়া নাই, আমেচাৰ জ্বলি গৈছে, কালিলৈ পুৱাই ভাল কৰি উভটিব লাগিব।

সাক্ষাতৰ প্ৰথম আঘাত চম্ভালি উঠি পালেৱানে স্বাভাৱিক সুৰত ক'লে : তুমাহ মান হ'ল হামবুৰ্গলৈ অহা। টাটাত থাকোতে শুনিলো তই বোলে আমেৰিকালৈ গৈছিল। তোক যে ইয়াত লগ পাম কল্পনাই কৰা নাছিলো। মই আৰু কিমান ইয়াৰ পৰা খবৰ লম। খবৰ লৈ লৈ ভাগৰি পৰিছোঁ।

কথাৰ মাজতে এখন ৰেঁস্তোৰাত সোমালোহি। দুয়োজনে টেবুল এখন দখল কৰিলো। পালোৱানে সুধিলে : কি খাবি ?

: অন্য একো নালাগে । মাত্ৰ বিয়াৰ ল'।

ঃ বুজিচ দহদিন মানৱ কাৰনে মিউনিকলৈ আহিছোঁ। ছুটি পালো সেইকাৰণে ইয়ালৈ ফুৰিবলৈ ওলাই আহিছোঁ। অৱশ্যে ৰাতিৰ গাড়ীতে মিউনিকলৈ উভতি যামগৈ। বাৰু মিণ্টু, তই জাৰ্মান ক'ব পাৰনে ?

ঃ মোটামুটি ভাবে ক'ব পাৰোঁ। কাম চলি যায়, কাজিয়া হলে কৰিব নোৱাৰোঁ।

ঃ তই এক নম্বৰ গাধা। কাজিয়া কৰাৰ দৰকাৰে বা ক'ত ? ছোৱালীৰ লগত পৰিচয় হৈছে নে নাই ? মই হ'লে বেচ ঠগ খাইছোঁ, ইংৰাজী জানি একো লাভ নহল। ইয়াত ইংৰাজীৰ প্ৰায় দৰকাৰেই নাই।

বিয়েৰ আহিল। ৰেস্তোঁৰা প্ৰায় পৰিপূৰ্ণ। কোনো এখন টেবুলো খালি নাই। কিন্তু কি পৰিপূৰ্ণ নীৰৱতা। সামান্য টুংটাং আৰু জোতাৰ শব্দৰ বাহিৰে অন্য একো কাণলৈ নাহে। টেবুলে টেবুলে কথাও হৈছে, হাঁহিছেও। কিন্তু লাহে লাহে। ওচৰৰ টেবুলত যাতে সামান্য ৰকমৰো অসুবিধা নহয়।

আমাৰ দেশৰ প্ৰথম শ্ৰেণীৰ হোটেলত এনেধৰণৰ নীৰৱতা থাকে নে নাই সন্দেহ। সম্পূৰ্ণ উন্মুক্ত ৰেস্তোৰাঁ, এক প্ৰান্তৰ পৰা অন্য প্ৰান্তলৈ চকুত পৰে। টাৱেল কান্ধত লৈ টিপৰ কাৰণে 'বয়' বোৰে ঘূৰি ফুৰা নাই।

বিদেশী হলে কোনো কোনোৱে উভতি চায়। সেই দৃষ্টিত কৌতূহল সামান্যই। কলা চাল দেখি এটি যেন কিন্তু কিন্তু ভাব থাকে। বিদেশী এওঁলোকৰ আগত 'আউচ-ল্যাণ্ডৰ'। স্পেনিচ এৰি ডেনিচত বিশেষ কোনো আকৰ্ষণ নাই।

নৃত্যৰ নামত এই দেশৰ জিমন্যাষ্টিক আমি যেনেকৈ হজম কৰিব নোৱাৰো, এই দেশৰ সাংসাৰিক জীৱনযাত্ৰাও আমাৰ পক্ষে হজম কৰা অসম্ভৱ।

মোৰ এজন সহকৰ্মীৰ মুখত অহৰহ তেওঁৰ কীৰ্ত্তিচীৰ গল্প শুনি থাকোঁ। বিথোভেনৰ হেভি মিউজিকৰ সলনি চুৰ্বাট বা ভাগনাৰ তেওঁৰ ভাল লাগে, এই সংবাদো মোৰ কাণত আহি পৰিছেই। আনকি চুটুকুৰা 'ডবল প্যাপৰিকা স্নেৎসেল' অনায়াসেই মই শেষ কৰা শুনি মোৰ স্বাস্থ্য সম্পৰ্কে তেওঁ উদ্বিগ্ন হৈ মোৰ সহকৰ্মীলৈ চিঠি লিখিছে, এই খবৰো মই পাইছোঁ। কিন্তু এতিয়ালৈকে মই ক'ব পৰা নাই ভদ্ৰলোকৰ মাক দেউতাক জীৱিত নে মৃত। থাকিলে আছে বা ক'ত? পূজাৰ সময়ত বোনাচৰ কিছু টকা হাতলৈ আহিলে চিমলা বা মৌচুৰী ভ্ৰমণতকৈ মাক লৈ তীৰ্থস্থানলৈ যোৱাটোকে প্ৰাধান্য দিও বেছি। অভাৱৰ সংসাৰ হলে সেই টকা পোষ্ট অফিচত জমা থৈ দিও। কিন্তু এনেকুৱা অৱস্থাত মা-ভৱানীৰ কথা বাদেই দিলোঁ। বাৰু, স্ত্ৰীক লৈ শৈলশিখৰত আৰোহনতকৈ চমক লগোৱা পৰ্দ্দা আৰু কাপেৰ্টৰ কথাই এওঁলোকে ভাবে বেচি।

আমি সংসাৰ কৰোঁ আটাইবোৰে গোট খায় কিন্তু এওঁলোকে সংসাৰ কৰে মাত্ৰ দুজনকলৈ।

কিন্তু এয়া হলেও কোনো স্বাৰ্থপৰ নহয়। ইয়াতো মাক বাপেকেও পুতেকৰ ওপৰত ভৰষা কৰি বহি থকা নাই। বুঢ়াৰ লগত বুঢ়ীকো টুক টুক কৈ ঘূৰি ফুৰা দেখা যায়। বোৱাৰীয়েকৰ কথা বাদেই দিলোঁ, কন্যাক লৈ চিনেমা নাইবা অপেৰালৈ যোৱাৰ আমাৰ দেশৰ দৰে ইয়াত প্ৰচলন নাই। এয়া জাৰ্মানতে নহয়। ইউৰোপৰ সকলোতে বোলে এয়াই নিয়ম। কিন্তু এই দেশত হলে বেচ স্পষ্ট।

অৰ্থনৈতিক সমস্যাই সামাজিক জীৱনৰ গঢ় দিছে। ক'তো জোৰা-তাপলি নাই। পিতা-পুত্ৰৰ সম্পক যিখিনি সেয়া বোধহয় প্ৰাণৰ টানতেই। মনিঅৰ্ডাৰ বা বেঙ্ক বেলেন্সৰ কথা কোনো পক্ষই নাভাবে। সেইকাৰণে এয়া আমাৰ চকুত সহজ নহয়। অসম্ভৱ ধৰণে কিবা যেন লাগে।

বাপেকৰ কোঁটাৰ পৰা জৰ্দ্দালৈ তেওঁৰ সম্মুখত ওঁঠ ৰঙা কৰাত কোনো প্ৰকাৰৰ বাধা নাই, কিন্তু বাপেকৰ সম্মুখত চিগাৰেট খোৱাৰ কথা ভাবিবই নোৱাৰে। প্ৰতিবছৰ সেৱাসদনৰ মেটাৰনিটি ওৱাৰ্ডৰ ফালে কমলা টেঙাৰ টোপোলা হাতত লৈ হা কৈ মুখ মেলি অপেক্ষা কৰি থাকিব পৰা যায়, কিন্তু বাপেকৰ সম্মুখত স্ত্ৰীক 'ডলি' 'ডলি' বুলি মাতিলে তেওঁ অপ্ৰস্তুত হয়।

ভাল-বেয়াৰ প্ৰশ্ন নহয়। পছন্দ-অপছন্দৰ সমস্যা নহয়। কিন্তু যেতিয়া যুক্তিৰে বুজিব নোৱাৰো তেতিয়া খং উঠে, বিৰক্তিতে মন ভৰি উঠে। অবশ্যে জগৎগুৰুৰ 'বোল' লৈ মই অহা নাই—এজিটেটৰ মই নহয়। সেই দায়িত্ব মোৰ নহয়—আনৰ।

দুই পেগ বিয়েৰ লৈ বহিলোঁ। পালোৱানে ক'লে: সেইফালে চাই কি ভাবি আছ? তই লক্ষ্য কৰিছ নে নাই নাজানোঁ, ছোৱালীৰ লগত পৰিচয় হ'লে পিচদিনা খন বিয়া কৰালে নে নাই জানিব খোজে, কিয় কব পাৰ? হাঁহিছ যে!

দেখিছোঁ কথাটো পালোৱানৰ গাত লাগিছে। ময়ো কেইবাৰ মান এনেকুৱা প্ৰশ্নৰ সম্মুখীন হৈছিলোঁ। সকলোতে মই থৰখেদাকৈ উত্তৰ দিছোঁ মিছা কথাকৈ, মোৰ প্ৰতীক্ষাত এক সুন্দৰী সাত সাগৰ তেৰ নদীৰ সিপাৰে অপেক্ষা কৰি আছে। মোৰ কথা ভাবি তেওঁ প্ৰতিটো দিন অতিবাহিত কৰিব ধৰিছে। বেগৰ পৰা মন্দোদৰী দেবীৰ ফটো উলিয়াই কৌতুহলী চকুৰ সম্মুখত দাঙি ধৰিছোঁ। প্ৰকাৰন্তে কৈছোঁ: ঠাই নাই। দ্বিতীয়াৰ কোনো স্থান মোৰ মনৰ এলবামত নাই। হ'ব নোৱাৰে।

ইয়াতে কথাটো পৰিষ্কাৰ ভাবে কোৱাই ভাল। আচলতে দেশত মোৰ কাৰণে কোনোৱে অপেক্ষা কৰি বৈ থকা নাই। মোৰ কথা ভাবি কোনো সুন্দৰীয়ে দিন অতিবাহিত কৰা নাই। বেয়া হোৱা মেচিন ক'ত বেয়া হৈছে উলিওৱা সহজ কিন্তু ছোৱালীৰ মন পোৱা সহজ নহয়।

অকল যোগ্যতাতে নহয়। প্ৰেমত সময়ো লাগে। ধৈৰ্য্যও হেনো লাগে অপৰিসীম। এদিনাখন শ্ৰেণীত পালোৱানেই কৈছিল।

ছোৱালীৰ লগত প্ৰেম কৰিবলৈ হলে বোলে আগতে কিছুদিন মাছ ধৰাত পাকৈত হ'ব লাগে। তাকে বোলে 'প্ৰোবেচন্যাৰি পিৰিয়ড' বুলি কোৱা হয়। জালেৰে হলে নহয়। তাতে পানীহে ঘোলা হয়। জাল ফালি যি কোনো ঝিল্লী চৌধুৰী ঝঙ্কাৰ তুলি উধাও হয়। সাধাৰণ বৰশীৰেও নহয়, বহিব লাগিব চৌৰঙ্গীৰ হুইল হাতত লৈ।

অভাগাই যিফালে চাই সকলো সময়তে সেইফালে সাগৰ শুকাই নাযায়। ইয়ালৈ আহি ছোৱালীৰ লগতো পৰিচয় হৈছে। সামান্য পৰিচয়, পৰিচয় হবলৈ মোৰ ভালেই লাগে।

পৰিচয়ৰ চাপ এৰি বন্ধুত্বত সেয়া আবদ্ধ থাকিলে ক্ষতি নাছিল। কিন্তু দুই একৰ মতি গতি দেখি আচৰিত হ'লো। ওঁঠৰে কোৱা ভাষাত ভয় নাই। চকুৰে অলস কথাৰ আভাসেই মোক বিব্ৰত কৰিছে।

কেনেকুৱা যেন কৰে। সমগ্ৰ মুখমণ্ডলতে কেনেকুৱা যেন 'উহু' 'উহু' ভাব। একেটা কথাকে বাৰে বাৰে কোৱা। মাত্ৰ চাই থকা— দেখা নহয়। তুচ্ছ এক অজুহাত লৈ অহা। মইতো বুৰ্বক নহয়। অথচ একোৱে নুবুজে। অথবা বুজিও নুবুজাৰ ভাও দিয়ে।

ভদ্ৰতা বজাই ৰাখি সম্পূৰ্ণ নিজকে চম্ভালি লৈছোঁ। এই দেশৰ ছোৱালীৰ লগত বাক্যালাপ চলে—প্ৰেমালাপ অসম্ভৱ। ৰেস্তোৰাঁ আৰু হোটেলৰ টেবুলত বিহাৰ হয়তো চলে কিন্তু মোৰ পক্ষে বিবাহৰ কথাও চিন্তা কৰা বলিয়ালি।

ইউৰোপৰ এখন দেশৰ ল'ৰাই আন এখন দেশৰ ছোৱালী সদায় বিয়া কৰাই অনা-নিয়া কৰিছে। মঁসিয়ে অমুকৰ লগত ফ্ৰলাইন তমুকৰ, হেৰ ব্ৰাউনৰ লগত মিচ জয়েচৰ প্ৰায়েই কথা হৈছে। প্ৰেম হৈছে অফুৰন্ত, তেওঁলোকে স্বচ্ছন্দে নিজৰ নিজৰ ঘৰ কৰি লৈছে।

কিন্তু ফ্ৰাউ জেনক লৈ মই যাম কলৈ ? শাৰী পিন্ধিব পাৰিলেই হ'বনে ? মোৰ ভাষা ক'ব পাৰিলেই হ'বনে ? চোবাব নোৱোৰিলেও ক্ষতি নাই। আলপনাত হাত নাথাকিলেও একো নহয়। কিন্তু সামান্য স্কুলমাষ্টাৰৰ চাকৰী লৈ দেউতাৰ চহৰলৈ অহা, এজাক ল'ৰা-ছোৱালী লৈ মাৰ সেইদিনাখনৰ মৰ্মান্তিক কষ্টময় দিনবিলাকৰ কথা এই ছোৱালীজনীয়ে কিমানখিনিয়ে বা বুজিব ? বুলগেনিনৰ মুখৰ 'জয় হিন্দ' দূৰৈৰ পৰাই শুনিবলৈ ভাল। কিন্তু ৰুছ বুলবুলি ঘৰলৈ আনি এই দেশৰ কেইজনেই খাজনা দিব পাৰিছে ক'ব পাৰেনে ?

আমাৰ নিজৰ দেশতে অৱস্থা কঠিন। কোনো মাৰাঠী যুৱকৰ লগত বঙ্গৰ কোনো ছোৱালীৰ বিয়া হলে কেনেকুৱা হ'ব ? আমাৰ গাৱঁৰ ছোৱালীৰ লগত পাঞ্জাবী শ্ৰীমান মালহোত্ৰৰ বিয়া হলে দিনে-ৰাতি কিভাবে দিনবোৰ যাব ?

সামান্য যুৰৰ চুলিও বোলে পেলাই দিয়াৰ বস্তু নহয়। কাব্যতো বোলে ইয়াৰ ঠাই আছে। ধ্বনি প্ৰধান ছন্দত 'পঞ্চশৰ দগ্ধ' কৰা হয়তো নহব, কিন্তু উপমা অলঙ্কাৰত সেয়া যে 'বিশ্বময় দিতেছে ছড়ায়ে'। চুলিৰ বিষয়ে বুদ্ধদেৱ বসুৰ এটি সুন্দৰ কবিতা আছে।

কিন্তু ভাগলপুৰৰ এক হিন্দীভাষী সাহিত্য ৰসিক আৰু কালচাৰড্ পাত্ৰই বিয়াৰ ৰাতি যদি বালিগঞ্জৰ অৱসৰপ্ৰাপ্ত চিভিল চাৰ্জনৰ একমাত্ৰ তনয়াৰ চেম্পো কৰা কোমল কেশৰাশি দেখি যদি তেওঁৰ আঞ্চলিক ভাষাত সেই কবিটাটিৰ তৰ্জ্জমা সেই ভাষাতে গুনগুনাই তেতিয়া ?

আছে, আৰু আছে। আমাৰ দেশতে আছে।

শাহু আইৰ হাতৰ মাছৰ অম্বলে আমাক কিমান আনন্দ দিব ভাবিব নোৱাৰোঁ। ৰসময়ীৰ ৰসালাপত আদিৰসৰ হয়তো অভাৱ নহয়। কিন্তু ৰসনা লৈ ৰসিকতাত অকল্প কৰুণ ৰসৰেই সৃষ্টি

কৰিব। মোৰ পৰিবাৰে ক'ব 'বটেক', আৰু মই ক'ম—'আছিলো'। এনেকুৱা বিয়া কৰালেই বা লাভ কি?

যি হওঁক, এই দেশলৈ আহি মোৰ নতুন অভিজ্ঞতাৰ কথা-প্ৰসঙ্গত ভোলাক কৈছিলোঁ। পিচৰ ডাকত ভোলাৰ পৰা চিঠি পালোঁ। লগত এখন ছবি। এজনী ছোৱালীৰ ছবি। ইটো-সিটো কথাৰ পিচত ভোলাই লিখিছিল: ছবিখন তুমি য'তে ত'তে দেখুৱাই ফুৰিব পাৰা। এই ছবিখনৰ লগত তোমাৰ যি কোনো সম্পৰ্ক পতাত তোমাৰ মুখৰ বান্ধ নাৰাখিলেও হ'ব। দেখিবা ছোৱালীবোৰে তোমাৰ পিছ নলয়। তোমাৰ কাৰণে প্ৰাণনাথ বুলি যদি কোনোবাই উৰ্দ্ধবাহু হৈ থাকেও, এই ছবি দেখাৰ পিচত দীননাথ বুলি আতৰি পৰিব!

সেই তেতিয়াৰ পৰাই ছবিখন মই লগত ৰাখোঁ। পকেটত থকা বেগতে থৈ দিছোঁ। ফটোগ্ৰাফাৰৰ হাত সুন্দৰ। আৰু ছোৱালী-জনীৰ মুখশ্ৰী অসুন্দৰ নহয়। ছবিৰ ওলোটা ফালে বগাখিনিত বহুত ভাবিচিন্তি লিখি থৈছোঁ—মন্দোদৰী দেবী। প্ৰয়োজন অনুসৰি দেখুৱাইছোঁ। সাজি সাজি গল্প কৈছোঁ। কামো হৈছে।

হোটেল ৰেস্তোৰাঁ, বাটত ষ্টেচনত, অসংখ্য ছোৱালী। সেই পৰিমাণৰ ল'ৰা ক'ত? মহাযুদ্ধৰ আবৰ্ত্তনত পৰি লাখ লাখ যুৱকে প্ৰাণ হেৰুৱাইছে। অগনণ আহত হৈ, বিকলাঙ্গ হৈ পৰি আছে।

এনেকুৱা এটা পৰিয়াল নাই যি পৰিয়ালৰ এজন নহয় এজন যুদ্ধত নিহত হোৱা নাই। আহত বা পঙ্গু হৈ ঘৰত পৰি থকা নাই।

কিন্তু ছোৱালীবোৰে কৰিব কি? তেওঁলোকেটো এখন সুন্দৰ ঘৰ সাজিব বিচাৰে। সেই কাৰণে ভদ্ৰঘৰৰ সুদৰ্শনা শিক্ষিতা তৰুণীৰ চকুত সেই গধুৰ চাহনি। পৰিচয় হলেই মিঠা হাঁহি এটি মাৰি প্ৰশ্ন কৰে: আপুনি অলপ অচৰপ জাৰ্মানী ক'ব পাৰেনে? সেই প্ৰশ্নত চলনা নাই। সেই কণ্ঠত কৌশলো নাই। সেই চাহনিও

নাই সন্তীয়া আবেদন। সেই-কথাত স্লার্ট কৰাৰ তিলমাত্র ইঙ্গিতো নাই।

মোৰ অভিজ্ঞতাৰ কথা কওঁতেই পালোৱানে বাধা দিলে। কৃত্রিম খঙ দেখুৱাই ক'লে: খপ্‌কৈ তই কৈ দিলি এনগেজড্‌ বুলি—তই একেবাৰে শিকা নাই। সঁচা ক'বলৈ কিয় তোৰ এই ভাব মই বুজি নেপাওঁ। মইটো তোক বিয়া কৰাবলৈ কোৱা নাই।

হাঁহি উত্তৰত ক'লো: বিয়া নকৰাও বুলিয়েটো আগুৱাবলৈ ভৰসা নাপাওঁ। এটি কোমল প্রাণ ভাঙি থৈ যোৱাত যিয়ে নাথাকক কিন্তু বাহাদুৰী হলে নাই।

: তাৰ মানে!

: অতি সহজ।

: কিন্তু তোৰ দৰে যদি মই জার্মানী জানিলোহেঁতেন···।

কথাৰ মাজতে পালোৱান বৈ গ'ল। চতুৰ ল'ৰা। আভাস পাইছে যে এই প্রসঙ্গত মোৰ আগ্রহ নাই। সহজ কৰিবলৈ গৈ যেই-সেই কথা কয়। উত্তৰ দিয়াৰ ভঙ্গীত হাঁহি হাঁহি ক'লো: মই জানো, তই খুব পিউৰিটান। কিন্তু মোক তই কেনেকুৱা ভাব ক'চোন? মই সহজ, নৰমেল, কিন্তু সন্তীয়া নহয়।

: মই জানোঁ।

: একোকে নেজান।

প্রসঙ্গ ঘূৰাবলৈ চেষ্টা কৰো। হাঁহি ক'লো: দেখিছোঁ নতুন কেমেৰা কিনিছ। সৰু ভাইটোৰ কাৰণে মইও এটি কিনিব লাগিব।

পালোৱানে সাৱধান কৰি দিলে: সাৱধান হ'তে ত'তে নিকি-নিবি। ইয়াৰ মজুমদাৰ চাহাবৰ লগত তোৰ পৰিচয় হৈছে নে নাই? হোৱা নাই যদি ব'ল তোৰ লগত চিনাকি কৰি দিওঁ। ভাৰতীয় দেখিলে মানুহজনে বেচ খাতিৰ কৰে। টুৱেন্টি পার্চেন্ট মোক কমিচন

দিছে। ময়ো এডাল বেড ফিল্টাৰ কিনিব লাগিব। বাটত যাওঁতে ৰুমাল আৰু মোজাও কিনিব লাগিব। ৰেন্ কোট্ পিন্ধি যে ঘূৰি ফুৰিছ, কিয় তোৰ জানো ওভাৰকোট নাই? মৰিবি ঠাণ্ডা লাগি মৰিবি। মোৰতো জানো লবি? তোৰ জানো এই কলাৰতো পছন্দ হ'ব।

ঃ অহা মাহত মই কিনিম বুলি ভাবিছোঁ। এতিয়া খুব প্ৰয়োজনো বোধ কৰা নাই।

ঃ বাজে কথা নকবি, মোৰতো পছন্দ নহ'ল বোধহয়। পেৰীত দেউতাই মোৰ কাৰণে বনাইছিল। কিন্তু মোৰ গাত হলে ঠিক ফিট নকৰিল। তয়ে ল, তোৰ গাত বেচ ফিট কৰিব যেন পাইছোঁ।

বিয়েৰৰ পাত্ৰ শেষ হ'ল। কিন্তু পালোৱানৰ বহুত কথাই বাকী ৰ'ল। ময়ো বহুত কথা জানিব খুজিছিলোঁ। ৰেস্তোৰাৰ পৰা ওলাই আহিলোঁ। ঃ তোক লগ পাই যে মোৰ কি আনন্দ লাগিছে। পাৰ যদি এবাৰ মোৰ তালৈ আহনা, পালোৱানে ক'লে।

বাহিৰত বেচ ঠাণ্ডা। লগতে বতাহো আছে। বাটৰ দুয়োফালৰ দোকানত ডাঙৰ ডাঙৰ কেচ। ৰেডিমেড কাপোৰৰ দোকানবিলাক সুন্দৰ ভাবে সজোৱা আছে। মানুহ-প্ৰমাণ মডেলবিলাকৰ দেহ আগুৰি নানা ধৰনৰ পোচাক। নানা ধৰণৰ বস্তু অতি মাত্ৰাই আকৰ্ষণীয়। চাৰিওফালে আয়না, ভিতৰত পোহৰ। এটি এটি শ্বো কেচত চাৰি ডজন মান মডেল আছে। কলিকতাৰ কোনো দোকানৰ লগতেই তুলনা নহয়। বিৰাট বিৰাট একো একোখন ডিপাৰ্টমেন্টেল ষ্টোৰ্চ। সকলো বস্তুৱে ইয়াত পোৱা যায়। এখন এখন দোকান যেন কলিকাতাৰ নিউমাৰ্কেটৰ সমান। দোকানলৈ সোমাই গৈ মাত্ৰ জানিব লাগিব দোকানৰ কোন তলাত কি বস্তু পোৱা যায়। লিফ্ট নাই। সেই বুলি চিৰি ভঙাৰ প্ৰয়োজনো নাই। চলন্ত ৰবৰৰ চিৰি আছে। তাতে উঠিলেই তালৈকে লৈ

যাব। এওঁলোকে ইয়াকে কয় ‘ৰোলট্ৰেপে’। ইংৰাজীত কয় এচকেলেটৰ।

পালোৱানে মোজা আৰু ৰুমাল কিনিলে। প্ৰায় আধা ডজন ৰুমাল মোৰ পকেটতো গুজি দিলে। মোক অতি সহজ ভাবে ধুনীয়া ফেৰকয়ফাৰিণৰ লগত কথা কোৱা দেখি পিঠিত খুচি দি ক’লে: তই দেখিছো পাই ললি।

তললৈ নামি আহিলোঁ। বাটত পালোৱানে কলে: মজুমদাৰ চাহাবৰ লগত পৰিচয় হৈ থ। পিচতে তোৰ সুবিধা মতে কেমেৰা কিনিব পাৰিবি। মানুহজন খুব ভাল, তোৰো বেছ ভাল লাগিব।

পালোৱানে মিছা কোৱা নাছিল। আমাক দেখা পাইয়ে মজুমদাৰ উঠি আহিল। বেচ দীঘল, প্ৰায় ছ ফুট তিনি ইঞ্চিমান হ’ব। মূৰত চুলি বগা আৰু কলা দুয়ো বিধে আছে। মুখত হাঁহি লাগিয়ে আছে। শান্ত নীৰব আপ্যায়ন।

দোকানৰ সমুখত এটি শো কেচ। কেমেৰা আৰু কেমেৰাৰ লাগতীয়াল বস্তুবোৰ সুন্দৰভাবে সজোৱা আছে। কাউণ্টাৰত এজনী ছোৱালী। ডাঙৰ ডাঙৰ চকু। সোণালী চুলি। মমৰ দৰে আঙুলিৰ মাজত এডাল কাঠ পেন্সিল।

মজুমদাৰে আমাক তেওঁৰ ভিতৰৰ কোঠালৈ মাতি লৈ গ’ল। ভিতৰলৈ সোমাই গ’লো। অফিচ ৰুম। দুজন মানুহে কাম কৰি আছে।

কোঠাটো বেচ ডাঙৰ। কোঠাৰ একাষত চোফা চেট। ৰঙা কাৰ্পেটত বিৰাট এলচেচিয়ান। আমাৰ ফালেই চাই আছে।

মজুমদাৰৰ মুখত অৰ্থপূৰ্ণ নীৰব হাঁহি। আপ্যায়নত আন্তৰিকতাৰ আভাস আছিল, কিন্তু ভাষা নাছিল। ভালদৰে নবহালৈকে কোনো ৰকমৰ কথাই নহ’ল।

পৰিচয় হ’ল। বহুত প্ৰশ্ন কৰিলে। বহুত কৌতুহলৰ উত্তৰ

দিব লগা হ'ল। ক'ত আছো, কি কাম। কিমান দিন থাকিম। আৰু বহুত প্ৰশ্ন।

জানিব খুজিলে : আপোনাৰ জন্মস্থান ক'ত ?

: পূৰ্ববঙ্গত—ফৰিদপুৰ !

: আপোনাক দেখিছো আমাৰ দলৰে।

পালোৱানৰ ফালে চাই ক'লে : আপোনাৰ ঘৰ—হুগলীত বুলি কৈছিল। নহয়নে ?

পালোৱানে হাঁহি এটি মাৰি ক'লে : দেখিছো কথাভো বেচ মনত ৰাখিছে। ইমান দিন এই দেশত থাকি ইমান বোৰ কথা মনত ৰাখিছে।

মৃণ জোকাৰি ক'লে : নাথাকিব। ইয়াতো যে অলপ অচৰপ সেই-বোৰ আছে। অৱশ্যে ইলিচ মাছৰ উচ্চাৰণ লৈ তৰ্কাতৰ্কি নহয় ; কিন্তু ফুয়েৰ্থ লৈ গৈ বাট পথৰ নিন্দা কৰক—সেই ঠাইৰ যদি আপুনি মানুহ হয়, নিউৰেমবাৰ্গলৈ আহি পুৰনি হোটেলৰ প্ৰতি সামান্য অৱজ্ঞা দেখালে সকলোৱে খেদি আহিব। ফুয়েৰ্থ পৰিষ্কাৰ নে নিউৰেমবাৰ্গ, এয়া লৈ তৰ্ক হলে কাজিয়া হোৱাৰ সম্ভাৱনা আছে।

শুনি ভাল লাগিল। এইবোৰ আমাৰ একচেটিয়া বস্তু বুলি জানিছিলোঁ। কৌতূহল হৈ প্ৰশ্ন কৰিল : হয় নেকি। বেচ ভাল লাগিল শুনি।

মজুমদাৰ চোফাত আৰাম কৰি বহি লৈ ক'লে : উ। এইয়া লৈ এদিনাখন সুন্দৰ এটি গল্প শুনিলোঁ। এটা বিখ্যাত কোম্পানীৰ ডিৰেক্টৰ নিউয়ৰ্কলৈ গৈছিল। তেওঁ হ'ল বেভেৰিয়ান। প্ৰয়োজনীয় বাতৰি লৈছে এনেতে তেওঁ লক্ষ্য কৰিলে স্থানীয় দুজন জাৰ্মান ইঞ্জিয়নিয়াৰে পৰস্পৰৰ মাজত কথা-বতৰা পতাটো বন্ধ কৰি দিছে। তেওঁ দুয়োজনকে ভালদৰে চিনি পাইছিল। ভাল মানুহ বুলিয়ে জানিছিল, তেনেহলে এওঁলোকৰ মাজত বিৰোধ কি হ'ব ? পিচত ভাব হ'ল ত্ৰুটি তেওঁৰ নিজৰে। দোষটো মৌলিক। এজন

ইঞ্জিনীয়াৰ আহিছে পুৰণি নিউবেমবাৰ্গৰ পৰা আনজন আহিছে ফুয়ের্থৰ পৰা।

প্ৰথমতে অৱশ্যে বন্ধুত্বই আছিল। দুয়োজনৰ মাজত সৌহাৰ্দ্যৰ বন্ধনো আছিল। কিবা সূত্ৰত দুয়োজনৰ মাজত কুলমৰ্য্যাদা লৈ তৰ্কৰ সূত্ৰপাত। সেই তেতিয়াৰ পৰাই কথাবাৰ্ত্তা কোৱা বন্ধ। বংশ মৰ্য্যাদাৰ দখল লৈ তিক্ততা এনেকুৱা হ'ল যে শেষত গৈ দুয়োজনৰ মাজত কথাবাৰ্ত্তাও বন্ধ হৈ গ'ল। টেঙৰ ডিৰেক্টৰে প্ৰমাদ গণিলে। হামবুৰ্গলৈ উভতি আহি এজনক চিকাগোলৈ বদলি কৰিলে।

আনন্দতে পালোৱানে হাত চাপৰি বজাই উঠিল। হাঁহি হাঁহি ক'লে : এওঁলোকে দেখিছোঁ আমাকো হেৰুৱালে।

মজুমদাৰে পালোৱানৰ ফালে চাই ক'লে : আপোনাক দেখিছোঁ মৰেল চাপোৰ্ট পাইছে। সকলোটে এইবোৰ অলপ নহয় অলপ আছেই মুখেৰে নকলেও উত্তৰ জাৰ্মানীৰ মাটিৰ সন্তান, 'হোয়ক, ভয়েচ'ৰ কৌলীন্য যিজনৰ ওঁঠত, নাক তেওঁৰ ফুলিবই। হেনোফাৰ নাইবা হামুবৰ্গৰ ল'ৰাই বেভেৰীয়ান কোনো তৰুণীক দেখিলে অতি সহজতে আনন্দিত হৈ নুঠে। অৱশ্যে এইবোৰ বাহিৰৰ পৰা হঠাতে চকুত নপৰে। 'সবাৰ উপৰে মানুষ সত্য : তাহাৰ উপৰে নাই' আমাৰ দেশৰ কবিৰ কথা। এওঁলোকৰ চিন্তাত সেইবোৰৰ যথেষ্ট তাৰতম্য দেখা যায়। এওঁলোকে জানে সকলোৰে ওপৰত জাৰ্মানী সত্য, আন একো নহয়। অতি সাধাৰণ ঘটনাক আমি যেনেকৈ বৰ ডাঙৰ কৰি তোলো, এওঁলোকৰ সেইবোৰত ভ্ৰুক্ষেপ আছে বুলি ভাব নহয়। চাইকেলৰ লগত পথাচাৰীৰ খুন্দা লাগিলে হতাহতি হোৱাৰ প্ৰয়োজন নাই। মটৰ বেয়া হলে পিছৰ অপৰিচিত গাড়ী আহি ওচৰত নৰখাটোৱে স্বাভাৱিক।

মজুমদাৰে মিছা কথা কোৱা নাই। চাইকেল দুৰ্ঘটনা চকুত পৰা

নাই। গাড়ীৰ বিভ্ৰাটো পৰা নাই। কিন্তু বাটে পথে ট্ৰেফিক পুলিচৰ অপ্ৰতুলতা দেখি আচৰিতে হৈছোঁ। কলিকাতাত দেখিছো দুখোজ আগবাঢ়িলেই পুলিচ। অকল চৌৰঙ্গীৰ ওচৰ পাজৰে নহয়, শ্ৰীৰামপুৰতো। কিন্তু ইয়াত সেইবোৰ দৃশ্য অতি সহজে চকুত পৰা নাই। এইমাত্ৰ দেখি আহিলোঁ 'ডিপাৰ্টমেণ্টেল ষ্টোৰ্চৰ' আগৰ আলিত ট্ৰেফিক পুলিচৰ অনুপস্থিতি।

সেই বুলি জানো মটৰৰ ইয়াত অভাৱ আছে? এই দেশত জানো ট্ৰেফিকৰ সংখ্যা কম আছে? আচলতে আমি চাওঁ অন্য চকুৰে। আচল এৰি নকলত আমাৰ কৌতূহল। কাৰণ এৰি অকাৰণতে আমাৰ আগ্ৰহ বেছি।

এজনক উপেক্ষা কৰাৰ অতি সনাতন মনোবৃত্তি আমাৰ জন্মগত। বুজা-বঢ়া কৰি লোৱাটোক আমি জানো পৰাজয়ৰ নামান্তৰ বুলি। কম্‌প্ৰোমাইজ হয় মূৰ তল কৰি, বুকু ফিন্দাই নহয়।

সামান্য ভুলৰ কাৰণে গাড়ীৰ পৰা মুখ উলিয়াই অতি সহজে কোন প্ৰৌঢ় ভদ্ৰলোকক তেওঁৰ ড্ৰাইভিং লাইচেন্সৰ বয়স সোধা হয়। হাত পকাবলৈ নিৰ্জন স্থানৰ পৰামৰ্শও আমি দিওঁ। সন্মুখত যদি ৩৮'ৰ মৰিচ থাকে পিচৰ ড্ৰাইচলাৰে কেনেদৰে গ্ৰাহ্য কৰে? ওভাৰটেক কৰাতে আমি অভ্যস্ত। তাতেই বাহাদুৰী আছে বুলি আমি ভাবোঁ।

কিন্তু ইয়াত ব্যতিক্ৰম। আনক ঠাই এৰি দি নিজে সামান্য অসুবিধাত পৰিলেও অসহিষ্ণু নহয়। এওঁলোকৰ ধৈৰ্য্য আছে। সংযমীও। আনৰ লগত সম্পৰ্ক প্ৰতিযোগিৰ নহয়—সহযোগীৰ। ইয়াত ট্ৰেফিকে গণ্ডোগোল নকৰে। কোন আগতে যাব ইয়াকেলৈ কোনো মৰ্মান্তিক অৱস্থাৰো সৃষ্টি নহয়।

কফি খোৱা হ'ল। লগতে দামী চিগাৰেটৰ আপ্যায়ন। লক্ষ্য কৰিলো পালোৱানে ঘড়ী চাইছে।

কেমেৰাৰ প্ৰসঙ্গ তোলে নহ'ল। পালোৱানে 'ৰেড ফিল্টাৰ' এড়াল ললে। মজুমদাৰে আমাক আগুৱাই হৈ গ'লহি। হাত যোৰ কৰি নমস্কাৰ কৰিলে। সুদীৰ্ঘ দেহত সুন্দৰ সাজ-পাৰ, কলা চুটৰ লগত মিলাই টাই। স্নিগ্ধ দৃষ্টিত সহজ এক আকৰ্ষণ আছে।

পালোৱানে বাটত আক্ষেপ কৰিছিল। কৈছিল: তোৰ লগত কালি দেখা হোৱা হলে খুব ভাল হলহেঁতেন। হামবুৰ্গলৈ আহনা।

তাৰ পিচত ৰেল ষ্টেচন।

মিউনিকলৈ যোৱাৰ শেষ গাড়ী। ষ্টেচনত মানুহ আছে কিন্তু ভীৰ নাই।

প্ৰথম শ্ৰেণীৰ কোঠা সম্পূৰ্ণ খালি পোৱা গ'ল। গাৰ পৰা ওভাৰকোটটো খুলি ওলোমাই থলে।

তাৰ পিচত আদেশৰ সুৰত ক'লে: খোলচোন তোৰ ৰেইন কোটতো। ভাবিছিলো মই পাহৰি গৈছিলো বুলি? চাওঁ তোৰ গাত এইটো হয় নে নহয়।

বাধা দিয়া অৰ্থহীন। পালোৱানক মই ভালদৰে চিনি পাওঁ। ৰেইনকোটতো খুলি পেলালো। তাৰ আদেশত ওভাৰকোটতো পিন্ধিলোঁ।

বুটামবোৰ মাৰি দি দি ক'লে: অপূৰ্ব। তোক প্ৰিন্সৰ নিচিনা দেখা গৈছে। বেচ ফিট্ কৰিছে।

গাড়ী এৰি দিয়াৰ সময় হ'ল। ঠিক এনে সময়তে বিৰাট এটি চুটকেছ হাতত লৈ এজন কম বয়সৰ ভদ্ৰলোক কোঠালৈ উঠি আহিল। লগত এজনী তৰুণী। দেখি ভাব হ'ল স্বামী-স্ত্ৰী বুলি। অথবা আগত দিনৰ কোনোবা 'হোনেৱালা আৰু হোনেৱালী।'

অতি ক্ষিপ্ৰতাৰে সতে চুটকেছতো থলে। পালোৱানৰ ফালে পিঠি দি থৰথৰকৈ ছোৱালীজনীৰ কণ্ঠলগ্ন হৈ শব্দ কৰি চুমা এটা খালে। হতভম্ব হৈ পালোৱান থিয় হৈ থাকিল।

ছোৱালীজনী জপিয়াই গাড়ীৰ পৰা নামিল। অসহায়ৰ দৃষ্টিৰে পালোৱানে ক'লে : এয়া কেনেধৰণৰ হ'ল। কেনে ধৰণৰ ইয়ে···।

ইয়ে-টিয়েৰ সময় নাছিল। গাড়ী এৰি দিলে।

ৰেইনকোটটো কান্ধত পেলাই ষ্টেচনৰ পৰা ওলাই আহিলোঁ। বহুত ৰাতি হৈ গৈছে। টেক্সি বিচাৰিলোঁ।

পকেটত হাত দিওঁতে কিবা এটা বস্তুত হাত পৰিল। থমকি ৰওঁ। চামৰাৰ সৰু এটি পেকেট। পালোৱানে কিনা নতুন ফিল্টাৰডাল!

হাইনৎস নিকলৰ লগত মোৰ ডাক্তৰখানাত পৰিচয় হয়। বয়সত অলপ ডাঙৰ। মূৰত এবোজা চুলি, চকুত মোটা চেলৰ চশমা। পিন্ধনত মহাৰ্ঘ পোচাক। কিন্তু পৰিপাটি নহয়—বিশৃঙ্খল, উদাস দৃষ্টি। পৰিমিত কথা। ওঠৰ হাঁহিও অপৰিমিত নহয়।

নিকল চিত্ৰকৰ। বেচৰকাৰী কোনো এখন বিখ্যাত প্ৰচাৰ দপ্তৰৰ আৰ্ট ডিজাইনৰ। তাৰ উপৰিও কিতাপৰ কভাৰ অঁকাৰ কামত এজন প্ৰকাশকৰ লগত চুক্তিবদ্ধ।

তেওঁৰ মুখত অবনীন্দ্ৰনাথ ঠাকুৰৰ নাম শুনি চমকি উঠিছিলোঁ। সেইদিনাখন তেওঁক বাৰলৈ টানি নি ৰঙা ব্ৰেণ্ডিৰ অৰ্ডাৰ দিয়াত মোৰ অলপো দ্বিধা হোৱা নাছিল। এয়া যেন হেৰোৱা কোনোবা এজন চিনাকি মানুহ।

নিকল বিস্মিত। কৌতূহলৰ হাঁহি এটি মাৰি ক'লে : আপুনি বিজ্ঞানৰ ছাত্ৰ, কলকাৰখানালৈয়ে ব্যস্ত। ছবিত আপোনাৰ আগ্ৰহ দেখি আচৰিত হলোঁ।

হাঁহি ক'লো : ডিঙিত যিজনৰ সুৰ নাই, তেওঁৰ কাণে কি দোষ কৰিলে। তুলি ল'ব বাৰু নাজানিলোৱেই, চকুৱে কি দোষ কৰিলে!

সক মাত্তেৰে ক’লে : আপোনাক মোৰ প্ৰয়োজন আছে। পৰিচয় হ’ল ভালেই হ’ল। ‘দয়া কৰি আপোনাৰ দেশৰ শাৰী, পৰ্দাৰ কিছুমান ডিজাইন সংগ্ৰহ কৰি দিব পাৰিবনে? অপূৰ্ব পৰ্দা, এনেকুৱা সুন্দৰ কাম কৰা বস্তু আমাৰ দেশত নাপাব।

মই আচৰিত হৈছিলোঁ। কৈছিলো : সেইবোৰ সংগ্ৰহ কৰি কৰি আপোনাৰ কি লাভ হ’ব? ভাৰতীয় কাপোৰৰ ডিজাইন চাই আপোনাৰ লাভ?

নিকলে হাঁহিলে। ক’লে : ওৰিয়েণ্টল আৰ্টৰ ওপৰত ইউৰোপৰ চকু বহুদিনৰ। আমেৰিকাৰ নাইলনত সকলোৱে অস্বস্তি বোধ কৰিছে। ডিনাৰ চেটত জাপানী ড্ৰেগন ইয়াত ভালেই লাগিছে। মই লক্ষ্য কৰিছোঁ দামী পোচাকত চীনা আৰ্টিস্টৰ বাঁহৰ ইমপ্ৰেচন ছোৱালীবোৰৰ ভালেই লাগিছে। মই ভাৰতীয় বয়ন শিল্পৰ নানান ধৰণৰ নক্সাৰ পৰা কিছুমান কাম কৰিব খুজিছোঁ। এই দেশত প্ৰচুৰ সম্ভাৱনা আছে। প্ৰয়োজনীয় খৰচ আদি মই বহন কৰিম। কিন্তু সংগ্ৰহৰ ভাৰ আপুনি লব লাগিব।

বুজিলোঁ নিকল এক অন্য শিল্পী। মোৰ পৰিচিত চৰিত্ৰৰ সীমাৰেখাৰ বাহিৰত। সৰস্বতীৰ পূজা বহুৱাইছে বোধ হয়, কিন্তু লক্ষ্মীৰ আৰাধনাও বন্ধ থকা নাই। সেই কাৰণে মোৰ ওচৰত ডিজাইনৰ খবৰ। ভাৰতীয় বয়নশিল্পৰ নক্সা অন্য ৰূপত সজাই এই দেশত পৰিবেশন কৰিব খুজিছে। জাৰ্মানীত আলোড়ণ সৃষ্টি কৰিব খুজিছে আমাৰ দেশৰ শাৰীৰ আৰ্হিৰে।

অনুৰোধ সামান্যই। নিকলৰ অনুৰোধত আনন্দিত হৈছোঁ। কৈছিলোঁ : মই সাধ্যমতে কিছু সংগ্ৰহ কৰি দিম। ঘৰলৈ মই কালিয়েই চিঠি লিখিম। আপোনাৰ উদ্দেশ্য শুভ।

ক’লে : উদাহৰণ নিদিলেও বুজিব, বিশুদ্ধ ছবি আঁকি পেট নভৰে।

এডাল চিগাৰেটত অগ্নি সংযোগ কৰি ক'লে: প্ৰায় এমাহমান ঘূৰি মেলি কালি এখন ছবি বিক্ৰি কৰিলোঁ। পাঁচশ মাৰ্কতে বেচি দিলোঁ। পিচলৈ হয়তো এশ মাৰ্কৰ গ্ৰাহকেই পোৱাই টান হলহেঁতেন। অকল জানো ছবি আঁকা লৈ থাকিলেই চলিব।

আমাৰ নিজৰ দেশৰ অৱস্থা দেখি নিকলৰ কথা অস্বীকাৰ কৰাৰ উপায় নাই। আমাৰ দেশত অকল যিজনেই ছবিয়েই আঁকে, তেওঁ মৰিছে। সাহিত্যিকৰ পেশা যিজনৰ আমাৰ দেশত, তেওঁৰ অৱস্থা কেনে? লেখে বুজিলো, কিন্তু কৰে কি—প্ৰশ্নৰ সমুখত তেওঁ পৰিবই লাগিব। কবিতা যিসকলে লিখে তেওঁৰ দিবা-ৰাত্ৰি ৰচদ ক'ৰ পৰা আহিব?

বিশুদ্ধ শিল্পৰ সকলোতে প্ৰায় সমান অৱস্থা।

নিকলে কোটৰ পকেটৰ পৰা এটা এনভেলাপ উলিয়াই আনিলে। তাৰ পৰা কিছুমান ফটোগ্ৰাফ উলিয়াই টেবুলত থলে। মুঠতে তিনিখন ছবি। 'ফুলদানীত ফুল,' 'শীতৰ সন্ধ্যা' আৰু 'ব্যস্ত কুৰফুৰষ্টেডাম'।

নিকলে শেষৰ ছবিখনৰ কথাই কৈছিল। বাৰ্লিনৰ কুৰফুৰষ্টেডাম। তেওঁৰেই ছবি। ফটোগ্ৰাফ চাই অৱশ্যে আচল ছবিৰ বিষয়ে ক'ব নোৱাৰি। পোহৰ আলোকিত বাটত মানুহৰ ভীৰ। ছবিখনত দেখা গৈছে।

অৱশ্যে 'শীতৰ সন্ধ্যা'ও মোৰ ভাল লাগিছে। নিকলৰ কথাত ভাৱ হ'ল ব্যস্ত কুৰফুৰষ্টেনডাম ছবিখন দেখি মোৰ উচ্ছাসিত হোৱা উচিত আছিল। হাঁহি কলে: সুযোগ পালে আচল ছবিখন আপোনাক দেখুৱাম।

মানি লোৱাৰ অতি সনাতন পদ্ধতি মই ঠিক আয়ত্ব কৰিব নোৱাৰো। সহজতে কথা পাতিব পাৰো। আনৰ প্ৰগলভতাত

মোৰ আপত্তি নাই কিন্তু সৰ্বত্ৰ নহয়। সকলোৰে লগত নহয়। ভাল কথা লৈ পাতল গল্প চলে। বাজে কথা লৈ অৰ্থহীন কথা সহ্য কৰিব নোৱাৰো।

সেই কাৰণে পিকাচোই অৰ্কা 'শান্তিৰ পাৰ' লৈ নিকল অশান্ত হলে বেয়া নালাগে। কিন্তু হেনাফোৰ এজাক পাৰৰ লগত বহি পেৰীৰ নাচনীৰ ক্লান্তিকৰ গল্পৰ সমাগমত অসহ্য লাগে।

সেইফালৰ পৰা নিকল সম্পূৰ্ণ অন্য ধাতুৰে গঢ়া। সম্প্ৰতি মানুহেজনৰ লগত মোৰ প্ৰায়েই দেখা-দেখি হৈছে।

গল্প কৰোতে কৰোতে বহুত ৰাতি হৈ যায়। এদিনো মোক ৰেস্তোৰাঁৰ বিল দিবলৈ দিয়া নাই। মাত্ৰ কয়ঃ আপুনি আমাৰ দেশত অতিথি এই মুহূৰ্ত্তত মোৰ অৰ্থৰ অভাৱ হোৱা নাই। মোকে দিবলৈ দিয়ক।

মই কিন্তু তেওঁৰ ভূগোল জ্ঞান দেখি মৰ্ম্মান্তিক আঘাত পাইছোঁ। আমাৰ দেশৰ অতি সাধাৰণ মানুহৰ জাৰ্মাণী সম্পৰ্কে যিখিনি কাণ্ডজ্ঞান আছে, ভাৰত সম্পৰ্কে নিকলৰ তাৰ সিকি ভাগো জনা নাই।

অৱশ্যে তাত তেওঁৰ একো হানি নহয়। ভাৰতৰ জোখ-মাফৰ অফিচত তেওঁ কোনো কালে কাম নলয়!

মজুমদাৰৰ দোকানত কিছু সময় আড্ডা মাৰি নিকলক বিচাৰি ৰেস্তোৰাঁলৈ আহোঁ। আবেলি সময়ত তেওঁক ইয়াতে লগ পোৱা যায়। নিকলে মোৰ কাৰণে অপেক্ষা কৰি আছিল।

বিয়েৰ লৈ দুয়োজনে মুখামুখিকৈ বহিলোঁ। প্ৰসঙ্গক্ৰমে যুদ্ধৰ কথা হ'ল। 'ওপেন চিটি' পেৰীৰ বৰ্ণনা শুনিছিলোঁ।

এনেসময়তে ঝনঝননিত গোটেই ৰেস্তোৰাঁ যেন কঁপি উঠিল। আন প্ৰান্তৰত আয়না ভঙা শব্দ শুনিলোঁ।

ক'লা চুট পিন্ধা এজন মানুহে ৰেস্তোৰাঁৰ বৃদ্ধ মালিকক ধমক

দিছে। তেওঁৰ হাতৰ বিয়েৰৰ গিলাচটো মালিকৰ গালৈ দলিয়াবৰ কাৰণে প্ৰস্তুত হৈছে। এজনে ক্ষিপ্ৰতাৰে তেওঁৰ হাত খনত ধৰিলে। আন এজনে মানুহজনক শান্ত কৰিবলৈ চেষ্টা কৰিলে।

দুজন মানুহে তেওঁক টানি নিবলৈ চেষ্টা কৰিলে। মানুহজন খোঁৰা—সোঁহাত খনো নাই। মুখ ভৰ্ত্তি দাড়ি। খঙত যেন চকু দুটি জ্বলি আছে। লগে লগে চিঞৰিছেও: মোৰ ফালে কিয় এইদৰে চাব! মোৰ ফালে কিয় এইদৰে চাব?

শুনিলো মানুহজন উন্মাদ।

নিকল কেতিয়া উঠি গৈছিল ক'ব পৰা নাছিলো। দেখিলো তেওঁ মানুহজনক শান্ত কৰিবলৈ চেষ্টা কৰিছে। বকি বকি মানুহজনে বেস্তোৰাঁ এৰি গুচি গ'ল।

দেৱালত ওলোমোৱাই থোৱা এখন ছবিৰ আয়না ভাঙি চুৰমাৰ হৈ গৈছে। ভঙা টুকুৰাবোৰ সেউজীয়া কাৰ্পেটত সিচৰিত হৈ পৰিছে। ফ্ৰেমৰ মাজত থকা উলঙ্গ এক নাৰীৰ দেহ তেতিয়াও দুলি আছে।

নিকল উভতি আহিল। সুধিলো যুদ্ধত প্ৰায় এনেধৰণৰ বহুত মানুহে হাত ভৰি হেৰুৱাইছে নহয়? বোধ হয় কোনো মাৰাত্মক আঘাতত মূৰটো নষ্ট হৈ গৈছে।

চিগাৰেট এডাল লগাই লৈ সুধিলো: আপুনি মানুহজনক চিনি পায় নেকি?

কিয় কব নেৱাৰো নিকল কিছু সময় মনে মনে থাকিল। পিচত মূৰ দাঙি ক'লে: খুব ভালদৰে চিনি পাওঁ। বোধহয় এই পৃথিৱীত তেওঁক মইয়ে ভালদৰে চিনি পাওঁ। খুব ভালভাবে ক্ৰুনোক চিনি পাওঁ।

মই কৌতূহলী হৈ পৰোঁ। আগ্ৰহেৰে প্ৰশ্ন কৰো: ক'তা আপোনাকতো তেওঁ চিনি পায় বুলি ভাব নহল?

আপোন মনে নিকলে কৈ গ'ল : ক্রুনোৱে এতিয়া এজনকো চিনি নাপায়। মূৰতো সম্পূৰ্ণ ভাবে নষ্ট হৈ গৈছে। কিছুদিন বেচ মনে মনেই আছিল, গোলমাল কৰা নাছিল।

মোক ঠিক যেন কোৱা নাই। অন্যমনস্ক হৈ কথাবোৰ ক'লে।

সুধিলো : সেই ছবিখনৰ ওপৰতে বা তেওঁৰ ইমান খঙ কিয়? একেবাৰে আয়নাখন ভাঙি থৈ গ'ল।

বিয়েৰৰ পাত্রটো আগত ৰাখি নিকল বহু সময় মনে মনে থাকিল। তাৰ পিচত মাত তো সক কৰি ক'লে : আজি চহৰৰ অন্য এক অৱস্থা, যুদ্ধৰ পিচত এই নিউৰেমবাৰ্গৰ অন্য এক অৱস্থা আছিল। ক্রুনোৰ কথা জানিবলৈ হলে আমি কিছুদূৰ পিছুৱাই যাব লাগিব। প্রথমৰ পৰাই বাৰু আপোনাক কওঁ ·

অভিজাত জাৰ্মান বংশত ক্রুনোৰ জন্ম হয়। দেউতাক ডাক্তৰ আছিল। থুৰাক আছিল উচ্চপদস্থ কৰ্মচাৰী। শৈশব আৰু কৈশোৰ কাল প্রাচুৰ্য্যৰ মাজতে পাৰ হৈ গ'ল।

এজন ৰাজদ্রোহীক ঘৰত আশ্রয় দিয়া কাৰণে ক্রুনোৰ দেউতাক হাতে হাতে ধৰা পৰে। মানুহৰ ৰোগ অতি সহজতেই তেওঁ ধৰিব পাৰিছিল। কিন্তু ৰাজনৈতিক ধুৰন্ধৰ সকলৰ কোনো মতলবেই তেওঁ জনা নাছিল। 'মাইন্ কাম্প' নপঢ়াকৈয়ে তেওঁ হিটলাৰক ভোট দিছিল। তেওঁ গোঁফ জোৰাও হিটলাৰৰ দৰেই ৰাখিছিল। কিন্তু সহপাঠী বন্ধুজনে যেতিয়া গভীৰ ৰাতি তেওঁৰ ঘৰলৈ আহি তেজেৰে ৰাঙলী দেহৰ পৰা গুলিটো উলিয়াই দিবলৈ কৰুণ মিনতি জনালে ক্রুনোৰ দেউতাকে তেওঁক কোনোপধ্যেই ওভতাই দিব নোৱাৰিলে তেওঁৰ বন্ধুজন যে ৰাজদ্রোহী এই কথা তেওঁ মুহূৰ্ত্তৰ কাৰণেও ভাবিব নোৱাৰিলে।

হিটলাৰে ক্ৰুনোৰ দেউতাকক কাৰাগাৰলৈ নিক্ষেপ কৰিলে। সকলো সম্পত্তি বাজেয়াপ্ত কৰিলে। ক্ৰুনোৰ খুৰাককো চাকৰীৰ পৰা খেদালে। কিছুদিন পিচত বন্দী শিবিৰিত ক্ৰুনোৰ দেউতাক টাইফাচ ৰোগত মৃত্যু মুখত পৰে।

ক্ৰুনোৰ ঘৰলৈ অন্ধকাৰ নামি আহিল। চিকাৰীৰ ভয়ত নিৰীহ প্ৰাণী যিভাবে আত্মগোপন কৰিবলৈ চেষ্টা কৰে, কিশোৰ ক্ৰুনোৰো প্ৰায় সেই অৱস্থা।

পৰিচিত সকলৰ কোনোৱেই ক্ৰুনোৰ পৰিবাৰৰ ভয়তে ওচৰ নাচাপে। পৃথিৱীৰ মানুহৰ পৰা তেওঁ যেন বেলেগ।

অভিজাত পৰিবাৰৰ ল'ৰা ক্ৰুনোই বটলৰ দোকানত কাম ললে। ক্ৰুনোই মাকক নীৰৱেই কন্দা দেখিছে। তেওঁৰ মাকক হহাঁ কোনো দিনাখনেই দেখা নাই।

ছবি অকাঁত ক্ৰুনোৰ শৈশৱৰ পৰাই হাত আছিল। এখন কাগজ পালেই শিশু মনৰ বিচিত্ৰ আচোঁৰত কাগজখন ভৰাই পেলাইছিল। সকলো গ'ল। মাত্ৰ ছবি অকাঁৰ চখ ক্ৰুনোৰ নগল।

বটলৰ দোকানৰ পৰা পোৱা টকাৰ অলপখিনি কাগজ আৰু পেন্সিলৰ কাৰণে ক্ৰুনোই বেলেগে থলে। ৰঙ আৰু তুলিৰ কাৰণে কেইটামান মাৰ্ক বেলেগ কৈ ৰাখিলে।

অতি স্বচ্ছল জীৱনৰ প্ৰাচুৰ্য্যৰ পৰা নিক্ষিপ্ত ক্ৰুনোই মাত্ৰ প্ৰাণ-ধাৰণৰ দিন যাপনৰ দুঃসহ গ্লানি লাহে লাহে মানি ললে। অভাৱ আৰু ভয়তে তেওঁৰ প্ৰথম যৌৱনৰ আত্মপ্ৰকাশ।

তাৰ পিচত মহাযুদ্ধ।

ক্ৰুনোৰ লগত নিকলৰ পৰিচয় হয় বন্দী শিবিৰত। চিচিলিত বহুতৰ লগতে তেওঁলোকো আটক হৈ আছিল।

যুদ্ধৰ শেষত নিকল দেশলৈ উভতি আহিল। ক্ৰুনো তেওঁৰ নিউৰেমাৰ্গৰ ঘৰলৈ আহে।

ঘৰ পাইয়ে সকলো ফালে কেনেকুৱা যেন নীৰস লাগিল। দৃশ্যমান জগতৰ সকলো তেওঁৰ নিজৰ জীৱনৰ দৰেই শুকান। গছত পাত হয়তো আছে, কিন্তু ৰঙ তাৰ বিবৰ্ণ। শীৰ্ণ ডালবিলাক কঙ্কালৰ দৰে লাগিল। ফুলৰ বাগানত ফুল নাই। মাটিৰ পৰা বাৰুদৰ গোন্ধ ওলাইছে।

প্ৰথমতে ক্ৰুনোই এক সহজ বৃত্তি বাছি ললে। ৰেল ষ্টেচন, চিনেমা হল আৰু হাটে বজাৰে গোটেইদিন ঘূৰি ফুৰিব ধৰিলে। মাত্ৰ কেইটিমান মাৰ্কৰ বিনিময়ত তেওঁ বিদেশী সৈনিকৰ ওচৰত কাম ললে। তেওঁৰ ইংৰাজীত যিখিনি জ্ঞান আছিল তাৰেই সস্তা ৰসিকতা, দৰদাম কৰাত একো অসুবিধাত পৰা নাছিল।

ক্ৰুনোই ৰাতি ৰাতি ছবি আঁকিছিল। সেই পৃথিৱীত তেওঁ আছিল স্বাধীন। তাতে তেওঁ অকলশৰীয়া। তাতে বোধহয় তেওঁ আছিল অদ্বিতীয়।

আকাল আৰু আকাল। সামান্য এটুকুৰা চকলেট, একমাত্ৰ নিকৃষ্ট মদ নাইবা চিগাৰেটৰ বিনিময়ত যি কোনো বিদেশী সৈনিকে অতি সহজতে কোনো সুন্দৰীৰ চূড়ান্ত সৰ্বনাশ ঘটাব পাৰে। সৰ্বত্ৰ কুশ্ৰীতা আৰু অশুচিতা। অব্যবস্থা আৰু অসংযম। তাৰেই বিক্ষোভ ক্ৰুনোই তুলিৰ আঁচোৰত ফুটাই তুলিব ধৰিলে।

সেইদিনখন দুৰ্যোগৰ ৰাতি আছিল। কিবা কাৰণত ক্ৰুনো ৰেল ষ্টেচনত বৈ আছিল। দীঘল ক্ষীণাঙ্গী ছোৱালীবোৰ ইফালে সিফালে আহ-যাহ কৰি আছে। উলঙ্গ ভৰিৰ চলনত, দেহভঙ্গিমাৰ কম্পনত অশ্লীল টানি টানি পিন্ধা সাজপোচাকৰে ছোৱালীবোৰ চিকাৰ ধৰাত ব্যস্ত। বিবৰ্ণ দেহ, পাণ্ডুৰ মুখশ্ৰী, টিকটিকিয়া ৰঙা এজোৰ পাতল ওঁঠৰ ফাঁকত কম দামী চিগাৰেট।

এজন ইয়াঙ্কীয়ে তেওঁৰ ইয়াৰ বন্ধুসকলক আঁতৰত থৈ এজনী

ছোৱালীৰ লগত ৰং ধেমালি কৰি আছে। এমুঠি চকলেট ছোৱালী জনীৰ ব্লাউজৰ কাঁকত সুমাই দি বিকাৰগ্ৰস্ত ৰোগীৰ দৰে জপিয়াইছে।

ক্ৰুনোৱে নিজকে সংযত কৰি তাৰ পৰা গুচি গ'ল।

আকাশ অশান্ত। বাহিৰত প্ৰবল বৰষুণ। উভতি চাওঁতেই হঠাতে চকুত পৰিল, অলপ দূৰৈত, ঘৰৰ কোণত থকা পেকিং বাকচৰ স্তুপৰ মাজত এজনী ছোৱালী দেখি বৈ গ'ল।

ছোৱালীজনী অন্ধকাৰ আকাশৰ ফালে স্থিৰ নয়নেৰে চাই আছে। পিন্ধনত অতি সাধাৰণ সাজ। মলিন জোতা, ম্লান মুখশ্ৰী। এই পৰিবেশত ছোৱালীজনী যেন সঙ্কুচিত। নিজকে লুকাই ৰাখিব বিচাৰিছে যেন।

কিন্তু ষ্টেশনত কিয়? এই দুৰ্য্যোগৰ ৰাতি কিহৰ তাড়ণাত, কাৰ অপেক্ষাত? কেইটিমান মুহূৰ্ত্ত ক্ৰুনোৱে কিবা যেন চিন্তা কৰিলে তাৰপিচত আগুৱাই আহিল। এয়াতো অন্য এক ছোৱলী। এওঁতো চিকাৰ ধৰিবলৈ অহা নাই।

সমুখলৈ আহি ক্ৰুনোৱে পোনে পোনে প্ৰশ্ন কৰিলে: ইয়াত ইমান ৰাতি। কিবা বিপদত পৰিছে নেকি?

প্ৰথমতে ছোৱালীজনীয়ে বোধহয় ভয় খাইছিল। বহুত সময় তেওঁ উত্তৰ পোৱা নাছিল।

ক্ষীণ হাঁহি এটি মাৰি ক্ৰুনোৱে ক'লে: ঠাইডোখৰ ভাল নহয়। ইফালে সিফালে বাঘবোৰ ঘূৰি-ফুৰি আছে।

এইবাৰ ছোৱালীজনীয়ে উত্তৰ দিলে। অসহায়ৰ দৃষ্টি চকুত। কণ্ঠতো এক নীৰৱ ভয়। কপাঁ মাতেৰে ক'লে: মা অহা কথা আছিল। কিন্তু তেওঁ আহি নাপালে। ৰাতি বহুত হৈ গ'ল, দুৰ্য্যোগৰ কাৰণে যাব নোৱাৰিলোঁ।

কথা শুনি ভাব হ'ল ছোৱালীজনী বিদেশী। চেহেৰাত আভিজাত্যৰ ছাপ সুস্পষ্ট। চাৱনিত বিন্দুমাত্ৰ কলুষতা নাই।

ক্ৰুনোৱে ক'লে : ইয়ালৈ বোধহয় পলাই আহিছা।

সুন্দৰ হাঁহি এটি মাৰি বিস্মিত কণ্ঠেৰে ক'লে : চেহাৰা দেখি কব পৰা যায় নেকি ?

ক্ৰুনোৱে মুৰ জোকাৰি কলে : চেহেৰাত নহয়—কণ্ঠত। আপোনাৰ কথাতেই ধৰা পৰে। পুবৰ কোনো দেশৰ পৰা আপুনি এই দেশলৈ আহিছে ?

ছোৱালীজনীৰ নাম চাৰা। বার্লিনৰ ৰুছ এলেকা এৰি আহিছে। যুদ্ধত পৰিবাৰৰ আধাই নিহত হৈছে। দুজনৰ কোনো খবৰেই নাই। মাকৰ লগত চাৰা পলাই আহিছে।

ক্ৰুনোৱে জানিব খুজিলে : ৰুছ এলেকা জানো বিপদজনক ? চাৰাৰ পৰা কোনো উত্তৰ নাহিল।

কৌতুহলী ক্ৰুনোৱে চাৰাৰ কথা জানিব খুজিলে। সৰু মাতেৰে ক'লে : অনাহৰ নিশ্চয় তাত আছে ?

কেইটিমান মুহূর্ত্ত চাৰাই কিবা যেন ভাবিলে। তাৰ পিচত ক'লে : উহু নাই।

ক্ৰুনোৰ কৌতূহল বিস্ময়ত পৰিণত হ'ল : তেনেহলে এই দেশলৈ কিহৰ লোভত আহিছা ? ৰুছ এলেকা এৰিয়ে বা আহিলা কিয় ?

চাৰাৰ কোমল বুকু কঁপি উঠিল। কম্পিত কণ্ঠেৰে ক'লে : ভয়ত।

ক্ৰুনোৱে যেন নৰ'বই। তাৰপিচত পুনৰ প্ৰশ্ন কৰিলে : ভয় ? কিহৰ ভয় তাত ?

চাৰাই উত্তৰ দিলে : কামিউনিষ্ট সকলৰ পৰা।

বহুত পিচত আকাশ শান্ত হ'ল। সেই দিনা খন বহুত ৰাতিহে বৰষুণ থামিছিল। ক্ৰুনোৱে চাৰাক ঘৰত থৈ আহিল। শোনো এটা গলিত চাৰাহঁত থাকে। অস্পষ্ট পোহঁৰত অনভ্যস্ত পথত ক্ৰুনোৱে তুবাৰ উজুটি খালে। ঘৰৰ সন্মুখত থিয় হৈ চাৰাৰ

বহুত কথা। এবিধ কথাৰ প্ৰসঙ্গ শেষ হলে পুনৰ নতুন প্ৰসঙ্গ আৰম্ভ কৰে।

বিদায় লৈ ক্ৰুনোৱে ওলোটা মুখে উভতি আহিব খুজিছিল। চাৰাৰ কথা শুনি ৰ'ব লগাত পৰিল। চাৰাই সৰু মাতেৰে কৈছে : পুনৰ আমাৰ দেখা নহব জানো ?

ক্ৰুনো আচৰিত হোৱা নাছিল। এটি হাঁহি মাৰি উত্তৰ দিলে : হ'ব।

ক্ৰুনোৱে তেওঁৰ কথা ঠিক ৰাখিছিল। চাৰাৰ লগত দেখা কৰিছিল। গোটেইদিনৰ পৰিশ্ৰমৰ শেষত কিহবাৰ দুৰ্বাৰ আকৰ্ষণত চাৰাৰ ওচৰলৈ যায়গৈ। ঘৰলৈ উভতি গোটেই ৰাতি অক্লেশে তেওঁ ছবি আঁকিব পাৰিছিল। সত্যক তেওঁ প্ৰকাশ কৰিবই।

জীৱনৰ আৰম্ভণীত, হঠাতে পোৱা আঘাতত ক্ৰুনোৱে পথৰ ধূলিত আহি পৰিছিলহি। প্ৰথমৰ পৰাই অঘটন আৰু দুৰ্ঘটনাৰ সন্মুখীণ হব লগীয়াত পৰিছিল। সুন্দৰ কোনো বস্তুকে তেওঁ ভাল পোৱা নাছিল। জীৱনৰ সকলো সুখ বাৰুদৰ গোন্ধত তল পৰিছিল। চাবাই যেন তেওঁৰ সুসুপ্ত হৃদয়ত অফুৰন্ত এক আলোড়ণ আনিলে।

কোনো এক শীতৰ সন্ধ্যাত ক্ৰুনোৱে চাৰাক তেওঁৰ ঘৰলৈ লৈ আহিল। কোলাহল নাই। কোনো আড়ম্বৰ নাই। সেই অনুষ্ঠান নীৰৱতাতেই সম্পন্ন হৈছিল।

প্ৰথমতে ক্ৰুনোৱে সহজ হ'ব পৰা নাছিল। তেওঁৰ কেনেকুৱা যেন ভয় লাগিছিল। চাৰাক জানো তেওঁ সুখী কৰিব পাৰিব ?

বুদ্ধিমতী ছোৱালী চাবা। ক্ৰুনোৰ দুৰ্বলতাক তেওঁ তল পেলাই দিলে ইটো-সিটো কথা লৈ নানান বিষয় লৈ অলোচনা কৰিছে। নীৰৱ হাঁহিৰ স্নিগ্ধ সুষমাত ক্ৰুনোৰ সমস্ত সংশয় তেওঁ পাহৰাই পেলাব খুজিছিল।

এনেসময়তে নিকলৰ পৰা এখন চিঠি আহিল। বহু দিন বিৰতিৰ পিচত নিকলৰ পৰা চিঠি। নাতিদীৰ্ঘ।

প্ৰিয় ব্ৰুনো,

অলপতে আঁকা আপোনাৰ ছবিখন মোৰ চকুত পৰিছে। ছবিখনে মোক অভিভূত কৰিছে। ৰঙৰ ব্যৱহাৰ নিখুঁত। গভীৰতাই ছবিখনক আৰু বেছি জীৱন্ত কৰি তুলিছে।

প্ৰয়োজনত পৰিয়েই আপোনালৈ লিখিব বহিছোঁ। কিছুমান ছবিৰ সংগ্ৰহ প্ৰকাশৰ ভাৰ মোৰ হাতলৈ আহিছে। তাতে আপোনাৰ ছবি এখন থাকিলে মোৰ ভাল লাগিব।

এবছৰ মান মই ইয়াতে থকা হলহি। মিউনিক বহু দূৰৈৰ পথ নহয়। এবাৰ ইয়ালৈ আহক। দেখা-দেখি হলে কামৰ কথা হব পাৰিম। মোৰ ঘৰত থকা ঠাইৰ অভাৱ নাই।

গুণমুগ্ধ

নিকল।

নিকলৰ চিঠি পাই ব্ৰুনো অভিভূত হৈ পৰিল। তেওঁৰ ছবিৰ সুনাম হৈছে। তেওঁৰ ছবি নিকলৰ ভাল লাগিছে।

ব্ৰুনোৱে কেইদিনমান মাত্ৰ ভাবিছেই। কি আঁকিব? কাক লৈ আঁকিব? বিষয়বস্তু বিচাৰি পথে পথে ঘূৰি ফুৰিছে।

প্ৰায় দুসপ্তাহ পিচত ব্ৰুনোৰ ছবি শেষ হ'ল। সাধাৰণ ছবি। বিষয়বস্তুও অসাধাৰণ নহয়। অগ্নিদগ্ধ নিউৰেমবাৰ্গৰ পথ। নিহত হোৱা মাকৰ স্তন পাণ কৰিছে শীৰ্ণ উলঙ্গ শিশুৱে। টেঙ্কৰ কনভয় এফালে। বিদেশী সৈনিকে মুঠি মুঠি চকোলেট পথৰ দুয়ো ফালে চটিয়াই দিছে। এদল লৰাই ভীত সন্ত্ৰস্ত দিশহাৰা দৃষ্টিত পিচে পিচে দৌৰি গৈছে। মৃত এডাল গছ। নাই তাত পাত।

বহুত ভাবি চিন্তি ব্ৰুনোৱে নাম দিলে—'নিউৰেমবাৰ্গৰ কান্দোন'।

ছবি শেষ হোৱাৰ পিচত এদিনাখন ব্ৰুনো মিউনিকলৈ আহিল।

নিকলৰ আপ্যায়ন মুগ্ধ হোৱাৰ। ব্ৰুনোৰ ঘৰ বন্ধাৰ কথা নিকলে খুব মন দি শুনিলে। চাবাৰ গল্প ব্ৰুনোৱে বহুত সময় ধৰি

কৈছে। কিন্তু 'নিউৰেমবার্গৰ কান্দোন' দেখি নিকল গম্ভীৰ হৈ পৰিল। মাটিৰ ফালে স্থিৰ দৃষ্টি ৰাখি লাহে লাহে ক'লে: আপুনি শিল্পী। চিত্রকৰ হিচাবে আপোনাৰ পৰিচয়। ভাব হৈছে ছবিখনত যেন আপুনি কিবা এটা ক'ব খুজিছে।

ক্রুনোৱে এনেকুৱা কথা শুনিবলৈ আশা কৰা নাছিল। কেইমুহূর্তমান নিকলৰ ফালে স্থিৰ দৃষ্টিৰে চাই থাকিল। তাৰ পিচত ক'লে: আপুনি কি কব খুজিছে?

হাঁহি এটি মাৰি নিকলে কলে: বৰ বেছি উগ্র। ছবিৰ মাজত এটি যেন ৰহস্য আছে। প্রকাশতকৈ ৰহস্যৰ আবুৰ বেছি হৈছে।

ক্রুনো উত্তেজিত হৈ পৰে। নিকলে বাধা দি ক'লে: মোৰ ভয় হৈছে আপোনাৰ দৃষ্টিভঙ্গীয়ে আপোনাক জীৱনত শান্তি নিদিব। বর্তমান পৰিস্থিতিত সত্যক এইভাবে ললে জীৱনেই মিছা হৈ যাব। বাস্তৱক ৰঙ আৰু তুলিৰে বাস্তৱভাবে তুলি ধৰাৰ আপোনাৰ অদম্য বাসনা সংযত কৰা দৰকাৰ। আপুনি সফলতা লাভ কৰিব লাগিব। আজি জীৱনৰ উদ্দেশ্য সাফল্যই হোৱা উচিত। ছবিখন নিঃসন্দেহে অতুলনীয়, কিন্তু তাত যেন মই এক বিপদৰ পদধ্বনি শুনিব পাইছোঁ। আপোনাক মই জানোঁ। চিচিলৰ বন্দী শিবিৰতে মই আপোনাক ঠিক চিনিছোঁ। দেশক মইও ভাল পাওঁ। কিন্তু নিজকো তাতকৈ কম ভাল নোপোৱা নহয়।

দুৰন্ত আবেগত ক্রুনোৱে কৈছে: ছবিৰ হৈ ছবি বুলি মই মানিবলৈ সন্মত আছোঁ। শুকান ডালবিলাকে মিছা নকয়। আপুনি হয়তো এই ফালতো চোৱাই নাই।

নিকল অলপো উত্তেজিত হোৱা নাই। প্রসন্ন হাঁহি। স্থিৰ দৃষ্টি। লাহে লাহে ক'লে: মোক আপুনি ভুল বুজি অহেতুক কষ্ট নাপাব। আপোনাৰ চিন্তাধাৰাই মোক চিন্তিত কৰি তুলিছে। হয়তো আপোনাৰ দৃষ্টিকোণে মাত্র অভাৱ আৰু বিপদকে আলিঙ্গন

কৰিব। আপুনি ফুল আঁকিব পাৰেনে? সুন্দৰীৰ দেহ আঁকিবলৈ ভাল নালাগেনে?

শুৰু ক্ৰনো। লাহে লাহে উত্তৰ দিলে: আজি জানো সঁচাকৈয়ে ফুল ফুলিছে। সুন্দৰীৰ দেহত আজি চিফিলিচৰ বীজ জানো আপুনি লক্ষ্য কৰা নাই?

সেই ৰাতিয়ে দুঃচিন্তা আৰু নানা ধৰণৰ চিন্তাতে ক্ৰনো উভতি আহে।

ক্ৰনো ভাৱপ্ৰৱণ হৈ পৰিল। আনন্দত তেওঁৰ সহজ উচ্ছ্বাস, বিৰক্তিতো সেই কাৰণে তেওঁ অতি সহজ প্ৰকাশ।

অতি সাধাৰণ ঘটনা। সামান্য এটি কথাত চাৰাৰ লগত ভয়ানক তৰ্কাতৰ্কি হ'ল। কোনো এক কুতৰ্কই দুয়োজনকে পালে। কুযুক্তিৰ অবাৰিত ধাৰা চাৰাৰ মুখৰ পৰা অসঙ্কোচে ওলাই আহিল।

ক্ৰনো জ্বলি উঠিল। অসমাপ্ত ছবিখন টুকুৰা-টুকুৰ কৰি পথলৈ ওলাই আহিল।

কাফেলৈ আহি পৰিচিত টেবুলত বহিও মন নবহিল। উদ্‌ভ্ৰান্তৰ দৰে বাটে-পথে ঘুৰি ফুৰিবলৈ ধৰিল। মন অশান্ত। বিক্ষিপ্ত চিত্ত। ঘৰলৈ যেতিয়া উভতিল তেতিয়া ৰাতি বহুত।

এমাহমান পিচত নিকলৰ ছবিৰ সংগ্ৰহত 'নিউৰেমবাৰ্গৰ কান্দোন' প্ৰকাশিত হ'ল।

কেইদিনমান পিচত স্থানীয় কৰ্ত্তৃপক্ষই ক্ৰনোক মাতি পঠিয়ালে। নানা কথা, নানান প্ৰশ্নত ক্ৰনো যেন পাগল হৈ পৰিল। সোণালী গোঁফ, টপা মুৰ, চকু দুটি ভয়ানকভাৱে ৰঙা মানুহজনৰ। তেওঁৰ সমুখতে মানুহজনে কিতাপখনৰ পৰা ছবিখন ফালি টুকুৰা টুকুৰ কৰি পেলাই আঙুলিৰে দুৱাৰৰ ফালে দেখুৱাই ক'লে: যোৱা।

ক্লান্ত দেহ, শূন্য মুৰ লৈ ক্ৰনো উভতি আহিল।

নিকলৰ সমৰ্থন নাই। আনকি চাৰাও তেওঁৰ ওচৰত নাই।

ক্ৰুনোৱে হিচাব মিলাবলৈ গৈ দেখে যে বহুতকেই তেওঁৰ ওচৰৰ পৰা হেৰুৱাইছে। আজিকালি তেওঁৰ ছবিত চাৱাৰ সামান্য কৌতূহলো নাই। ছবিৰ কোনো নতুন বিষয়বস্তুৰ আলোচনাত চাৱাই পুনৰ পূৰ্বৰ সুৰত সুহাঁৰি নিদিয়ে। নেদেখুৱাই পূৰ্বৰ অতীব আগ্ৰহ।

চাৱা ঘৰত নাছিল। কিছু সময়ৰ কাৰণে ক্ৰুনোৱে হাত ভৰি মেলি শুই পৰিল। বানপানীত ভাঁহি অহা মানুহৰ নিচিনা।

সেইদিনটো গ'ল। তাৰ পিচদিনাখনো। তথাপিও চাৱাই জানিব খোজা নাছিল কি প্ৰয়োজনত তেওঁক মাতি নিছিল। কিহৰ প্ৰয়োজনত কৰ্তৃপক্ষই মাতি পাঠাইছিল ? তাতে বা কি পাইছে ?

পিচদিনাখন চাৱা এৰলঙ্গেনলৈ গ'ল। ক্ৰুনোৰ মন যেন কেনেকুৱা বিদ্ৰোহী হৈ উঠিল। পীড়িতা মাকৰ ওচৰলৈ যোৱাৰ কাৰণে ক্ৰুনোৱে একো বেয়া পোৱা নাছিল। সেই কথা গোপন কৰাৰে বা দৰকাৰ কি ? ৰাওনা হোৱাৰ আগমুহূৰ্ত্তত তেওঁৰ তুচ্ছ সন্মতি লোৱাৰে বা অৰ্থ কি ? বেচি দূৰৈৰ পথ নহয়। দিনে তালৈ বহুত বাৰ অহাযোৱা কৰিব পৰা যায়। তেনেহলে ইমান কোৱা-মেলা কৰি যোৱাৰ উদ্দেশ্য কি ?

ক্ৰুনোৱে গোটেই দিন ঘৰতে সোমাই থাকিল। নানান চিন্তাৰ কাৰণে ৰাতিও তেওঁৰ টোপনি নহল। নিকলৰ কথা বাৰে বাৰে মনত পৰিছে। সফল হ'ব লাগিব। সাফল্যই জীৱনৰ উদ্দেশ্য হোৱা উচিত।

নিকলৰ ভুল ক'ত ? তেওঁৰ কথা মিছা নহয়। ভাল ভাবে জীয়াই থকাৰ দৰ্কাৰ। চাৱাই হয়তো কষ্ট পায়। ক'তা তেওঁতো কোনো দিনাখনে তেওঁক সামান্য এটি উপহাৰো দিয়া নাই। কি খিনি মৰ্য্যাদাই বা চাৱাক তেওঁ দিছে। আন দহজনে যি দৰে সুখী হয়, তাতে তেওঁৰে বা অধিকাৰ নাথাকিব কিয় ? সফলতা লাভ কৰিব লাগিব। সাফল্যই জীৱনৰ উদ্দেশ্য হোৱা উচিত। নিকলে একো ভুল কোৱা নাছিল।

মন স্থিৰ কৰিবলৈ ক্ৰনোৰ গোটেই ৰাতি লাগিল।

ক্ৰনোক দেখা পাই নিকল আচৰিত হ'ল। সঙ্কোচ ভাবেই প্ৰশ্ন কৰিলে : একো খবৰ নিদিয়াকৈ মিউনিকলৈ ? কি ভাবি ?

ক্ৰনোৰোৱাকৈ ক্ৰনোৱে কথা কৈ যাবলৈ ধৰিলে। কিছুপৰিমাণে যেন অসংলগ্ন ভাবে। কেতিয়াবা মাটিৰ ফালে চাই, কেতিয়াবা বা বেৰৰ ফালে চাই। কেতিয়াবা ছবিৰ ফালে চাই, নাইবা ছাঁইদানীটোৰ ফালে চাই মনোযোগ দি কথা কৈ যাবলৈ ধৰিলে। শেষত ম্লান হাঁহি এটি মাৰি ক'লে : আপোনাৰ লগত মোৰ কোনো ৰকমৰ কাজিয়া নাই। মই আপোনাৰ সাহায্য বিচাৰিছোঁ। মোক কাম লাগে।

নিকলে ক'লে : মই জানিছিলোঁ আপুনি মোৰ কথা ভাবি চাব। কাম বিচাৰিছে আপুনি ? আপোনাৰ দৰে কামৰ মানুহৰ কাৰণে কামৰে বা অভাৱ ক'ত ? আপুনি লগত থাকিলে মোৰো কামৰ সুবিধা হয়।

—আপোনাৰ লগত মই কাম কৰিবলৈকে আহিছে।

—ঠিক কৈছেনে ?

—এই কথাই মই আপোনাক কবলৈ আহিছোঁ।

—ফুল আঁকিব আপুনি ?

— আঁকিম ?

–সুন্দৰীৰ দেহ আঁকিব আপুনি ?

ক্ৰনোৰ চকুত দিশহাৰাৰ দৃষ্টি। লগতে সঙ্কোচৰ হাঁহিও। কণ্ঠস্বৰ কুণ্ঠিত : মোৰ আপত্তি নাই।

আনন্দতে নিকলে উচ্ছসিত হৈ পৰিল। প্ৰায় দৌৰী অহাৰ দৰে তেওঁৰ লগত কৰমৰ্দন কৰিলে।

নিকল চোফাখনত বহি অলপ সময় মনে মনে থাকিল। তাৰপিচত সহজ ভাবেই ক'লে : চাওক, মোৰ হাতত এটি কাম আছে। আপুনি মোৰ কথা মতে চলক, চাব অৰ্থ আৰু সুনাম নিশ্চয়

পাব। কাম কৰিব খুজিলে কাম দি আপোনাক মই পাগল কৰি দিব পাৰোঁ। অলপতে এজন বিলাসী আমেৰিকান ভদ্ৰলোকৰ লগত পৰিচয় হৈছে। তেওঁৰ কামৰ কথাই কৈছোঁ।

মানুহজন অদ্ভুত। সুন্দৰী তিৰোতাৰ নগ্ন দেহ চায় আৰু চিত্ৰকৰৰ দ্বাৰা ছবি অঁকায়। তেওঁৰ কিছুমান বিভিন্ন ভঙ্গীৰ সংগ্ৰহ আছে। কেইখন মান মই নিজে অকাঁ। খৰচলৈ কাৰ্পন্য নাই। যি কোনোৱে এশ মাৰ্ক একে ৰাতিৰ ভিতৰতে উপাৰ্জ্জন কৰিব পাৰে। এই কামটোৱেই লওঁক।

মানুহজনৰ ঘৰটোৱে এটি ষ্টুডিঅ'। প্ৰয়োজনীয় সকলো বয়-বস্তু তাতে ৰখা আছে। মানুহজনে যথেষ্ট খৰচ কৰে। ডিনাৰৰ ব্যৱস্থাও তাতে আছে।

ক্ৰুনোৱে কিবা ক'ব খুজিছিল। দুৱাৰৰ পৰ্দা আতঁৰাই এজন মাজবয়সীয়া মানুহ সোমাই আহিল।

নিকল প্ৰায় জপিয়াই উঠিল। আপ্যায়নৰ ধুমধাম পৰি গ'ল।

ক্ৰুনোক ক'লে ঃ এখেতৰ কথাই আপোনাক কৈছিলোঁ, এখেতৰ লগতে যাব লাগিব।

সেই ৰাতিয়ে অজানা এজন নতুন মানুহৰ লগত ক্ৰুনোৰ জীৱনৰ এক নতুন পদক্ষেপ। প্ৰৌঢ় আমেৰিকান জনৰ লগত গভীৰ এক কুণ্ঠা লৈ ক্ৰুনো তেখেতৰ গাড়ীত বহিলহি।

প্ৰায় এঘণ্টামান পিচতে নিকল কিবা কামত ব্যস্ত আছিল। এনেতে সেই প্ৰৌঢ় আমেৰিকানজন তেওঁৰ কোঠালৈ সোমাই আহিল। চকু দুটা ভয়নক ভাবে ৰঙা পৰিছে। লগতে থৰ থৰ কৈ ওঁঠ দুটাও কঁপিছে। নিকলক লগ পাইয়ে তেওঁ কিবা কিবি ক'ব ধৰিলে ঃ এই কাৰণতে মোৰ মই কোনো জাৰ্মানক বিশ্বাস নকৰোঁ। মই তোমাৰ বন্ধুক ঘৃণা কৰোঁ।

মানুহজনক প্ৰকৃতিস্থ কৰাতো নিকলৰ প্ৰায় অসম্ভৱ হৈ পৰিল।

তেওঁ একোতেই নামানে। হাত ভৰি জোকাৰি ক'ব ধৰিলে: ভিতৰত ডেভিদৰ লগত পলা বিছনাতে আছিল। আয়নাৰ দুৱাৰখন খুলি ভিতৰৰ পোহৰ জ্বলালোঁ। পলাৰ লগত কথা হোৱাৰ পিচত তেওঁক সাজু হবলৈ দি ওলাই আহি দেখিলোঁ আপোনাৰ বন্ধু অন্তৰ্দ্ধান। বহু বিচাৰিও তেওঁৰ কোনো সন্ধান পোৱা নগ'ল।

নিকলে ক'লে: মই জানিছিলোঁ যে এনে কিবা এটা হ'ব পাৰে। সম্পূৰ্ণভাবে তেওঁক বিশ্বাস কৰা নাছিলো। পলাৰ ছবিৰ কাৰণে আপুনি অহেতুক ব্যস্ত হৈ পৰিছে। সেই দায়িত্ব মোৰ। আপুনি অহাৰ দৰকাৰ নাছিল, ফোন এটা কৰিলেই হ'লহেঁতেন। কিন্তু তেখেত ক'লৈ গ'ল?

: জহান্নম। মানুহজন দপদপাই ওলাই গ'ল।

ডিনাৰ শেষ কৰি নিকল ওলাই আহোঁতেই বেচ পলম হৈ গ'ল। গেটৰ কাষত মানুহৰ জুম দেখি বৈ গ'ল। কিহবাক কেন্দ্ৰ কৰি ভীৰ জমা হৈছে। কাণত পৰিলহি কোনোবা এজন গাড়ীৰ তলত পৰিছে।

ঘড়ী চাই নিকল আগবাঢ়িব খুজি বৈ গ'ল। কোনোবা এজনে কৈছে: পকেটৰ তুলি দেখি ভাব হৈছে বেচেৰা এজন চিত্ৰকৰ আছিল।

গোটেই শৰীৰত এক বিদ্যুৎ তৰঙ্গ খেলি গ'ল। ভীৰ ঠেলি আগুৱাই আহি মুৰ ঘূৰাই নিকল পৰি গ'ল।

ক্ৰনোৰ স্থিৰ দেহ। চকুৰ মণি কোণ পাইছেহি। তেজেৰে ৰাঙলী দেহ। ওঁঠ দুটিও থৰথৰিকৈ কঁপিছে।

সোঁহাতখন সম্পূৰ্ণ বাদ দিব লগীয়া হ'ল। দুদিন পিচত জ্ঞান পালে। কেইদিনমান পিচত সুস্থ হ'ল। ক্ৰনোৱে নিকলক চিনিবই নোৱাৰিলে।

ডাক্তৰে ক'লে: মুৰতো একেবাৰে নষ্ট হৈ গৈছে। অকল

আপুনি কিয়, তেওঁ নিজৰ স্ত্ৰীকো চিনিব নোৱাৰিব। বেচেৰীয়ে খবৰ পাই ইয়ালৈকে দৌৰী আহিছে।

নিকল কেবিনত সোমালহি। ক্ৰুনো শুই আছিল। ওচৰৰ টুল এখনত মূৰ তল কৰি চাৰা বহি আছে। সোণালী চুলিবোৰ আউল-বাউল হৈ কান্ধত পৰিছেহি। চাৰাই কান্দি আছে।

নিকল অলপ সময় মনে মনে ৰ'ল। তাৰ পিচত ধীৰ পদক্ষেপে আগুৱাই গ'ল। ভৰিৰ শব্দ পাই চাৰাই নিজক সংযত কৰি লৈ পোন হৈ বহিল। কুমালখন আগুৱাই দিবলৈ গৈ নিশ্চল পাথৰ হৈ গ'ল। অন্ধকাৰ এক শূন্য গহ্বৰ, যেন পাক খাই খাই নিকল পৰি গ'ল। চৰম বিস্ময়োক্তি তেওঁৰ ঠোঁটত দেখা দিলে: পলা তুমি!

মিটচেফৰ ওপৰত থকা আয়নাৰ পাত্ৰটো হাতত লাগি চুৰমাৰ হৈ মাজয়াত সিচৰতি হৈ পৰিল।

...—হেৰ জেন... ।

নিকলৰ মাতত সচেতন হৈ উঠিলোঁ। বিষণ্ণ এজাক বতাহে যেন মোক সুদূৰ অজানা পথলৈ উটুৱাই নিছিল।

শেতাঁ মুখ নিকলৰ। মাটিৰ ফালে স্থিৰ দৃষ্টি। লাহে লাহে সংযত মাতেৰে ক'লে: হেৰ জেন মোৰ জানো ইয়াত কিবা দোষ আছে?

নিজৰ অজ্ঞাততে মোৰ মুখলৈ উত্তৰ আহিল: নাই।

নিকলে পুনৰ প্ৰশ্ন কৰিলে। দ্বিধাজড়িত কণ্ঠস্বৰ: মোক জানো এজন পাপী, স্বাৰ্থপৰ বুলি ভাৱ হয় হেৰ জেন?

মোৰ মুখতো একেই উত্তৰ আহে: নহয়।

সামান্য বিৰতি। নিকলৰ পুনৰ প্ৰশ্ন। মোৰ ওচৰলৈ

আহি ক'লে : পলা বা চাবাৰ সম্পৰ্কে আপোনাৰ জানো জানিবৰ ইচ্ছা হয়।

সামান্য হাঁহি এটি মোৰ ওঁঠৰ কোণত দেখা দিয়েহি। উত্তৰ দিও : উহু, একেবাৰে নহয়।

নিঃশেষিত পাত্ৰধাৰ। বহুত ৰাতি। জনশূন্য ৰেস্তোঁৰা। আয়না ভঙা দেৱালত আৰি থোৱা ফটোখন বতাহত থৰথৰকৈ কঁপি আছে।

ৰেস্তোঁৰাৰ পৰা আলিকেকুৰিলৈ অলপ যাব লাগে।

হাড় কঁপোৱা ঠাণ্ডা। হাতৰ আঙুলিবিলাক টনটনাইছে। কিছুদূৰ আহি নিকলে বিদায় লৈ গুচি গ'ল। খৰখেদাকৈ মই আগবাঢ়ি গলো। হঠাতে মোৰ ভাব হল যে মোৰ ৰাতিৰ আহাৰ এতিয়াও খোৱা হোৱা নাই। ইমান সময় সেই কথা মনত পৰাই নাছিল।

দোকানবোৰত তেতিয়াও পোহৰ জ্বলি আছিল। দূৰৈৰ পৰাই চিকনৰ দোকানৰ মানুহজনক দেখা গৈছে। এতিয়াও মেৎস্গেৰাই বন্ধ হোৱা নাই।

দহদিন মান পিচত মই মিউনিকলৈ যাব লগা হ'ল। পালোৱানৰ খবৰ লওঁতে জানিবলৈ পাৰিলোঁ, সি হামবুৰ্গলৈ উভতি গৈছে। সি ইয়াতে দুই এটা বস্তু অতি সহজে পেলাই থৈ গৈছে।

হোটেলৰ মেনেজাৰে যেন আকাশহে ঢুকি পালে! বিশাল দেহত ডিঙিৰ কোনো লক্ষণেই নাই। পৰিপাটি পোচাক, ব্যৱহাৰ সুন্দৰ, বিনয়মিহলি। হাঁহি হাঁহি ক'লে : আপোনাৰ নিশ্চয় তেখেতৰ লগত দেখা হ'ব। তেওঁৰ খবৰ আমি নাপাও। আপোনাৰ যদি বিশেষ একো অসুবিধা নহয় দুই এটা বস্তু তেখেতক দিবলৈ মই আপোনাক অনুৰোধ কৰিম।

মানুহজনৰ অনুৰোধ মই ৰাখিবলগীয়া হ'ল।

ইয়াতেই থাকি গলোঁ। মহাৰ্ঘ বয়-বস্তু, সুন্দৰ পৰ্দা আৰু

কার্পেটেৰে ঘৰটো সজোৱা হৈছে। খিৰিকীৰে চালে চহৰৰ ব্যস্ততা চকুত পৰে। কৰ্মব্যস্ত মিউনিকৰ বহুত খিনি চকুত পৰে।

ইয়াৰ বাটপথ দেখিলে কলিকতাৰ কথা মনত পৰে। ট্ৰাম আছে। আছে লগতে মটৰো।

যোৱা যুদ্ধত চহৰৰ বহুত খিনিয়ে ক্ষতিগ্রস্ত হৈছিল। কিন্তু এওঁলোকে তাৰে সুযোগ লৈ চহৰখনক নতুন কৰি গঢ়ি তোলা নাই। য'ত যি আছিল, আকৌ ঠিক তেনেদৰে গঢ়ি তুলিছে। পুৰণিক এওঁলোকে সযত্নে ৰাখিব খোজে। আন ঠাইৰ মানুহে কয়, অকল মিউনিকে নহয় বেভেৰিয়াৰ মানুহো প্ৰাচীন পন্থী। ফ্ৰাঙ্কফুটৰ লগত তুলনা কৰিলে মিউনিক বোলে প্ৰায় বিগত দিনৰ।

মিউনিক ৰেল ষ্টেচনৰ লগত তুলনা বিচাৰিলে মোৰ প্ৰথমে মনত পৰে মোগলচৰাই। চাৰিওফালে নানাপথ দূৰ দূৰান্তলৈ গৈছে। অকল দেশৰ নহয়—বিদেশৰো। ইয়াৰ পৰাই পেৰী আৰু ৰোমৰ গাড়ী পোৱা যায়। ডাঙৰ ডাঙৰ চহৰলৈ যোৱাৰ গাড়ী বোৰ ইয়াৰ পৰাই। কোলন, লাইপৎজিগ্ বা বাৰ্লিনৰ গাড়ী ইয়ালৈ অহৰহ অহা-যোৱা কৰি আছে।

চহৰখন মোৰ ভালেই লাগিছে। কিছু সময় হাতত থাকিলে অৰসৰ পালেই ঘূৰিছো মাত্ৰ। ট্ৰামত, বাচত, খোজ কাঢ়ি-অকলে অকলে চহৰখন প্ৰদক্ষিণ কৰিছোঁ।

মোক আটাইতকৈ আকৰ্ষণ কৰে মানুহে বেচিকৈ। মানুহৰ লগত কথা-বতৰা পাতি নানা প্ৰসঙ্গৰ আলোচনা তোলাতেই মোৰ তৃপ্তি। ৰেস্তোঁৰা বা কাফে, ট্ৰাম বা বাচ নাইবা ট্ৰেনৰ কোঠাত উপযাচি পৰিচয় হৈ মই মাথোন মানুহ বিচাৰোঁ।

টোপনিৰ পৰা পলমকৈ শুই উঠা মোৰ এটা অভ্যাসত পৰিণত

হৈছে। মোৰ সৰু ভনী মীনাই সংশোধন কৰি কৈছে-বদাভ্যাস। কিন্তু মোৰ আজিও সেই অভ্যাস নগ'ল।

অকল টোপনিয়ে নহয়, এনেয়ে বিছনাত পৰি থাকি ভাল লাগে। চাহৰ ঠুং ঠাং শব্দ শ্ৰবণেন্দ্ৰিয়েদি মাত্ৰ অনুভৱেই কৰিছোঁ। বেচ বুজিছো, চাহ আহিছে। ঠাণ্ডা হ'ল কিজানি। পানী হৈ গ'ল কিজানি। কিন্তু চকু খুলিব পৰা নাই। কোনোবাই যেন চাহৰ লোভ দেখুৱাই উঠোৱাৰ ষড়যন্ত্ৰ কৰিছে।

হয়তো বহুত পলম হৈ গৈছে। ৰাতিপুৱাৰ আহাৰ কৰিবলৈ গৈ দেখোঁ যে চাৰিওফালৰ টেবুলবোৰ খালি হৈ পৰি আছে। মানুহৰ কোনো চিনেই নাই। মাত্ৰ এজন মানুহে মোৰ সন্মুখৰ টেবুল খনত বহি কাগজ পঢ়ি আছে।

মানুহজন প্ৰৌঢ়। চেহেৰাও কৃশ। কপাল আৰু গালত শীৰ্ণ ৰেখা পৰিছে। চকু দুটিও জ্বলজ্বলাই আছে, তীক্ষ্ণ। কাগজ পঢ়ি থাকোতে কেইবাৰমান মোলৈ চাইছেও।

কফি খাই উঠি পৰিলোঁ। চকুৱে চকুৱে পৰাত মোক হাত বাউলদি ওচৰলৈ মাতিলে। কাগজখন আতৰাই থৈ মোক ওচৰৰ চকী খনত বহিবলৈ ক'লে।

ক'লে: আপুনি সোতৰ নম্বৰ কোঠাত আছে। আপোনাক মই দেখিছোঁ। আমি আছো ওঠৰত। আপোনাৰ পলম হোৱা নাইতো?

মুৰ জোকাৰি কওঁ: মোৰ কোনো প্ৰগ্ৰেম নাই। গতিকে সময়ো হাতত যথেষ্ট আছে।

মানুহজনে হাঁহিলে। ক'লে: আপোনাক দেখিছো আমাৰ দলৰে। মই অৱশ্যে সেই কালৰ মানুহ, বাত আছে কিন্তু আপুনি হৈছে নজোৱান। আপুনিও দেখিছো মোৰ দৰে টোপনিৰ পৰা পলমকৈ উঠে।

হাঁহি কওঁ : এয়া মোৰ বহুদিনৰ অভ্যাস।

মানুহজনে আন প্ৰসঙ্গ তুলিলে : আপুনি মিউনিকলৈ ফুৰিবলৈ আহিছে বোধহয়? আমি আহিছো হামবুৰ্গৰ পৰা। এই দেশ আপোনাৰ কেনে লাগিছে?

উত্তৰত কওঁ : খুব ভাল লাগিছে। আপোনালোকৰ দেশলৈ আহি মোৰ ভালেই লাগিছে।

চকুৰে হাঁহি ক'লে : আপুনি জাৰ্মানী বেচতো কয়। বেয়াকৈ উচ্চাৰণ কৰিলে মই সহ্য কৰিব নোৱাৰো। এই দেশৰ মানুহক আপোনাৰ কেনে লাগিছে।

ক'লো : এই দেশৰ মানুহৰ মনত মহাযুদ্ধৰ বিচ্ছিন্ন চিহ্ন দেখিলোঁ। কিন্তু বাহিৰত দেখিলো কোনোৱে কোনো ৰকমৰ বিভ্ৰান্তিত নাই। এয়াই মোক বেচিকৈ স্পৰ্শ কৰিছে।

ভদ্ৰলোকৰ মুখত আত্মপ্ৰসাদৰ হাঁহি দেখিলোঁ। ক'লে : আমাৰ দেশৰ মানুহ কিছু পৰিমাণে অন্য নিয়মত চলে। যুদ্ধৰ শেষত মানুহে নিজৰ নিজৰ ঘৰ বিচাৰে, বসবাসৰ স্থান আৰু সংসাৰ পুনৰুদ্ধাৰ কৰাতকৈ আধা পোৰা কলকাৰখানা বিলাক নতুনকৈ গঢ়ি তোলাৰ প্ৰেৰণা লৈ আগুৱাই আহে। চাওক, কামত পৃথিৱীৰ বহুত ঠাইত মই ঘূৰি ফুৰিব লগা হৈছে, কিন্তু এনেকুৱা হলে মই ক'তো দেখা নাই।

হাঁহি এটি মাৰি ক'লো : আপোনাৰ সৈতে মইও একমত। কাম আৰু পৰিশ্ৰম এই দেশৰ মানুহৰ এক দুৰন্ত প্ৰাণশক্তি, মই প্ৰায়ে কলকাৰখানাবোৰ ঘূৰি ফুৰোঁ। কাম-পাগল মানুহৰ লগত মোৰ প্ৰায়ে সাক্ষাৎ হৈছে।

মানুহজনৰ গোটেই মুখতে আনন্দৰ হাঁহি দেখা দিলে। ক'লে : আমেৰিকাই আশা কৰিছিল সমগ্ৰ জাৰ্মানীয়ে আলুৰ খেতি কৰিব। কাৰখানাৰ চিমনীত 'পুনৰ কোনো ধোঁৱাই দেখা নিদিব। পঞ্চাশ

বছৰ ধৰি হয়তো ডেমক্ৰেচী শিকোৱাৰ মাষ্টৰৰ চাকৰীত তেওঁলোক ব্যস্ত হৈ থাকিব।

টেবুলত চপৰিয়াই ক'লো : উই কাম এজ কঙ্কাৰাৰচ্ এণ্ড নট এজ লিবাৰেটৰচ।

মানুহজনে আনন্দতে শিশুৰ দৰে বহুত সময় ধৰি হাঁহিলে। ক'লে : আইচেনহাৱাৰৰ কথা বিলাকতো আপোনাৰ বেচ মনত আছে। আপোনাক দেখিছোঁ মজাৰ কথাখিনিয়ে মনত ৰাখিছে। আপোনালোকৰ মনত থাকিবইতো। আপুনি ভাৰতীয়। আপোনা-লোকে ইংৰাজৰ বহু বান্দৰমি সহ্য কৰিব লগা হৈছে। সঁচাকৈয়ে গ্ৰেট বৃটেনৰ অৱস্থা আজি দুখলগাকৈ শোচনীয়। মহাযুদ্ধৰ পিচত এখনৰ পিচত এখন কৈ ঠাই এৰি দিব লগীয়া হৈছে। কৌটি কৌটি ডলাৰ আমেৰিকাৰ ওচৰত ভিক্ষা খুজিছে। তথাপি আজিও গ্ৰেট বৃটেন! মই ভাবো ইয়াৰ পৰা 'গ্ৰেট'তো কাটি পেলোৱা দৰ্কাৰ।

মানুহজনে কথা কৈ গৈয়ে থাকিল। এটি সুন্দৰ চিগাৰেট কেচ পকেটৰ পৰা উলিয়ালে। মোক এডাল দি তেওঁও এডাল লগাই ললে। আৰাম কৰি বহি লৈ পুনৰ নতুন প্ৰেৰণাত আৰম্ভ কৰিলে। ক'লে : আচলতে আমি জাৰ্মান সকল বৰ হতভগীয়া। ৰাজনীতিৰ কুৎসিত পাকচক্ৰত পৰি কোনো মৰ্মান্তিক মৃত্যুক আমি আকোৱালি লব লগা হৈছে। ক্ষমতাৰ কাৰণে হিটলাৰ পাগল হৈ উঠিছে। প্ৰথমতে মোৰ বেয়া লগা নাছিল। তাৰপিচত দেখিলো নিজৰ দল আৰু স্বাৰ্থৰ খাতিৰত গোটেই দেশখনক লণ্ড-ভণ্ড কৰি পেলালে। এই কালৰ পৰা জাৰ্মানী বৰ হতভগীয়া। সেই কাৰণে ইয়াঙীক আৰু কছৰ ভালুকৰ মুখত ডেমোক্ৰেচী আৰু কমিউনিজমৰ কথা শুনিব লগা হৈছে। এতিয়া আপুনি কি দেখিছে। প্ৰথম দুবছৰ আমাৰ দিনবোৰ কেনে হতাশা আৰু বিভ্ৰান্তিত গৈছিল। এখন রুটিৰ কাৰণে খোৱা কামোৰা লাগিছিল।

প্ৰৌঢ় ভদ্ৰলোক থমকি ৰ'ল। মুখখন কমালেৰে মচি ক'লে : আৰু এবাৰ কফি খাওঁ। দুই এডোখৰ চেণ্ডউইচ আপোনাক দিব নেকি?

হাত জোকাৰি কওঁ : কফি। মাত্ৰ কফি।

কফি আহিল। অন্য প্ৰসঙ্গ উঠিল। আমাৰ দেশৰ কথা তুলিলে। হাঁহি হাঁহি ক'লে : আপোনালোকৰ দেশ স্বাধীন হোৱাৰ পিচত গোটেই দেশ খনত যে এটি জাগৰণে দেখা দিছে সেই কথা জানোঁ। আপোনালোকৰ দেশত নেহৰুৰ দৰে এজন নেতা থকা কাৰণে অকল ভাৰতৰে নহয়, গোটেই পৃথিৱীৰে মঙ্গল হৈছে। ক্ৰুশ্চেভে এচিয়াত কমিউনিজমৰ ফেৰিৱালা হৈ ঘূৰি ফুৰিছে। স্বাধীনতাৰ পিচত আপোনালোকৰ দেশত ডাঙৰ ডাঙৰ কলকাৰখানা হৈছে। ইস্পাত তৈয়াৰীৰ কাৰখানাও হৈছে। সেইবোৰৰ খবৰো মই ৰাখোঁ। ভাৰত চৰকাৰৰ লগত মই কামো কৰিছোঁ। হামবুৰ্গত মোৰ ব্যৱসায় আছে।

মানুহজনৰ নাম হেৰ গুটেনবাৰ্গ। হেনোফাৰৰ মানুহ। বছৰত এবাৰকৈ ফুৰিবলৈ আহে। এইবাৰ বোলে পেৰীলৈ যাব কাৰণ তেওঁৰ স্ত্ৰীক হেনো কথা দিয়া আছে।

গুটেনবাৰ্গে বেকাকৈ মোলৈ চালে। হাঁহি এটি মাৰি ক'লে : মোৰ পৰিবাৰৰ ঘূৰি ফুৰাৰ খুব চখ। সৰু ল'ৰা ছোৱালীৰ দৰে ঘূৰি ফুৰিবলৈ ভাল পায়। ৰাতিপুৱাই ওলাই গৈছে। আবে নাম লওঁতেই আহি পালেহি। আপোনাৰ লগত ষ্টেলাৰ পৰিচয় কৰাই দিওঁ।

উভতি চালোঁ। ফ্ৰাউ ষ্টেলা গুটেনবাৰ্গক দেখিলোঁ।

কেইমুহূৰ্ত্তমান আগতে মনে মনে তেওঁৰ চেহেৰাৰ যি মূৰ্ত্তি মনত আকিছিলোঁ, আচৰিত তাৰ লগত অলপো মিল নাই। আচৰিত হৈ বিমূঢ় হৈ কেইমুহূৰ্ত্তমান ভাবিছোঁ। এই বয়স। এই চেহাৰা। এই প্ৰৌঢ় হেৰ গুটেনবাৰ্গৰ স্ত্ৰী ষ্টেলা !!!

দীঘলীয়া সুবিন্যস্ত সুন্দৰ একোচা স্বৰ্ণাভ চুলি কান্ধৰ দুয়োফালে ওলমি পৰিছে। আটিল শৰীৰত মহাৰ্ঘ এজোৰ শীত বস্ত্ৰৰ আৱৰণৰে ঢকা। খোজ কঢ়াৰ গতিত পৰিচ্ছন্ন ব্যঞ্জনা। মুখভাৱত স্নিগ্ধ কমনীয়তা। পাতল হাঁহি গোটেই মুখমণ্ডলত দেখা গৈছে। ডাঙৰ চকুহুটিত অলপ যেন নীৰৱ কৌতূহল।

হাউলি মোৰ লগত ফ্ৰাউ গুটেনবাৰ্গে কৰমৰ্দন কৰিলে। কণ্ঠস্বৰো অতি সুন্দৰ। শিলৰ আঘাতত আঁতৰি যোৱা জুৰিৰ চূৰ্ণ বাৰিধাৰাৰ দৰে পৰিচ্ছন্ন হাঁহিটি যেন অপূৰ্ব সুষমাত বিয়পি পৰিছে। কিবা মিঠা এটা গোন্ধত গোটেই পৰিবেশ ভৰি উঠিল। দেহভঙ্গীয়ে যেন ফ্ৰাউ গুটেনবাৰ্গক আৰু কমনীয় কৰি তুলিছে।

সামান্য পৰিচয় হ'ল। দুই এটা কথাৰ বিনিময়। স্বামীৰ ফালে চাই কৃত্ৰিম অভিমানৰ সুৰত ক'লে: তোমাৰ ৰাতিপুৱা এতিয়াও নহ'ল। এতিয়াও তুমি কফি খাই আছা।

গুটেনবাৰ্গ থিয় হ'ল। অব্যক্ত বিনয়, অভিবাদন কৰি চিৰিৰ ফালে আগুৱাই গ'ল। ফ্ৰাউ গুটেনবাৰ্গও পিছে পিছে যাবলৈ উঠিল। মোৰ ফালে চাই ক'লে: তেওঁৰ লগত বহি বহি আপোনাৰ ৰাতিপুৱাৰ সময়খিনি নষ্ট হ'ল মাত্ৰ।

উত্তৰত হাঁহি এটি মাৰিলোঁ। বহাৰ পৰা উঠি পৰিলোঁ। বহুত বেলি হৈ গ'ল। পথৰ উদ্দেশ্যে ভৰি আগবঢ়ালোঁ।

ঘূৰি ঘূৰি ইণ্ডাষ্ট্ৰিয়াল মিউজিয়াম ওলালোঁহি। ঠাই ডোখৰে মোক অবাক কৰি দিলে।

কয়লাৰ খনি চাবৰ কাৰণে ধানবাদলৈ যোৱাৰ কোনো দৰকাৰ নাই। পাতালপুৰীলৈও যোৱাৰ কোনো প্ৰয়োজন নাই। এই মিউজিয়মতে সকলো সংগ্ৰহ কৰা আছে। ভাব হ'ল, কৰ্মমুখৰ কয়লাৰ খনি মোৰ সহাঁৰি পাই যেন থমকি ৰ'ল। কেনে অপূৰ্ব

কলা-কৌশল। কিমান বিপুল অৰ্থব্যয়। কিন্তু শ্ৰম আৰু ব্যয় সাৰ্থক। চকুৰ কৌতূহল উপলব্ধিৰ আনন্দই সহজতে মনক চুই যায়।

মোৰ বহুত সময় ইয়াতেই গ'ল। মিউজিয়মটো মোৰ ভাল লাগিল।

বাচৰ কাৰণে অপেক্ষা কৰি আছোঁ। কৰ্মমুখৰ দিন। মানুহবোৰ বৰ ব্যস্ত। থিয় হৈ থকাৰ কাৰো সময় নাই। সকলো ব্যস্ত। সকলোৰে যেন কাম আছে।

আলিকেকুৰিত বৰ লগা হ'ল। মোৰ ওচৰত এখন গাড়ী আহি ৰ'লহি। ঘূৰি চাই দেখো যে এখন নতুন গাৰীত বহি গুটেনবাৰ্গে মিচিকিয়াই হাঁহি আছে। ওচৰতে ফ্ৰাউ গুটেনবাৰ্গ। বিচিত্ৰিত এখন ওৰনাৰে অবাধ্য কেশৰাশিক শাসনলৈ অনাত ব্যস্ত।

হেৰ গুটেনবাৰ্গে একপ্ৰকাৰ জোৰ কৰি মোক গাড়ীত উঠাই ললে। শাসনৰ সুৰত ক'লে: আপুনি হঠাতে ওলাই আহিল। ইচ্ছা আছিল আপোনাক লৈ আমি একেলগে ফুৰিবলৈ ওলাম। লাঞ্চ নিশ্চয় খোৱা হোৱা নাই, মুখ দেখি ভাব হৈছে সেইবোৰ এতিয়াও সমাধা হোৱা নাই।

মোৰ ওচৰতে ফ্ৰাউ গুটেনবাৰ্গ। গাড়ী চলাইছে হেৰ গুটেনবাৰ্গে। চকুৱে চকুৱে পৰিলে এটি মিচিকিয়াই হাঁহি মাৰে।

অলপ দূৰ আগবাঢ়ি আহি গুটেনবাৰ্গে গাড়ী ৰখালেহি। ফিচফিচাই স্ত্ৰীৰ স'তে কিবা কথা পাতিলে। তাৰপিচত গাড়ীৰ পৰা নামি গ'ল।

কেইটিমান মুহূৰ্ত্ত পাৰ হৈ গ'ল। হঠাতে ভাব হল ফ্ৰাউ গুটেনবাৰ্গে মোৰ মুখৰ ফালে চাই আছে। বেচ কিছু সময় মোলৈ চাই আছে। মইও নিৰ্লিপ্ত ভাব দেখুৱাই অন্যমনস্ক হবলৈ চেষ্টা কৰোঁ। পিচ মুহূৰ্ত্ততে প্ৰশ্ন কৰিলে: আপুনি জানো বিবাহিত?

এই প্ৰশ্ন নতুন নহয়। তথাপিও এই সামান্য প্ৰশ্নটোৰ উত্তৰ

দিবলৈ মোৰ অলপ সময় লাগিল। হয়তো এই প্ৰথম মই সত্য গোপন কৰিবলৈ সাহস নাপালোঁ। সজোৰা-পৰোৱা কোনো কথাই মোৰ মনলৈ নাহিল। মন্দোদৰীৰ কথা পাহৰি গলো। ফটোৰ কথা মোৰ মনত নপৰিলেই। হাঁহি উত্তৰ দিলো : নহয়।

কথাত এটি সহজ সুৰ আছিল। ক'লে : শুনিছো ভাৰতত এজন পুৰুষে বোলে চাৰিজনীকৈ তিৰোতা ৰাখে।

তেওঁৰ কথা শুনি মোৰ ভাল নালাগিল। তথাপিও শান্ত কণ্ঠেৰে প্ৰশ্ন কৰো : এই সংবাদ আপুনি ক'ৰ পৰা পালে ?

এইবাৰ হাঁহি নহয়। কৌতূহল ভৰা দৃষ্টিৰে ক'লে : বাৰ্লিনত এজন মহাৰাজৰ লগত কথা হৈছিল। তেওঁৰ মুখতে শুনিছিলোঁ, ভাৰতত বোলে চাৰিগৰাকী স্ত্ৰীলৈ সংসাৰ কৰা কোনো পুৰুষৰে পক্ষে বোলে ডাঙৰ কথা নহয়।

হাঁহি উত্তৰ দিলোঁ : মহাৰাজৰ কথা এৰি দিয়ক। তেওঁৰ অকল টকাই আছে। উন্মাদৰ দৰে বহুত কথাই ক'ব পাৰে। বহুত অনিয়ম আৰু অন্যায়ক তেওঁ নিয়ম আৰু ন্যায় বুলিয়ে জানে। পৃথিৱীৰ সৰ্বত্ৰ যি নিয়ম, সেই নিয়মেই আজিও আমাৰ দেশত চলিছে। একাধিক স্ত্ৰীৰ কথা সম্পূৰ্ণ মিছা নহয় ; অৱশ্যে তেওঁলোকৰ সংখ্যা খুব তাকৰ। ইউৰোপৰ দৰে আমাৰ দেশৰ স্ত্ৰীসকলো আজি কালি ব্যয়সাপেক্ষ হৈ উঠিছে। মহাৰাজে আপোনাক ভুল সংবাদ দিছে। আপোনাক দেখি জাৰ্মান ছোৱালীৰ সৌন্দৰ্য্য আৰু গঢ় সম্পৰ্কে মই ধাৰণা কৰি ললে এইদেশৰ ছোৱালীবোৰ আনন্দিত হলেও বিদেশৰ পুৰুষে মোক খেদি আহিব।

ফ্ৰাউ গুটেনবাৰ্গে চকুৰে হাঁহিলে। ক'লে : মোৰনো এনেকুৱা কি সৌন্দৰ্য্য আপুনি দেখিলে। নিতান্তই অতিশয়োক্তি।

মই মনে মনে থাকিলোঁ। কিন্তু তেওঁ নৰ'ল : আপুনি কিয় বিয়া কৰোৱা নাই ?

তাৰপিচৰ কথা শুনি মই আচৰিত হলো। এবাৰ অপলক দৃষ্টিৰে চাই লৈ ক'লে: এনে সুন্দৰ চেহেৰা আপোনাৰ। কিন্তু কেনে নিঃসঙ্গ অকলশৰীয়া। ক'লা চুলি আৰু ক'লা চকু দেখিলে মোৰ হিংসা হয়।

কিছু সময় ভেবা লাগি চাই থাকিলো। পলকহীন ফ্ৰাউ গুটেনবাৰ্গৰ দৃষ্টি মোৰ মুখৰ ওপৰত। কেনেকুৱা আচৰিত মুহূৰ্ত্তবোৰ। এনেকুৱা দৃষ্টিতো আগতে দেখা নাছিলোঁ। এনেকুৱা পৰিচ্ছন্ন নিবিড় ভাবগৰ্ভ প্ৰশ্নত মই সম্পূৰ্ণ অনভ্যস্ত।

ফ্ৰাউ গুটেনবাৰ্গৰ কণ্ঠত বিষাদৰ সুৰ। ক'লে: আপুনি অকলশৰীয়া মানুহ সেই কাৰণে আপোনাৰ এনে একক জাৱন। কিন্তু মোৰতো সকলো আছিল তথাপিও মোক মৰিশালীৰ নীৰবতাই কিয় পালে ক'ব পাৰেনে?

নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰিলো। ফ্ৰাউ গুটেনবাৰ্গ অস্থিৰ হৈ পৰিল। মুহূৰ্ত্ততে অসন্তুৰ ধৰণে ভাবপ্ৰৱণ হৈ পৰিল। চকুৱে মুখে পাণ্ডুৰ এক সূক্ষ্মৰেখা নামি আহিল। অতি সুন্দৰ মুখশ্ৰীত অব্যক্ত বেদনা যেন দুঃসহ এক আবেগত বিয়পি পৰিল।

মোৰ কোটৰ বুটামবোৰৰ ফালে স্থিৰ দৃষ্টি নিক্ষেপ কৰি সৰু মাতেৰে ক'লে: মইতো ভাবিবই পৰা নাছিলো যে মোৰ সন্মুখত মোৰ স্বামীয়ে আপোনাক ইমান সহজতে আহ্বান কৰিব পাৰে। আপোনাৰ ব্যক্তিত্ব অসাধাৰণ। তেওঁৰ সন্দেহে আপোনাক স্পৰ্শ কৰিব পৰা নাই।

পৰিস্থিতিটো পাতল কৰিবলৈ ক'লো: আপোনাৰ স্বামী এজন সজ ব্যক্তি। তেখেতক মোৰ ভালেই লাগিছে।

ফ্ৰাউ গুটেনবাৰ্গৰ ওঁঠত ম্লান হাঁহি এটি দেখা দিলে। কণ্ঠস্বৰত জড়তা। ঠাণ্ডা বতাহত কাণৰ কাষৰ দুই চাৰিডাল চুলি অবাধ্য হৈ উঠিছে। এক পলক দৃষ্টি তুলি ক'লে: আপুনি সুন্দৰ মানুহ; আনৰ

ভাল দেখাই আপোনাৰ মহৎ চৰিত্ৰৰ পৰিচয়। আপোনালোকৰ দেশৰ কথা মই সামান্যই জানোঁ। ভাৰতৰ ছোৱালীবোৰৰ কথা শুনিবলৈ পালে মোৰ বৰ ভাল লাগে। তেওঁলোকৰ ইমান সুন্দৰ পোচাক। শাৰী পিন্ধা ছোৱালী দেখিলে মোৰ দুই চকু ভৰি চাবলৈ ইচ্ছা হয়। ছোৱালীবোৰবো সুন্দৰ লাজ লাজ ভাৱ। সেইকাৰণে পোচাকতো সহজ এটি কুণ্ঠা আছে। সেইয়াই যেন আপোনালোকৰ দেশৰ ছোৱালীক আৰু বেচি ৰমনীয় কৰি তুলিছে। কমনীয় কৰিছে আৰু বেচিকৈ।

ফ্ৰাউ গুটেনবাৰ্গ নৰ'ল। পুনৰ আৰম্ভ কৰিলে। দীৰ্ঘনিঃশ্বাস পেলাই ক'লে: মোৰ স্বামীয়ে মোক ভাল পায়। মইও তেওঁক এৰি এখোজ দিব নোৱাৰোঁ। আপুনি মোক ক্ষমা কৰিব, মোক ক'বলৈ দিয়ক। এইখিনি আপোনাৰ ওচৰত গোপন নকৰোঁ। তাতে হয়তো আপোনাৰ ক্ষতি হব পাৰে। তেওঁ অপোনাক খুব ধনী মানুহ বুলি ভাবিছে। অলপ সতৰ্ক হৈ চলিব। তেওঁ মাত্ৰ ব্যৱসায়কে বুজি পায়। আনৰ মতলবৰ পিচত তেওঁৰ দৃষ্টি, মানুহৰ হৃদয় তেওঁ চিনি নেপায়। আপুনি বিদেশী, এই দেশলৈ দুদিনৰ কাৰণে আহিছে। কাম শেষ হৈ গলে আপোনাৰ পৰিবাৰৰ মাজলৈ গুচি যাবগৈ। আমাক পাহৰি যাব। আজিৰ এই মুহূৰ্ত্তবোৰ হয়তো সম্পূৰ্ণ বিস্মৃত হৈ যাব। তাত ক্ষতি নাই, মোৰ তাত বেয়া নালাগে হেৰ জেন।

মই ক'লো: আপোনালোকৰ লগত মোৰ সামান্য পৰিচয়, কিন্তু আপোনালোকক হলে মই পাহৰি নাযাওঁ। আপোনাৰ কথা মোৰ সদায় মনত থাকিব।

ফ্ৰাউ গুটেনবাৰ্গে ক'লে: মই ধন্য হ'ম। কিন্তু মোৰ ভয় হয় জেন।

মই কিছুপৰিমাণে বিভ্ৰান্ত। কিছুপৰিমাণে দ্বিধাগ্ৰস্তও। সুধিলো: কিহৰ ভয়?

মুৰ তল কৰি ক'লে : গ্লানি লগত নিনিয়াকৈ গলেই মই আনন্দিত হম। তাতেই মোৰ ভয়। সামান্য পৰিচয়তে নিজৰ বাত বেমাৰৰ কথা কয়। তেওঁ যিমানখিনি নিজৰ প্ৰবীণতাৰ দোহাই দিয়ে আচলতে তেওঁ ঠিক সেয়া নহয়। পুৰুষৰ পৌৰুষত্ব যিজনৰ নাই তেওঁতো সজোৰা কথাৰ আশ্ৰয় লবই। সাজি সাজি কথা ক'বই। ৰাতিপুৱা আপোনাৰ সম্পৰ্কে এটি কুৎসিত মন্তব্য প্ৰকাশ কৰিছিলো নিতান্ত অনিচ্ছা সত্ত্বেও। তেওঁ তাতেই আনন্দিত হৈছিল। সেই কাৰণেই বোধহয় আপোনাক গাড়ীত তুলি লবৰ কাৰণেই তেওঁৰ ইমান আগ্ৰহ। ইয়াঙ্কীবোৰক তেওঁ কয় অমানুহ, আৰু আপোনাক তেওঁ ক'লা মানুহ বুলিয়ে জানে। এয়া মানুহৰ মনৰ কেনে অদ্ভুত ৰিক্ততা কওকচোন। সেই দৈন্য নিজৰ মাজত থাকিলে কোনো ক্ষতি নাছিল, কিন্তু মই যে নিঃস্ব হৈ গলো হেৰ জেন।

ফ্ৰাউ গুটেনবাৰ্গ ৰ'ল। সম্মুখৰ ফালে চাই নীৰৱ হৈ ৰ'ল। ইমান সময়ে এটা প্ৰশ্নই মোক তোলপাৰ লগাই আছিল। এইবোৰ কথা মোক কলে কেলেই ? কিহৰে বা পৰিচয় ? এওঁলোকৰ লগত মোৰ কিহৰ পৰিচয় ?

শেষত এটি সিদ্ধান্তত মই উপস্থিত হ'লো। ফ্ৰাউ গুটেনবাৰ্গ হয়তো কোনো কাৰণত নিৰুপায়। বাহিৰৰ জগতত এই নাৰীৰ মূক বেদনা সম্পূৰ্ণ অজ্ঞাত। হয়তো তেওঁ ইমান কথা মোক শুনাব খোজা নাছিল। নিজৰ স্বামীৰ হীন চৰিত্ৰ উদঘাটন কৰি পৃথিৱীৰ কোনো স্ত্ৰীৰ গৌৰব নাবাঢ়ে।

তথাপিও এনে ধৰণৰ ছোৱালীৰ সান্নিধ্যলৈ আহিছোৱে বা ক'ত। মই যে আন দেশৰ আন এখন পৃথিৱী, অন্য ক'ৰবাৰ। সেই কাৰণেই এই নাৰীৰ সহজ কথাৰ মাজত গ্লানিৰ সন্ধান পাওঁ। অনাবিল সহজ অসংকোচৰ মাজত নিজকে পাহৰি যাওঁ।

মোৰ মন যেন কোমল হৈ উঠে। ফ্ৰাউ গুটেনবাৰ্গৰ সুন্দৰ ম্লান

মুখশ্ৰীত এক পৰিপূৰ্ণ শুচিতা। দৃষ্টিত তিলমাত্ৰও কলুষ নাই। সেই চাৱনিত লেশমাত্ৰও মিছা নাই।

কিছুসময় পিচত গুটেনবাৰ্গ আহি পালেহি। গাড়ীত বহি চাবি ঘূৰাই ক'লে: খুব ভোক লাগিছে। আপুনি মনে মনে আছে কিয়? আমি এতিয়াই হোটেল পামগৈ। আমেৰিকান ডজৰ কাৰণে পথত বাট পোৱাই দুষ্কৰ।

বাটত বিশেষ কথা নহ'ল। মাত্ৰ হেৰ গুটেনবাৰ্গে অকলে বক্‌বকাই গৈছিল। পুৰনি মিউনিকৰ গল্প, মহাযুদ্ধ আৰু আমেৰিকানৰ মুণ্ডপাতত গোটেই পথ ব্যস্ত থাকিল।

হোটেল যেতিয়া পালোহি তেতিয়ালৈকে লাঞ্চৰ সময় প্ৰায় পাৰ হৈ গৈছিল।

আবেলিৰ পৰা শৰীৰ বৰ বেয়া লাগিছিল। মূৰটোও অসম্ভৱ ধৰণে বিষাই আছিল। বিছনাত শুই আছিলোঁ। অৱশ্যে মুহূৰ্ত্তৰ কাৰণেও ফ্ৰাউ গুটেনবাৰ্গৰ কথা পাহৰিব পৰা নাছিলোঁ। হেৰ গুটেনবাৰ্গ মানুহজন যে টেঙৰ সন্দেহ নাই কিন্তু স্ত্ৰীকে বা কষ্ট দিছে কিয়? এওঁলোকৰ জীৱনত নিশ্চয় কোনো ছিদ্ৰ আছে। তাৰ কাৰণে হেৰ গুটেনবাৰ্গে দায়ী। মানুহজনৰ বয়সো বহুত হৈছে। আৰু ছোৱালীজনী? এজনৰ শেষ হৈছে আন জনৰ আৰম্ভ হৈছে মাত্ৰ। সচাকৈয়ে ফ্ৰাউ গুটেনবাৰ্গ সুখী হ'ব কেনেকৈ?

এনে সময়তে ফোনটো ক্ৰিং ক্ৰিং কৈ বাজি উঠিল। আন ফালৰ পৰা কণ্ঠস্বৰ ভাঁহি আহিল: ওচৰৰ কোঠাৰ পৰা মই হেৰ গুটেনবাৰ্গে কথা কৈছোঁ। ঠিক কৰিছোঁ আবেলিকৈ অপেৰালৈ যাম, আপুনিও আমাৰ লগত যাব লাগিব?

এই নিমন্ত্ৰণ মোৰ ভাল নালাগিল। সঙ্গী হিচাবে মোৰ নিচিনা

ক'লা মানুহক তেওঁ পছন্দ কৰাৰ কাৰণো বিচাৰি নাপালোঁ। তুচ্ছ এক অজুহাতত সেই নিমন্ত্ৰণ অতি বিনয়েৰে প্ৰত্যাখান কৰিলোঁ। দুয়োজনে কোনত মৃদু হাঁহি কোনটো থৈ বিছানাত বাগৰ দিলোঁ।

পিচ মুহূৰ্ত্তত মোৰ ভাব হল বোধহয় ভুল কৰিলোঁ। অপেৰা নাইবা গুটেনবাৰ্গক ভাল নাগাগিলেও ফ্ৰাউ গুটেনবাৰ্গকতো ওচৰত পালোহেঁতেন। খুব ওচৰতে তেওঁ বহুত সময় থাকিলহেঁতেন। পিচ মুহূৰ্ত্ততে অন্য এক প্ৰশ্ন মোৰ মনলৈ আহিল। মই কি বিচাৰিছোঁ? াউ গুটেনবাৰ্গ এই দেশৰ এজনী ছোৱালী। পৰস্ত্ৰী। তেওঁৰ ওচৰত বহাৰ আনন্দই বা মোক কিয় পালে? অতি কম সময়তে মনৰ এতিয়া মোৰ কেনে অৱস্থা? তেওঁৰ ওচৰত কিহৰেবা প্ৰত্যাশা? এইখিনি পুঁজি লৈ মোৰ মতামত আৰু ধাৰণা মই সগৰ্বে দহজনৰ আগত কৈ বাগাড়ুৰী কৰোঁ। সকলো যেন চকুৰ আগত ঘূৰিব ধৰিলে।

সকলো অস্পষ্ট! ধুৱলি কুঁৱলী!! বিভ্ৰান্তিকৰ!!!

বাটলৈ ওলাই আহিলোঁ। বাটে বাটে অশান্ত মনলৈ অলপ সময় ঘূৰি ফুৰিলোঁ। এনে ভাবে অন্য কাৰো কথাই মোকতো চিন্তাত পেলোৱা নাছিল। বিক্ষিপ্ত চিন্তাক শাসনলৈ আনিবলৈ মানুহৰ কোলাহললৈ দৌৰি গলোঁ। কিছুপৰিমাণে যেন সকাহ পালোঁ। অশান্ত মনত শীতল বতাহ, পোহৰ আৰু বহুত মানুহৰ কোলাহলৰ মাজত বেচ সকাহ পালোঁ। অপ্ৰস্তুত হৈ হোটললৈ উভতি আহিলোঁ। অপ্ৰতিভ মনেৰে দুই এজনৰ লগত লাউঞ্জত কথা পাতিলোঁ।

বেচ ৰাতি হৈছে। বাহিৰত হাড় কপোৱা ঠাণ্ডা। বিছনাত ছটফটাই আছোঁ। এটা চিন্তাৰ বিৰতিৰ পিচত ক'লা পাখি মেলি নতুন কথাৰ পুনৰ স্তূপ জমা হৈছে।

এটি শব্দ হ'ল। অতি ওচৰতে। এন্ধাৰ কোঠাত চকু মেলি চাওঁ। আকৌ শব্দ। অতি লাহে লাহে দুৱাৰত কোনোবাই শব্দ কৰিছে।

ৰেড্ চুইচটো অলাই দুৱাৰৰ ফালে আগুৱাই যাওঁ। দুৱাৰ খুলি আচৰিত হৈ যাওঁ। মোৰ সম্মুখত ফ্ৰাউ গুটেনবাৰ্গ।

মোক একো ক'বলৈ নিদিয়াকৈ বিনয়ত যেন জয় পৰি গ'ল। সঙ্কোচৰ হাঁহি এটি মাৰি ক'লে: আপোনাক বিৰক্ত কৰিলোঁ। ক্ষমা কৰিব। আপোনাৰ ওচৰত কিবা কিতাপ আছে জানো? একেবাৰে টোপনি অহা নাই। এনেকুৱা প্ৰায়েই মোৰ হয়। আপোনাৰ টোপনিত ব্যাঘাত জন্মালোঁ।

নিজকে সংযত কৰি ক'লো: কিতাপ অবশ্যে আছে। আপুনি পঢ়িব লগা কোনো কিতাপ বোধহয় নাই।

দুৱাৰৰ ওচৰৰ পৰা টেবুলৰ ওচৰত আহি থিয় হওঁ। লগতে ফ্ৰাউ গুটেনবাৰ্গো আহিল।

মোৰ টেবুলখনৰ ফালে চাই হাঁহি ক'লো: চাওক ফ্ৰাউ গুটেন-বাৰ্গ, মোৰ ওচৰত কোনো জাৰ্মানী ভাষাৰ কিতাপ নাই। আপোনাক কি পঢ়িবলৈ দিও।

অপ্ৰস্তুতৰ হাঁহি। সঙ্কুচিত হৈ ক'লে: স্পেনিজ নাইবা ফ্ৰেঞ্চ ভাষাৰ কিবা হলেও হ'ব।

মই উভতি চালোঁ। পিন্ধাত ৰাতিৰ সাজপাৰ। সুন্দৰ এৰোজা চুলি। গোটেই কোঠালীটো এটি সুন্দৰ গোন্ধত মলমলাইছে। সুন্দৰ মুখশ্ৰী আগুৰি এক ক্লান্তিৰ ছাপ। অলস দৃষ্টিৰে মোৰ কোঠালীৰ প্ৰত্যেকতো বস্তুকে যেন চাইছে।

চকুৱে চকুৱে পৰাত হাঁহি এটি মাৰি ক'লো: আপোনাৰ বহু ভাষাৰ দখল দেখি সচাঁকৈয়ে ভাল লাগিল কিন্তু স্পেনিজ নাইবা ফ্ৰেন্স ভাষা মোৰ বিন্দুমাত্ৰও জ্ঞান নাই। একো যদি নাভাবে এখন সাপ্তাহিক কাগজ মোৰ ওচৰত আছে—এই দেশৰে। আজি ৰাতিৰ কাৰণে হয়তো আপোনাৰ কাম চলি যাব।

ফ্ৰাউ গুটেনবাৰ্গৰ নিৰ্লিপ্ত কণ্ঠ: তাকে বাৰু, দিয়ক।

সাদিনীয়া কাগজখন মোৰ বিছনাৰ এক প্ৰান্তত থোৱা আছিল। সেইখন লৈ উভতি আহোতেই চকুত পৰিল টেবুলৰ পৰা মোৰ বেগটো হাতত লৈ এক অকৃত্ৰিম কৌতূহলৰে সেইটো নিৰীক্ষণ কৰিব ধৰিছে।

হাঁহি ক'লে : ক্ষমা কৰিব। এইটো চোৱাৰ লোভ মই কোনোমতে এৰাব নোৱাৰিলো। বস্তুটো অতিকৈ সুন্দৰ। আপোনালোকৰ দেশৰ নিশ্চয় ?

সামান্য এই ঘটনাটি মোৰ ভালেই লাগিল। বেগটো আছিল অতি সাধাৰণ। শান্তিনিকেতনৰ এই চামৰাৰ বেগটোৰ দাম তিনি টকাৰ বেচি নহয়। এই সামান্য বস্তুতো ফ্ৰাউ গুটেনবাৰ্গৰ ইমান ভাল লগা দেখি মোৰ ৰুচিৰ যেন পৰিচয় পালোঁ।

আচৰিত হৈ কওঁ : এই সাধাৰণ বেগটো ইমান ভাল লাগিছে আ::পোনাৰ। মোক আচৰিত কৰি দিলে।

সৰু মাতেৰে উত্তৰ দিলে : নম্ৰতাৰ সৈতে শুচিতাৰ চিৰকাল বিৰোধ। আপোনালোকৰ দেশৰ ৰুচি নম্ৰ। জাকজমকতাৰ লগত আছে দম্ভ। সামান্য বস্তুটোৱে সেইকাৰণে মোক আকৃষ্ট কৰিছে।

বেগৰ পৰা চকু তুলি লৈ মোক নিৰীক্ষণ কৰি চালে। এটি চতুৰ চাৱনি মেলি ক'লে : আপুনি বাগদত্তা ?

মই আচৰিত হৈ গলোঁ। ভেবা লাগি কিছু সময় চাই থাকিলোঁ। প্ৰশ্নটোৰ আঁত ধৰিব নোৱাৰি কিবা ক'ব খোজোতেই বাধা পালো।

পুনৰ বেগত দৃষ্টি ৰাখি ক'লে : ভাৰতীয় ছোৱালীবোৰ দেখাত খুব সুন্দৰ। মুখখন দেখি মোৰ খুব ভাল লাগিছে। আপোনালোকৰ বিয়া কেতিয়া হ'ব ?

এছাটি শীতল বতাহ মোৰ সৰ্ব্ব শৰীৰতে বৈ গ'ল। বেগত যে মন্দোদৰীৰ ছবিখন থোৱা আছিল সেই কথা একেবাৰে পাহৰি গৈছিলোঁ। সচেতন হৈ কওঁ : মই বাগদত্তা নহয়। সেই ছোৱালীজনীক জীৱনত দেখাই নাই ; আমাৰ বিয়া কেতিয়া হ'ব কব নোৱাৰোঁ।

কৌতূহল গৈ বিস্ময়ত পৰিল। অবাক হৈ কিছুসময় মুখ মেলি ৰ'ল। ক'লে: আপুনি ছোৱালীজনীক চিনি নাপায়? তেনেহলে অপৰিচিতাৰ ছবি আপোনাৰ বেগত কিয়? আপুনি নিশ্চয় কিবা কথা গোপন কৰিছে।

মন্দোদৰীদেৱীৰ ছবিৰ ইতিহাসে মই ক'ব লগা হ'ল। একেবাৰে ভোলাৰ পৰা আৰম্ভ কৰিলোঁ। এই ছবিখনে যে প্ৰচুৰ উপকাৰ কৰিছে, বহু কৌতূহল আৰু আগ্ৰহক মই অতি সহজতেই ছবিখনৰ আশ্ৰয় লৈ ওভতাই দিব পৰিছোঁ। তুই এগৰাকী সুন্দৰীৰ হৃদয়ৰ অকৃত্ৰিম ইচ্ছা যে এই ছবিখনে মোৰ সম্পৰ্কে কেনে দ্ৰুত গতিত বিতৃষ্ণাৰে ভৰাই তুলিছে সেই কাহিনী বৰ্ণনা কৰিলোঁ।

ফ্ৰাউ গুটেনবাৰ্গে মিচিকিয়াই হাঁহিলে। ক'লে: আপুনি কিন্তু সাংঘাতিক মানুহ। এনেভাবে ছোৱালীবোৰক ঠগাইছে। কিন্তু এই কথা আপুনি মোৰ আগত প্ৰকাশ কৰিলে কিয়?

কি উত্তৰ দিম? অলপ সময় থিয় হৈ থাকিলোঁ। অপ্ৰস্তুততাৰ দৃষ্টি চকুলৈ নামি আহিল। সেই দৃষ্টি কাৰ্পেটেৰে বৈ আহি মোৰ ভৰিৰ ওচৰত ৰ'লহি।

ফ্ৰাউ গুটেনবাৰ্গে ক'লে: মই আপোনাক ঠিক চিনিছোঁ। সেই কাৰণে ছবি দেখি বিমোৰত পৰিছিলোঁ। আপোনাৰ চকুৰে মুখে প্ৰকাশ পাইছে আপুনি নিশ্চয় প্ৰেমত পৰা নাই। কিন্তু ছোৱালীক ভাল পোৱাৰ বয়স আপোনাৰ কেতিয়াবাই হৈছিল।

মই যেন কিছুপৰিমাণে বিমোৰত পৰিলোঁ। আন কিবা সূত্ৰ বিচাৰিবলৈ গৈ ক'লো: আপুনি থিয় হৈ আছে যে, বহক ফ্ৰাউ গুটেনবাৰ্গ।

ধীৰ পদক্ষেপেৰে আগুৱাই আহিল। অলপ দূৰৈত এক প্ৰান্তত বহিলহি। অলপ সময় মনে মনে বহি থাকিল। মন দি সাদিনীয়াখন চাবলৈ ধৰিলে। তাৰ পিচৰ কথাত এটি বিষণ্ণ সুৰ দেখা দিয়ে:

'ফাউ' শব্দটোৱে মোক যেন বিদ্রূপ কৰে। আৰু 'গুটেনবার্গে' মোক অস্থিৰ কৰি তোলে। আপুনি মোক ষ্টেলা বুলি মাতিব। তেতিয়া হলে মোৰ ভাল লাগিব হেৰ জেনে।

স্তিমিত বিষণ্ণ দৃষ্টিৰে মোলৈ চাই থাকে। এটি যেন গভীৰ ক্ষতৰ বিষত গোটেই মুখ-প্ৰাণ অৱশ হৈ উঠে। সেই চাৱনিত নিৰৱ এক অভিযোগ যেন লুকাই আছে।

ক'লে: টোপনি অহা নাছিল, বহুত কথাই ভাবিছিলোঁ। সেই কাৰণে কিবা এটা বিচাৰি আপোনাৰ ওচৰলৈ আহিলোঁ। আপোনাক মোৰ চাবৰ ইচ্ছা হৈছিল। আপোনাৰ ওচৰলৈ আহি আপোনাক চাবৰ মোৰ বৰ ইচ্ছা হৈছিল।

এয়া এক অস্বাভাৱিক মুহূৰ্ত। এয়া এক বিচিত্ৰ অনুভূতি। অলপ সময় পাৰ হৈ গ'ল। হঠাতে মই সচেতন হৈ উঠিলোঁ যে মই ষ্টেলাৰ লগত কথা কৈছো। ফাউ গুটেনবার্গ মোৰ মনৰ পৰা সম্পূৰ্ণ অন্তৰ্হিত। 'আপুনি' যে 'তুমি' কেতিয়া হৈছিল কবই নোৱাৰো। ষ্টেলাৰ ওঁঠৰ পৰা 'জী' কেতিয়াবাই বিদায় লৈছিল। সেইস্থান বেদখল কৰিছে 'ড়ু'ই।

ষ্টেলাই ক'লে: ভাৰতত তোমাৰ কোন কোন আছে?

উত্তৰ দিলোঁ: সকলো আছে। মা আছে, দেউতা আছে।

ষ্টেলাই আৰু জানিব খুজিলে। ক'লে: ভাই-ভনী?

হাঁহি ক'লো: আছে।

কৌতূহলহৈ জানিব খুজিলে: তেওঁলোকে বিয়া কৰাইছে?

ক'লো: বহুতেই।

মূৰ· তল কৰি ষ্টেলাই প্ৰশ্ন ক'ৰে: তোমালোক সকলোৱে একেলগে থাকা?

হাঁহি হঁহি ক'লো: তাতেই আমি অভ্যস্ত।

ষ্টেলাই শিশুৰ ,দৰে হাঁহি উঠিল। ক'লে: ভাৰতীয় এজনী

ছোৱালীৰ মুখৰ পৰা বহুত খবৰ লৈছিলোঁ। তেওঁৰ মুখতে সকলো শুনিছিলোঁ। মোৰ কিন্তু এনে নিয়ম খুব ভাল লাগে।

ষ্টেলাই হঠাতে যেন শিশুৰ দৰে অনুযোগ আৰম্ভ কৰে। ওচৰত আহি বহিলহি। ক'লে : তুমি আমাৰ লগত আল্লচলৈ যাব লাগিব? বলা, আল্লচ তোমাৰ খুব ভাল লাগিব।

পৰিপূৰ্ণ ভাল লগাৰ আবেশত মোৰ মন-প্ৰাণ ভৰি উঠিল। ষ্টেলাৰ কোমল আঙুলিবিলাক হাতত তুলি লওঁ।

বিষণ্ণ এক অনুযোগ ষ্টেলাৰ কণ্ঠত ধ্বনিত হৈ পৰে : কথা দিয়া, তুমি কথা দিয়া, পেৰিলৈ তুমি আমাৰ লগত যাবা বুলি। কোৱা কিবা কোৱা, তুমি মোক কথা দিয়া।

মই যেন জ্ঞান ওভতাই পালোঁ। হাঁহি ক'লো : চোৱা মোৰ মাত্ৰ কেইদিন মানৰ ছুটী আছে। তাৰোপৰি এই মুহূৰ্ত্তত পেৰী ভ্ৰমণত মোৰ টান পৰিব। মোৰ কাৰণে বিদেশী মুদ্ৰা এতিয়া নহ'ব। পেৰীত খৰচ বহুত বেছি। মোৰ ওচৰত ভাৰতীয় মুদ্ৰাৰ চেক বহী বিচাৰিলে হয়তো পোৱা যাব পাৰে। কিন্তু পকেটেত ডিমাৰ্ক নাই ষ্টেলা।

ষ্টেলা কিবা এক উন্মাদনাত যেন চঞ্চল হৈ উঠিল। ক'লে : জানো বৈদেশিক মুদ্ৰাৰ দুৰ্ভিক্ষ তোমালোকৰ দেশত চলিছে। সেই বুলি মোৰ স্বামীৰ অৰ্থ জানো তোমাক নিদিম? তোমাক মই অলপো সঙ্কুচিত হ'বলৈ নিদিওঁ। মোৰ যি সামান্য হাতত আছে সেয়া তোমাক মই উজাৰ কৰি দিম। সেয়া দান নহয়। সাহায্যও নহয়। সেয়া উপহাৰো নহয়। সেয়া হব মোৰ নিবেদন। তুমি ছুটীৰ কথা কৈছা, কিন্তু আমাৰ এই শুভযাত্ৰা তুচ্ছ অজুহাতত তুমি বন্ধ ৰাখিব নোৱাৰিবা।

দুটোপাল মুক্তাৰ দৰে চকুপানী ষ্টেলাৰ গালেৰে বৈ আহিল।

এয়া কি? ষ্টেলাৰ চকুত পানী। শান্ত কৰিবলৈ চেষ্টা কৰোঁ। কিন্তু তেতিয়ালৈকে মই নিজেই অশান্ত। কওঁ : ষ্টেলা তুমি কান্দিছা?

দ্বিধাজড়িত কণ্ঠস্বৰ ষ্টেলাৰ। ক'লে : তোমালোকৰ দেশৰ ছোৱালীবোৰে নাকান্দে নেকি ? কন্দাৰো যে আনন্দ আছে। গধুৰ বোজা বুকৰ পৰা যেন নামি যায়।

অভিভূত মই। কণ্ঠ মোৰ স্বাভাৱিক নহয়। অবিমিশ্ৰ এক আনন্দ যেন অবাৰিত ধাৰাত বৈ গৈ আছে।

হাঁহি কওঁ : তুমি বৰ ভাবপ্ৰৱণ। তুমি কষ্ট পালে মোৰ বৰ বেয়া লাগিব।

দুই বাহুৰ আলিঙ্গনত ষ্টেলা মোৰ দেহত যেন ভাঙি পৰে। এখন কোমল হাত মোৰ কান্ধৰ ওপৰত উদভ্ৰান্ত হৈ পৰিল। মোৰ হাতখন ষ্টেলাৰ বুকুৰ ওপৰত।

ষ্টেলা নত হৈ মোৰ বুকুত তেওঁৰ মূৰটো থলে। আনত মুখৰ উষ্ণ স্পৰ্শত সৰ্বশৰীৰ যেন অৱশ হৈ আহিল।

আৰু কেইটামান মুহূৰ্ত্ত। গালে মুখে আঙুলি বুলাই ষ্টেলাই আদৰ কৰিলে। উত্তপ্ত অনুৰাগত মোৰ গালে মুখে চুমাৰে ভৰাই দিলে। তাৰপিচত ষ্টেলাৰ গোটেই শৰীৰ যেন মোৰ গাত ভাঙি পৰিলহি। বাহু আতৰি গ'ল। লাহে লাহে নিজকে বিমুক্ত কৰি ললে। ষ্টেলা থিয় হ'ল।

দ্বিধাজড়িত কণ্ঠস্বৰে ক'লে : তুকি মোক ঘৃণা কৰা ?

মই অশান্ত, অসংযত। সহজ হৈ ক'ব খুজিলোঁ : উহু, নাই নকৰোঁ।

কিছুপৰিমাণে ষ্টেলাৰ কণ্ঠস্বৰ যেন কঁপিছে : তুমি জানো মোক দোষ দিবা ?

একে উত্তৰ মোৰ ওঁঠত প্ৰকাশ পালে : নাই, নিদিওঁ।

ষ্টেলাই পুনৰ জানিব খুজিলে। সৰু সৰু মাতেৰে টানি টানি ক'লে : মই জানো কিবা ভুল কৰিছোঁ ?

হাঁহি কওঁ : নাই, একো ভুল কৰা নাই।

ধীৰ কম্পিত পদক্ষেপেৰে মোৰ কোঠাৰ পৰা ষ্টেলা ওলাই গ'ল। আৰু মই বিভ্ৰান্ত মনলৈ দুৰ্বোধ্য ৰহস্যৰ দ্ৰষ্টা এক শিশুৰ দৰে বিস্মিত হৈ অলপ সময় বহি থাকিলোঁ।

লাইটটো এটা সময়ত গুমুৰাই দিলোঁ। এন্ধাৰেই ভাল।

ৰাতিপুৱা।

গুটেনবাৰ্গৰ লগত কথা কৈ আছিলোঁ। ষ্টেলা ওচৰতে আছিল। নিজে অপ্ৰস্তুতবোধ কৰিছিলোঁ। চকু দাঙি চাব পৰা নাছিলোঁ। একোতেই সহজ হ'ব পৰা নাছিলো।

আমাৰ কথাৰ মাজতে এবাৰ ষ্টেলাই কলে: আজি আমি আল্পচলৈ যাম। আমাৰ লগত আপুনিও বলক।

গুটেনবাৰ্গে উত্তৰ দিলে। এবাৰ কেৰাহিকৈ ষ্টেলালৈ চালে, তাৰ পিচত হাঁহি এটি মাৰি ক'লে: তেখেতৰ বোধহয় কাম আছে।

ষ্টেলাৰ কণ্ঠত বিস্ময়। চেলাউৰি তুলি ক'লে: কি কাম আছে? ইমান দূৰলৈ আহি আল্পচ নোচোৱাকৈ যাবনে? বাৰ্লিন নাচালেও কথা নাই, কিন্তু আল্পচ নাচালে চালে কি?

মই নিৰুত্তৰ হৈ আছিলোঁ। টেঙৰ মানুহ গুটেনবাৰ্গ। বুজিলে মোৰ মৌনতাই অৰ্থপূৰ্ণ। চকুৰে মুখে কৃত্ৰিম আগ্ৰহ ফুটাই তুলি ক'লে: আপোনাৰ হাতত যদি একো কাম কাজ নাই বলক আমাৰ লগতে। আপোনাৰ সান্নিধ্য আমাৰ ভাল লাগিব।

হাঁহি উঠিল। বেচ বুজিলোঁ প্ৰবল আপত্তি থকা সত্বেও মাত্ৰ ভদ্ৰতাৰ খাতিৰত গুটেনবাৰ্গৰ এই নিমন্ত্ৰণ। সভ্যতাৰ জ্বালা বহুত। কালকূট তেওঁৰ ডিঙিৰে বোধহয় নামিব ধৰিছে কিন্তু 'কুলটুৰ'ৰ (কালচাৰ) খাতিৰত কেনে মৰ্মান্তিক আত্ম-প্ৰবঞ্চনা।

কিন্তু মোৰো যে ভীষণ আগ্ৰহ। মইতো যাবই লাগিব। তথাপিও

অকাই পকাই কওঁ: আপোনালোকৰ অসুবিধা হ'ব পাৰে। আপোনালোক দুয়োজনেই ঘুৰি আহকগৈ। তাৰোপৰি আপোনালোকৰ দুজনৰ মাজত আৰুচত মোৰ নিচিনা তৃতীয় ব্যক্তি নিতান্তই অবাঞ্ছিত।

গুটেনবাৰ্গে মোৰ ফালে চালে। হাঁহি ক'লে: আপোনাৰ ৰসজ্ঞান আছে। কিন্তু বিশ্বাস কৰক আপুনি থাকিলে আমাৰ ভাল লাগিব। বাটৰ কষ্ট যিখিনি সেয়া আৰুচে অক্লেশে পাহৰাই পেলাব।

ষ্টেলাই অপ্ৰতিভ কণ্ঠেৰে ক'লে: আপোনাৰ যদি কিবা অসুবিধা আছে তেনেহলে জোৰ নকৰোঁ।

গুটেনবাৰ্গৰ দৃষ্টি এবাই এক অৰ্থপূৰ্ণ কটাক্ষ ষ্টেলাই মোলৈ চাই হানিলে। গুটেনবাৰ্গৰ কথাৰ মাজতে ক'লো: ঠিক আছে মই বাৰু আপোনালোকৰ লগত যাম।

মূৰ জোকাৰি আঁৰ চকুৰে গুটেনবাৰ্গে চালে। মোৰ চকুৰ ওপৰত চকু ৰাখি ক'লে: বলক, আৰুচ আপোনাৰ ভাল লাগিব।

ষ্টেলাৰ ফালে চাওঁ। অবিমিশ্ৰ এক আনন্দৰ হাঁহিত যেন সমৰ দৰে তেওঁৰ কোমল বুকুখন গলি যাব ধৰিলে।

ওলাওঁতে প্ৰায় দহ বাজিল।

গুটেনবাৰ্গে সুন্দৰ এজোৰ পোচাক পিন্ধিছে। পিন্ধনত বগা চুট এজোৰ। গাঢ় ৰঙা টাই। ৰঙা ৰুমাল।

খুব হাঁহিছে। বহুতো কথা কৈ আছে। মোক ক'লে: মই এনেয়ে ওলাব নোখোজো। কিন্তু এবাৰ ওলালে মই খুব হৈ-হল্লা কৰোঁ।

আৰু ষ্টেলা? টান বগা চুৰেটাৰৰ লগত মিলাই পিন্ধা টিকটিকিয়া জিন্‌চ্। চকুত গগ্‌লচ। মূৰৰ চুলি বিলাক এখন ৰঙা

কাপোৰেৰে ডিঙিৰ তললৈ আনি টানকৈ বান্ধি লৈছে। হাতত এটা ৰঙা বেগ। কান্ধত ওলোমাই লোৱা কেমেৰা আৰু দূৰবীণ।

অ’ভাৰকোটতো মোৰ হাতেত দি হাঁহি এটি মাৰি ক’লে : এনেকুৱা দিন পুনৰ নাহে। মই আল্পচলৈ বহুতবাৰ গৈছোঁ। কিন্তু আজি মোৰ ইমান আনন্দ হৈছে কিয়বা ? তোমাক চাইয়ে বা ইমান আনন্দ পাইছো কিয় ? তেনেভাবে তুমি মোলৈ কি চাইছা ?

মাত্র কলো : তোমাক।

শিশুৰ দৰে কৌতূহল ষ্টেলাৰ কণ্ঠত : কেনে দেখিছা ?

আনন্দই যেন মোৰো বাধা মানিব খোজা নাই। কওঁ : এই দেশলৈ আহিছো পেটৰ টানত। প্ৰাণ নাইবা মনৰ টানত নহয়। যিখিনি তোমালোকৰ দেশৰ ভাষা জানো, দোকান-পোহাৰ, কল-কাৰখানাত সেইখিনিৰে কাম চলাব পাৰোঁ। মোটামোটিকৈ গল্পও ক’ব পাৰোঁ। কিন্তু ইয়াতে যে তোমাৰ লগত দেখাদেখি হ’ব, এই কথা মোৰ জনা নাছিল। তোমাক কেনেকুৱা দেখিছো তোমাক কিদৰে বুজাম। মোৰ ওঁঠত শব্দতত্ত্বৰ অভাৱ। ষ্টেলা, জাৰ্মানী মই একোকে শিকা নাই। তোমাৰ কাৰণেই আৰম্ভ কৰিব লাগিব। মই নতুনকৈ ভাষা বিচাৰিব লাগিব।

ষ্টেলাৰ ডাঙৰ ডাঙৰ চকুৰ পতাত লাজমিহলি চাৱনি দেখা গ’ল। মুৰ তল কৰিলে। মাটিত বাওঁ ভৰিৰ ৰবৰৰ চোল ঘঁহিবলৈ ধৰিলে।

ষ্টেলাই ক’লে : টেগোৰে যি ভাষাত কবিতা লিখিছে, দেশত তুমি জানো সেই ভাষাতে কথা কোৱা ?

মই অভিভূত। মই সাৰ্থক। ভাব হ’ল ষ্টেলা যেন বিদেশিনী নহয়। কিমান দিনৰ কিমান ওচৰৰ মানুহ। ষ্টেলা দূৰৈৰ নহয়— ওচৰৰ। ষ্টেলা আনৰ নহয়—মোৰ।

গুটেনবাৰ্গে গাড়ীখন আমাৰ সমুখত ৰখালেহি। এমোকোৰা

খোঁৱা এৰি দি ক'লে ঃ আমি পলম কৰা ঠিক নহ'ব। বেল ধৰাৰ কথা পাহৰি গলে নচলিব

বহুত দূৰ মনে মনে অহা গ'ল। গাড়ীৰ ৰেডিঅ'ৰ যন্ত্ৰসঙ্গীতে আমাৰ ঘোৰাৰ লগত সমানে তাল ৰাখিছিল।

গুটেনবাৰ্গে আৰম্ভ কৰিলে ঃ বেচ ঠাণ্ডা। ঠাণ্ডাৰ মাত্ৰা বেচি হ'ব যেনে অনুমান হৈছে।

ষ্টেলাই কি উত্তৰ দিলে শুনা নগ'ল। ওচৰেদি এখন বিৰাট গাড়ী ভীষণ বেগেৰে আমাক পিচ পেলাই আগবাঢ়ি গ'ল।

ৰেডিঅ'ৰ যন্ত্ৰসঙ্গীত বন্ধ কৰি গুটেনবাৰ্গ গাড়ীৰ আয়নাৰে মোলৈ চালে। হাঁহি কলে ঃ কওঁকছোন কি শুনিলে ?

সঙ্গীতৰ মই একোকে নাজানো। তাতেই আকৌ বিদেশী। তথাপিও এয়া মই জানিছিলোঁ। হাঁহি ক'লো ঃ 'ৰাখ'!

ষ্টেলাই মোলৈ ঘূৰি চালে। গুটেনবাৰ্গেও ঘূৰি চাই ক'লে ঃ আপুনি ইমান নিৰ্ভুলভাবে যে উত্তৰ দিব পাৰিব সেয়া মই আশা কৰা নাছিলো।

সমুখত ছুটি পথ। গাড়ীৰ গতি কমাই দি গুটেনবাৰ্গে ষ্টেলাক প্ৰশ্ন কৰিলে ঃ এইবাৰ কোনফালে ? বাওঁফালে নে সোঁফালে ?

ষ্টেলাই সহজ কণ্ঠেৰে ক'লে ঃ সোঁফালে। আৰু অলপ দূৰ গলেই গাৰমিচ। দেখিছোঁ দিনে দিনে তোমাৰ স্মৰণশক্তি লোপ পাব ধৰিছে।

গুটেনবাৰ্গে খুব হাঁহিলে। সোঁফালৰ পথ ধৰি ক'লে ঃ চোৱা, মোৰ স্মৰণ শক্তি আৰু তোমাৰ সৎবুদ্ধি একত্ৰিত হলে পৃথিৱীৰ বহুত শুভকাম অতি অক্লেশে সুসম্পন্ন হলহেঁতেন। কিন্তু বেচি ভাগ সময়ত মোৰ স্মৰণ শক্তি ঠিক সময়ত নাহে আৰু তোমাৰ বুদ্ধিয়েও ঠিক সময়ত কামত নাহে।

হৈলাই কলে : শুভ কামৰ প্ৰয়োজনত গোটেই পৃথিৱীৰ ভাল মানুহবোৰে ঠায়ে ঠায়ে জোট পকাইছে। মই পুনৰ ভীৰৰ মাজত ঠেলাঠেলি কৰিব নোৱাৰো। সৎবুদ্ধি কথা অসম্পূৰ্ণ, সম্পূৰ্ণ অসম্পূৰ্ণ নহলেও যথাৰ্থভাৱে সংজ্ঞা নাই। সেয়া আপেক্ষিক। তোমাৰ ওচৰত যিটো সৎবুদ্ধি, মোৰ ওচৰত হয়তো সেয়া কুবুদ্ধিৰে নামান্তৰ। এইমাত্ৰ ক্ৰমাগত হৰ্ণ বজাই যিজনে আমাক পিচ পেলাই আগুৱাই গ'ল সেই বেচাৰীয়ে হয়তো তাকে দুৰ্বুদ্ধি বুলি জানে।

গুটেনবাৰ্গে পুনৰ আয়নাৰে মোৰ ফালে চালে। শুকান হাঁহি এটি মাৰি ক'লে : এয়া কি শুনিলে কওকছোন ?

মই মনে মনে থকা দেখি পুনৰ হাঁহি এটি মাৰি কলে : নোৱাৰিলেতো। বুজিছোঁ আপুনি ন্যায়শাস্ত্ৰ বা দৰ্শনৰ ছাত্ৰ নহয়।

সৰু গাওঁ গাৰমিচ। পাহাৰৰ তলত। ঠাই ডোখৰ অতি ৰমণীয়। বহুত গাড়ী ঠিয়হৈ ৰৈ আছে। ওচৰে-পাজৰে মানুহৰ সংখ্যা খুব কম। গাড়ীৰ পৰা নামিব লগা হ'ল।

কিন্তু সকলো মিছা হ'ল। গম পোৱা গ'ল আধা ঘণ্টামান আগতে ৰেল গাৰমিচ এৰি গৈছে। তেনেহলে উপায় ?

ঠিক এনে সময়তে এখন টেক্সি আমাৰ ওচৰত ৰ'লহি। ড্ৰাইভাৰে হয়তো আমাৰ অৱস্থাৰ কথা আন্দাজ কৰিব পাৰিছিল। তাৰ পিন্ধনত আল্পচৰ চকুতলগা পোচাক।

মুখ উলিয়াই ক'লে : উপায় আছে, আপোনালোক আল্পচলৈ যাব নহয় ? স্বচ্ছন্দে মোৰ গাড়ীত যাব পাৰে। 'ট্ৰিৰলৈ' নিব পাৰো। তাতে 'কেবল-কাৰ' পোৱা যাব।

হাতেৰে যেন স্বৰ্গহে চুকি পালোঁ। গুটেনবাৰ্গে মোৰ ফালে মুখ দাঙি চালে।

হাঁহি ক'লোঁ: পাচপোর্ট মোৰ লগত আছে। কিন্তু অষ্ট্ৰীয়াৰ ভিচা?

গুটেনবাৰ্গে একপ্ৰকাৰ সেই কথা উকৰাই দিলে। কলে: বৰ্ডাৰত কৰাই ল'ব। সময় নষ্ট কৰি লাভ নাই। দিন বৰ ভাল। যোৱা বছৰ এনে সুন্দৰ দিন আমি পোৱা নাছিলোঁ।

বহুত দূৰ গল্প কৰি আহিলোঁ। অষ্ট্ৰীয়াৰ সীমা চেৰাই আহিলোঁ। বগা বৰফেৰে ঢাক খাই থকা চূড়া চকুত পৰিল। বাওঁফালে আল্পচো চকুত পৰিছে।

'টিৰলে'ত 'কেবল কাৰো' পোৱা গ'ল। ইয়াৰে আন এটা সংস্কৰণ ধানবাদত দেখিছোঁ। দাৰ্জিলিঙত চাঁদমাৰীৰ ওপৰেদি যোৱা গোৰেস্কাৰ 'ৰোপওৱে'ৰে অহা-যোৱাও দেখিছোঁ। 'কেবল-কাৰ' প্ৰায় সেই লেখিয়াই। কিন্তু পাত্ৰটো এটি আয়নাৰে ঢকা বাকচ। কয়লাৰ সলনি মানুহৰে ভৰ্ত্তি। লোহাৰে সেই বাকচ তুলি তুলি ওপৰলৈ উঠি গৈ আছে।

আমি দহজন মান যাত্ৰী। ষ্টেলা সৰু ছোৱালীৰ দৰে চঞ্চল হৈ উঠিছে। মুভি কেমেৰাত ছবি লবলৈ এবাৰ সিফালে গৈছে, এবাৰ ইফালে আহিছে।

গুটেনবাৰ্গে প্ৰবোধ দিলে: সাধাৰণতে কোনো দুৰ্ঘটনা নহয়। এবাৰ মাত্ৰ মাজ বাটত যান্ত্ৰিক গণ্ডোগোল ঘটিছিল। প্ৰায় পাঁচ হাজাৰ ফুট ওপৰত দুদিন মানুহে প্ৰাণ হাতত লৈ ওলমি আছিল।

কথাটো শুনি মোৰ এক প্ৰকাৰ ভয়ৰ কঁপনিয়ে মনৰ মাজত হাত বুলনি দি গ'ল।

অলপ আগতে তলত এৰি আহিলোঁ সেউজীয়া গছগছনি, ৰঙীন ঘৰবাৰী। এইবাৰ ছাইৰঙৰ শিল পোৱা আৰম্ভ হ'ল। চকু চমকোৱা চকচকীয়া বগা বৰফ। ক'তো যেন অলপো দাগ নাই। ক'তো কালিমা নাই।

পথ শেষ হ'ল। এইবাৰ খোজ কাঢ়িব লাগিব। আনটো কালৰ পৰা এটি পথ আছে। নাম 'আইচ টানেল'। সাৰ্থক নাম। বৰফেৰে দেৱাল ভৰ্ত্তি। ইপাৰত অষ্ট্ৰীয়া, সিপাৰত জাৰ্মানী। মাজত ফ্ৰন্টিয়াৰ।

নতুন ঠাই। অপৰিচিত অচিনাকি পৰিবেশ। ভালেই লাগিছিল। কেতিয়াবা কেতিয়াবা আচৰিত লাগিছিল। কিন্তু টানেলৰ শেষ প্ৰান্ত পাই আচৰিত হৈ গ'লো।

টানেল শেষ হ'ল এটা হোটেলৰ মাজত। এয়া যেন কলিকতাৰ গ্ৰেণ্ড হোটেল। সুন্দৰ হোটেল। লিফ্‌ট্, কাফে, ৰেস্তোঁৰা আৰু লাউঞ্জ। লগতে থাকিব পৰা ৰুম।

গুটেনবাৰ্গ ব্যৱস্থাপনাত ব্যস্ত হৈ পৰিল। নিজৰ পছন্দ মতে কোঠা ঠিক কৰিলে। মোৰ থকা বন্দোবস্ত হ'ল আনটো ফালে এটি কোঠাত।

কোঠাৰ কাষেৰে বেলকনি। আওজা চকীত বহুতে গা এৰি দি মৰা মানুহৰ নিচিনা পৰি আছে। নয়নভৰি প্ৰাকৃতিক দৃশ্য উপভোগ কৰিছে।

প্ৰায় সকলো মানুহ বিশ্ৰামৰ লোভত আহিছে। বিশুদ্ধ বতাহৰ আকৰ্ষণত। একেলেথেৰিয়ে কৰা কঠোৰ পৰিশ্ৰমৰ পিচত কেইদিন মানৰ বিৰতি। দূৰৈৰ পৰা চিমনীৰ ধোঁৱা আৰু কাৰখানাৰ পৰা ক্লান্ত মানুহ কেইদিনমানৰ ছুটী লৈ আহিছে। মোৰ নিচিনাকৈ বহুতেই ফুৰিব আহিছে। জাহাজ এৰি হয়তো কোনোবাই হামবুৰ্গৰ পৰা পলাই আহিছে।

গুটেনবাৰ্গ লাঞ্চ ৰুমৰ পৰা ওলাই বেলকনিত আশ্ৰয় ললেহি। শীতত বাতৰ বিষ হয়তো অলপ বেছি হৈছে। নিশ্চয় ক্লান্তি অনুভৱ কৰিছে। কিন্তু সেই প্ৰসঙ্গ সম্পূৰ্ণ এৰাই গ'ল। হাঁহি এটি মাৰি ক'লে ঃ মই আল্পচ ইয়াৰ পৰাই চাম। মনে মনে ইয়াতে বহি

থাকিলে ভাল লাগিব। আপুনি নতুন ঠাইত ঘূৰি ফুৰি বেচ আনন্দ পাব।

ইফালৰ পৰা সিফাললৈ ষ্টেলা ঘূৰি ফুৰিছে। হাতত ৰুটিৰ টুকুৰা। বিস্কুট আৰু কেক। আকাশৰ ফালে দলিয়াই দিছে। এজাক চৰাই সেই টুকুৰাবোৰৰ পিচে পিচে উৰি ফুৰিব ধৰিছে।

মই যে কেতিয়া ষ্টেলাৰ ওচৰত বৈছিলোহি ক'বই নোৱাৰিলে। হোটেলৰ পৰা বহুত দূৰৈত বহুত মানুহে বৰফৰ ওপৰত 'স্কি' কৰিছে। বগা বৰফৰ ওপৰত বহুত দূৰৈৰ মানুহবোৰক ক'লা ক'লা বিন্দুৰ দৰে লাগিছে।

ষ্টেলাই ক'লে ঃ তুমি জুগ-স্পিটচ্‌ৰ পৰা আল্পচ আৰু ভালকৈ দেখিবা। মোৰ লগত বলা।

সুন্দৰ পৰিবেশ। অগণন মানুহৰ অহা-যোৱা। কিন্তু আচল কথা কবলৈ হলে এইবোৰ একো ক'বই নোৱাৰিছিলো। অন্য কোনফালে দৃষ্টি নাই। ষ্টেলাই মোক আচ্ছন্ন কৰি পেলাইছে। মোৰ চকুত আল্পচ যেন দীপ্তিহীন। কিবা যেন নিষ্প্ৰভ।

ষ্টেলাই দুয়োৰ বাবে বেচ কঢ়া মদৰ ফৰমাচ দিলে। তেৱোঁও যেন নিজক লৈয়ে বিভোৰ। নিজৰ আনন্দতেই আত্মহাৰা।

মিঠাকৈ হাঁহি এটি মাৰি ক'লে ঃ ইয়াৰ আগতে মই আল্পচলৈ বহুতবাৰ আহিছোঁ। কিন্তু ইমান সুন্দৰ, ইমান অপূৰ্ব মোৰ মনত কোনোদিন হোৱা নাছিল।......সামান্য পৰিচয়ৰ পৰা আমাৰ সম্বন্ধ যে ইমান নিবিড় হ'ব পাৰে মই সেইকথা সপোনতো ভবা নাছিলোঁ। আজিৰ এই মুহুৰ্ত্তবোৰ মোৰ বাবে সকলোতকৈ দুমূৰ্ল্য সময়।

এঢোক খাই ক'লে ঃ আমাৰ পৰিচয় কেনে আকস্মিক! নহয়নে ?

মূৰ জোকাৰি কওঁ ঃ একেবাৰে ভুল কথা। পৃথিৱীৰ জন্মৰ পৰাই আজিৰ এই মুহূৰ্ত্তলৈ আমাৰ ফালে উন্মাদৰ দৰে দৌৰি আহিছে

তোমাৰ লগত মোৰ দেখা হলহেঁতেন। ইয়াক যুক্তিয়ে পাৰ নাপায়। সেই কাৰণেই স্বাভাৱিক দৃষ্টিত অসঙ্গতি। মই অদৃষ্টবাদত বিশ্বাসী নহয়। আমাৰ পৰিচয় আকস্মিক নহয়—অনিবাৰ্য্য।

ষ্টেলাই হাঁহি ক'লে: তুমি খুব সুন্দৰকৈ কথা সজাই ক'ব পাৰা। মোৰ কিন্তু ভয় হয়।

ক'লো: কিহৰ ভয়?

ষ্টেলাৰ ভগ্ন কণ্ঠ: বহুদিন পিচত, বহু প্ৰতীক্ষাৰ শেষত তোমাৰ দৰে মানুহৰ সন্ধান পাইছোঁ। হঠাতে কোনো দুৰ্য্যোগত যদি তোমাক হেৰুৱাই পেলাওঁ, তেতিয়া?

আত্মপ্ৰসাদৰ হাঁহিত গোটেই মুখমণ্ডল ভৰাই পেলাওঁ। কওঁ: আমাৰ দেশৰ ছোৱালীৰ মন তুমি ক'ত পালা ষ্টেলা?

ষ্টেলাৰ অৱশ চাৱনি। বিষণ্ণ কণ্ঠেৰে ক'লে: সকলো ছোৱালীয়ে ভালপোৱা বিচাৰে। তোমাৰ দেশত যি নিয়মত ফুল ফুটে, ইয়াতো সেই নিয়মৰ জানো ব্যতিক্ৰম আছে? ভালপোৱাত পৃথিবীৰ সকলো ছোৱালীৰ শৰীৰ মন একেই নিয়মত অস্থিৰ হৈ উঠে। সকলো লৈয়েতো প্ৰেম।

ষ্টেলাক উঠিবলৈ কোৱাত মোৰ হাতত ধৰি সজোৰে বহাই দিলে। পুনৰ দুইপাত্ৰ 'শ্নাপচ্' ষ্টেলাই অনালে। কলে: হোটেলৰ ভিতৰত থাকি তুমি বাহিৰত শীত কিমান গম পোৱা নাই। বাহিৰত খুব ঠাণ্ডা। তাপমানযন্ত্ৰৰ শূন্যৰ তলত কেইডিগ্ৰীমান চেণ্টিগ্ৰেড। তোমাৰ শৰীৰ গৰমকৈ ৰখাৰ দৰকাৰ। আল্লচলৈ জোৰকৈ লৈ আহিছোঁ। তোমাৰ ভাল বেয়া মইয়ে চাব লাগিব। 'শ্নাপচ' খোৱা ভাল লাগিব।

'শ্নাপচ' শেষ কৰি উঠি পৰিলোঁ। হোটেলৰ একপ্ৰান্তত 'কেবল কাৰ' বৈ আছিল। ষ্টেলা আৰু মই উঠি পৰিলোঁ। সকলোতকৈ ওখ ঠাই জুগ-স্পিটচলৈ গলো।

জাৰ্মাণীৰ সকলোতকৈ ওখ ঠাই। ষ্টেচনতো প্ৰায় এটি সৰু খৰ। উপৰিভাগত বৰফ। ইয়াৰ পৰাই চাৰিখন দেশ দেখা যায়। ইটালী, অষ্ট্ৰিয়া, চুইজাৰলেণ্ড আৰু জাৰ্মাণী।

ভীষণ ঠাণ্ডা। হাত দুখন মোৰ মোনাত থকা স্বত্বেও টনটনাই উঠিছে। বৰফ, বৰফ আৰু বৰফ। চাৰিওফালে বগা বৰফৰ যেন প্লাবন হে নামিছে।

ষ্টেলাই মোৰ বুকুৰ ওপৰত তেওঁৰ শৰীৰ এৰি দি বহুত সময় তেনেদৰে ৰ'ল। মোৰ সোহঁাত খন মোনাৰ ভিতৰত। বাওঁহাতেৰে ষ্টেলাৰ কোমলকৈ ককালত ধৰি থিয় হৈ আছোঁ।

এজন মানুহে এজনী সুন্দৰী ছোৱালীক সাবটি ধৰি অতি কষ্টেৰে যেন আমাৰ সমুখেৰে পাৰ হৈ গ'ল। আন এজন মানুহে পাগলৰ দৰে ফটো তুলিব ধৰিছে। সকলো ব্যস্ত। কাৰো প্ৰতি ভ্ৰুক্ষেপ নাই।

ষ্টেলাই ক'লে : তোমাৰ শৰীৰ খুব সংযত। পুৰুষৰ অসংযত-ভাব মই একেবাৰে পছন্দ নকৰোঁ।

মই ক'লো : শৰীৰ কথা যাওঁক ষ্টেলা। তোমাৰ মনে বাৰু কি কয়?

ষ্টেলাৰ সুন্দৰ তনু আনন্দৰ এক সহজ আবেশত ভাঙি পৰিল। সুন্দৰ হাঁহি এটি মাৰি ক'লে : চোৱা, শৰীৰ আৰু মন দুয়োটাক বেলেগে চালে ভুল হ'ব। এই দুয়োটা বেলেগ নহয়। মন দিয়া আৰু লোৱা যেতিয়া দুয়োজনৰ মনত একেই সঙ্গীতৰ সৃষ্টি কৰে, তাত শৰীৰ অনুপস্থিত থাকিব নোৱাৰে। জীৱনৰ এই সহজ স্বাভাৱিক ঘটনাক বুদ্ধিজীৱী সকলে কিন্তু অস্বাভাৱিক বুলিয়ে জানে। অৱশ্যে এই অধিকাৰ সকলোৰে নাই। আমাৰ ওচৰত যিটো হয়তো সহজ বিচাৰ, আনৰ ওচৰত হয়তো সেয়াই দেখা দিব বেহিচাবী অমিতাচাৰ হিচাবে। প্ৰেম আৰু স্ফূৰ্ত্তি একে নহয়। সেই কাৰণে মোৰ ভয় লাগে।

আৰু ওচৰলৈ আৰু নিবিড় ভাৱে ষ্টেলাক টানি লওঁ। কোমল দেহত সামান্য ভাৱে চাপ দি কওঁ ঃ কিহৰ ভয় ষ্টেলা ?

ষ্টেলাৰ কণ্ঠস্বৰত জড়তা। সঙ্কোচৰ এটি মিহি ৰেশে তেওঁৰ কথাবোৰ যেন কেনেকুৱাকৈ আগুৰি ৰাখে। ওভাৰকোটৰ বুটামবোৰ খুলি কোমল হাতখনৰে মোক সামান্য চাপ দিলে। চকু দুটা দাঙি লৈ ক'লে ঃ কোনোবাদিনা খন হয়তো তুমি মোক ঘৃণা কৰিবা। তেতিয়া মই থিয় হম ক'ত ? আমাৰ প্ৰেমক যদি তুমি ভুল বুজা। ভালপোৱাক যদি তুমি খেলা বুলি ভাবা।

কৃত্রিম খঙ প্রকাশ কৰোঁ। মুৰ জোকাৰি কওঁ ঃ এয়া তোমাৰ উদ্ভট চিন্তা। ইয়াতে তুমি সকলো কথা ভাবিছা কিয় ? মই জানো তোমাক কিবা আঘাত দিছোঁ ?

মুৰ জোকাৰি ষ্টেলাই ক'লে ঃ মই নিতান্তই হতভাগিনী। সেইকাৰণে তোমাকো ভয় কৰিছিলোঁ। তুমি মোক বহুত দিছা। তোমাৰ বহুত কিবা আছে। তুমি পুৰুষ মানুহ, দানাউ নদীৰ ঢৌৰ দৰে তোমাৰ পৌৰুষ চৰিত্ৰত আছে। কিন্তু · ···

মই বিভ্রান্ত। তথাপিও সহজ হৈ ক'বলৈ চেষ্টা কৰোঁ ঃ কিন্তু কি ষ্টেলা ? তোমাৰ ভয় কিয় ? একোকে গোপন নকৰিবা। তুমি মোক অবিশ্বাস নকৰিবা।

মোৰ মুখামুখিকৈ ষ্টেলা ঘূৰি থিয় হ'ল। চকুত অসহায়ৰ দৃষ্টি। সৰু লোভনীয় ওঁঠ দুটি বৈ বৈ কপিব ধৰিলে। দ্বিধাজড়িত কণ্ঠেৰে ক'বলৈ ধৰিলে ঃ তোমাক অবিশ্বাস এই জীৱন থকালৈ নহয়। মই তোমাৰ দৰে মহৎ নহয়। সেই কাৰণে হয়তো মিছামিচিকৈ কিবা ভাবি নিজকে বিভ্রান্ত কৰোঁ। তোমাক অশান্ত কৰোঁ।

ষ্টেলাই নিবিড় আলিঙ্গনত মোক সাবটি ধৰিলে। কোমল উষ্ণ বুকুখন মোৰ বুকুত বহুত সময় ধৰি চেপি ৰাখিলে। গভীৰ

এক তৃপ্তিৰ আবেশত চকুহুটি মুদ খাই আছে। গভীৰ অনুৰাগেৰে চুমাৰে ভৰাই দিলোঁ।

ষ্টেলা যেন কেনেকুৱা অসংযত হৈ উঠিল। শৰীৰ আৰু মন অশান্ত হৈ উঠিল। ওখ হৈ বিপুল আবেগেৰে মোক আকৰ্ষণ কৰিলে। মোৰ চকুৱে মুখে পাগলৰ দৰে চুমা খাবলৈ ধৰিলে। যদিও মই তেওঁক বাধা দিবলগীয়া হ'ল, পিচ মুহূৰ্ত্ততে মইয়ে নতুনকৈ আৰম্ভ কৰিবলগীয়া হ'ল।

দেহ মুক্ত কৰি লৈ ষ্টেলাই ক'লে : বলা, তললৈ যাওঁ। বৰফৰ ওপৰত ঘূৰি ফুৰিবলৈ তোমাৰ নিশ্চয় ভাল লাগিব।

'কেবল কাৰ'ৰ ফাললৈ আগবাঢ়ি গলো। সমুখত ষ্টেলা। খোজ কঢ়াৰ ভঙ্গীত লীলায়িত এক মাধুৰ্য্য। সুমধ্যমাৰ লগত ৰঙা টান জিনত দেহৰ পৰিপুষ্ট নিম্নাংশ এক কমনীয় ছন্দত উঠা-নমা কৰি আছে।

মই অনভ্যস্ত। লগতে অপৈণতো। পদ্মাৰ লগত মোৰ পৰিচয় আছে। প্ৰমত্ত সেই নদীত মই বহুতবাৰ সাতুঁৰিছো। কিন্তু বৰফ মই দেখিছোৱে বা ক'ত? ষ্টেলাই কিন্তু এৰি নিদিয়ে। তেওঁৰ সঙ্গ লবলৈ মইও 'স্কি' কৰিব লগা হ'ল।

এনেয়ে প্ৰবল শীত। আঙুলিবোৰ কেনে ঠাণ্ডা হৈ গৈছে। ষ্টেলাৰ ক্ষিপ্ৰ গতিৰ ওচৰ পোৱা টুৰুহ। কেইবাৰমান অতি হাস্যস্কৰ ভাবে পৰি উভতি আহি থম্ থমকৈ বহি থাকিলোঁ। দেখিলোঁ, দুৰন্ত নিচাত ষ্টেলা এই হেন বৰফতো তীব্ৰ গতিত ঘূৰি ফুৰিছে।

অলপ সময় পিচত ষ্টেলা আহিল। কলে : তুমি ইমান কম সময়তে বহি পৰিলা যে? ভাগৰ লাগিছে নিশ্চয়।

কৃত্ৰিম অভিমানৰ সুৰত ক'লো : ভাগৰ লগা কাৰণে নহয়, সকলো মানুহে যে হাঁহিছে, মোৰ অৱস্থা দেখি হাঁহিছিল। আমাৰ

দেশত ডাঙৰ ডাঙৰ নদী আছে। সাতোঁৰাত মই তোমাক নিশ্চয় হুকৰাব পৰিম।

ষ্টেলাই দুষ্টামি ভৰা হাঁহি এটি মাৰি কলে: বলা এইবাৰ উভতি যাওঁ।

যাবলৈ থিয় হলোঁ। চেঁচা বতাহ। ধূসৰ আকাশ। বৰফৰে ঢাক খাই থকা হোটেলৰ চূড়া মিঠা ৰ'দত জিলমিলাই উঠিছে। পোহৰত উদ্ভাসিত আল্পচে শিশুৰ দৰে হাঁহিছে।

নিজৰ কোঠালীত সোমাই বিছনাত বাগৰ দিলো। শৰীৰ ক্লান্ত। মন বিক্ষিপ্ত। নানা ধৰণৰ চিন্তা আহি মূৰত সোমাইছেহি। ষ্টেলাক কেন্দ্র কৰি সম্ভব-অসম্ভব নানাৰকমৰ চিন্তাত মই বিভ্রান্ত।

মই জানোঁ মই এনেকুৱা ঠাই এডোখৰ পাইছোহি; যি ঠাইৰ পৰা উভতি অহাটো অসম্ভৱ। এই কম সময়ৰ ভিতৰতে। নিজকে মই বহুতবাৰ প্ৰশ্ন কৰিছো। এটি নিদাৰুণ অন্তৰ্দ্বন্দ্বই মনক মাত্র বিক্ষিপ্ত কৰি পেলাইছে। সংযত চৰিত্ৰৰ কথা নকওঁ। তথাপিও মোৰ বিচাৰ বুদ্ধিত মই ব্যক্তিগত ভাবে শ্রদ্ধাশীল। কিন্তু আজি এই মুহূৰ্ত্তত জীৱন সম্পৰ্কে মোৰ অনুভূতি ভিন্নৰূপ। অন্তৰৰ সুপ্ত মণিকোঠাত যি সঙ্গীত আজি বাজি উঠিছে সেই পবিত্ৰ সুৰৰ কঁপনিয়ে মোৰ সকলো চিন্তা-ভাবনা আৰু বিভ্রান্তক অতি সহজতে দুৰ্বাৰ গতিত উদ্ৰভ্ৰান্তৰ দৰে আগবঢ়াই নিছে। নদী সাগৰলৈ বৈ গৈছে।

গুটেনবাৰ্গক দেখি আচৰিত হলো। এতিয়াও বেলকণিত মনে মনে বহি আছে। সুদূৰ প্ৰসাৰী দৃষ্টিৰে যেন নিজতে তন্ময় হৈ আছে।

মোক দেখা পাই অলপ গা-লৰাই বহিল। সম্মুখৰ শূন্য চেয়াৰখনত ইঙ্গিতেৰে বহিবলৈ ক'লে।

অতি ভদ্ৰ, বিনয়ী গুটেনবাৰ্গ। স্বচ্ছ হাঁহি এটি মাৰি ক'লে : আল্পচ আপোনাৰ ভাল লাগিছেনে ?

হাঁহি এটি মাৰি উত্তৰ দিলো : অপূৰ্ব।

মূৰ জোকাৰি ক'লে : এই ঠাইডোখৰ মোৰ ভাল লাগে। প্ৰতি বছৰতে মই ইয়ালৈ এবাৰ আহো। বৰফ পৰিবলৈ আৰম্ভ কৰাৰ আগতেই গুচি যাওঁগে। আল্পচ ভাল লগা শুনি আনন্দিত হলোঁ। আপোনাৰ ইয়ালৈ অহা সাৰ্থক হৈছে। আপোনাৰ বোধ হয় ফটো তোলাৰ চখ নাই।

ক'লো : বিশেষ নাই।

এটি হাঁহি মুখৰ কোণত দেখা দিলে। লাহে লাহে সহজ সুৰত ক'লে : আপোনাক দেখিছো মোৰ নিচিনাই। মোৰো ভাব হয় ফটো তুলিবৰ কাৰণে যিসকল ইয়াত ব্যস্ত হৈ থাকে, তেওঁলোক আল্পচৰ আচল সৌন্দৰ্য্যৰ পৰা বঞ্চিত হয়। আল্পচক হৃদয়েৰে উপভোগ কৰিব লাগে। নীৰৱে মনে মনে ছবি আঁকিব লাগে। লাইকা কেমেৰাৰ অন্ধকাৰ কোঠালৈ আল্পচৰ সৌন্দৰ্য্য চুৰি কৰি নিব পৰা যায় অৱশ্যে, সেইয়া নিতান্তই প্ৰাণহীন। নতুনকৈ মাৰি অনা মাছৰ যি সোৱাদ, চালানি টিনৰ মাছত তাৰ পৰিতৃপ্তি নাই।

গুটেনবাৰ্গৰ কথা-বাৰ্ত্তা মোৰ ভাল লাগে। কথাত যথেষ্ট সৰলতা আছে। দৃষ্টিভঙ্গীত এটি স্বকীয় ৰূপ আছে। কিন্তু ষ্টেলাৰ কথাত এই মানুহজনৰ ভিতৰৰ মানুহজনৰ যি সন্ধান পাইছো, তাতে মোৰ মানুহজন সম্পৰ্কে একেবাৰে শ্ৰদ্ধা নাহে। বৰঞ্চ মানুহৰ সকলো কথাৰ পিছত এটি হীন মতলবৰ আভাসে মোক সজাগ কৰি দিয়ে।

ভদ্ৰতাৰ খাটিৰত কেতিয়াবা ভদ্ৰতাৰ অভিনয় কৰিব লগা হয়। কিন্তু নাটকৰ নিশ্চয় শেষ আছে। অভিনয়ো নিশ্চয় শেষ হব। মেকআপ মই ভুলি পেলাবই লাগিব। নিজকে প্ৰকাশ কৰিব

লাগিব। অভিনয়ৰ সংলাপ পাহৰি যেতিয়া আচল চৰিত্ৰ লৈ মোৰ লগত সাক্ষাৎ কৰিবলৈ আহিব, তেতিয়া বা এখেতক কেনেকুৱা দেখাব ?

কিছু সময় গল্প কৰোতে গ'ল। গুটেনবাৰ্গ বক্তা, মই শ্ৰোতা। কিন্তু ইমানখিনি কথাৰ মাজতো ষ্টেলাৰ কোনো কথাই হুঠিল। মই যদি কেতিয়াবা তেওঁৰ প্ৰসঙ্গ তুলিছোও গুটেনবাৰ্গে এৰাই যাবলৈ চেষ্টা কৰিছে।

গুটেনবাৰ্গ থিয় হল। মোৰ লগত লাউঞ্জলৈকে আহিল। তেওঁ তেওঁৰ কোঠালৈ সোমাই গল। মইও মোৰ কোঠালৈ উভতি আহিলো।

শৰীৰ মোৰ যিমান ক্লান্ত, মনো তাতকৈ কম অশান্ত নহয়। মোৰ সকলো চিন্তা, সকলো ভাবনা যেন নিঃশেষ হৈ এৰাই গৈছে। মনৰ হুয়োকূল ওপচাই সকলো চিন্তাকে আচ্ছন্ন কৰি মাত্ৰ একে ধৰণৰ কল্লোলে উৎসাৰিত হৈ থাকে। ষ্টেলা আৰু ষ্টেলা।

কাপোৰ সলাই যেতিয়া লাউঞ্জলৈ আহো তেতিয়া সন্ধ্যা পাৰ হৈ গৈছে। সেইয়া হোটেলৰ আন এটা ৰূপ। নাচঘৰ জমি উঠিছে। লঘু সঙ্গীতৰ তাল ৰাখি জোৰে জোৰে নাৰী-পুৰুষৰ নৃত্যছন্দই গোটেই পৰিবেশ পাতল কৰি তুলিছে।

এটা কোণত এখন মেজ গুটেনবাৰ্গে দখল কৰি বহি আছে। ষ্টেলাই এজোৰ অতি ধুনীয়া পোছাক পিন্ধিছে। হুয়োজনে মনে মনে বহি আছে। মেজত স্ফটিকৰ পূৰ্ণ পাত্ৰধাৰ। মই ধীৰপদক্ষেপেৰে আগুৱাই যাওঁ।

গুটেনবাৰ্গে ক'লে : আপোনাৰ ইমান পলম হল কিয় ? আগৰ পৰাই আপোনাৰ কাৰণে এখন চকী দখল কৰি ৰাখিছো। বহক, আপোনাক বিয়াৰ দিবলৈ কম নেকি ?

একো উত্তৰ নিদিয়াকৈ বহিলোঁ। বিয়াৰ আহিল। ষ্টেলাক লগত লৈ গুটেনবাৰ্গ থিয় হ'ল। তাৰ পিচত ষ্টেলাৰ ক্ষীণ কৰ্কাল আৰু কান্ধ বেষ্টন কৰি ধীৰপদক্ষেপেৰে নাচত যোগ দিলে।

মোৰ প্ৰায় মুখামুখিকৈ এগৰাকী সুন্দৰী ছোৱালী বহি আছিল। তেওঁৰ অৰ্থপূৰ্ণ বিলোল কটাক্ষ মোৰ দৃষ্টিত পৰে। ভাবিছিল, মোৰ পৰা প্ৰথমে আহ্বান আহিব বুলি। কিন্তু মই মইত একান্ত মগ্ন। কিছুসময় অপেক্ষা কৰি যেন কিবা এটা প্ৰয়োজনত এফালে উঠি গ'ল।

গুটেনবাৰ্গ উভতি আহিল। মোৰ ওচৰত ষ্টেলা আহি বহিলহি। তিনি পাত্ৰ 'কনিয়াক' আহিল।

ষ্টেলাই ক'লে: নাচৰ লগত আপোনাৰ সম্পৰ্ক কেনেকুৱা? আনৰ নাচত ব্যাঘাত নজন্মালেই হব।

গুটেনবাৰ্গে হাঁহি ক'লে: মই ভাৰতীয় নাচৰ কথা শুনিছোঁ। কেইটামান দেখিছোও। আপোনাৰ দেশত এনেধৰণৰ নাচৰ বোধ হয় প্ৰচলনো নাই।

উত্তৰ নিদিলোঁ। পাত্ৰটো হাতত তুলি ললোঁ।

গুটেনবাৰ্গে ক'লে: আপোনাক চিন্তান্বিত দেখিছো। কিবা ভাবিছে বোধ হয়?

মুৰ জোকাৰি কওঁ: ভাবিছোঁ! ক'তা একোতো ভবা নাই।

চকীখন পিছলৈ ঠেলি দি থিয় হলো। ষ্টেলা যেন মোৰ অপেক্ষাতে আছিল। নাচিবলৈ আগুৱাই যাওঁ।

ষ্টেলাই কলে: কোনে কয় তুমি এইবোৰ নাজানা বুলি। 'শ্লো ফক্সট্ৰট্' তোমাৰ নিশ্চয় ভালকৈ জনা আছে।

উত্তৰত কিবা ক'ব খুজিছিলো। ষ্টেলাই মোক বাধা দি ক'লে: মনে মনে থাকা। মোক তোমাৰ ওচৰলৈ আৰু টানি লোৱা।

নাচি নাচি 'ফ্লোৰ'ৰ আনটো ফাললৈ আহি পৰিলো। যন্ত্ৰসঙ্গীত

বৈ গ'ল। দেহ বিযুক্ত কৰি ষ্টেলাই মোৰ এখন হাতত ধৰি এফালে টানি লৈ গ'ল। তাতে আৰু দুইপাত্ৰ ব্ৰেণ্ডি। কেইটিমান 'ৰাউণ্ড' শ্লাপচ।

কোন সময়ত সঙ্গীতৰ কোন মূৰ্ছনা ধৰি পুনৰ নাচত যোগ দিছিলো ক'বই নোৱাৰিলো। ষ্টেলাৰ চকুত নিদাৰুণ এক আবেশ। মোৰ মনপ্ৰাণ বিভ্ৰান্ত।

ভাব হল মই যেন ঠিক থাকিব পৰা নাই। মোৰ ভৰি দুখনৰ ওপৰত যেন একো অধিকাৰে নাই। লগে লগে মূৰৰ পৰা ভৰিলৈকে যেন বিদ্যুৎ প্ৰবাহ বৈ গ'ল। ষ্টেলাক ক'লো: আৰু নোৱাৰো। মোৰ মূৰটো যেন ঘূৰিছে। মই বিছনালৈ যাম।

ষ্টেলাই ক'লে: মোৰ শৰীৰো যেন কিবা লাগিছে। বৰ বেচিকৈ খোৱা হল। বলা যাওঁগৈ।

তেতিয়াও গুটেনবাৰ্গ বহি আছে। মোলৈ এদাল চিগাৰেট আগবঢ়াই দিলে। ধন্যবাদ দি চিগাৰেট ডাল লৈ কলো: শ্লাপচে মোক কাতৰ কৰি তুলিছে। মোক ক্ষমা কৰিব। মই আহিলোঁ।

ষ্টেলাৰ উদভ্ৰান্ত প্ৰশ্ন: ডিনাৰ?

উত্তৰ দিলো: ডিনাৰ মোৰ ভাল নালগিব।

গুটেনবাৰ্গৰ ওঁঠত হাঁহি।

বিছনাত বহুত সময় হাত ভৰি মেলি দীঘল দি পৰিলোঁ। ভাব হল যেন বিছনাখনে মোক লৈ মহাশূন্যত দ্ৰূত আবৰ্ত্তিত হ'ব ধৰিছে। মনপ্ৰাণ ঘৃণাত ভৰি উঠিল। বেচ বুজিলো, মই আৰু মইত নাই। মানুহ মাতাল হয় কেনেদৰে?

সুন্দৰ বিছনাও কেনে যেন অসম্ভব হৈ উঠিল। দুৱাৰ খুলি ওলাই আহিলোঁ। বেলকণিলৈ আহি থিয় হলোহি। ঠাণ্ডা বতাহ আহি গাত লাগিলহি।

বহুতেই আওজা চকীত মৰা মানুহৰ দৰে পৰি আছে। স্তিমিত

পোহৰত হঠাতে চকুত পৰিল ঠিক সেই ঠাইত গুটনবার্গো বহি আছে। ষ্টেলাৰ মুখখনো ইয়াৰ পৰা স্পষ্টকৈ দেখা গৈছে। মনৰ মাজত কিবা এক অজান যেন ভয় হল। বাবাণ্ডাৰ পৰা পলাই আহিলোঁ।

হঠাতে অনুমান কৰিলোঁ মূৰৰ যন্ত্ৰণা আৰু অৱসাদ এইবাৰ তললৈ নামিছে। খুব ভোক লাগিছে।

এক মুহূৰ্ত্তও পলম নকৰি পোনে পোনে লাউঞ্জলৈ ওলাই আহিলোঁ।

নিৰ্জন কৰিড'ৰ। ক্ষীণ পোহৰ। ক'তো প্ৰাণীৰ চিহ্ন নাই। বাতিও বহুত। মাত্ৰ এজন মানুহ চকুত পৰিল। কাউন্টাৰত বহি কাগজপত্ৰ চোৱা-মেলা কৰি আছে। সমুখত একপাত্ৰ বিয়াৰ।

মোৰ করুণ প্ৰশ্ন ঃ কিবা খোৱা বস্তু পোৱা যাবনে ?

মানুহজনে আচৰিত হৈ মোৰ ফালে কিছু সময় চাই থাকিল। মূৰ জোকাৰি ক'লে ঃ উহু একো পোৱা নাযায়।

কিন্তু মোক যে কিবা এটা খোৱা বস্তু লাগেই। পুনৰ সুধিলো ঃ ৰুটি মাখন হলেও হ'ব।

মানুহজন নিৰুপায়। ক'লে ঃ মদ আছে। বিয়াৰ পোৱা যাব। এই সময়ত ইয়াৰ বাহিৰে একো পোৱা নাযায়।

ভাব হল মানুহজনে যেন মোক উপহাস কৰিছে। মূৰ তল কৰি উভতি আহিলো। মুখখন তিতা তিতা লাগি আছে।

মই থমকি ৰব লগা হ'ল। বিপৰীত ফালৰ পৰা ষ্টেলা আহি আছে। বেলকণিৰ পৰা নিজৰ কোঠালৈ উভতিছে। চকুৰে মুখে কৌতূহলৰ হাঁহি।

মোৰ ওচৰলৈ আহি ক'লে ঃ তুমি ক'ত ঘুৰি ফুৰিছা ? মই বেলকণিতে আছিলোঁ। মোৰ কোঠাৰ ফালে গৈছিলা বোধ হয় ? তেখেত এতিয়াও তাতে আছে। এতিয়া ভাল পাইছা বোধহয় ?

ম্লান হাঁহি এটি মাৰি ক'লো : ভাল। শৰীৰ মোৰ ভালেই আছে ষ্টেলা।

ষ্টেলা মোৰ লগে লগে আহি আছিল। দুৱাৰৰ ওচৰত ৰলোহি। ক'লো : বহুত ৰাতি হৈছে। মোৰ টোপনি আহিছে। ইমান ৰাতি ইয়ালৈ তুমি অহা উচিত হোৱা নাই। আন মানুহে কিবা ভাবিব পাৰে। তুমি যোৱাগৈ।

ষ্টেলাই মোৰ কথাত ভ্ৰূক্ষেপেই নকৰিলে। মোৰ লগত কোঠালৈ সোমাই আহিল। ক'লে : মই সৰু ছোৱালী নহয়। ভাল বেয়াৰ বিচাৰ মোৰ আছে। তোমাৰ উদ্বেগৰ কাৰণ নাই। টোপনিৰ কথা কৈছা তুমি? টোপনি তোমাৰ আছে, মোৰ নাই?

ষ্টেলাই মোৰ বিছনা ঠিক কৰি দিলে। লেপখন তুলি লৈ মোৰ মুখৰ ফালে কেইমুহূৰ্ত্তমান চাই থাকি বিছনাতে পাৰি দিলে।

শাসনৰ ভঙ্গীত ক'লে : শুই পৰা। কোনো কথা নাই। প্ৰেমত পৰি শৰীৰ নষ্ট নকৰিবা।

মই ক'লো : অলপ বহা না।

ষ্টেলাই হাঁহি দিলে। মোৰ চুলিবোৰ লিৰিকি-বিদাৰি ক'লে : সৰু ল'ৰাৰ দৰে নকৰিবা। তুমি শোৱা, লাইট গুমুৱাই শুই থাকা। মই যাওঁগৈ।

ষ্টেলা দুৱাৰৰ ফাললৈ আগ বাঢ়িল। মধুৰ এক দেহভঙ্গীৰে ঘূৰি থিয় হ'ল। কিছু সময় মনে মনে থিয় হৈ থাকিল। তাৰ পিচত কিবা ভাবি আগুৱাই আহিল। মেজত থকা লাইটটো গুমুৱাই দিলে। গোটেই কাঠালীটোত এক গভীৰ অন্ধকাৰ নামি আহিল।

মুহূৰ্ত্ততে ষ্টেলা যেন সলনি হৈ গ'ল। তেওঁক কিহে যেন পালে। শিশুৰ দৰে মোৰ দেহত অস্থিৰ হৈ ভাঙি পৰিল। নিবিড় আলিঙ্গনত দেহ যেন উদ্‌ভ্ৰান্ত হৈ পৰিল।

মোৰ জান্থ আকৰ্ষণ কৰি ক'লে: তোমাৰ কলাফুল কেনে সুন্দৰ আৰু বলিষ্ঠ। কিন্তু একেবাৰে অনভ্যস্ত, —।

ষ্টেলাৰ চুলিবোৰ মোৰ চকুৰে-মুখে আহি সিঁচৰিত হৈ পৰিছেহি। উষ্ণ নিঃশ্বাসৰ লগে লগে কোমল বুকুখনো উঠা-নমা কৰিছে। নিটোল উৰু দুটিয়েও যেন বাধা মনা নাই। মুখেৰে তেওঁ কৈ আছে: মোৰ মুখখন তোমাৰ বুকুত থবলৈ দিয়া না। বহুত সময় থবলৈ দিয়া না।

এইদৰে বহুত সময় গ'ল। গালে-মুখে আঙুলি বুলাই ষ্টেলাই আদৰ কৰিলে। ওঠ, ডিঙি, বুকু, কপালত অবিশ্ৰান্ত চুমাৰে মোক পাগল কৰি তোলে।

আৰু মই? সৰ্বশৰীৰ মোৰ অস্থিৰ। চিত্ত আত্মহাৰা।

সেই মুহূৰ্ত্ততে কেনেকুৱা যেন বেসুৰা হৈ গ'ল। গঁথা মালা যেন চাৰিওফালে সিঁচৰিত হৈ পৰিল। ছিগি গলা যেন চেতাৰৰ মিঠা তাঁৰ।

হঠাতে নিষ্ঠুৰ এক বিকৰ্ষণ। ছিটিকি ষ্টেলা আতৰি গ'ল। উঠি বহিল। তাৰ পিচত দ্ৰুতগতিত কোঠালীৰ পৰা ওলাই গ'ল।

মই সম্পূৰ্ণ বিমূঢ়, বিভ্ৰান্ত হতবাক।

দিলহাৰা এটি সুৰ যেন মোৰ ৰক্তপ্ৰবাহত সম্পূৰ্ণ আত্মহাৰা হৈ বাজি ৰ'ল:

প্ৰবল এক উত্তেজনাত মোৰ টোপনি ভাঙি গ'ল। সপোন দেখিছিলোঁ। কিছুমান বিভৎস দৃশ্য। পাহাৰৰ গাত লাগি উৰা জাহাজত জুই লগা। দপ্ দপকৈ জ্বলি প্ৰচণ্ড বেগত মাটিত বাগৰি পৰিছেহি। প্ৰাণ হেৰোৱাৰ ভয়ত যাত্ৰীসকলৰ লগত মইও মুক্তিৰ কাৰণে যেন চিঞৰিছোঁ। পিচ মুহূৰ্ত্ততে দেখিলো এডাল সাপে যেন মোৰ ফালে খেদি আহিছে। ভয়াবহ ফণা তুলি ভীষণ খঙেৰে মোৰ

ফালে চোচা লৈছে। মাজে মাজে ফলা জিভাখন ওলাই পৰিছে। ভয়তে মায়ে মোক চিঞৰি মাতিছে, কিন্তু মই হলে শুনিবলৈ পোৱা নাই। মই শুই আছিলোঁ।। আকৌ দেখিলোঁ, বৰফৰ মাজত মই পথ হেৰুৱা পেলাইছো। প্ৰকাণ্ড এটা দানৱে দীঘল দীঘল খোজ পেলাই মোৰ ফালে আগুৱাই আহিছে। সমুখত এটা বিৰাট খাল।

এটাৰ পিচত এটা।

মূৰতো ভয়ানক গধুৰ লাগিছে। যন্ত্ৰণাত ফাটি যোৱা অৱস্থা। গোটেই দেহ কাতৰ। আৰু মন? মন নাই।

বিছনাৰ পৰা উঠি আহি চেঁচা পানী আকণ্ঠ পান কৰিলোঁ। হাতখন তিয়াই লৈ কপালখন মচি পেলালোঁ। বন্ধ কোঠাত উশাহ যেন বন্ধ হৈ যাব খুজিছে। মুক্ত বতাহ, চেঁচা বতাহৰ প্ৰয়োজন। দুৱাৰ খুলি ওলাই আহিলোঁ।

ৰাতি শেষ হৈ আহিছে। ঘন অন্ধকাৰ প্ৰায় নাইকীয়া হৈ আছে। বেলকণি জনশূন্য। আন্ধাৰ অস্পষ্ট।

এখন চকীত খুন্দা খাই প্ৰায় পৰি যাব খুজিছিলো। কোনো মতে ৰৈ গলো। নিজৰ চকুকে যেন বিশ্বাস কৰিব পৰা নাই। এতিয়াও মই সপোন দেখি আছো নেকি?

গুটেনবাৰ্গ তেতিয়াও চকীত বহি আছে। শূন্য দৃষ্টি। নীৰৱ শিলৰ দৰে বহি আছে।

মোৰ ভৰিৰ শব্দ শুনি ঘূৰি চালে। সম্মুখৰ চকীখন দেখুৱাই বহিবলৈ দি ক'লে: ইমান ৰাতিপুৱাই উঠিল যে। ৰাতি বোধ হয় আপোনাৰ টোপনি নহল?

সংযত হৈ উত্তৰ দিবলৈ চেষ্টা কৰো। ক'লো: ৰাতি টোপনি মোৰ ভালেই হৈছিল। আপুনিও বোধহয় কেতিয়াবাই উঠিছে?

গুটেনবাৰ্গে ক'লে: অলপ আগতে মইও উঠিছো। ৰাতিপুৱা আন্ধাৰৰ এক সৌন্দৰ্য্য আছে।

ক'লো : নিশ্চয় ।

: আপোনাৰ এনে ধাৰণা হয় নেকি ?

উত্তৰ দিলে : একেবাৰেই ।

গুটেনবাৰ্গে নোৰোৱাকৈ কৈ গৈ থাকিল : আপুনি মহৎ । আপুনি যুবক । আপোনাৰ চকু ভালতেই পৰে । আপুনি আল্পচত স্বৰ্গীয় এক শুচিতা দেখিছে । বিন্দুমাত্ৰও কলুষ আপোনাৰ চকুত পৰা নাই ।

নিৰ্লিপ্তভাবে উত্তৰ দিলো : একেবাৰে পৰা নাই ।

গুটেনবাৰ্গে কৈ গৈ থাকিল : আল্পচৰ শুভ্ৰতাই আপোনাক আকৰ্ষণ কৰিছে । কৰিবই । কিন্তু সেই শুভ্ৰতাৰ মাজত কিবা দাগ আপুনি দেখিছেনে ? কোনো দাগ ?

গোটেই দেহত মই এটা জোকাৰনি খালো । কিছু পৰিমাণে বিস্মিত হৈ ক'লো : "উহু, একো দাগ দেখা নাইতো ।"

গুটেনবাৰ্গৰ কথা যেন নৰ'বই । তেওঁৰ যেন কৌতুহলৰ শেষ নাই । কলে : কেতিয়াবা বগা বৰফৰ ওপৰত তেজ দেখিছেনে ? বৰফৰ ওপৰত তেজ আপোনাৰ চকুত পৰা নাই নে ?

অস্থিৰ হৈ পৰোঁ । বেচ চিঞৰিয়ে ডাঙৰকৈ ক'লো : নাই, পৰা নাই । হয়তো সেই দৃশ্য মোৰ ভাল নালাগিব । এইবোৰ প্ৰশ্ন আপুনি মোক কেলেই কৰিছে ?

গুটেনবাৰ্গে অলপ সময় বৈ লাহে লাহে ক'বলৈ ধৰিলে : আপুনি জনা দৰ্কাৰ আপোনাৰ শুনিবৰ সময় হৈছে । বগা বৰফৰ ওপৰত তেজৰ দাগ আপোনাৰ ভাল নালাগে । সেই দৃশ্য আপুনি চাব নোখোজে । আপোনাৰ অনুভূতি আছে । আপোনাৰ প্ৰতি মই শ্ৰদ্ধাশীল । কিন্তু পৃথিৱী মোৰ বা আপোনাৰ ইচ্ছামতে নচলে । সেইকাৰণেই নিয়মৰ মাজত অনিয়মে দেখা দিয়ে ।

মোৰ মুখৰ ফালে কেইটিমান মুহূৰ্ত্ত চাই ৰ'ল । তাৰ পিচত পুনৰ আৰম্ভ কৰিলেঃ আপুনি দেখা নাই, নহয় ? কিন্তু মই

দেখিছোঁ। বগা বৰফৰ ওপৰত ৰঙা তেজ মই জমি যোৱা দেখিছোঁ।

যোৱাবছৰ এদিনাখন এই ঘটনা ঘটিছিল। তলত তেতিয়া বহুত মানুহে স্কি কৰিছিল। মিঠা ৰ'দত চাৰিওফাল উদ্ভাসিত। তেতিয়ালৈকে প্ৰতিফলিত সূৰ্য্যৰ কিৰণে বগা বৰফৰ ওপৰত এক স্বৰ্গীয় ৰঙৰ ৰচনা কৰিছে।

হঠাতে অহা এজাক বতাহে সকলো যেন ইফাল সিফাল কৰি পেলালে। ক'ৰ পৰা যেন কি ঘটি গ'ল। তলৰ পৰা গন্দগোল শুনা গ'ল। কিবা দেখি এটা দিশলৈ লক্ষ্য কৰি সকলো দৌৰি গৈছে।

মই যেতিয়া ঠাইডোখৰ পালোগৈ তেতিয়া সকলো শেষ হৈ গৈছে। গিচেলা মুলাৰৰ ৰক্তাক্ত দেহ দেখি শিয়ৰি উঠিলোঁ। সেই ৰক্তক্ষৰণত কঠিন বগা বৰফো যেন কান্দি উঠিল। এটা বলিষ্ঠ দেহ মুৰ তল কৰি পৰি আছে। পিটাৰৰ চেঁচা হাতখন লৈ সামান্য চাপ দি দিলো। অব্যক্ত এক কান্দোনত যেন চাৰিওফালে হা-হা কৰি উঠিল।

গুটেনবাৰ্গ কেইটিমান মুহূৰ্ত্ত ৰ'ল। আপোন মনে কৈ গৈ থাকিল: আকস্মিক এই ঘটনাত গোটেই হোটেল যেন কেনেকুৱা নীৰৱ হৈ গৈছিল। কিন্তু মই জানিছিলো, মই সকলো জানিছিলো। আকস্মিক দুৰ্ঘটনা নহয়। দুৰন্ত এক অঘটনত এটি সুন্দৰ জীৱনৰ সেই দিনাখন শেষ হৈ গৈছিল। অনিবাৰ্য্য এক অদৃষ্টৰ পৰিহাসত গিচেলা মুলাৰৰ অপমৃত্যু লেখা আছিল। নিপুণ হাতৰ ভয়ঙ্কৰ এক চক্ৰান্তৰ নিষ্ঠুৰ চিকাৰ এই গিচেলা মুলাৰ। হতভগা পিটাৰক সেই দিনাখন বোধহয় দানবে পাইছিল। সহজ উপায়েৰে সামান্য কৌশলেৰে সেই দিনাখন মৰ্মান্তিক অঘটনটি ঘটাইছিল অতি সহজতে।

মোৰ শৰীৰৰ শীড়া-উপশীড়া বিলাক যেন টনটনাই উঠিল।

প্ৰশ্ন কৰিলো : এনেকুৱা কিয় হ'ল ? গিচেলা মূলাৰে বা কোন ? পিটাৰবেই বা পৰিচয় কি ?

গুটেনবাৰ্গে ম্লান হাঁহি এটি মাৰিলে। এখন হাতেৰে মোৰ জানু স্পৰ্শ কৰি ক'লে : ক'ম। সকলো কথা আপোনাক কম।

তেওঁলোক আছিল স্বামী-স্ত্ৰী। পিটাৰ আছিল ডাক্তৰ। ভদ্ৰঘৰৰ ল'ৰা তেওঁ। সুন্দৰ জীৱন। বিয়াৰ পিচত গিচেলা মূলাৰ নিজৰ ঘৰ সাজোৱাত যেতিয়া ব্যস্ত, বহুত সপোনৰ আবেশত তেওঁৰ মনপ্ৰাণ যেতিয়া ভৰপুৰ, এনে সময়তে পিটাৰৰ এগৰাকী সুন্দৰীৰ লগত পৰিচয় হ'ল।

সুন্দৰীৰ অকল যৌবনে নাছিল। উগ্ৰ কামনাৰ এক বহ্নি আছিল সেই যৌবনত।

কিন্তু শেষত গিচেলাই বাধা দিলে। চূড়ান্ত বুজা-বঢ়াৰ সময়ত মই অৰণ্যে উপস্থিত নাছিলোঁ। কিন্তু তাৰে স্বাক্ষৰ আজিও আল্পচৰ বগা বৰফৰ গাত লেখা আছে।

মোক যেন এটা দুঃস্বপ্নই পাইছিল। উদভ্ৰান্তৰ দৰে প্ৰশ্ন কৰো : তাৰ পিচত ?

গুটেনবাৰ্গে তাচ্ছিল্যৰ হাঁহি এটি মাৰিলে। ক'লে : তাৰ পিচত। তাৰ পিচত পিটাৰ গুচি গ'ল। চোৰৰ দৰে, কাপুৰুষৰ দৰে— আল্পচ এৰি গুচি গ'ল।···তেওঁৰ সন্ধান মই নাজানো।

মোৰ কৌতুহলৰ প্ৰশ্ন। সুধিলো : সেই নাৰী ? পিটাৰৰ লগত সেই সুন্দৰীও নিশ্চয় গৈছিল।

অতি ক্ষিপ্ৰতাৰে গুটেনবাৰ্গে মোলৈ চালে। হঠাতে যেন দুই চকুত জুই জ্বলি উঠিল। মুহূৰ্ত্ততে পুনৰ আৰম্ভ কৰিলে। ডিভিৰ স্বৰ গম্ভীৰ। কলে : নাটকে তাকে কয়। শেষ দৃশ্য সেইভাবে শেষ হোৱাহেঁতেন বেয়া নহলহেঁতেন। কিন্তু বাস্তৱত সেই দৃশ্যৰ ভিন্ন ৰূপ। অন্য কাৰণত পটভূমি বদলি গ'ল।

পিটাৰে অকলে আল্পচ এৰি গুচি গ'ল। সৰ্ব্বশ্ৰান্ত, কিন্তু পিটাৰক কেইদিনমান পিচত সেই সুন্দৰীয়ে পথৰ ধূলিত নিক্ষেপ কৰিলে। পিটাৰৰ সুন্দৰ যৌবনে যেতিয়া তেওঁৰ সকলো কৌতূহল শেষ কৰি দিলে সেইদিনাখন পিটাৰৰ পুনৰ প্ৰয়োজন সেই সুন্দৰীৰ নহ'ল।

পিটাৰে কৈছিল: কিন্তু প্ৰেম? সুন্দৰী মই তো তোমাক ভালপাওঁ। সুন্দৰীৰ সেয়া এক অদ্ভুত হাঁহি। চকুৱে মুখে কৃত্ৰিম খঙ দেখুৱাই আদেশৰ সুৰত কৈছিল: এই মুহূৰ্ত্ততে তুমি আতৰি যোৱাগৈ। তুমি নীচ, হীন! তোমাৰ দেহত বাঘৰ তেজ আছে।

পিটাৰ চোৰৰ দৰে পলাই যায়গৈ। অকল আল্পচ এৰিয়ে নহয় দেশ এৰিও। হামবুৰ্গত মোৰ এজন কৰ্ম্মচাৰীৰ মুখত শুনিছিলো পিটাৰক বোলে তেওঁ প্যাৰীত দেখিছিল। পিটাৰে সকলো এৰিছে। হাস্‌পাতাল এৰিছে। ডাক্তৰী গৈছে পাহৰি। সৰ্বনাশৰ নিচাই পাইছে। দিনেৰাতি আৰস্যাৎ খাইছে। আৰু পথে পথে বমি কৰিছে।

গুটেনবাৰ্গ ৰ'ল। কিছুসময় মনে মনে ৰ'ল। তাৰপিচত মুৰ দাঙি মোলৈ চালে। ক'লে: এনে বহুত, বহুত সুন্দৰ জীৱন এই নাৰীয়ে ধ্বংস কৰি পেলাইছে। পিটাৰ আৰু গিচেলাৰ কাহিনীয়ে সকলোতকৈ মৰ্মান্তিক।

অলপ সময় দুয়োজনে মনে মনে থাকোঁ। হঠাতে মুৰ জোকাৰি জোকাৰি কলে: পুৰুষৰ দৰে নিষ্ঠুৰ নহয়। কিন্তু বিকৃত ক্ষুধাৰ পিচত যেতিয়া সেই নাৰী দৌৰে তেতিয়া সেই নাৰী নাৰী হৈ নাথাকে। সেই নাৰী হয় ৰাক্ষসী।

অন্ধকাৰৰ অৱগুণ্ঠনৰ পৰা তেতিয়া পুৱাৰ স্নিগ্ধ পোহৰ দিগন্তত উদ্‌ভাসিত। চেঁচা বতাহত তেতিয়ালৈকে মোৰ মুৰৰ যন্ত্ৰণা কমা নাই। তেতিয়াও মুৰটো অসম্ভৱ ধৰনে বিষাই আছে।

গুটেনবাৰ্গ কেনেকুৱা যেন অস্থিৰ হৈ পৰিল। সংযত কিন্তু

গম্ভীৰ মাতেৰে ক'লে : চাওকগৈ, বগা বৰফৰ ওপৰত তেজৰ দাগ চাই আহকগৈ। নিজৰ জীবন এইভাবে নিৰ্মূল নকৰিব। এই দেশলৈ যি কামত আহিছে সেয়া সমাধা কৰি নিজৰ দেশলৈ আত্মীয় পৰিয়ালজনৰ মাজলৈ উভতি যাওকগৈ। আপোনাৰ নিচিনা মানুহৰ এয়া কেনেকুৱা বিভ্ৰান্তি। এই দুদিনতে আপোনাৰ চেহেৰা কেনেকুৱা হৈ গৈছে ? মৰিচীকাৰ পিচত দৌৰি প্ৰচুৰ সম্ভাবনা—ভৰা জীবনক এনেভাবে শ্ৰীহীন নকৰিব হেৰ জেন।

মোৰ দেহ এক অজ্ঞাত আঘাতত নিশ্চল হৈ পৰিল। কাতৰ হোৱা মুৰটো এটা আঘাতত যেন বিবশ হৈ পৰিল। চূড়ান্ত বিস্ময়োক্তিত মোৰ মুখৰ পৰ ওলাই গ'ল : আপুনি জানো ষ্টেলাৰ কথা কৈছে ?

গুটেনবাৰ্গৰ অসহিষ্ণু উত্তৰ : তেনেহলে আন কাৰ কথা আপোনাৰ আগত কৈছো ?

মোৰ যেন দেহ নাই, নাই মন। দুঃসহ ক্লান্তিত দুহাতৰ মাজত মোৰ মুৰটো ভাঙি পৰিল। গুটেনবাৰ্গৰ লোমশ হাতখন মোৰ জানুৰ পৰা এৰাই গ'ল।

তথাপিও প্ৰতিবাদৰ সুৰত ক'লো : মিছা, এইবোৰ সকলো মিছা। আপুনি সজাই পৰাই এইবোৰ কথা কৈ মোক আপুনি বিভ্ৰান্ত কৰিছে। আপুনি নিজেই ষ্টেলাৰ জীবন দুঃসহ কৰি তুলিছে। আপুনি মানুহ নহয়।

মুহূৰ্ত্ততে গুটেনবাৰ্গৰ চকুদুটি জ্বলি উঠিল। বিবৰ্ণ ওঠ দুটিত দেখা গ'ল এক প্ৰস্তুতি। প্ৰসাৰিত হাত আগবঢ়াই ক'লে : আল্লচে কেতিয়াও মিছা নকয়। বৰফৰ ওপৰত চাই আহকগৈ গিচেলাৰ তেজ চাই আহকগৈ।

উন্মাদৰ দৰে বেলকণি এৰি গুচি আহিলো। সঁচা মিছা মোক আজি কোনে কৈ দিব ? কেনে গভীৰ ষড়যন্ত্ৰ। পাগলৰ দৰে হোটেলৰ পৰা ওলাই অহিলো।

বৰফ আৰু বৰফ। বৰফৰ পিচত বৰফ ভাঙি গৈ আছো। সম্মুখত আগ্নচ। বাধামুক্ত পথ। তথাপিও মন অনন্ত কাৰাগাৰত।

মৌন আগ্নচ। পৃথিৱী নিৰ্বাক। মই অশান্ত। তেতিয়াৰপৰাই মই গিচেলাৰ তেজ পদে পদে বিচাৰি গৈ আছো।

কিন্তু ক'তা। কতোওতো তাৰ চিন নাই। মাত্ৰ মই শুভ্ৰ তুষাৰ ৰাশিৰ ওপৰত থিয় হৈ নিজকে ৰক্তাক্ত কৰিছোঁ।

হঠাতে ধৰিত্ৰীৰ নীৰৱতা ভাঙি এটি কাতৰ আৰ্ত্তনাদ মাত্ৰ শুনা গ'ল। তুষাৰে ৰে তিতা কটি চৰাইৰ তীব্ৰ আৰ্ত্তস্বৰ যেন শুনিবলৈ পালো ঃ গিচেলা···আ···আ··· ।

কোন ফালে? মই সেই হেৰোৱা পথ বিচাৰি পাম ক'ত? হয়তো ইয়াতে নহয়। অন্যকৰবাত। অন্য কোনো ঠাইত।

হঠাতে কিবা এটা দেখি থমকি থিয় হলো। বগা বৰফৰ ওপৰত এটি কলা দাগ। উদভ্ৰান্তৰ দৰে আগুৱাই গলো।

দেখিলো, এটি চৰাই। শুকান বিবৰ্ণ এটি মৰা চৰাই।

এক দুঃসহ বেদনা লৈ হোটেললৈ উভতি আহিলো। মাত্ৰ এটা কথাই বাৰে বাৰে মোৰ মনক তোলপাৰ কৰিছে। ষ্টেলাৰ জানো সকলোৱে মিছা? নে গুটেনবাৰ্গৰ সজোৱা কথাই মোক বিভ্ৰান্ত কৰিছে? দেখিলো, তেতিয়াও গুটেনবাৰ্গ বেলকণিত বহি আছে। কিহবাই যেন মোক পালে। একৰকম দৌৰি আহি তেওঁৰ সম্মুখত উপস্থিত হলোহি।

গুটেনবাৰ্গ নীৰৱ। চকী এখন দেখুৱাই দি বহিবলৈ ক'লে।

পোনে পোনে প্ৰশ্ন কৰিলো ঃ তেনেহলে ষ্টেলাক আপুনি কেনেকৈ স্বীকাৰ কৰিছে? কিয় আপুনি ষ্টেলাক মানি লৈছে? ডাইনীৰ তেজ যি নাৰীৰ দেহত তেওঁকে বা স্ত্ৰী হিচাবে কিয় গ্ৰহণ কৰিছে?

অলপো বিকাৰ নাই। সেই চাৱনি। ওঁঠত হাঁহি। সেই ইঙ্গিতত্তে মোক বহিবলৈ কোৱা।

মোৰ উদ্‌ভ্ৰান্ত কণ্ঠ: সকলো মিছা। সকলো মিছা। সকলো আপোনাৰ ষড়যন্ত্ৰ।

মই বিভ্ৰান্ত। বিপৰ্য্যস্ত। সম্মুখত বহি গুটেনবাৰ্গ তেতিয়াও নীৰব। স্থিৰ, সম্পূৰ্ণ নিৰ্লিপ্ত।

কিছুসময় তেওঁ মুৰ দাঙি চালে। ভাবলেশহীন চাৱনীৰে অলপ সময় চাই থাকিল, তাৰ পিচত্তে আৰম্ভ কৰিলে: আপোনাৰ অৱস্থা দেখা পাই মোৰ সঁচাকৈয়ে দুখ লাগিছে। আপুনি যে ইমান কম সময়ৰ ভিতৰতে ষ্টেলাক ভাল পাব পাৰে সেই কথা মই ভাবিবই পৰা নাছিলো। আপোনাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মই বাধ্য নহয়। কিন্তু আপোনাক মই সকলো কম। সকলো প্ৰশ্নৰ উত্তৰ মই দিম্। বিশ্বাস কৰক, আপোনাক মই পছন্দ কৰো। মই শ্ৰদ্ধা কৰোঁ আৰু হয়তো বিশ্বাস কৰোঁ।

এবাৰ চাৰিওফালে চাই ললে। ম্লান হাঁহি এটি মাৰি কলে: মোৰ সকলো কথা আপোনাক কম। আমি অলপ পিচলৈ উভতি যাব লাগিব।

তেতিয়া মই চাকৰীৰ বাবে ডুচেলডৰ্ফ'ত। আপোনাৰ দৰে মইও তেতিয়া যুৱক। ডচেলডৰ্ফ মোৰ অলপো ভাল লগা নাছিল। আবেলি গণ্ডগোল মোৰ ভালো লগা নাছিল। তেতিয়া আপোনাৰ দৰে মইও এজন ইঞ্জিনীয়াৰ। গোটেই চহৰত মন মিলা মানুহ এজনো বিচাৰি পোৱা নাছিলো। তাৰোপৰি 'হেনোফাৰ'ত মানুহ হৈছিলো, সেই কাৰণেই বোধ হয় 'ৰূৰ' মোৰ অলপো ভাল লগা নাছিল। ছুটী পালেই ৰাইন নদী পাৰ হৈ ফুৰিবলৈ গৈছিলো।

এই ৰাইনতে মোৰ হেৰ ব্ৰাউনৰ লগত পৰিচয় হয়। এক দুৰ্যোগৰ ৰাতি আমি দুয়োজনে এখন মটৰ লঞ্চতে উভতিছিলো।

প্ৰবীণ হেৰ ব্ৰাউনে মোক সহজেই আকৰ্ষণ কৰিলে। সুদীৰ্ঘ অবয়বৰে বুদ্ধিদীপ্ত চেহেৰা। অকল ধনীয়ে নহয়, খোজ কাটলত অভিজাতৰ ছাপ সুস্পষ্ট। সামান্য পৰিচয়ৰ সূত্ৰ ধৰি আমাৰ দুয়োজনেৰ মাজত প্ৰগাঢ় বন্ধুত্ব হ'ল।

মানুহজন অকলশৰীয়া। এটি সুন্দৰ ফ্লেটত থাকে। এটি প্ৰশ্নই অৱশ্যে মোক প্ৰথমৰ পৰাই খুন্দুৰাই আছিল, নিজৰ ব্যক্তিগত জীৱন লৈ মানুহজনে মোৰ লগত কেতিয়াও আলোচনা কৰা নাছিল।

সদায়ে তেওঁৰ ফ্লেটলৈ মই অহাযোৱা কৰিছিলো। ছুটীৰ দিনত মই তেওঁৰ লগতে লাঞ্চ খাইছিলোঁ। বহুত দিন ৰাতি ডিনাৰৰ পিচতহে ঘৰলৈ উভতিছোঁ।

সেইদিনাখন আহিছিল এটি উৎসৱৰ দিন। গোটেই চহৰখনেই আমোদ-আহ্লাদত মত্ত হৈ উঠিছিল। ৰেস্তোঁৰা আৰু হোটেল, অপেৰা আৰু চিনেমা হলত মানুহৰে ভৰ্ত্তি। আতসবাজীত গোটেই ডুচেলডৰ্ফ আলোকিত।

ঘূৰি ঘূৰি সন্ধ্যা সময়ত হেৰ ব্ৰাউনৰ ফ্লেটলৈ আহিলো।

মোক দেখা পাই হেৰ ব্ৰাউন যেন অপ্ৰস্তুত হৈ পৰিল। তেওঁক দেখি ভাৱ হল আন কাৰোবাৰ কাৰণে তেওঁ যেন অপেক্ষা কৰি আছিল। অৱশ্যে মুহূৰ্ত্ততে তেওঁ সেই ভাব নোহোৱা কৰি পেলালে। ক'লে: এইমাত্ৰ কোনোবা এজন মোৰ ওচৰলৈ আহিব। সেইকাৰণে মই তোমাক মোৰ লগত বেচি সময় লগ দিব নোৱাৰিম।

উত্তৰত ক'লো: আদেশ কৰিলে এতিয়াই গুছি যাব পাৰোঁ।

হেৰ ব্ৰাউনে সামান্য হাঁহি এটি মাৰি ক'লে: আহিছা যদি যাবাইনে। তোমাৰ ভালৰ কাৰণেই কৈছিলোঁ। মই যিজনৰ অপেক্ষাত আছোঁ, তেওঁৰ লগত তোমাৰ দেখা নোহোৱাটোৱেই মঙ্গল। পিচত মই তোমাক সকলো কম। তুমি মোৰ কামতো লাগিব লাগিব।

সেই মুহূৰ্ত্তত দুৱাৰত শব্দ হ'ল। মই প্ৰায় দৌৰি পৰ্দাৰ আঁৰত লুকালো। সোফাঁলৰ টেবুলৰ তলত গৈ আশ্ৰয় ললোঁ।

হেৰ ব্ৰাউনে ক'লে: তুমি দেখিলে ক্ষতি নাই কিন্তু আগন্তুকে যেন তোমাক দেখা নাপায়।

কিবা এক গভীৰ ৰহস্য যেন লাগিল। টেবুলৰ তলৰ পৰা ওলাই বিছনাৰ তলত গৈ আশ্ৰয় ললোঁ।

হেৰ ব্ৰাউনে ক'লে: ঠিক আছে। বাহাদুৰ ল'ৰা তুমি।

তাৰপিচত দুৱাৰ খোলা শব্দ। এজন ভিতৰলৈ সোমাই আহিল। মুহূৰ্ত্ততে গম পালো হেৰ ব্ৰাউনে যিজনক আশা কৰিছিল আগন্তুক ঠিক সেই ব্যক্তি নহয়। এটি অপৰিচিত কণ্ঠস্বৰ। ক'লা জোতা আৰু ট্ৰাউজাৰ্চৰ নিম্নাংশই মাত্ৰ মোৰ চকুত পৰিছে।

কথোপকথনৰ এটা বৰ্ণও বুজাৰ উপায় নাই। এটি বিদেশী দুৰ্বোধ্য ভাষাত দুয়োজনৰ মাজত কথা হৈছিল। ঠিক কথা নহয়, দুয়োজনৰ মাজত তৰ্ক আৰম্ভ হৈ গ'ল।

ঠিক এনেসময়তে ৰেডিঅ'তো খুব জোৰে বাজি উঠিল। কেনেকুৱা যেন সঙ্গতিহীন যেন লাগিল। তাৰপিচত দুটি গুলীৰ শব্দ। গধুৰ দুৱাৰখন সশব্দে বন্ধ হৈ গল।

মই একেবাৰে হতভম্ব হৈ তাতেই ৰ'লো। নিতান্ত অপ্ৰত্যাশিত। গুলীৰ শব্দ নে ৰেডিঅ'ৰ শব্দ নে বাহিৰৰ কিবা শব্দ ঠিক বুজিব নোৱাৰিলো। মাত্ৰ গোটেই দেহত এক শীতল স্পৰ্শ অনুভৱ কৰিলোঁ। ৰেডিঅ' বাজিয়ে আছে।

নিদাৰুণ এক বিস্ময়ত, প্ৰচণ্ড সাহস বুকুত বান্ধি বিছনাৰ তলৰ পৰা ওলাই আহিছিলোঁ। বিছনাত আধা অংশ ওলমি আছে, ৰক্তাক্ত হেৰ ব্ৰাউন। গুলীত বুকু আৰু পেট বিদীৰ্ণ হৈ গৈছে। দেহত প্ৰাণ নাই। ৰেডিঅ'তো বন্ধ কৰি দিলোঁ।

নিৰুপায় হৈ বহুত সময় চিন্তা কৰিলোঁ। হঠাতে চকুত পৰিল

মোৰ হাতত্তো তেজ লাগিছে। পিন্ধি থকা কোটতো তেজ লাগিছে। তেজবোৰ ৰুমালেৰে মচি পেলালোঁ। মোৰ মূৰলৈ কোনো বুদ্ধিয়েই নাহিল।

ফোন কৰিব খুজি বৈ গ'লো। লগে লগে ৰিচিভাৰটো থৈ দিলোঁ। দুৱাৰ খুলি বাৰাণ্ডালৈ ওলাই আহিলোঁ, মানুহৰ চিনচাব নাই। মাত্র অলপ দূৰৈত, চিৰিত এজন ক্ষীণ স্বাস্থ্যৰ কিশোৰে মোলৈ অনিমেষ নয়ণে লক্ষ্য কৰি আছিল। পাগলৰ দৰে পথলৈ দোৰি ওলাই আহিলো। ফ্লেটৰ ফালে আগবাঢ়িলোঁ। জীৱনত মোৰ ভুলৰ আৰম্ভনি ইয়াৰ পৰাই।

গুটেনবাৰ্গ ৰ'ল। মই উত্তেজিত। তেওঁৰ দৃষ্টিত এক ৰিক্ততা। ক'লে: আপোনাৰ অপ্রাসঙ্গিক লাগিছে?

মূৰ জোকাৰি কওঁ: আপুনি নৰব, কৈ যাওঁক।

গুটেনবাৰ্গৰ মুখত সঙ্কোচৰ হাঁহি। ক'লে: নিজৰ কোঠালৈ আহি মনে মনে বহি থাকিলোঁ। এবাৰ ফোনটো বাজি উঠিল। ধৰিবৰ সাহস নহ'ল। চকীত বহি আকাশ-পাতাল ভাবিবলৈ ধৰিলোঁ।

তেতিয়া ৰাতি বহুত। চকীত সেই ভাবেই বহি আছিলোঁ। গধুৰ জোতাৰ শব্দ শুনি সচকিত হৈ উঠিলোঁ। জোতাৰ শব্দ আগুৱাই আহি আছে। দুৱাৰত টোকৰ পৰিল। আচোঁৰাৰ দৰে শব্দ। পিচ মুহূৰ্ত্ততে এলচেচিয়াণৰ বুকু কপোঁৱা মাতে ৰাতিৰ নীৰৱতাক থানবান কৰি পেলালে।

ভুল আৰু ভুল। তেতিয়ালৈকে মহাভুলে মোক আচ্ছন্ন কৰি পেলাইছে। প্রথমতে বাথৰুমত আশ্রয় ললোঁ। কেইটিমান মুহূৰ্ত্ত ভাবিলোঁ। মই নির্দোষী, পলাম কিয়? পিচমুহূৰ্ত্ততে পুনৰ ভাবিলোঁ। মোৰেই বা কি ক'বলগীয়া আছে। নিজকে মই কেনেদৰে ৰক্ষা কৰিম?

বাথৰুমৰ পানীৰ কলতো খুলি দিলোঁ। পিচ মুহূৰ্ত্ততে খিৰিকীৰে পলালোঁ।

সেই মুহূৰ্ত্তৰ কথা যদি মই এতিয়াও ভাবো গা মোৰ শিৰশিৰাই উঠে। কেনেদৰে যে মই ফ্লেট এৰি পলাইছিলোঁ। ক'ব নোৱাৰো। কেনে অৱস্থাত ৰাইন নদী পাৰ হৈ আহিছিলোঁ। সেই কথা আজি মোৰ মনত নাই। মাত্ৰ এটা ভুল বচাবলৈ গৈ প্ৰতি মুহূৰ্ত্ততে এটিৰ পিচত এটিকৈ ভুল কৰি গলো।

পিচদিনাখন কাগজত হেৰ ব্ৰাউনৰ হত্যাকাণ্ডৰ খবৰ প্ৰকাশিত হ'ল। সংবাদত আৰু লেখা আছিল, পুলিচে মোক তন্ন তন্নকৈ বিচাৰি ফুৰিছে। আচামীয়ে বোলে বহুত সূত্ৰ ৰাখি থৈ গৈছে।

এখন কাফেত বহি মই এই সংবাদ পাঠ কৰিলোঁ। তাৰপিচত উদভ্ৰান্তৰ দৰে ঘূৰি ঘূৰি, বিধ্বস্ত বাৰ্লিন পাঁলোহি।

বাৰ্লিনকৈ আহি ভালেই হ'ল। অদ্ভুত এক যোগাযোগ হ'ল। দেশ এৰি পলোৱাৰ সুযোগ পালো। সেয়া বহুত কথা, আন এক প্ৰসঙ্গ। সেয়া ইয়াত বিশেষ কবলগীয়া নহয়।

দুমাহমান পিচত মই লণ্ডনলৈ আহিলো। মিছাৰ আশ্ৰয় লৈ প্ৰচণ্ড এক প্ৰতাৰকৰ নতুন জীৱন আৰম্ভ কৰোঁ। দেখিলো ভৱিষ্যত জীৱনত, মই নতুনকৈ গঢ় লব লাগিব। আৰম্ভ কৰিব লাগিব গুৰিৰ পৰাই।

কিন্তু এই দেশতে বা মোৰ ঠাই ক'ত? মুই খুনী। মই যে হত্যাকাৰী। পৃথিৱীৰ কোনো মানুহে মোক আশ্ৰয় নিদিব। কোনো দেশে মোক গ্ৰহণ নকৰিব। কোনো বন্ধুৱে কণামাত্ৰ মোৰ প্ৰতি হৃদয়ৰ সহানুভূতি নেথাকিব।

গুটেনবাৰ্গে নিজে নিজে কৈ গৈ থাকিল: সকলোতে জনাই দিলোঁ, নাজীৰ নিষ্ঠুৰ অত্যাচাৰত মই লাঞ্ছিত। জাৰ্মানীত ব্যক্তি স্বাধীনতাৰ সমাধি হৈছে। সত্য বিলীন হৈছে, ধৰ্ম তাত অপ্ৰস্তুত। মেচিন গান আৰু 'মাইন কাম্ফ' এ গোটেই দেশখনকে ধ্বংস কৰিব খুজিছে। পৃথিৱী জানো শুই আছে? ক'লৈ গ'ল ডেমোক্ৰেটিক সকল?

কাম দিলে। তাৰোপৰি ৰাজনৈতিক পলাতকৰ আশ্ৰয়স্থল হিচাবে বৃটেনৰ সুনাম বহুদিনৰ পৰাই। ৰুছ বিপ্লবৰ সময়ত কিমান ৰথী মহাৰথী বৃটেন আৰু আমেৰিকালৈ পলাই গৈ আশ্ৰয় লৈছিল সেই হিচাব মোৰ জনা আছে। তাৰোপৰি সেই সময়তে প্ৰকৃত সময় আছিল আশ্ৰয়ৰ ; কাৰণ নাজীৰ অত্যাচাৰত বহুত মানুহেই দেশ এৰি গুচি আহিছিল। বুদ্ধিজীৱী সকলো পলাই আহিছে।

পলাই মই ৰক্ষা পৰিলোঁ। কিন্তু ৰাজনীতিতো মোৰ ধমণীত নাই। অতি সাধাৰণ মানুহ মই। মোৰ চাহিদা সামান্যই। মনে মনে থাকিলোঁ। মিছাৰ আশ্ৰয় লৈ মোৰ আচল পৰিচয় মই পাহৰি গলোঁ।

পৃথিৱীখন বিৰাট। পৃথিৱী ব্যাপক। মোৰ দৰে ক্ষুদ্ৰ মানুহৰ পিচত সন্দেহ বা কিমানদিন থাকিব ! ব্যৱসায় আৰম্ভ কৰিলোঁ। আমদানী-ৰপ্তানীৰ ব্যৱসায়।

মই নিজে আছিলো ইঞ্জিনীয়াৰ। ভাল কাম পোৱাত মোৰ যোগ্যতা আছিল। কিন্তু সেই পৰিচয় মই গোপন কৰি গলো। যদি প্ৰশ্ন উঠে কিহৰ ইঞ্জিনীয়াৰ ? ক'ৰ ? যিখিনি জ্ঞান আহৰণ কৰিছো, সেইখিনি কামত লগোৱাৰ দোষ ক'ত ?

নতুন দেশত মই এজন নতুন মানুহ। মোৰ নতুন জীৱন আৰম্ভ হ'ল।

গুটেনবাৰ্গ ৰ'ল। এটি হাঁহি মাৰি ক'লে : আচল বক্তব্যলৈ আহিবলৈ হলে মই সকলো ক'ব লাগিব। ভালভাবে কোৱা দৰকাৰ। সকলো কথা আপোনাক ভালদৰে ক'ব লাগিব।

মই নিৰুত্তৰ। সন্দেহ, বিভ্ৰান্তি আৰু মনোকষ্টত মই অস্থিৰ। প্ৰৌঢ় গুটেনবাৰ্গক কেনেকুৱা যেন চাঞ্চল্যকৰ এক ৰহস্যময় মানুহ যেন মনত লাগিল।

গুটেনবাৰ্গে পুনৰ আৰম্ভ কৰিলে। মূৰ তল কৰি কৈ গ'ল :

ব্যৱসায়ত মোৰ ভালেই হ'ল। পূৰ্ব জীৱন মই পাহৰি গলোঁ। কাম আৰু অৰ্থৰ প্ৰয়োজনত মই এনেভাবে ব্যস্ত থাকিলোঁ যে আন সকলো চিন্তা-ভাবনা মই পাহৰি গলোঁ।

তাৰ পিচত আহিল যুদ্ধ! লণ্ডনৰ মনুহ বৃটেনৰ নাগৰিক হিচাবে তেতিয়ালৈকে মই পৰিচিত। কলকজাৰ ব্যবসায় মোৰ। যুদ্ধৰ সময়ত মোৰ কাৰবাৰে ঠন ধৰি উঠিল। মই যেন ধনী হব'লৈ গৈছো।

মহাযুদ্ধ কাৰো নিজৰ অভিজ্ঞতা নহয়। কোনো এখন দেশৰ সমস্যা নহয়। সেই কেইবছৰৰ ইতিহাস আপোনাৰ জনা আছে।

ব্যৱসায়ৰ কাৰণে মই বহুত দেশ ঘূৰিব লগীয়া হৈছে। কিন্তু লণ্ডনতে মোৰ মুল বাসস্থান আছিল। হঠাতে দেখিলো, মোৰ পৰিচিত দুই এখন মুখ স্বদেশলৈ উভতি গ'ল। ফেচিজিমৰ কবৰৰ ওপৰত নতুন সভ্যতা গঢ়াৰ প্ৰেৰণা লৈ তেওঁলোক গ'ল।

কিন্তু মই? মই যাম কলৈ? নিজৰ কবৰ যে মই নিজেই বহু আগতেই খান্দি পেলাইছোঁ। ফেচিজিমৰ ধ্বংস হলেও সেই ঠাইত মানুহ তো নিৰ্মূল হোৱা নাই। তাতে মোৰ স্থান ক'ত? মাত্ৰ দূৰৈৰ পৰা জন্মস্থানক প্ৰণাম জনাইছোঁ।

ঠিক এনে সময়তে মই আন এটি নতুন ব্যবসায় হাতত ললো। মোৰ পৰিচিত এজন মানুহে তেওঁৰ বহুদিন পুৰণি চামৰাৰ কাৰবাৰ দেখাশুনা কৰা মানুহৰ অভাবত ব্যবসায় বন্ধ কৰি দিলে।

মই আগ্ৰহ প্ৰকাশ কৰোঁ। ঠিক এনে সময়তে মই কিবা এটা নতুন ব্যবসায়ী আৰম্ভ কৰিম বুলি ভাবিছিলোঁ।

টেনজিয়াৰ্চলৈ চামৰাৰ কাৰখানা চাবলৈ আহিলোঁ। কেইদিনমান ধৰি শুকান মাছৰ আৰু ভেড়াৰ চামৰাৰ গোন্ধ শুঙিলো। মূৰৰ ওপৰত শগুণ আৰু চিলা। আৰু গোটেই পৰিবেশ আগুৰি আছিল এক অদ্ভুত গোন্ধে।

এটা কথা মোৰ মনত খেলালে, চামৰাৰ কাৰখানাক অৱলম্বন

কৰি এই দূৰ দেশত ব্যৱসায়ৰ যথেষ্ট সুযোগ আছে। তাৰোপৰি কাৰখানা নতুন কৰি আৰম্ভ কৰাৰ পৰিশ্ৰমৰ প্ৰয়োজনো নাই। গঢ়াই আছে, মাত্ৰ ভাগুন বোধ কৰিব্ পাৰিলেই প্ৰচুৰ লাভ।

সেইদিনাখন বৰষুণ হৈ আছিল। বাটে পথে বোকা। কোনোমতে কাম সমাধা কৰি হোটেললৈ উভতি আহিছিলোঁ। হঠাতে মাজ পথত এজন মানুহে পিচৰ পৰা সাবটি ধৰিলেহি।

ঘূৰি চাই দেখো যে বডেন। বডেন মোৰ পুৰণি বন্ধু। হেনোফাৰৰ মানুহ। মানুহ আনন্দতে হতবাক হয়। বডেনে মোক এখন কাফেলৈ টানি লৈ গ'ল।

কেতিয়াবাই সন্ধ্যা পাৰ হৈ গৈছে। শকত আৰত অদ্ভুত চেহেৰাৰ মানুহবোৰ আহ-যাহ কৰি আছে। মুছলমান আছে, আছে ইহুদী।

ঠাইডোখৰ ঠিক কাফে নহয়। সোমায়েই চিৰি। চিৰিৰে ওপৰলৈ উঠি আহিলে এটি বিৰাট হল। বেলুনৰ দৰে পাতল পৰ্দা চাৰিওফালে ওলমি আছে। এক আচৰিত নীৰৱতাই ঠাইখিনিত বিৰাজ কৰিছিল।

বডেন আমেৰিকালৈ যাব ওলাইছে। সকলো সম্পৰ্ক এৰি জাৰ্মানী এৰি গুচি যাবলৈ ওলাইছে।

মই আচৰিত হৈ প্ৰশ্ন কৰো: তেনেহলে তুমি মৰক্কোলৈ কিয় আহিছা? টেনজিয়াৰ্চত তোমাৰ কিহৰ প্ৰয়োজন?

বডেনে হাঁহি ক'লে: মোৰ লগত যথেষ্ট পৰিমাণৰ স্পেনীয় মুদ্ৰা আছে। ইয়ালৈ চোৰাং কাৰবাৰীৰ ওচৰত বেছি দামত ভঙাবলৈ আহিছোঁ। সেই কাম মোৰ সমাধা হৈছে। কালিলৈ মই উভতি যাম। কিন্তু তুমি ইয়াত কিয়?

কথা প্ৰসঙ্গত বুজিলো বডেনে মোৰ বিগত জীৱন সম্পৰ্কে একোকে নাজানে। মই যে বহুদিন ধৰি পলাতক, বহুদিন আগতে দেশ এৰি আহিছোঁ। সেই সংবাদ তেওঁৰ সম্পূৰ্ণ অজ্ঞাত। এটি কুৎসিত ঘটনাৰ

পাকচক্ৰত পৰি পৃথিৱীৰ সকলো মানুহৰ ওচৰত মই যে অৱহেলিত, সেই সংবাদ বডেনে নেজানে।

ওচৰে-পাজৰে সামান্য মানুহ। সকলোৱে হলত জমা হৈছে। টেঙ্গো থামিছে। আকৌ এটি নতুন গত্ বাজি উঠিল।

এজন ইহুদী লৰাই লগত এজনী ছোৱালী লৈ আমাৰ কাষৰ মেজখনত বহিলহি। ছোৱালীজনীয়ে বডেনৰ লগত সুন্দৰকৈ স্পেনীচ ভাষাত কথা কবলৈ ধৰিলে।

ক'তো বগা চামৰাৰ চিহ্ন মাত্ৰ নাই। সতৰ্ক দৃষ্টিত এবাৰ চাৰিওফালে নিৰীক্ষণ কৰি মই মোৰ জীৱনৰ কথাবোৰ কৈ গলো।

বডেন যেন বজ্ৰাহত। বিমূঢ় হৈ সকলো কথা শুনিলে। তাৰ পিচত উদভ্ৰান্তৰ দৰে প্ৰশ্ন কৰিলে ঃ তুমি আজি ফন গুটেনবাৰ্গ? ফ্ৰেডাৰিক মুলাৰ নহয়? মই একোকে ভাবিব পৰা নাই ফ্ৰেডাৰিক। তোমাৰ সুন্দৰ জীৱন এনেভাবে নষ্ট কৰিছা? অদৃষ্টৰ কেনে নিষ্ঠুৰ পৰিহাস। কি বংশৰ লৰা তুমি। আজি হত্যাৰ অপাৰাধত পলাই ফুৰিছা?

মই দেশলৈ উভতি যাবলৈ আগ্ৰহ প্ৰকাশ কৰোঁ। বডেনে বাধা দি ক'লে ঃ যি দেশত এনে মিছাৰ কুহেলিকাৰ মাজত তোমাৰ জীৱন নষ্ট কৰিছা, সম্পূৰ্ণভাবে বিক্ত কৰিছা প্ৰাণমন, সেই দেশলৈ উভতি যোৱাৰ দৰ্কাৰ কি? দেশৰ কথা পাহৰি যোৱা-টোৱে ভাল।

মই ক'লো ঃ মোৰ ভাব হয় ইমান দিনে সেই ভয়ঙ্কৰ ৰাতিৰ কথা সকলোৱে পাহৰি পেলাইছে। কিমান সলনি হৈ গৈছে। গোটেই দেশখনে ওলটপালট হৈ গৈছে। বহু দিনৰ বহুত দুৰন্ত ঘটনাৰ মাজত মোৰ এই সামান্য অঘটন কোনো মানুহে নিশ্চয় মনত ৰখা নাই।

মুৰ জোকাৰি বডেনে ক'লে ঃ জীৱনত মাত্ৰ ভুলেই কৰিছা।

নতুনকৈ তাৰে বোজা পুনৰ নবঢ়াবা। মই তোমাক কথা দিলোঁ, এই সম্পৰ্কে মই গোপনে অনুসন্ধান কৰিম। আইন চাম। সম্ভৱ-অসম্ভৱ সকলো তথ্যই সংগ্ৰহ কৰিম। মানুহৰ শুভবুদ্ধি আৰু নিজৰ সবল বিশ্বাস লৈ জগতত থাকি আজি ইয়াতে উপস্থিত হৈছাহি। তোমাৰ কিবা উপকাৰত আহিলে মই সুখী হ'ম। এই সম্পৰ্কে সঠিক সংবাদ তোমাক জনোৱাত মোৰ বেচি কষ্ট নহ'ব।

কাফে এৰি উঠি আহিলোঁ। পিচদিনাখন ৰাত্তিপুৰা মোৰ বডেনৰ লগত কথা-বতৰা হ'ল। আবেলি তেওঁ ট্ৰেনজিয়াৰ্চ এৰি গুচি গ'ল।

আয়নাৰ সন্মুখত থিয় হৈ টাইডাল ঠিক কৰি আছোঁ। এনেতে দুৱাৰত কোনোবাই টুকুৰিওৱা কাণত পৰিল। ঠিক টুকুৰিওৱা নহয়; প্ৰায় প্ৰচণ্ড আঘাত। দুৱাৰখন কঁপি কঁপি উঠিল।

দুৱাৰখন খুলি দিওতেই হুৰমুৰকৈ কোঠাৰ ভিতৰলৈ এজন সোমাই আহিল? এগৰাকী সুন্দৰী ছোৱালী। আভিজাত্যৰ ছাপ সুস্পষ্ট। মিঠা চাৱনি। ওঁঠ দুটি থৰ্ থৰ্ কৈ কঁপিছে। কণ্ঠত নিদাৰুণ ভীতি।

মই আচৰিত হ'লো। চিন্তিতও নোহোৱা নহয়। ছোৱালীজনীয়ে মোৰ লগত সুন্দৰভাবে জাৰ্মানীত কথা কৈছে। বিমূঢ় হৈ চোফাত বহি পৰিলোঁ।

সেইয়া অন্য এক ইতিহাস। ছোৱালীজনীৰ নাম ইঙ্গে। স্পেনলৈ ফুৰিবলৈ গৈছিল। তাতে কডৰেল নামে এজন ল'ৰাৰ লগত পৰিচয় হয়। ল'ৰাজনৰ সুন্দৰ ব্যবহাৰত ইঙ্গে মুগ্ধ হয়। কডৰেলৰ লগত ইঙ্গে ইয়ালৈকে ফুৰিবলৈ আহিছিল

ইঙ্গে ইয়ালৈ আহি আবিষ্কাৰ কৰিলে, লৰাজন এজন কুৎসিত শ্ৰেণীৰ জীৱ। আচলতে সি ঠগ। ইয়াৰে এজন ভদ্ৰলোকৰ সৰ্বস্বান্ত কৰি কডৰেল ৰাত্তিপুৱাৰ পৰাই পলাই আছে। ইঙ্গে

ভয়ানক বিপন্না। ইয়াৰ মানুহে ইঙ্গেক সন্দেহ কৰিছে। বাটত হেনো ছুজনে তেওঁৰ পিচ লৈছিলেই।

কথাৰ মাজতে গুটেনবাৰ্গ থমকি ৰ'ল। এজন মানুহ আহি দুৰৈৰ চকী এখনত বহিলহি। চাৰিওফালে পোহৰত জকমকাই উঠিছে। ঘুমন্ত পৃথিৱীৰ যেন টোপনি ভাঙিছে।

চকুৱে চকুৱে পৰাত গুটেবাৰ্গে আগৰ দৰে সামান্য হাঁহি এটি মাৰিলে। পুনৰ আৰম্ভ কৰিলে : ইঙ্গেৰ কথাবাৰ্ত্তাই মোক আকৰ্ষণ কৰিলে। কিন্তু মই যে নিৰুপায়। অপৰিচিত মানুহক মই এৰাই যাব খোজো। আনৰ মুখত জাৰ্মানী ভাষা শুনিলে মোৰ ভয় লাগে। মোৰ নিজৰে বহুত ভাবনা। মূৰত অন্য চিন্তাৰ বাবে আৰু ঠাই নাই। আনৰ দায়িত্ব লবলৈ ভয় লাগে।

তথাপিও ইঙ্গেই মোক অভিভূত কৰিলে। ইঙ্গে এজনী বিপন্না জাৰ্মাণী ছোৱালী। এই কথাই মোক বিহ্বল কৰি তুলিলে। তথাপিও আন্তৰিক চিন্তা থাকিলেও অৱস্থা মোৰ প্ৰতিকূল। নতুন কিবাত মোৰ শঙ্কা হয়।

শান্ত কৰিবলৈ চেষ্টা কৰোঁ।

কলো : কালিলৈ মই দেশ এৰি গুচি যামগৈ। মই তোমাক অলপ অৰ্থ সাহায্য কৰিব পাৰোঁ। কিমান হলে তোমাৰ হব তুমি স্বচ্ছন্দে চলিব পাৰিবা।

ইঙ্গে বেদনাত ভাঙি পৰিল। ওঁঠ ছুটি কঁপিব ধৰিলে। চকুৰ পানীৰে চকুৰ পতা ছুটি তিতি উঠিল। আকুল নিবেদন জনালে : আপুনি ইহঁতক নাজানে। ইহঁতৰ কোনো পৰিচয়ে আপোনাৰ জনা নাই। ইহঁতৰ অসাধ্য কৰ্ম নাই। মোক অকলে পালে, এই চয়তানহঁতে যে কি কৰিব মই ভাবিব নোৱাৰো। অৰ্থ সাহায্যৰ কথা কৈছে, মোৰ যিখিনি সম্বল আছে সেইয়াৰে মই সহজতেই কোলোনলৈ উভতি যাব পাৰিম। কিন্তু অকলে হলে মই যাব

নোৱাৰিম। দয়া কৰি কোনো সভ্য দেশলৈ মোক লৈ বলক। গোটেই জীৱন মই আপোনাৰ ওচৰত কৃতজ্ঞ হৈ থাকিম।

কিবা ভাবি মই বডেনলৈ ফোন এটি কৰিলোঁ। উত্তৰ আহিল : অলপ আগতে তেওঁ হোটেল এৰি গুচি গৈছে।

ভাবি দেখিলোঁ ইঙ্গেৰ অনুৰোধ সামান্যই। কালিলৈতো মই টেনজিয়াৰ্চ এৰি গুচি যামগৈ। তেওঁতো সহজেই মোৰ সঙ্গী হব পাৰিব। বিপন্না জাৰ্মানী ছোৱালী ইঙ্গে। শুনিলো নিজৰ অৰ্থৰো বোলে অভাব নাই। যুক্তি দি ইঙ্গেৰ এই সামান্য অনুৰোধ অগ্ৰাহ্য কৰা অসম্ভব।

ইঙ্গেৰ বিনীত সংযত অনুৰোধ। ক'লে : মই লণ্ডন পালে কোনো ভয় নাই। মই অতি সহজতে পৰিয়ালৰ মাজলৈ উভতি যাবগৈ পাৰিম। আপুনি এই দেশৰ মুছলমানসকলক চিনি নাপায়। ইয়াৰ ইহুদী সকলৰ লগত আপোনাৰ কোনো পৰিচয় নাই। দৈত্যৰ দৰে মানুহ—পশু।

ইঙ্গেক আশ্ৰয় দিলোঁ। বিপদাপন্না এই ছোৱালীজনীক মই পৰিত্যাগ কৰিব নোৱাৰিলোঁ। অসহায় ছোৱালীজনীক এই ৰাতিখন মই কলৈ যাবলৈ কম? ইঙ্গেক ভৰসা দিলো। পিচদিনা দুয়ো লণ্ডনলৈ উভতি আহিলো!

ডুবিব ধৰা মানুহে যেনেকৈ খৰ-কুটা পালেও অৱলম্বন বিচাৰে লণ্ডন পোৱালৈকে এই ছোৱালীজনীয়েও মোৰ ভৰসাত সেই ভাবেই থাকিল। লাজ ভয় আৰু ঘৃণাত তেওঁ সঙ্কুচিত। সুন্দৰ মুখমণ্ডলত বেদনাৰ ছাঁ আৰু দৃষ্টিৰ নিদাৰুণ ভয় তেওঁৰ একোতে নগল।

লণ্ডনত ইঙ্গে সহজ হ'ল। ইয়াতেই খোলামনেৰে তেওঁ হহাঁ দেখিবলৈ পালোঁ।

ইঙ্গেৰ লগত কথা হৈছিল যে পিচদিনাখনে তেওঁ লণ্ডন এৰিব! কিন্তু লণ্ডন বোলে তেওঁৰ খুব ভাল লাগিছিল। মই গোটেই দিন

কামৰ মাজত ডুবি থাকোঁ। বহুতদিন আগতেই মোৰ যৌৱন শেষ হৈ গৈছিল। ইঙ্গেৰ লগত ঘুৰি ফুৰাৰ আনন্দইবা ক'ত ?

তথাপিও সাধাৰণ দুই এটি কথা আৰু ঘটনাৰ পৰা বুজিব পৰিছিলো যে ইঙ্গেই মোৰ লগত ঠিক আগৰ দৰে ব্যৱহাৰ কৰা নাই। মোৰ সম্পৰ্কে তেওঁ যেন সচেতন হৈ উঠিল।

পিচদিনাখন ৰাতি। শুই আছিলোঁ। কিবা শব্দত মোৰ টোপনি ভাঙি গ'ল। চকু মেলি দেখিলো মোৰ বিছনাৰ কাষত ইঙ্গে। আচৰিত হৈ সুধিলো ঃ ইঙ্গে, ইমান ৰাতি তুমি মোৰ কোঠাত ?

ইঙ্গে বিছনাৰ একাষত গৈ বহিল। মই উঠি বহিলোঁ।

কণ্ঠস্বৰত জড়তা। কুণ্ঠিত ভাষা। ক'লে ঃ টোপনি অহা নাই, বহুত কথা চিন্তা কৰিছিলোঁ। সেই কাৰণেই কিবা এটা বিচাৰি আপোনাৰ ওচৰলৈ আহিছো। আপোনাক যেন মোৰ চাবৰ ইচ্ছা হৈছিল।

শিয়ৰি উঠিলো। মোৰ দেহত এক শীতল বিদ্যুৎপ্ৰবাহ যেন বৈ গ'ল। হঠাতে অহা জোৱাৰৰ ঢউৱে যেন মূৰটো খণ্ড খণ্ড কৰি ভাঙি দিলে।

গুটেনবাৰ্গ যেন চমকি উঠিল। বিস্মিত কণ্ঠেৰে কলে ঃ আপুনি চমকি উঠিল হেৰ জেন ? আপুনি এনেকুৱা কৰিলে কিয় ?

ৰুদ্ধশ্বাসেৰে ক'লো ঃ কওঁক। মাত্ৰ আপোনাৰ কথা কৈ যাওঁক। নৰ'ব। আপুনি শেষ কৰক।

গুটেনবাৰ্গে ক'লে ঃ মই হাতখন আগবঢ়াই দি লাইটতো জ্বলালোঁ। অপ্ৰস্তুত হৈ ইঙ্গে আতঁৰি বহিল। মই চকীত বহিলোহি।

মই যেন বিভ্ৰান্ত। প্ৰবল সন্দেহত মই বিহ্বল। সংযত আৰু সহজ ভাৱে ক'লো ঃ তোমাৰ কথা মই ভালদৰে শুনা নাই। তুমি কি কবলৈ খুজিছা ইঙ্গে, পৰিষ্কাৰ কৈ কোৱা।

ইঙ্গে কিছুসময় মূৰ তল কৰি থাকিল। তাৰ পিচত লাহে লাহে ক'লে ঃ তোমাক মই ভাল পাওঁ। কিন্তু তুমি মোক ঘৃণা কৰিছা।

তেওঁৰ কথা হজম কৰিবলৈ মোৰ সময় লাগিল। মোৰ ওলোটা প্ৰশ্ন শুনিবলৈ হয়তো ইঙ্গে প্ৰস্তুত নাছিল। সুধিলোঁ ঃ কডওৱেল লৰাজন কোন ?

ইঙ্গে নিৰুত্তৰ হৈ ৰল। তাৰপিচত লাহে লাহে মূৰ দাঙি ক'লে ঃ তুমি মোক বিশ্বাস নকৰিবা ? মোক মাত্ৰ ঘৃণাই কৰিবা।

পূৰ্ব প্ৰশ্ন মোৰ মুখত। সুধিলোঁ ঃ কডওৱেল লৰাজন কোন ? ইঙ্গে নিৰুত্তৰ।

মোৰ আগতকৈ শান্ত আৰু গম্ভীৰ কণ্ঠস্বৰ। লাহে লাহে ক'লোঁ ঃ তুমি মোৰ পিচ লৈছা কিয় ?

ইঙ্গেই ৰুদ্ধ কণ্ঠেৰে ক'লে ঃ ভালপোৱা কাৰণে।

এটি অজানা ভয়ত মন মোৰ কঁপি উঠিল। অশান্ত মোৰ চিত্ত। হাঁহিবলৈ বৃথা চেষ্টা কৰোঁ। ক'লোঁ ঃ তোমাৰ এনেকুৱা দুৰ্বুদ্ধি কিয় হল ? তুমি মোৰ কি দেখিয়ে বা পিচ লৈছা ? তোমাৰ ভালপোৱাত মোৰ বিন্দুমাত্ৰও শ্ৰদ্ধা নাই। তোমাক মোৰ অলপো প্ৰয়োজন নাই।

ইঙ্গে ক'লে ঃ তুমি মোক অপমান কৰিছা, কোনো কথা নাই বাৰু কিন্তু অবিশ্বাস নকৰিবা। মোক ওভতাই নিদিবা। মই কাৰো নহয়, মাত্ৰ তোমাৰ। তুমি মোক গ্ৰহণ কৰা।

তাৰ পিচৰ অৱস্থা মৰ্মান্তিক। লাজ, ভয়, ঘৃণা আৰু বিতৃষ্ণাত মই অস্থিৰ হৈ গৈছোঁ। মূৰলৈ বহুত কথা আহিল। শেষৰ ফালে বোধহয় মই খঙত চিঞৰি উঠিছিলোঁ। ইঙ্গেক মই মোৰ জীৱনৰ সীমাৰেখা এৰি দূৰলৈ যাবলৈ আদেশ কৰিলোঁ।

মোৰ কথাত তেওঁৰ গোটেই মুখতে বিদ্যুত খেলি গ'ল। অনিবাৰ্য্য এক প্ৰস্তুতিত ইঙ্গেৰ ওঁঠ দুটি জাঁপ খালে। তাঁৰ্য্যক

ভঙ্গীত ঘূৰি থিয় হ'ল : জীবনৰ সীমাৰেখা এৰি গলেই তুমি জানো শান্তি পাবা ? অযথা মোক অবিশ্বাস কৰি তুমি তোমাক কলৈ লৈ যাবা, সেই কথা জানো ভাবি চাইছা ? তুমি গোটেই জীৱন ধৰি ভুলেই কৰি আহিছা। তুমি সেই ভুলৰ মাচুল গণিবই লাগিব ফ্ৰেডৰিক।

চৰম বিস্ময়োক্তি মোৰ কণ্ঠৰ পৰা ওলাই গ'ল : ফ্ৰেডৰিক।

ভাচ্ছিল্যৰ হাঁহি ইঙ্গেৰ মুখত। ক'লে : মই তোমাৰ কোনো অনিষ্ট কৰিব খোজা নাই ফ্ৰেডৰিক মুলাৰ। এই কথাবোৰ কবলৈ তুমিয়ে মোক বাধ্য কৰাইছা।

গুলিবিদ্ধ এটি অসহায় প্ৰাণীৰ দৰে মোৰ বুকু যেন কঁপিবলৈ ধৰিলে। ৰিক্ত, মৰ্মান্তিক কণ্ঠ যেন বিষন্ন বেদনাত টনটনাই উঠে। ক'লো : তুমি মোক কেনেকৈ চিনিলা ?

উত্তৰত ইঙ্গেই ক'লে : তুমি ভাবত বিভোৰ। বৰ্ষাৰ দিনৰ সেই কাফেৰ কথা জানো তোমাৰ মনত নপৰে ? তোমাৰ জীৱনৰ চৰম গ্লানিকৰ অধ্যায়ৰ শ্ৰোতা অকল বডেনেই নাছিল—মইও আছিলোঁ। মই সকলো শুনিছিলো, তুমি মোক কি বুলি ধাৰণা কৰিছিলা নাজানো। হয়তো জঙ্গলী দেশৰ কোনোবা এজন বুলি ভাবিছিলা। সেই কাৰণেই বোধহয় তুমি অবিৰাম ভাবে তোমাৰ জীৱনৰ কথা কৈ গৈছিলা।

মই অস্থিৰ। কিন্তু নিৰুপায়। মই অক্ষম।

ইঙ্গেক ক'লো: কিমান লাগে? কি দিলে তুমি মোক মুক্তি দিবা?

ইঙ্গেই উত্তৰ দিলে : বহুত, বহুত কিবা।

মই যেন দেউলীয়া হৈ গৈছো। নিলামত যেন নিজকে বেচিবলৈ থুজিছো। ইঙ্গেৰ মুৰ জোকাৰনিৰ তালে তালে মাত্ৰ দাম উঠি গৈ আছে। পাখি মেলি যেন ইঙ্গে উৰি গৈ আছে। ওপৰলৈ আৰু ওপৰলৈ।

কিন্তু পিছদিনাখন মেজত ,ৰখা নোটৰ স্তুপ দুহাতেৰে আতৰাই থৈ ইঙ্গেক কান্দি থকা দেখি আচৰিত হলো। কোমল বুকুখনত কৰাঘাত কৰি তেওঁ মাত্র কান্দি আছে। আত্মগ্লানি আৰু অপমানত যেন তেওঁৰ গোটেই শৰীৰ বিবশ 'হ আহিছে।

লাহে লাহে মূৰতো দাঙি অসহায়ৰ দৰে কোঠালীটোলৈ শূন্য দৃষ্টিৰে চালে। বেদনাভৰা কণ্ঠেৰে ক'লে : মোক এইবোৰ নালাগে। মোৰ অৰ্থৰ প্ৰয়োজন নাই। মোক মাত্ৰ লাগে তোমাক। কিন্তু তুমি মাত্র মোক ঘৃণাই কৰিছা। মইতো মৰিব বিচাৰিছো। তোমাৰ পকেটত পিস্তল নাই। গুলি জানো নাই তাত ?

বহুত সময় পিচত মই যেন চেতনা ঘূৰাই পালো। লাহে লাহে আগুৱাই আহি ইঙ্গেৰ মূৰত হাত থলোহি। আনত সুন্দৰ মুখশ্ৰী চকুলোৰে ভৰি উঠিছে। সুন্দৰ দেহশ্ৰী অৱশ। ক্ষোভত ফুলি ফুলি উঠিছে।

মই কেনেকুৱা যেন সলনি হৈ গলোঁ। ইঙ্গেক মোৰ ভাল লাগিল। সেইদিনাখন তেওঁক খুব সুন্দৰ যেন অনুমান হ'ল। ইঙ্গেতো হীন নহয়। তেওঁ বিপুল অৰ্থ দুহাতেৰে আতঁৰাই থৈ তেওঁৰ সুন্দৰ যৌৱন লৈ মাত্র ভালপোৱাৰ ভিক্ষা বিচাৰিছে। মোক পালেই তেওঁ সুখী হ'ব। মোতেই তেওঁ সাৰ্থক। মই ওচৰত থাকিলেই তেওঁ সফল।

ইঙ্গেক মোৰ ভাল লাগিল। সুন্দৰ মুখখন মোৰ বুকুৰ মাজত বহুত সময় লৈ থাকিলো। নীৰৱ চকুলোৰে মোৰ মনৰ কালিমাক তেওঁ সম্পূৰ্ণ অৱলুপ্ত কৰি দিলে।

আমাৰ দুয়োৰে বিয়া হল। ইঙ্গে ক'লে : মই গুটেনবাৰ্গকেই ভাল পাইছো। তেওঁকেই বিয়া কৰাম। ফেডৰিক মুলাৰৰ লগত মোৰ কোনো সম্পৰ্ক নাই। সেই কাৰণেই ইঙ্গেই আজি এই পটভূমিৰ পৰা বিদায় ল'ব। তুমি মোক ইঙ্গেলা বুলি মাতিবা প্ৰিয়।

তাৰপিচত কিছুদিই পাৰ হৈ গ'ল। বিয়াৰ কেইমাহমান পিচলৈ ভালেই আছিলোঁ। ষ্টেলাই সচাকৈয়ে মোৰ জীৱনলৈ বৈচিত্ৰ্য অনিছিল। কিন্তু লাহে লাহে মই সকলো বুজিব পাৰিলো। ষ্টেলাৰ আচল পৰিচয় ক্ৰমে মোৰ ওচৰত পৰিষ্কাৰ হৈ আহিবলৈ ধৰিলে।

ষ্টেলাই মোক ঠিক স্বামী হিচাবে গ্ৰহণ নকৰিলো মোৰ বিগত জীৱনক মুলধন কৰি গোটেই জীৱন তেওঁ মোক অপ্ৰস্তুত কৰি ৰাখিবলৈ বিচাৰিছে। মোৰ অৰ্থৰ প্ৰাচুৰ্য্যক দুই হাতৰ মুঠিত ৰাখি ৰক্তিম যৌবনৰ তেওঁ ইচ্ছামতে ব্যবহাৰ আৰম্ভ কৰি দিলে। আগৰ জীৱনৰ কি পৰিচয়? তাতেই বা ষ্টেলাৰ কি ইতিহাস? মোৰ সম্পূৰ্ণ অজ্ঞাত। আজিও মই নাজানো মোৰ স্ত্ৰীৰ আচল নাম কি। ষ্টেলাই তেওঁৰ প্ৰকৃত নাম নে ইঙ্গে নামটোৱে আছিল আচল, ষ্টেলাৰ অসংলগ্ন কথাৰ পৰা মই আজিও জানিব নোৱাৰিলো হেৰ জেন।

বহুতদিন পিচত আমি জাৰ্মাণীলৈ আহিলো ভিন্ন নামত, ভিন্ন পৰিচয়ত জন্মভুমিলৈ উভতি আহিলো। বডেনৰ সঠিক খবৰ মই একোকে পোৱা নাই।

কিছুদিন ভয়ে ভয়ে পাৰ হৈ গল। বোধ হয় সময়ে সকলো সহজ কৰি আনে। কিন্তু ষ্টেলা হলে সহজ নহ'ল। অসুস্থ মন আৰু যৌবন দেশৰ জলবায়ুত আৰু বেচি অবাধ্য হৈ উঠিল।

স্ত্ৰী হিচাবে ষ্টেলা সাৰ্থক নহয়। মোক দেখি নতুন পৰিচিত যি কোনোৱে সেয়া অনুমান কৰি লব পাৰে। সেই সহানুভূতি ষ্টেলাই ইচ্ছামতে তেওঁৰ কামত লগাইছে। সহজ চিকাৰ তেওঁ সহজতে বিচাৰি পাইছে। তেওঁৰ অসুস্থ মনে এটিক কেন্দ্ৰ কৰি আনৰ সন্ধানত দৌৰি ফুৰিছে। প্ৰলোভনৰ ক্ষমতাও বহুত বাঢ়িছে। বিকৃত ৰুচিৰ তাড়ণাত পৰি এক পুৰুষৰ পৰা আন পুৰুষে তেওঁৰ বিহাৰ ৰক্ষা কৰা অসম্ভৱ। আজি অৱস্থা বহুত সলনি হৈছে। মোৰ আচল পৰিচয় প্ৰকাশ

পালে মই জানোঁ। মোৰ কোনো মৰ্ম্মান্তিক ঘটনা নঘটে। আৰু ইয়াতকৈও বোধহয় সেই মৰ্ম্মান্তিক জীবন বেশী সুখকৰ হব।

ষ্টেলাক মই পৰিত্যাগ কৰিব পাৰো। হয়তো তাতে মোৰ সম্মান অক্ষুন্ন ৰাখি চলাতো মুস্কিল হ'ব। ষ্টেলাৰ কিমান শক্তি, কিমান গভীৰলৈ তেওঁ যাব পাৰে মই অবহিত নহয়, কিন্তু শেষ পৰ্য্যন্ত মই কি পথ বিচাৰি লম মই ভাবিব নোৱাৰো।

গুটেনবাৰ্গে মোৰ মুখৰ ফালে কিছুসময় স্থিৰ দৃষ্টিৰে চাই থাকিল। এখন দুৰ্বল হাতেৰে মোৰ হাতখন টানি ললে। কলে: আপোনাৰ প্ৰশ্নৰ উত্তৰ মই দিব পাৰিলো নে নাই নাজানো। ষ্টেলাক আপুনি ভাল পাইছে; সেই কাৰণে মই আৰু বেচিকৈ ভয় খাইছোঁ। মই জানো মোৰ এই কুৎসিত জীবন কাহিনী আপুনি গোপনেই ৰাখিব। সকলো কথা আপোনাক নোকোৱাহেঁতেন আপোনাৰ ক্ষতি হলহেঁতেন। আজি মই ষ্টেলাৰ লগত আছো বুলিয়েই মই আপোনাক ৰক্ষা কৰিব পাৰিম। এটি সুন্দৰ জীৱন অনিবাৰ্য্য ধ্বংসৰ পৰা ৰক্ষা কৰি নিৰাপদ ঠাইলৈ লৈ যাব পৰিলোঁ। মইতো মৃত, মই নিজৰ কবৰ নিজ হাতেৰে বহুত আগতেই খান্দিছো। নিজকে মই ধ্বংস কৰিছোঁ। গোটেই জীবন মই ভুলৰ পিচত ভুল কৰিয়েই গলো। সেই কাৰণে আনে ভুল কৰা দেখিলে মই কষ্ট পাওঁ। আনৰ বিভ্ৰান্তি, আনৰ ভুল দেখিলে মই দুখ পাও সেয়া মোৰ সহ্য নহয়।

চূড়ান্ত ভাবাবেগত মই অস্থিৰ। অনুশোচনা আৰু আত্মগ্লানিৰ বিয়োগসঙ্গীতৰ এক দুৰন্ত আবেগত গোটেই মন মোৰ উদ্বেগ। অননুভূত এক আত্মগ্লানিৰ আৰু নৈৰশ্যৰ কঠিন স্পৰ্শই মোৰ মনৰ দিগন্ত কৰি তুলিলে পাণ্ডুৰ।

গুটেনবাৰ্গে হাঁহিছে। তেতিয়ালৈকে আল্পচৰ চূড়াত মিঠা সূৰ্য্য ৰশ্মিৰ বিচ্ছুৰণ। গুটেনবাৰ্গে লাহে লাহে মোৰ হাত এৰি দিলে। ওঁঠ দুটি বিবৰ্ণ। চকুৰ কোণ দুটি আদ্ৰ। কণ্ঠস্বৰ অৱৰুদ্ধ।

গুটেনবাৰ্গে চকীখন ঠেলি থিয় হল। মূৰ দোৱাই অভিবাদন কৰিলে। তেওঁৰ শিশুৰ দৰে এটি হাঁহি ওঁঠত দেখা দিলে। ক'লে: আল্লচে হাঁহিছে।

নিশ্চল শিলাখণ্ডৰ দৰে গুটেনবাৰ্গৰ যোৱাৰ পথলৈ চাই থাকিলো।

এক মুহূৰ্ত্তও পলম নহয়। হোটেল এৰি গুচি যাব লাগিব। আল্লছ এৰি মই পলাই যাব লাগিব। মুক্তি মুক্তিৰ কাৰণে মোৰ হৃদয় ব্যাকুল।

পলাই আহিলোঁ। লাউঞ্জ এৰি আহিব খোজোতে হঠাতে মোৰ মনতো কেনেকুৱা যেন লাগিল। মন যেন বিদ্ৰোহী হৈ উঠিল। আনফালে আগুৱাই গলো। ষ্টেলাৰ মুখা মই খুলি দিম। প্ৰতাৰকৰ সকলো কথা মই প্ৰকাশ কৰি দিমেই।

অলপ সঙ্কোচ কৰি দুৱাৰখন ঠেলি কোঠালীটোৰ ভিতৰলৈ সোমাই গলো। পৰ্দ্দাৰ ফাকেৰে চকুত পৰিল, ষ্টেলাৰ তেতিয়াও টোপনি ভঙা নাই।

বিছনাৰ ওপৰত ষ্টেলা। ৰাতিৰ পিন্ধা কাপোৰবোৰ সিঁচৰিত হৈ আছে। লেপখন বিছনাৰ পৰা মজিয়াৰ কাৰ্পেটত খহি পৰিছে। দুৰাহুৰে কিহবাৰ যেন সন্ধান কৰিছে।

ষ্টেলাই পিন্ধি থকা ৰতিৰ সাজ-পাৰ মোৰ বাবে এনে যেন লাগিল, যেন সেই কাপোৰ খিনি জড় নহয়, ইয়াৰো যেন ভাষা আছে। ই যেন মুক নহয়। ষ্টেলাৰ উষ্ণ দেহ আৰু তেওঁৰ বিভ্ৰম দেখি ভাব হ'ল সুন্দৰ প্ৰভাতৰ আভাস পাই উদভ্ৰান্তৰ দৰে অন্ধকাৰ গহ্বৰ বিচাৰি ফুৰিছে প্ৰাগঐতিহাসিক এক অন্ধ সৰীসৃপে।

তাৰপিচত মোৰ একো মনত নাই। আল্লচৰ পৰা মিউনিকলৈ মই কেনেকৈ আহিলোঁ ভালদৰে মনত নপৰে। দুটা দিন যে কেনেকৈ পাৰ হৈ গ'ল ক'বই নোৱাৰিলোঁ। দুঃস্বপ্নৰ আবেশ কাটি গলেও এটি যেন নৈৰাশ্যৰ ভাব লাগি আছে।

দেহ অৱসন্ন। মন বিসন্ন অৱসাদত কাতৰ। মৰ্ম্মান্তিক এক গ্লানিয়ে মোক আচ্ছন্ন কৰি ৰাখিছে। নিজৰ ওচৰতেই যেন মই নিজে প্ৰতাৰক। এই প্ৰতাৰণাৰ কথা আনৰ ওচৰত প্ৰকাশ কৰা অসম্ভৱ। অকলশৰীয়া যেন লাগিল। নিঃসঙ্গ অনুভৱ কৰিছোঁ। বিদেশলৈ আহি ইয়াৰ আগতে কোনোদিনাখনে ইমান অসহায় অনুভৱ কৰা নাছিলোঁ।

এবাৰ ভাবিছোঁ নিউৰেমবাৰ্গলৈ উভতি যাওঁগে নেকি ? পৰিচিত পৰিবেশত অলপ হয়তো ভাল লাগিব পাৰে। পুনৰ ভাব হৈছে, ইমান চেষ্টা কৰি ইয়ালৈ আহিছোঁ ; মিউনিক যে ইমান সোনকালে কিয় বিস্বাদত ভৰি উঠিল তাকে জানো যুক্তিৰে দেখুৱাব পাৰিম ?

হোটেলৰ নীৰৱ কোঠা আৰু শীতল বিছনাই যেন মোক আৰু নিঃসঙ্গ কৰি তুলিছে। আয়নাত প্ৰতিফলিত. হোৱা নিজৰ মুখ খনক বাৰে বাৰে বাৰে দেখি অপ্ৰস্তুত হৈ উঠিছোঁ। উদভ্ৰান্ত মন যেন আৰু বেচিকৈ বিভ্ৰান্ত হৈ পৰিছে।

ভাব হ'ল মুকলি বতাহত হয়তো মোৰ ভালেই লাগিব। মুখৰ মিউনিকে মোৰ মনৰ অৱসাদক হয়তো আতৰাই পেলাব পাৰিব। বিষাদগ্ৰস্ত মন-প্ৰাণলৈ চপলতা আনি দিব।

তথাপিও পথে মোক ভিন্ন পথলৈ লৈ আহিল। মোৰ অৱচেতন মনে হয়তো নীৰৱতাকেই আশ্ৰয় কৰি থাকিব খোজে। অনুতপ্ত মনত নিৰ্জনতাই আহি বাস ললেহি।

জনপ্ৰাণী হীন পাৰ্কখনত বহুত সময় বহি থাকিলোঁ। মাজে মাজে শীতল বতাহ এজাকে মোৰ গা স্পৰ্শ কৰি কোনো অদৃশ্য আহ্বানত পুনৰ লৰৰি গৈছে। শীতত গছৰ পৰা বিবৰ্ণ পাতবোৰ সৰি পৰিছে। সেউজীয়া ঘাঁহত শুকান পাতবিলাক প্ৰতিবাদৰ মুখতাৰে মুখৰিত যেন নেলাগিল। নীৰৱ এক বিয়োগ সঙ্গীতৰ মুৰ্ছনা যেন লাগিছেহি সেই সৰাপাতবোৰত।

সুন্দৰকৈ সজোৱা বাগিছাখন নিৰ্জন। পূবফালৰ ওখ গছবোৰৰ ওপৰেদি দেখা দিয়া গীৰ্জাৰ ওখ চূড়াবোৰে আকাশলৈ চাই স্তব্ধ হৈ থিয় হৈ আছে। সেউজীয়া ঘাঁহনিত নানাৰকমৰ ফুলৰ শাৰীয়ে বাগিছা খনক আবৰি ৰাখিছে। একাষত সৰু এটি ফোৱাৰা। চূৰ্ণ বাৰিধাৰাৰ অবিশ্ৰান্ত বিচ্ছুৰণ। ঠায়ে ঠায়ে শিলেৰে বন্ধোৱা ঘূৰণীয়া বেদী। ব্ৰোঞ্জৰ দুই এটি মূৰ্ত্তি। অতীতৰ কোনো মহান

ব্যক্তি। কোনোবাদিনা খন হয়তো সাধাৰণ মানুহৰ ওপৰত নেতৃত্ব কৰিছিল। হয়তোবা শিল্প-সাধনাত নতুন কোনো পথৰ নিৰ্দেশ দিছিল।

বাগিছাৰ আনটোকালে বেলিঙত আউজি এজন মানুহে বহুত সময় ধৰি বেহেলা বজাই আছে। এক ক্লান্ত সকৰুণ সঙ্গীত। বাগিছাৰ সেউজীয়া ঘাঁহনিত সেই সুৰলহৰী বিষণ্ণ মৃদু ছন্দত কম্পমান। মোৰ শূন্য মনৰ ৰিক্ত মণিকোঠাত সেই সঙ্গীতৰ সুৰে অবিমিশ্ৰ এক সমলয়ৰ সৃষ্টি কৰিছে।

মানুহজনৰ বাওঁফালে থোৱা টুপিটো মলিন। ধূসৰ ৰঙৰ টুপিটো ওলোটাই থোৱা আছে। দৈবাৎ হঠাতে কোনো পথচাৰী হয়তো থমকি থিয় হয়। হয়তো কান্ধ বেঁকা কৰি চাইও। পেলাই দিয়ে দুই এটি ফেনিগ্‌ টুপিটোৰ ভিতৰত আৰু সেই ফেনিগ্‌ মানুহজনে অতি ক্ষিপ্ৰতাৰে কিন্তু সঙ্কুচিত আঙুলিৰে তুলি লৈ নিজৰ পকেটত থৈছে। শূন্য টুপিটো পুনৰ ওলোটাই ৰাখিছে।

বিচিত্ৰ বৰ্ণৰ কেইটিমান পখিলাই ফুলবোৰৰ ওপৰত উদভ্ৰান্তৰ দৰে ঘূৰি ফুৰিছে। কেতিয়াবা বহিছেও। পুনৰ বতাহত দোল খাই খাই ডালে ডালে জপিয়াই ফুৰিছে। অন্বেষণ চলে ফুলে ফুলে, পাতে পাতে।

পদধ্বনি শুনি উভতি চালোঁ। বাগিছাৰ সপিল পথেৰে এক বৃদ্ধ আগুৱাই আহি আছে। কুণ্ঠিত পদক্ষেপ। হাতৰ লাঠিৰ সহায়ৰে সমুখৰ পথ বিচাৰি উলিয়াইছে।

মোৰ ঠিক সম্মুখেৰে নহয় অলপ আগেৰে মানুহজন ঘূৰি গ'ল। শিলৰে বন্ধোৱা ঘূৰণীয়া বেদীৰ চিৰিৰে ওপৰলৈ উঠি গ'ল।

মানুহজনৰ চালচলন অস্বাভাৱিক ধৰণৰ। মূৰ্ত্তিটোৰ অতি ওচৰলৈ গৈ কিহবাৰ যেন সন্ধান কৰিছে। তাৰ পিচত দেখিলোঁ দুই হাতৰ শীৰ্ণ আঙুলিৰে গভীৰ অনুৰাগত মূৰ্ত্তিটোৰ মুখখন চুঁই

চাইছে। প্ৰশান্ত মুখখনত অনমুভূত এক সুখানুভূতিৰ চিন ফুটি উঠে।

মোৰ কেনেবা লাগিল। বৃদ্ধ দুখোজ পিছুৱাই আহিল। প্ৰসাৰিত বাহু লাহে লাহে নামি আহিল। লাঠি ডাল বাহুৰ পৰা এৰাই গ'ল। দুটামান পাক খাই বেদীৰ এক প্ৰান্তৰ মাটিত লাঠি-ডাল পৰিলহি।

বৃদ্ধই শিলৰ ওপৰত লাঠিডালৰ সন্ধান কৰিছে। বগা শিলৰ ওপৰত ইফালে সিফালে পৰিচিত লাঠিডাল বিচাৰিছে। বুজিলোঁ, বৃদ্ধ সম্পূৰ্ণ অন্ধ। দৃষ্টিত আছে মাথো অন্ধকাৰ।

আগুৱাই আহিলোঁ। মাটিৰ পৰা লাঠিডাল তুলি ললোঁ। শিলৰ চিৰিৰে বৃদ্ধৰ সম্মুখলৈ আগুৱাই আহিলোঁ।

বৃদ্ধই পদশব্দ পাই থিয় হ'ল। লাঠিডাল হাতত তুলি দি কেইমুহূৰ্ত্তমান ব্ৰোঞ্জৰ মুৰ্ত্তিটোৰফালে চাই থাকিলোঁ।

প্ৰশ্ন কৰিলে : ভগবানে আপোনাৰ মঙ্গল কৰক। আপোনাৰ পৰিচয়?

ধীৰ সংযত কণ্ঠস্বৰ। দীৰ্ঘ শীৰ্ণ দেহত বাৰ্দ্ধক্যৰ পৰিপূৰ্ণ ছাপ। মুখখন শুকান। মুৰৰ চুলি আউল-বাউল। ওঁঠত ক্ষীণ হাঁহিৰ লগত কৌতূহল।

মোৰ পৰিচয় সাধাৰণ। তথাপিও বৃদ্ধৰ গোটেই মুখ আনন্দত উদ্ভাসিত হৈ উঠিল। আকাশৰ ফালে লাঠি দাঙি কলে : হিন্দুসকল এক মহান জাতি। ভাৰত এখন খুব প্ৰাচীন দেশ। ভাৰতৰ মানুহো খুব মহান।

বৃদ্ধৰ লগত নামি আহিলোঁ। কথাৰ সূত্ৰ ধৰি সুধিলোঁ : মুৰ্ত্তিটোৰ লগত আপোনাৰ এটি বিশেষ সম্পৰ্ক আছে বুলি ভাব হ'ল।

বৃদ্ধ থমকি ৰ'ল। ঘাঁহনিৰ ওপৰত ভুবাৰমান লাঠিডালেৰে

শব্দ কৰি ক'লে : আপুনি লক্ষ্য কৰিছে। এই মূৰ্ত্তিটো মোৰ হাতৰ শেষ কাম। সম্পূৰ্ণভাবে মোৰ হাতেৰে গঢ় পোৱাৰ আগতে মোৰ চকু দুটি নষ্ট হৈ যায়। সেই কাৰণে মাজে মাজে ইয়ালৈ আহোঁ। হাতেৰে স্পৰ্শ অনুভৱ কৰোঁ। মাজে মাজে আঙুলিৰে স্পৰ্শ কৰি যাওঁ।

বৃদ্ধৰ কথাবোৰে মোৰ মন বিষন্ন কৰি তোলে। শিল্পীৰ জীৱনক লৈ বিধাতাৰ এইয়া কেনে নিষ্ঠুৰ পৰিহাস?

সুধিলোঁ : আপোনাৰ দুয়োটা চকুৰে সম্পূৰ্ণ নষ্ট হৈ গৈছে?

বৃদ্ধই ক্ষীণ হাঁহি এটি মাৰিলে। মৃত চকু দুটিত ৰুমাল বুলাই লৈ ক'লে : একেবাৰে। এদিনাখন সন্ধ্যা হঠাতে মোৰ দৃষ্টি শক্তি লোপ পালে। কোনো চিকিৎসাই কৰিব নোৱাৰিলোঁ। চকু দুটিয়ে মোৰ লগত বৰ বেছিকৈ কৌতুক কৰিছে।

মোক স্পৰ্শ কৰি ক'লে : চাওঁক মোৰ হাতৰ পৰা লাঠিডাল খহি পৰাৰ পিছত ঈশ্বৰৰ এক সুন্দৰ অভিপ্ৰায় আছিল। খহি নপৰা-হেঁতেন আপোনাৰ লগত পৰিচয়ৰ সৌভাগ্যৰ পৰা বঞ্চিত হলোহেঁতেন।

বৃদ্ধ আপোন মনেই উচ্ছ্বসিত হৈ উঠে। মাটিত লাঠি ডালেৰে শব্দ কৰি কৰি কলে : আপুনি খুব ভাল জাৰ্মানী কয়। ভাৰত এখন সুমহান দেশ। আপুনি মহান। আপোনালোকৰ দেশৰ সংস্কৃতি বহুত প্ৰাচীন, সেয়া মই জানোঁ।

কিছুদূৰ আগুৱাই আহি থমকি ৰ'ল। ক'লে : বিশেষ যদি আপোনাৰ কোনো কাম নাই এবাৰ মোৰ ঘৰলৈ আহিবলৈ অনুৰোধ কৰোঁ। আপোনাৰ লগত বহি এপিয়লা কফি খাব খোজোঁ। এইকণ অনুৰোধ আপুনি নেৰাখিবনে?

আমন্ত্ৰণ গ্ৰহণ কৰিলোঁ। বৃদ্ধ অত্যন্ত আনন্দিত হ'ল। ক'লে : কেইদিনমান হ'ল মোৰ ল'ৰাজন বহুত দূৰলৈ গুচি গৈছে। মোৰ

ঘৰ প্ৰায় শূন্য। সন্ধ্যা সময়ত বৰ অকলশৰীয়া যেন লাগে। নিজকে বৰ নিঃসঙ্গ যেন অনুভৱ কৰোঁ।

কথাই কথাই বহুত পথ আগুৱাই আহিলোঁ। বাগিছাখন বহু পিচত এৰি আহিলোঁ। বেহেলাৰ বিষাদ সঙ্গীত পুনৰ কাণলৈ ভাঁহি অহা নাই।

বৃদ্ধই ক'লে: আমাৰ ঘৰ পালোহিয়েই। সোঁফালৰ সৌ কুটীৰটোৱে মোৰ ঘৰ। আপোনাক দেখা পাই মোৰ স্ত্ৰী খুব আনন্দিত হ'ব।

এমহলীয়া ঘৰ। ফলে-ফুলে আৰু সেউজীয়া গছগছনিৰে সম্মুখৰ বাগিছাখন অতি ৰমণীয়। গোটেই ঘৰটোৱে যেন ছবিৰ দৰে হাঁহিছে।

গে'ট খুলি মোক ভিতৰলৈ মাতিলে। শিলেৰে বন্ধোৱা সৰ্পিল পথ ঘৰৰ চিৰিত গৈ মিলিছে। পাতল ভাৱে হেলনীয়াকৈ চপৰা-চপৰ ইটাৰ বেষ্টনীৰ দুই প্ৰান্তত সেউজীয়া ঘাঁহ আৰু ফুলৰ বিচিত্ৰ শোভা।

বাহিৰত ঘূৰি ফুৰোতে বৃদ্ধৰ যদি সঙ্কোচৰ ভাবো আছিল, ঘৰৰ ভিতৰত মানুহজনৰ গতিবিধি দেখি তেওঁ যে অন্ধ ধৰিবই নোৱাৰি।

ঘৰৰ ভিতৰলৈ সোমাই গৈয়ে আচৰিত হৈ গলোঁ। এক প্ৰান্তৰ পৰা আন প্ৰান্তলৈকে দেৱাল আগুৰি মাত্ৰ মূৰ্ত্তি। সৰু-ডাঙৰ নানা ধৰণৰ মূৰ্ত্তি। নানা ভঙ্গীৰ বহুত মূৰ্ত্তি। ডাঠ কাৰ্পেট গোটেইখন মজিয়াতে পাৰি থোৱা আছে। অত্যন্ত সুৰুচিভাৱে সজোৱা ঘৰৰ বিভিন্ন বয়-বস্তু।

আচৰিত হৈ এই বৃদ্ধ শিল্পীৰ পৰিপূৰ্ণ নিষ্ঠাৰ নানা বিচিত্ৰ প্ৰকাশ চাই থাকিলোঁ। বৌদ্ধ মূৰ্ত্তিয়ে মোক অভিভূত কৰে। নটৰাজে মোক মুগ্ধ কৰে।

বৃদ্ধই তেওঁৰ স্ত্ৰীক মাতি আনিলে। চকুত অদম্য কৌতূহল। ওঁঠৰ কোণত আনন্দৰ হাঁহি। প্ৰৌঢ়া মহিলা। পিন্ধনত পুৰণি ধৰণৰ সাজ-পাৰ। মুৰ নত কৰি অভিবাদন জনাওঁ।

ভদ্ৰমহিলাৰ প্ৰচুৰ কৌতূহল। নানান প্ৰশ্ন। বহুত কথাই জানিব খুজিলে। আমাৰ দেশৰ ছোৱালীবোৰৰ কথা বহু সময় ধৰি শুনিলে। কোনো এক গোপন সংবাদ আহৰণৰ বাবেই যেন অলপ গহীন হৈ প্ৰশ্ন কৰিলে ঃ আপোনালোকৰ দেশৰ ছোৱালী-বোৰে জানো এই দেশৰ ছোৱালীৰ দৰে ওঁঠত ৰঙ লগায় ?

হাঁহি উত্তৰ দিলোঁ। ক'লো ঃ আমাৰ দেশত ওঁঠ ৰঙীন কৰাৰ প্ৰচলন নাই। সামান্য দুই-চাৰিজনে ব্যৱহাৰ অৱশ্যে কৰে, কিন্তু বহুত ছোৱালীৰ মাজত এই সামান্য দুই চাৰিজনীৰ ওঁঠৰ ৰঙ সম্পূৰ্ণ হেৰাই যায়গৈ। তেওঁলোকৰ সংখ্যা নগণ্য।

ঠিক উত্তৰেই যেন তেওঁৰ কাণলৈ গ'ল। কাৰণ পিচ মুহূৰ্ত্তেত আধুনিক ছোৱালীৰ ৰুচি বিকাৰৰ বিৰুদ্ধে তেওঁ অনৰ্গল কৈ গ'ল।

বৃদ্ধ ভিন্ন প্ৰকৃতিৰ মানুহ। অতি সাধাৰণ কৌতূহলৰ একান্ত অভাৱ। পৃথিৱীৰ নানান কৌতূহলে এওঁক স্পৰ্শ কৰা নাই। তুচ্ছ কিবা এটাক অৱলম্বন কৰি দায়িত্বহীন সহজ কৌতুকত এওঁ আগ্ৰহশীল নহয়।

সুন্দৰ কফি খালোঁ। নিউৰেমবাৰ্গৰ ড্যুৰৰ সংগ্ৰহালয়ৰ 'উড্‌কাটে' মোক মুগ্ধ কৰিছে বুলি শুনি অতিশয় আনন্দিত হ'ল।

কিবা মন কৰি পিচফালে থকা চেলফ্‌ৰ ফালে আগুৱাই যায়গৈ। ইটো-সিটো ঠিক কৰে। এঢলীয়া হৈ থকা এটি মূৰ্ত্তি পোনকৈ থলে। তাৰপিচত দুই এটি মূৰ্ত্তি লাৰি-চাৰি চালে। ঘৈণীয়েকক উদ্দেশ্য কৰি ক'লে ঃ মোৰ সেই ছোৱালীজনী কলৈ গ'ল ? যিজনী ছোৱালীয়ে কান্দিছিল, সেইটি কলৈ গ'ল ?

এটি নাৰী মূৰ্ত্তিৰ মুখত আঙুলি বুলাই কৈ উঠিল : এই ছোৱালীজনীয়েতো হাঁহিছে, এইটোতো নহয়।

ঘৈণীয়েকে উত্তৰ দিলে : সেইটো মই আঁতৰাই থৈছোঁ। সেইটো জানো তোমাৰ প্ৰয়োজন আছে ? আনি দিম নেকি ?

বৃদ্ধই মূৰ জোকাৰি ক'লে : কোনো প্ৰয়োজন নাই। কান্দি থকা মূৰ্ত্তিটো নেদেখি মাত্ৰ খবৰ লৈছিলোঁ।

মই আচৰিত হৈ প্ৰশ্ন কৰোঁ : আপনি আঙুলিৰ স্পৰ্শত মূৰ্ত্তিৰ হাঁহি কান্দোনৰ প্ৰভেদ বুজিব পাৰে ?

বৃদ্ধৰ ওঁঠত কেছুৰোৰ দৰে লাজৰ হাঁহি। চৌকালৈ উভতি আহিল। মৃত চকু দুটি দাঙি লৈ ক'লে : আপুনি আচৰিত হৈছে ?

মই অভিভূত। সাৰ্থক শিল্পীৰ কেনে পৰিপূৰ্ণ ৰূপ। ক'লো : আপুনি মোক আচৰিত কৰি তুলিছে। এনেকুৱা শিল্পীৰ সান্নিধ্যলৈ ইয়াৰ আগতে মই অহা নাছিলোঁ। আনকি এনেকুৱা কথা শুনাও নাছিলোঁ। আপুনি সাৰ্থক। আপুনি মহান।

অলপ সময় মনে মনে থাকিলোঁ। মুৰ দাঙি কলে : ঠিক আঙুলিৰ স্পৰ্শৰে ধৰিব পৰা নাযায়। হাত আৰু মন দুয়োটাই একেলগে কাম কৰে। দুয়োটাৰ মাজত সম্পৰ্ক হয় অভিন্ন। আপুনি মোক ভাল পাইছে, সেই কাৰণে মোৰ সাধাৰণ অনুভূতি দেখি আপোনাৰ ভাল লাগিছে।

মই কিবা কব খোজোতেই বৃদ্ধই বাধা দিলে : মহান এজন স্ৰষ্টাৰ কথা মনত পৰিছে। উপলব্ধিবোধ আৰু অনুভূতিৰ কথা যেতিয়া তুলিছে তেতিয়া নিশ্চয় সেই প্ৰসঙ্গ আপোনাৰ ভাল লাগিব।

বৃদ্ধ কেনেকুৱা যেন ভাবাবেগত চঞ্চল হৈ উঠিল। প্ৰসন্ন হাঁহিৰে মুখ ভৰাই তুলিলে। পৰিচ্ছন্ন মিহি মাতেৰে তন্ময় হৈ কৈ গল : সেই অনুষ্ঠানত এধানি ঠাইও নাছিল। এন্ধাৰ প্ৰেক্ষাগৃহ।

এক প্ৰান্তৰ বেদীৰ ওপৰত থকা পিয়ানোত তেতিয়ালৈকে এক স্বৰ্গীয় সুৰৰ মূৰ্চ্ছনা উদ্বেলিত হৈ উঠিছিল ; প্ৰকৃতিৰ অকুণ্ঠ বাধাহীন নতুন হিল্লোল উদ্‌ভ্ৰান্ত হৈ যেন গোটেই পৰিবেশকে চুই আছে। নিৰ্জন বননিৰ একক সঙ্গীতত মুখৰ সুৰ লহৰীৰ আবৰ্ত্তনত যেন এক অপাৰ্থিব ভাবাবেশৰ মধুৰ ঝঙ্কাৰ।

স্বৰ্গ আৰু নৰক, বিক্ষোভ আৰু সমুদ্ৰতৰঙ্গ, সৃষ্টি আৰু প্ৰলয়ৰ শাশ্বতৰূপ সেই সুৰ ঝঙ্কাৰত একীভূত হৈ মহামিলনৰ তীৰ্থক্ষেত্ৰ সৃষ্টি কৰিছে। উচ্চাৰিত হৈছে হতাশাৰ মাজৰ পৰা আশাৰ বাণী, কাৰোবাক হেৰুৱাৰ বিষন্নতা সেই সুৰৰ মাধুৰ্য্যত বিভ্ৰান্ত হৈ মৃদু নৃত্য-ছন্দেৰে আগুৱাই গৈ আছে। সমুদ্ৰৰ কল্লোল ধ্বনিত আৰোহণ, নিঃসঙ্গ কোনো নিজৰাৰ ধাৰাৰ সুৰত অৱৰোহণ।

সঙ্গীত বৈ গ'ল। শিলৰ দৰে নীৰৱ অন্ধকাৰত সেই সুৰ মূৰ্চ্ছনা নিয়ৰ বিন্দুৰ দৰে জিকাৰ খাই পৰি গ'ল। সেউজীয়া ঘাঁহনিত সৰি পৰি লাহে লাহে মিলি গ'ল। হেৰাই গ'ল কহুৱা কোমল আৱেশৰ মাজত।

অগনিত শ্ৰোতা নিশ্চল। অলপ সময়ৰ বিৰতিৰ পিচত এন্ধাৰৰ গভীৰতা যেন নাইকিয়া হ'ল। পিচ মুহূৰ্ত্ততে আনন্দ বিহ্বল উদ্‌ভ্ৰান্ত শ্ৰোতাৰ হাত চাপৰিত প্ৰেক্ষাগৃহ কঁপি কঁপি উঠিল। আকাশ-বতাহ মুখৰিত হৈ উঠিল।

কিছুমান কান্দোনত ভাঙি পৰিল। কোনোবাই বা আনন্দৰ সহজ প্ৰকাশত উত্তেজিত হৈ পৰিল। মহাৰ্ঘ্য আসনৰ পৰা ছোৱালীবোৰে উত্তেজনাত চিঞৰি উঠিল। কোনোবাই নিজৰ অজ্ঞাততেই চকীত খুন্দিয়াই হাতৰ দুৰ্মূল্য সোণৰ চুৰী ভাঙি পেলালে। কাৰোবাৰ আকৌ দূৰবীণৰ সমুখৰ আয়না গুৰি হৈ গ'ল। আকৌ উচ্ছ্বাসৰ দিশহাৰা আবেগে অন্ধকাৰ পৰিবেশ ঝনঝনাই থাকিল।

কিন্তু বিৰাট পিয়ানোৰ সন্মুখত সেই স্ৰষ্টা নিশ্চল। দুঃসহ আবেগত প্ৰাণ মন অৱসন্ন। পিয়ানোত মূৰ থৈ শিল্পৰ দৰে স্তব্ধ হৈ আছে। পিচৰ পৃথিৱীৰ কোলাহলৰ পৰা দূৰৈত, বহুদূৰৈত।

নিঃসঙ্গ অকলশৰীয়া সেই সুৰকাৰৰ কাণত কোনো শব্দই আহি নপৰিলহি।

লাহে লাহে এজন বৃদ্ধ আগুৱাই আহিল। তেওঁৰ চকুৰ পানীয়ে যেন বাধা নামানে। লাহে লাহে স্তব্ধ সুৰকাৰৰ মুখখন উত্তেজিত মানুহৰ ফালে দাঙি ধৰিলে। ৰুদ্ধ কণ্ঠেৰে, দুৰন্ত আবেগত যেন ক'ব খুজিলে, হে স্ৰষ্টা, চোৱা তোমাৰ সঙ্গীত, তোমাৰ সুৰে, মানুহৰ মনত কেনে আনন্দৰ সঞ্চাৰ কৰিছে, চাই লোৱা। তোমাৰ ৰাইজাই কৰা সুৰৰ মূৰ্চ্ছনাত মানুহৰ মন কেনে দুঃসহ আবেগত উদ্বেলিত হৈ উঠিছে।

সুৰকাৰৰ অলস দুচকুত সংশয়ৰ বিষণ্ন দৃষ্টি। জীৱনৰ অক্লান্ত সাধনা যেন গভীৰ উৎকণ্ঠাত বৈ বৈ কঁপিছে।

কিছুসময়ৰ পিচত মানুহৰ মনৰ কথা যেন সুৰকাৰে বুজিব পাৰিলে। শ্ৰোতামণ্ডলীৰ উদ্বেলিত হৃদয়ৰ যেন তেওঁ সন্ধান পায়। কাৰণ অলপ আগতে যি স্বৰ্গীয় সুৰৰ সমাপ্তি হল, সেই সঙ্গীত যি সুৰৰ কবিতা এই ধৰিত্ৰীৰ বুকুত অনন্তকাল অমৰ হৈ ৰ'ল, যি সঙ্গীত এই সুৰকাৰৰ ওচৰত সম্পূৰ্ণ অনুপস্থিত। সুৰকাৰে কাণেৰে নুশুনে, বধিৰ তেওঁ।

স্বৰ্গীয় সঙ্গীতৰ সুৰ সৃষ্টি কৰিবৰ কাৰণেই হয়তো মৰ্ত্ত্যৰ সকলো শব্দ তেওঁৰ ওচৰত শেষ হৈ গৈছিল। অনন্তকাল ধৰি যি সাৰ্ব্বজনীন ভ্ৰাতৃ প্ৰেমৰ কল্যাণময় গাঁথা ধ্বনিত হৈছে সাহিত্যত, শিল্পত, প্ৰেৰণা দিছে যীশু, বুদ্ধদেৱক, যি কথা কব খুজিছে প্লেটোই—নৱম আৰু শেষ চিম্ফনীত সুৰকাৰে সেই সঙ্গীত ধ্বনিত কৰিছে।

আজি জাৰ্মানী ধন্য। বন্ আজি পৃথিবীৰ মানুহৰ ওচৰত

তীৰ্থস্থান। কিন্তু কেনে বিদ্ৰূপ আৰু হতাশা এই সুৰকাৰে গোটেই জীৱন বহন কৰি গৈছিল সেই কথা ইতিহাসত লিখা আছে।

দাৰিদ্ৰ্য আৰু অৱহেলাৰ মাজতে জীৱনৰ সূত্ৰপাত। দেউতাকৰ সুৰত আগ্ৰহ আছিল ঠিকেই, কিন্তু তাতকৈ সহস্ৰগুণ আসক্তি আছিল সুৰাত।

গভীৰ ৰাতি মত্ত দেউতাক ঘৰলৈ উভতি আহে। ঘৰলৈ আহি হুলস্থূল লগাই দিলে। সৰু পুতেকৰ টোপনি আঁতৰি যায়। আনটো কোঠালৈ টানি লৈ গ'ল। বেহালা হাতত তুলি দি মত্ত দেউতাকে চিঞৰি উঠিল ঃ বজোৱা।

এটি সৰু কোঠা। সৰু পুতেকৰ বৈচিত্ৰ্যহীন ক্লান্তিকৰ সুৰধ্বনিৰ অবিৰাম অভ্যাস চলে। দেউতাকৰ চাকৰি গায়কৰ। পুতেকক তেওঁ সহকাৰী হিচাবে লগত বিচাৰে। তলত ৰুগ্না মাকে উৎকণ্ঠাত কাতৰ চকুৰে মাত্ৰ চাই থাকে।

এদিনাখন ৰাতিপুৱা, নিতান্ত আকস্মিক ভাবে তেওঁ আবিষ্কাৰ কৰিলে যে তেওঁৰ সমস্ত পুঁজি নিঃশেষ। কিন্তু নাবালক পুতেক সুৰৰ অনন্ত পিপাসাত তেতিয়া ব্যাকুল।

পুতেক আন এজন নতুন অধ্যাপকৰ ওচৰলৈ গ'ল। তেওঁৰ নতুন শিক্ষা আৰম্ভ হ'ল। বিনা পাৰিশ্ৰমিকত সহকাৰী এক অৰ্গান বাদকৰ কামো ল'ৰাৰ হাতলৈ আহিল। কিন্তু দেউতাক অসহিষ্ণু হ'ল। সুৰ বিক্ৰী কৰি সুৰা আহৰণতেই তেওঁ অভ্যস্ত। সেই কাৰণেই পুতেকৰ সঙ্গীতত তেওঁ অসঙ্গতি বিচাৰি পায়।

নবীন সুৰকাৰ কিন্তু নৰ'ল। পোহৰ, অন্ধকাৰ, মুকলি আকাশ, নদীৰ প্ৰবাহ, এক ঋতুৰ পিচত অন্য ঋতুৰ ৰঙৰ অন্তৰ্লীন সুৰৰ মাজত তেওঁ নিবিড়ভাবে কাণ পাতি শুনিলে নতুন সুৰৰ কোঁহ।

কাগজ কলম টেবুলত সিঁচৰিত। উদ্‌ভ্ৰান্তৰ দৰে কোঠালীটিত ইফালৰ পৰা সিফাললৈ আহ-যাহ কৰিছে। অশান্ত মন লৈ

পিয়ানোৰ ফালে দৌৰি যায়। মৌন সুৰ আঙুলিত লাগি ঝঙ্কাৰ দি উঠে। প্ৰথমতে সন্দেহ, তাৰ পিচত স্থিৰ হৈ শুনে। সুৰৰ অৱশিষ্ট ৰেশ্ খিনি যেন গোটেই দেহ আৰু মনত ঢউ তুলি মিলি যায়। অবিমিশ্ৰ এক পুলকত মুখমণ্ডল উজ্জ্বল হৈ উঠে। লৰি আহে টেবুললৈ। কাগজত সুৰৰ মূৰ্চ্ছনা বৈ যায়। নতুন সুৰৰ স্বাক্ষৰ ৰচিত হয়।

দিন যায়, যায় সপ্তাহ। মাহ উভতি আহে। বছৰো শেষ হৈ আহে। সুৰকাৰে তেতিয়াও হয়তো সেই একে সঙ্গীতৰ ৰূপ দি আছে।

কিমান মীড়, কিমান গমক আৰু কিমান বেছি মূৰ্চ্ছনাই শীতৰ ৰাতি বৰফৰ বিস্তৃত কান্দোনক ফুটাই তোলে? শিশুৰ সহজ হাঁহিত কিমান মিঠা ঝঙ্কাৰ দৰকাৰ। প্ৰেমালাপেই বা কিমান প্ৰগলভ হ'ব লাগিব! পিয়ানোৰ আৰু কিমান তললৈ গ'লে বিষণ্ণ ৰুগ্ন মাকৰ হৃদয়ব্যথাৰ সন্ধান পোৱা যায়। নবীন সুৰকাৰে সেই সুৰৰ সন্ধান কৰি গৈ আছে।

বিক্ষিপ্ত মন লৈ সুৰকাৰ বন্ এৰি গুচি যায়গৈ। জীৱনৰ পৰিচিত পৰিবেশৰ সীমাৰেখা এৰি নতুন চহৰলৈ আহিল। ভিয়েনাত মোৰ্জাটৰ লগত সাক্ষাৎ হ'ল।

মোৰ্জাট তেতিয়া গোটেই বিশ্বতে জনাজাত। নবীন সুৰকাৰৰ অব্যক্ত অনুযোগ যেন ধ্বনিত হ'ল। সকাতৰে নিবেদন জনালে: মোৰ হৃদয়ত সুৰ আছে। প্ৰকৃতিৰ মৌন সুৰৰ পদধ্বনি মই শুনিবলৈ পাওঁ। কিন্তু ব্যক্ত কৰিব নোৱাৰোঁ। মই এক বিষণ্ণ বেদনাত উচপিচাই আছোঁ। মই আলম বিচাৰোঁ, সামান্য, অলপ ঠাই মোক লাগে।

কিছুদিন পিচতে অশান্ত সুৰকাৰ অনুতপ্ত হৃদয়েৰে বন্‌লৈ উভতি আহে। মাকৰ আহ্বানত ঘৰলৈ উভতি আহে। কিন্তু সকলো

শেষ! ৰূঢ় বাস্তৱৰ আঘাতত সুৰকাৰ কাতৰ হৈ পৰিল। সমাধিৰ বিষাদ সঙ্গীত অনুতপ্ত হৃদয়ত জোকাৰ খাই হাঁহাকাৰ কৰি উঠিল।

মৰ্ম্মান্তিক নৈৰাশ্য মনলৈ আহিল। দেউতাকৰ সুৰৰ তৃষ্ণা কেতিয়াবাই নাইকিয়া হৈ গৈছে নিঃশেষ হৈ। ক্ষোভ, দুখ, আত্মগ্লানি আৰু হতাশাত সুৰকাৰ কাতৰ।

এদিন সন্ধিয়া ভিয়েনাৰ বাটে-বাটে সুৰকাৰক ঘূৰি ফুৰা দেখা গ'ল। মূৰৰ চুলি অবিন্যস্ত। মলিন বেশ। চকুত এক তিক্ত উপেক্ষা।

এই ভিয়েনাতে অষ্ট্ৰিয়াৰ এক ৰাজকুমাৰে সুৰকাৰক আবিষ্কাৰ কৰিলে। পৰম শ্ৰদ্ধাৰে সুৰকাৰক গ্ৰহণ কৰিলে। আন্তৰিক ভাল পোৱাৰ বিনিময়ত মানুহজনক নিজৰ কৰি ল'ব খুজিলে।

পৰিশ্ৰান্ত সুৰকাৰ প্ৰাসাদলৈ আহিল। অৰ্থ হ'ল। যশ হ'ল। শ্ৰেষ্ঠ অভিজাত পৰিবাৰলৈ অহা-যোৱা সহজ হ'ল। সুন্দৰ বিছনা। অতিকৈ সুন্দৰ সাজপোচাক আৰু সুন্দৰী নাৰীৰ সংস্পৰ্শ।

তথাপিও সুৰকাৰ অশান্ত। এটি কথাই বাৰে বাৰে তেওঁৰ মনত জাগে, মানুহে কয় তেওঁৰ হাতৰ আঙুলিত বোলে যাদু আছে। কিন্তু স্ৰষ্টা হিচাবে আজিও মানুহে তেওঁক স্বীকাৰ কৰা নাই কিয়?

আৰু সুখ! এই জীৱন। এয়াতো অতি সাধাৰণ মানুহৰ কাম্য। প্ৰবল এক সন্দেহৰ উদ্ৰেক হ'ল। কাল্পনিক দুখ আৰু মিছা সন্দেহ আৰু কষ্টকৰ।

দুই এজন অকৃত্ৰিম বন্ধু অৱশ্যে বৈ গ'ল। সুৰকাৰৰ ব্যৱহাৰত মনে মনে অনুতপ্ত হৈছে। মনস্তাপ আৰু মনোবেদনাত কষ্ট পাইছে। তথাপিও সুৰকাৰক অকলে পেলাই থৈ যোৱা নাই।

শ্ৰবণ শক্তিয়ে ঠিক এই সময়তেই মাৰাত্মক এক আঘাত হানিলে। কাণৰ পৰ্দাৰে নিম্ন ঝঙ্কাৰ শুনা দু'ল। উপায়হীন হৈ

জোৰকৈ শব্দ তুলিবলৈ গৈ বৰ বেছিকৈ পিয়ানোত আঘাত কৰে তেওঁ।

ডাক্তৰে মনোযোগেৰে পৰীক্ষা কৰিলে। কিন্তু বৃথা। কোনো প্ৰচেষ্টাৰ পুনৰ প্ৰয়োজন নাই। সকলো ব্যৰ্থ হৈ গৈছে। সুৰকাৰে কাণেৰে কেতিয়াও আৰু নুশুনে।

উৰ্ব্বৰ মৰুভূমিত ধূলিৰ বন্যা উঠিল। চাৰিওফালৰ পৰা হাঁহাকাৰ লৰৰি আহিল। ক্লান্ত হৈ সুৰকাৰ উভতি আহি পিয়ানোৰ ওপৰত আছাৰ খাই পৰিলহি।

কিন্তু সুৰ পুনৰ কাণলৈ নাহিল। সকলো নীৰৱ হৈ গৈছে। ভায়োলীনৰ তাঁৰৰ ঝঙ্কাৰ কাণলৈ নাহিল।

বেহেলা হাতত লৈ খিড়িকীৰ ওচৰত ৰ'লহি।

হৃদয়ৰ দুঃসহ আবেগ, মনৰ বিষণ্ণ বেদনাৰ সুৰ বজাই গ'ল। মনেৰে অনুভৱ কৰিলে মাত্ৰ, কাণলৈ সেই সুৰ উটি নাহিল।

নিজৰ মন নতুন সুৰেৰে বান্ধিব লগা হ'ল। তেওঁৰ হাতলৈ মুক্তিৰ জয়গান ধ্বনিত কৰাৰ মহান দায়িত্ব আহি পৰিছে। অমৰ, অনন্ত, মুক্তি সঙ্গীতৰ পদধ্বনি যেন তেওঁ শুনিবলৈ পালে।

ইউৰোপৰ আৰু এখন দেশে তেতিয়া এই সুৰকাৰৰ দৰে আন এজন পুৰুষৰ মুক্তিৰ জয়যাত্ৰা আৰম্ভ কৰিছে। জনসাধাৰণৰ ত্ৰাতা তেওঁ। ধনতন্ত্ৰবাদৰ ধ্বংসস্তূপৰ ওপৰত মানুহৰ মুক্তি সংগ্ৰাম শেষ হ'ব। সুৰকাৰে সেই মুক্ত প্ৰাঙ্গণত মুক্তিৰ সুৰ বিয়পাই দিব। সুৰকাৰে নেপোলিয়নৰ উদ্দেশ্যে তেওঁৰ 'তৃতীয় চিম্ফনী' উৎসৰ্গ কৰিলে।

কিন্তু ঠিক সেই সময়তে সংবাদ আহিল, মুক্তি ফৌজ অৱৰোধ আৰু অধিকাৰৰ লিপ্সাত পাগল হৈ উঠিছে। নেপোলিয়নে নিজকে ৰজা বুলি ঘোষণা কৰিছে। খঙত অন্ধ সুৰকাৰে উৎসৰ্গৰ পাতটো টুকুৰা-টুকুৰ কৰি ফালি পেলালে। উন্মাদৰ দৰে চিঞৰি উঠিল: 'পশু, ইমান দিনে মই তোক চিনা নাছিলোঁ।'

'তৃতীয় চিম্ফনীৰ' নতুন নামাকৰণ হ'ল। 'এজন মহান ব্যক্তিৰ স্মৰণত—দৈহিক ভাবে জীৱিত আছে, কিন্তু আত্মাৰ মৰ্ম্মান্তিক অপমৃত্যু ঘটিছে'।

সৃষ্টিৰ উন্মাদনাত সুৰকাৰ বলিয়া। এটাৰ পিচত এটা। সেই সঙ্গীতত মুক্তিকামী মানুহৰ জীৱন সংগ্ৰামৰ কাহিনী বৰ্ণিত হ'ল। হতাশাৰ মাজৰ পৰা অভয় বাণী ধ্বনিত হ'ল।

স্বাস্থ্যোদ্ধাৰলৈ আহি সুৰকাৰৰ মহাকবি গ্যাটেৰ লগত সাক্ষাৎ হ'ল। সুৰৰ কবিৰ লগত ভাষাৰ কবিৰ মিলনত সেই দিনাখন ধৰিত্ৰী এক অবিমিশ্ৰ আনন্দোৎসৱত উদ্ভাসিত।

সুৰকাৰে ক'লে—মহান কবিৰ সান্নিধ্যলৈ আহি মই ধন্য হলো। বৃদ্ধ মহাকবিয়ে নেপথ্যত মন্তব্য কৰিলে—এক অবাধ্য ব্যক্তিত্ব, তথাপিও এনে একনিষ্ঠ কোনো শিল্পীৰ সাক্ষাৎ মই জীৱনত পোৱা নাই।

নাটকীয় এক ঘটনাৰ আবৰ্ত্তত পৰি দুই মহান ব্যক্তিৰ মাজত বিচ্ছেদ ঘটিল। একেই পথেৰে ওচৰাওচৰিকৈ গৈছিল। বোধহয় দুয়োজনাৰ মাজত কথা আৰু সুৰৰ আদান প্ৰদান চলিছিল।

হঠাতে চকুত পৰিল, বাগিছাৰ আনটো ফালৰ পৰা অষ্ট্ৰিয়াৰ এক ৰাজ দুহিতা আৰু পাৰিষদবৰ্গ এইফালে আহিছে।

দুই ভৰি পিছুৱাই গ্যাটে আঁতৰি থিয় হ'ল। টুপি খুলি নত হৈ অভিবাদন জনালে।

সুৰকাৰ কিন্তু নিৰ্বিকাৰ। অলপ সময়ো নৰ'ল। মূৰৰ টুপিও নুখুলিলে। ধীৰ গতিৰে দুহিতা আৰু পাৰিষদবৰ্গক পিচ পেলাই আগুৱাই গ'ল।

গ্যাটেই গৰিহণা দিলে। কিন্তু সুৰকাৰ অচল। মাত্ৰ কলে ঃ শিল্পীৰ চকুত ৰাজপৰিবাৰৰ প্ৰতি বিশেষ পক্ষপাতিত্বই শিল্পকেই অপ্ৰস্তুত কৰিব। সম্ৰাট আৰু সম্ভ্ৰান্ত মানুহৰ একোতে এই

পৃথিৱীত অভাব নহব, কিন্তু বিঠোফেন এজনেই। আপোনাৰ সৌজন্যবোধ সম্পৰ্কে মোৰ কবলৈ একো নাই; কিন্তু মই নিজকে সঙ্কুচিত হবলৈ নিদিওঁ।

তাৰ পিচৰ অধ্যায় সুৰকাৰে এক নতুন প্ৰেৰণা লৈ আৰম্ভ কৰিলে। নীৰৱ সাধনাত পুনৰ নিজকে হেৰুৱাই পেলালে। সৃষ্টিৰ প্ৰেৰণাত দিনে-ৰাতিয়ে পৰিশ্ৰম কৰি গ'ল।

দীৰ্ঘ ন বছৰ পাৰ হৈ গ'ল। 'নবম আৰু শেষ চিম্ফনী' শেষ হ'ল তাৰ পিচত। পৰিশ্ৰান্ত সুৰকাৰে পৃথিৱীৰ মানুহৰ দৰবাৰত উৎকণ্ঠা আৰু সংশয় লৈ তেওঁৰ স্বৰ্গীয় সুৰ গাঁথা তুলি ধৰিলে।

তাৰ পিচত পৃথিবীৰ মানুহৰ কোলাহলৰ পৰা সুৰকাৰ আঁতৰি গ'ল। মৰ্ত্ত্যৰ প্ৰয়োজন শেষ হৈ গ'ল, স্বৰ্গৰ আহ্বান শুনা গ'ল।

তথাপিও ধৰিত্ৰী অশান্ত হৈ উঠিল। কোলাৰ শিশুক আঁতৰাই নিলে মাতৃ হৃদয় যেনেকৈ বেদনা আৰু কান্দোনত হাঁহাকাৰ কৰি উঠে, ঠিক সেইদৰেই সেইদিনাখন প্ৰকৃতি অশান্ত হৈ উঠিছিল। ধুমুহা ঢেৰেকনিয়ে প্ৰতিবাদ কৰি উঠিছিল। ক'লা ৰাশি ৰাশি মেঘে বিষণ্ণ বেদনাত গোটেই চহৰৰ বুকুত অন্ধকাৰ নমাই দিছিল। মুহূৰ্ত্তে মুহূৰ্ত্তে বিদ্যুৎ চমকিছিল। প্ৰবল বৰষুণৰ মাজেৰে প্ৰকৃতিয়ে কান্দিছিল। দুৰন্ত বতাহত মৰ্মান্তিক এক শোক সঙ্গীত ধ্বনিত হ'ল: নাযাবা। তুমি নাযাবা! আমাক ৰিক্ত কৰি যেন নোযোৱা।

এবাৰ আৰু এবাৰ বিদ্যুৎ চমকিল। প্ৰচণ্ড গৰ্জনত দিগন্ত কঁপি কঁপি উঠিল। ৰুগ্ন ঘৰটি সেই পোহৰত চমকি উঠিল। দুৱাৰখন উদণ্ড বতাহৰ কোবত বন্ধ হৈ গ'ল।

সুৰকাৰৰ পাণ্ডুৰ মুখত এটি ক্ষীণ হাঁহি ফুটি উঠিল। লাহে লাহে চকু দুটি মেলি ধৰিলে। দুবাহুৰে যেন দুৱাৰখন খুলিবলৈ বিচাৰিলে। পিচ মুহূৰ্ত্ততে বিছনাত ঢলি পৰিল।

অমৰ সুৰকাৰ, অপৰাজেয় স্ৰষ্টাই এই পৃথিৱীৰ পৰা বিদায় ললে।

মনে মনে শুনি আছিলোঁ। অন্ধ শিল্পীৰ কথাত তন্ময় হৈ পৰিছিলোঁ। নিজকে হেৰুৱাই পেলাইছিলোঁ।

বৃদ্ধৰ কথাত সচকিত হৈ উঠোঁ। হাঁহি হাঁহি ক'লে : মই নিশ্চয় এক অপ্ৰাসঙ্গিক কথাৰ আলোচনা কৰিছিলোঁ। উপলব্ধিবোধ আৰু অনুভূতিৰ প্ৰসঙ্গ উঠিছিল, হয়তো সেই কাৰণেই অন্য প্ৰসঙ্গ লৈ আহি পৰিছিলোঁ। আপোনাক নিশ্চয় খুব বিৰক্তি কৰিলোঁ।

উত্তৰত ক'লো : আপোনাৰ ওচৰত দুইদণ্ড বহি আপোনাৰ কথা শুনি মই নিজকে ধন্য মানিলোঁ। আপুনি প্ৰকৃত শিল্পী। আজিৰ এই সন্ধ্যাৰ কথা মই জীৱনত কেতিয়াও নাপাহৰোঁ।

ঘড়ী চাই উঠি পৰিলোঁ। ইয়াতে বহুত সময় পাৰ হৈ গ'ল। কিন্তু এনে সুন্দৰ ভাবে জানো মানুহৰ সময় সদায়ে অতিবাহিত হয়?

বৃদ্ধই মোক পদুলিলৈ আগবঢ়াই থলেহি। তেওঁৰ স্ত্ৰীও লগত আছিল। মোৰ বুটন হ'লত এটি নতুন গোলাপ গুজি দি হাঁহি উঠিল। আন্তৰিক স্নেহত বৃদ্ধই মোৰ হাতখন চেপি ধৰিলে। সুন্দৰ হাঁহি এটি মাৰি ক'লে : আউফ ডিভাৰজেহেন।

পদুলি এৰি আগলৈ আগবাঢ়িলোঁ। প্ৰৌঢ়াই হাত জোকাৰিলে। মৃত চকু দুটি তুলি বৃদ্ধই তেতিয়াও হয়তো মোৰ ভৰিৰ শব্দ শুনিবলৈ চেষ্টা কৰিছে।

সেউজীয়া গছ-গছনি ফল-ফুলেৰে পৰিপূৰ্ণ ঘৰটো দেখিবলৈ বেচ ৰমনীয়। ওপৰত মুকলি আকাশ। সন্ধ্যা তেতিয়া নামি আহিছে।

মই নিকল মানুহজনক ভাল পাওঁ চৰিত্ৰত তেওঁৰ এক পৰিপূৰ্ণ টেঙৰামি থকা সত্ত্বেও তেওঁৰ শিল্পীমন আৰু সুন্দৰ ব্যবহাৰে মোক মুগ্ধ কৰিছে। সামান্য, তুচ্ছ কথাকে তেওঁ অতি সুন্দৰভাবে বৰ্ণনা কৰিব জানে।

তেওঁৰ কাৰণে মই কিছুমান ভাৰতীয় বয়ন-শিল্পৰ নক্সা আৰু

কিছুমান ডিজাইন সংগ্ৰহ কৰিছোঁ। আমাৰ ভাৰতীয় নক্সা দেখি তেওঁতো অভিভূত।

আবেলিৰ সময়খিনি মোৰ কাৰণে আছিল ক্লান্তিকৰ। বাটে পথে অকলে অকলে ঘূৰিবলৈ মোৰ ভাল নালাগে। আনৰ গাত পৰি দায়িত্বহীন ভাবে কথাবাৰ্ত্তা হোৱাত মই অভ্যস্ত নহয়।

ব্যৱহাৰিক ভদ্ৰতা ৰক্ষা কৰি কথা কোৱা, ওঁঠৰ স্বচ্ছল হাঁহি, প্ৰতিবাদৰ প্ৰবল ইচ্ছাক সংযত কৰি মৌন সম্মতি, শেষত ট্ৰাউজাৰচৰ ভাঁজ বচাই টানকৈ টাই মাৰি ডিনাৰৰ কাৰণে হুলস্থূল কৰি উঠাতেই মই অভ্যস্ত নহয়।

দৈনন্দিন অভ্যস্ত জীৱন প্ৰণালীৰ গণ্ডী এৰাই বিদেশলৈ আহি বহুতে বহুত অসুবিধাত পৰা শুনিছোঁ। কিন্তু যেতিয়াই-তেতিয়াই যিটিয়ে মোক আমনি কৰিছে, সেয়া হ'ল ইয়াৰে—কুলটুৰ। যতে ততে কুলটুৰৰ প্ৰাচুৰ্য্যই মোক বিব্ৰত কৰি তুলিছে।

পিতা মৃত্যু শয্যাত। পুতেক আহিল দেখা কৰিবলৈ। লগতে বোধহয় বোৱাৰীও আহিছে। আৰু লগত লৈ আহিছে ফুল। মুৰ তল কৰি পুত্ৰৰ অলপ সময় বহি থকা। তাৰ পিচত ঘৰৰ পৰা ওলাই অহা।

মোৰ প্ৰশ্ন, সকলোতো বুজিলোঁ, কিন্তু ফুল কিহৰ বাবে? পিচত বুজিছোঁ এইয়া এই দেশৰ কুলটুৰ।

নাচৰ ফ্লোৰত কোনো সুন্দৰীক দেখি তেওঁৰে সৈতে যদি নাচিবলৈ আহ্বান কৰা যায়, প্ৰবল-অনিচ্ছাসত্ত্বেও সেই সুন্দৰীক এৰাটো সম্ভৱ নহয়। লঘু সঙ্গীতৰ লগত তাল বজাই ৰাখি অনভ্যস্ত খোজেৰে কোমলদেহ দুবাহুত লৈ তেওঁ যেতিয়া উদ্বাল, তেতিয়া তৰুণীৰ বিষন্ন চিত্ত ওঁঠত বিৰক্তিৰ চাপ আৰু নিৰ্লিপ্ত পদক্ষেপ তথাপিও ইয়াত মুখেৰে কোৱাতো সম্ভৱ নহয়: ক্ষমা কৰিব, আপোনাৰ লগত মই নাচিব নোৱাৰিম।

কাৰণ সুস্পষ্ট—কুলটুৰ।

তথাপিও মোৰ দৰে যদি ক'লা মানুহ হয় অতি বিনয়ৰ সৈতে কোনো এক তুচ্ছ অজু হাতৰ আশ্ৰয় হয়তো সেই সুন্দৰীয়ে লব। ক'ব : মোৰ শৰীৰ বেয়া। মোক ক্ষমা কৰিব, মই আজি নানাচো।

পিচমুহূৰ্ত্তে যদি সুন্দৰীৰ স্বামী নাইবা প্ৰেমিকা সেই ঠাইত উপস্থিত হয়হি প্ৰবল আগ্ৰহ থাকিলেও তেওঁলোকৰ আহ্বানত সেই সুন্দৰীয়ে সহাঁৰি নিদিয়ে। লঘু ফক্সট্ৰটৰ আহ্বানত তেওঁ ওভোটাই দিবই লাগিব। সেই আবেলি অসুখৰ ভাও ধৰি সময়খিনি পাৰ কৰি দিবই লাগিব। বুজিব লাগিব সেয়াই কুলটুৰ।

এদিনাখন টলাৰ চাহাবক ডিনাৰলৈ মাতিছিলোঁ। বহুত কিবাৰ লগত প্ৰচুৰ পৰিমাণৰ পেপেৰিকা স্নেৎচেল আৰু চাওৱাৰ ক্ৰাউট খোৱা হৈছিল। এই বস্তু দুটাত মোৰ একেবাৰে অৰুচি নাই। কিন্তু দুদিন নে এদিন টলাৰ চাহাবে বিচনাৰ আশ্ৰয় লব লগা হৈছিল। জ্বলা আৰু টক্ দুয়োটাই বোলে টলাৰ চাহাবে খোৱা নিষেধ।

ইফালে মোৰ লাজতে মৰি যোৱা অৱস্থা। পিচত মই গম পাইছিলোঁ, মই বোলে আগ্ৰহৰে সৈতে খুৱাইছিলোঁ, তেৱোঁ বোলে মোক ক্ষুণ্ণ কৰাৰ ভয়ত বাধা দিব পৰা নাছিল। মইতো হতভম্ব, এয়াই জানো কুলটৰ ?

এই পটভূমিত বিচাৰ কৰিলে নিকলক মোৰ বেছি স্বাভাৱিক যেন লাগে।

সেই ৰেস্তোৰাঁ। সেই চকী মোক দেখা পাই তেওঁ প্ৰায় চকীৰ পৰা জাপ মাৰি উঠিল। তেওঁৰ লগত এজন সুদৰ্শন যুৱকো বহি আছে। কাষত এজনী ছোৱালীও। অপৰিচিত দুখন মুখ। মই নিকলৰ ওচৰত বহিলোঁ।

পৰিচয় হ'ল। অপৰিচিত যুৱকৰ নাম ৰুড্লফ। ছোৱালী গৰাকী নিকলৰ বান্ধবী।

কথা বতৰাৰ প্ৰাৰম্ভতে, পৰিচয়ৰ প্ৰথম সূত্ৰপাততে ৰুড্‌লফৰ কথাত মই অভিভূত হৈ পৰিলোঁ।

সুন্দৰ বুদ্ধিদীপ্ত চেহেৰা ৰুড্‌লফৰ। চকু দুটিত অলস দৃষ্টি। মুখত সুন্দৰ হাঁহি : কানচত আপোনালোকৰ দেশৰ বোলছবি দেখিলোঁ। এনেকুৱা এখন মহান চিত্ৰ সাম্প্ৰতিক কালত মই দেখা নাই। সত্যজিত ৰায়ক আপুনি জানেনে ?

প্ৰশ্নৰ উত্তৰ মই দিব লগা নহ'ল। ৰুড্‌লফে আপোনমনে 'পথেৰ পাচালী'ৰ কাহিনী কৈ গ'ল।

বঙ্গদেশৰ অখ্যাত এখন গাৱঁৰ, অতি নগন্য মানুহৰ চিত্ৰৰূপ যে কোন ভাবে এই বিদেশী যুৱকক আকৰ্ষণ কৰিছে মই দেখিতো আচৰিত। ফোটোগ্ৰাফী সম্পৰ্কে তেওঁ প্ৰশংসাত উচ্ছ্বসিত। গুখুৰীৰ পাৰে দি সঙ্গীতৰ তালে তালে মিঠাইওৱালা চলনভঙ্গী আৰু পিচত যোৱা কুকুৰটোৰেও ৰুড্‌লফৰ দৃষ্টি এৰা নাই। ধুমুহা বতাহৰ পিচত মৰা সেই বেঙটোও তেওঁ লক্ষ্য কৰিছে।

ৰুড্‌লফে এই ছবি চাই অকল উচ্ছ্বসিতই নহয়, অভিভূতও। আৰু বহুত কথা। বহুতো কিবা।

কিন্তু মই ভাবিছোঁ অন্য কথা। এই ছবিখনৰ সাৰ্থক ৰূপ দিবলৈ গৈ যি পৰিমাণৰ হতাশা আৰু নৈৰাশ্যৰ পথ অতিক্ৰম কৰিবলগীয়া হৈছিল সেই স্ৰষ্টাৰ, সেই খবৰে বা কেইজনে ৰাখিছে ?

ডিষ্ট্ৰিবিউটৰৰ দলে পৰস্পৰ চকুৱে চকুৱে চাই 'প্ৰজেকশ্যন ৰুম'ৰ পৰা ওলাই আহিছে। এটি কণাকড়ি দিও ছবিখন শেষ কৰিবলৈ উৎসাহ দিয়া নাই। মহা মহা দিকপাল, অপৰ্য্যাপ্ত আদিৰসৰ ব্যৱহাৰেৰে দেশৰ তৰুণ চিত্ত লৈ যিসকলে চিনেমা 'হিট'ৰ সপোন দেখে তেওঁলোকৰ কোনোবাই টালিগঞ্জৰ ফ্লোৰত বহি মন্তব্য কৰিলে : সকলো লক্ষ্য কৰিছোঁ। বিদগ্ধ সমালোচকে নেপথ্যত মন্তব্য কৰিলে : ছবি শেষ নোহোৱালৈকে মন্তব্য কৰা মুস্কিল, কিন্তু

'নিও' 'নিও' গোন্ধ হলে পাইছোঁ। নিও-ৰিয়ালিজম বুলিলে মই বুজোঁ।......। ইত্যাদি।

আৰু বুদ্ধিজীৱী সকল? তেওঁলোকে কৰিলে কি? চুলিত আঙুলি বুলাই হাঁহি হাঁহি ক'লে: এই বোৰ নিও নহয়। একেবাৰে প্লেজিয়াৰিজম্। আইজেনষ্টাইনৰ সেই ছবিখন? কি যে নাম......? ইত্যাদি।

অৰ্দ্ধসমাপ্ত ছবিলৈ এই দুঃসাহসী মানুহজন কিন্তু নৰ'ল। বিৰুদ্ধ সমালোচনা আৰু বিদ্রূপৰ বহুত ওপৰত তেওঁ।

গভীৰ ৰাতি। মানুহজনৰ টোপনি নাই। 'চিনেৰি'ও টানি বাহিৰ কৰিলে। লিখিছে, কাটিছে, পুনৰ নতুনকৈ লিখিছে।

নীৰৱ মৃত পুথুৰীত হঠাতে কোনো বিক্ষিপ্ত ঢউৰ লগত কিমান মিঠা সুৰৰ ঝঙ্কাৰে গোটেই পৰিবেশক আৰু নিবিড় কৰে? নিজৰ আপোনজনৰ বিয়োগ বেদনাত পিতৃৰ কণ্ঠ কিমান সহজ ভাবে ধ্বনিত হয়?

মানুহজনৰ বিশ্ৰাম নাই। এখন গাওঁৰ পৰা আন এখন গাওঁলৈ অজ্ঞাত উপেক্ষিত মানুহৰ মাজৰ পৰা অভিনেতা নিৰ্বাচন কৰিছে। প্ৰখৰ ৰ'দকো উপেক্ষা কৰি ঘূৰি ফুৰিছে। বিভূতি ভূষণে দেখা কহুৱা বন আৰু কিমান দূৰ?

তথাপিও এই সংগ্ৰাম সত্যজিৎ ৰায়ৰ অকলে নহয়। মহৎ আৰু সুন্দৰ সৃষ্টিৰ পিচত হয়তো এই একেই ইতিহাস।

সৃষ্টিৰ আৰম্ভণীৰ পৰাই সুন্দৰ অসুন্দৰৰ ওচৰত, সুৰে অসুৰৰ ওচৰত মাৰ খাইয়ে আহিছে। শুচিতা অশুচিতাৰ ওচৰত চিৰকালেই অপ্ৰস্তুত। কিন্তু পৰাজয় হলে স্বীকাৰ কৰা নাই। বহুত বাধা আৰু ক্লেশৰ পিচত মূৰ দাঙি ঠিক সেই ভাবেই থিয় হৈছে।

: কি ভাবিছা হেৰ জেন? নিকলে প্ৰশ্ন কৰিলে।

নিকলৰ কথাত চেতনা পালো। ৰুড্‌লফৰো পৰিচয় পালো।

তেওঁ চলচিত্ৰৰ সম্পাদক। পেৰীত বহুদিন কটাইছে। এইবাৰ দেশলৈ উভতি আহিছে।

অপৰিচিতা ছোৱালীজনী অলপো অসাধাৰণ নহয়। দেখিবলৈ হয়তো সুন্দৰী নহয়। তথাপিও আন পাঁচগৰাকী ছোৱালীৰ এওঁ যেন ব্যতিক্ৰম। মোৰ মুখৰ ফালে অবাক হৈ চাই ৰৈছে। চকুৱে চকুৱে পৰিলে হাঁহি দিয়ে। অতি সাধাৰণ পোচাক। প্ৰসাধনৰ বাহুল্য নাই। দেহ বিভ্ৰমত চপলতা নাই। কণ্ঠস্বৰ শ্ৰুতি মধুৰ।

কথা বতৰা হ'ল। বিশ্ববিদ্যালয় ছাত্ৰী। উদ্ভিদ বিজ্ঞানৰ। নিকলৰ দূৰ সম্পৰ্কীয় আত্মীয়।

মোৰো পৰিচয় পালে। বুজিলোঁ এইবাৰ স্ত্ৰীৰ ওপৰত হাত পৰিব।

পৰিলোঁ। মুহূৰ্ত্ততে ওঁঠৰ হাঁহি মিলি গ'ল। বিয়াৰৰ পাত্ৰটি মেজত ঘঁহি ঘঁহি ক'লে: আপোনাৰ স্ত্ৰী বোধহয় ভাৰততে আছে?

উত্তৰ মোৰ প্ৰস্তুত। হাঁহি টাইডাল ঠিক কৰি মই আগতে সাজি থোৱা গল্পটো কলোঁ। আগতে কৰিছিলোঁ সকাৰণে, আজি-কালি মন্দোদৰীৰ ছবিও অকাৰণতেও উলিয়াও।

নিকলে হাত আগবঢ়াই ছবিখন চাব ধৰিলে। আপোন মনে কৈ গ'ল: ভাৰতীয় ছোৱালীৰ চেহেৰাত সুন্দৰ কমণীয়তা দেখিবলৈ পোৱা যায়। মোৰ কিন্তু তোমালোকৰ দেশৰ ছোৱালীবোৰক ভালেই লাগে।

ছোৱালীজনীয়ে ক'লে: ভাৰতীয় ছোৱালী মই বহুত দেখিছোঁ। আপোনালোকৰ দেশৰ ছোৱালীবোৰৰ সাজ-পাৰো বৰ সুন্দৰ।

ছোৱালীজনীয়ে ফটো খন বহুত সময় ধৰি ৰাখে। মন্দোদৰী দেবীৰ সৌন্দৰ্য্যৰ প্ৰশংসাত তেওঁ পঞ্চমুখ হৈ উঠিল।

হায় মন্দোদৰী দেবী। নাজানোঁ, তোমাৰ ঘৰ ক'ত। কোন তুমি? কি তোমাৰ ইতিহাস? তোমাৰ সৌন্দৰ্য্যৰ ফেৰিওৱালা হৈ

এই বিদেশত যে মই প্ৰচাৰ কৰি আছো সেই সংবাদো তোমাৰ অজ্ঞাতেই ৰৈ গ'ল।

দেখিলোঁ৷ ছবিখন ৰুড্‌লফৰ হাত পালেগৈ।

কিছু সময় ৰুড্‌লফে ছবিখন নিৰীক্ষণ কৰিলে। পিচত দেখিলোঁ৷ তেওঁ বাওঁ হাতৰ আঙুলিৰে কপালত কেইবাৰমান মৃদুভাৱে আঘাত কৰিলে। মোৰ ফালে ঘূৰি চাই ক'লে ঃ এই ছোৱালীজনীক মই ক'ৰবাত দেখিছোঁ৷। এওঁ এই চহৰতে আছে।

নিকলে হাঁহি ক'লে ঃ ৰুডলফ বিয়াৰতো তোমাৰ নিচা হয় নেকি ?

ছোৱালীজনীয় খিলখিলাই হাঁহি উঠিল।

মই আচৰিত হৈ ৰুড্‌লফৰ মুখৰ ফালে চাই থাকিলোঁ।। মানুহজনে কয় কি ?

ৰুড্‌লফ পোন হৈ বহিল। ক'লে ঃ কেনে আচৰিত মিল। হেৰ জেন মোৰ কিন্তু ভুল হোৱা নাই। ৰেল ষ্টেচন নে ফ্ৰেণ্ড হোষ্টেল ক'ত দেখিছোঁ৷ ঠিক মনত পৰা নাই। ইমান ভুল মই কৰিম নে ? হেৰ জেন আপুনি নিশ্চয় কিবা লুকাইছে ?

হাঁহি উঠিল। কি উত্তৰ দিম এই কথাৰ ?

নিকলে ক'লে ঃ ভাৰতৰ বৰ বেছি ছোৱালী দেখিছা বুলি মনত হোৱা নাই। প্ৰায় সকলো ছোৱালীয়ে সেই দেশত শাৰী পিন্ধে। তুমি ভুল কৰিছা।

ছবিখন মোৰ হাতলৈ উভতি আহে। বেগত ভৰাই থওঁ। মাত্ৰ ৰুড্‌লফৰ চকুত বিস্ময়। কি আচৰিত মিল।

নিকল আৰু ছোৱালীজনী যাবলৈ উঠিল। 'পাওচিয়ন' পৰ্য্যন্ত ৰুড্‌লফে তেওঁৰ গাড়ীত মোক আগবঢ়াই থলে। মন্দোদৰীৰ ছবিখন ৰুড্‌লফে মুহূৰ্ত্তৰ কাৰণেও নাপাহৰা দেখি আচৰিত হওঁ। মাত্ৰ বিস্ময়ৰে মোলৈ চাই থাকিল। আপোন মনে কৈ গ'ল ঃ মোৰ

ইমান ভুল কেনেকৈ হ'ব পাৰে ? ছোৱালীৰ ছবি চাই চাই মোৰ চকু নষ্ট হ'বৰ উপক্ৰম। মই এই গৰাকী ফ্ৰলাইনক্ বিচাৰি পামেই।

মই ইহঁত দেখি তেওঁ বিমূঢ় হৈ পৰিল। বিস্ময় ভৰা চকু দাঙি ক'লে ঃ মোক আচৰিত কৰিলে।

ৰুড্‌লফৰ পাগলামি দেখি হাঁহি হাঁহি ঘৰলৈ উভতি আহোঁ।

পিচদিনাখন মজুমদাৰৰ দোকানত আড্ডা দিছিলোঁ। আজি কালি সময় পালেই এওঁৰ লগত আড্ডা দিওহি। অতি সুন্দৰ ব্যৱহাৰ, আন্তৰিক স্নেহশীলতাৰ সহজ এক আকৰ্ষণ আছে।

মাত্ৰ এটি কথাই মোৰ মনলৈ আহি আছে কিয় বাৰু এই মানুহজন ইমান বাহিৰত আছেহি ? নানাত কথাত, আলোচনাত বুজিব পাৰিছোঁ 'ভাগ্য' নাইবা 'কেৰিয়াৰ'ৰ তাগিদাত বোম্বেৰ ৰোৱানিজ হোটেলৰ জলা তৰকাৰী ডিঙিত পেলাই জাহাজৰ খালাচীৰ বহীত নাম লিখাই দূৰ দেশলৈ অহাৰ কোনো মুখৰোচক ঘটনা এওঁৰ জীৱনত ঘটা নাই।

কেমেৰাৰ দোকান খুলিবৰ কাৰণে ইমান দূৰলৈ অহাৰে বা দৰকাৰ কি ? কলিকতাৰ ধৰমতলাতেতো এয়া তেওঁ নিৰ্বিঘ্নে সমাধা কৰিব পাৰিলেহেঁতেন। ডিঙি বন্ধ কোট পিন্ধি প্ৰেসিডেন্সী কলেজলৈ পঢ়িবলৈ অহা, হিন্দু হোটেল, গাৰো পাহাৰত হাতী চিকাৰ, ঘৰৰ জলসাঘৰত দৰবাৰী কানাড়া আৰু ইংলণ্ডত আইন পঢ়িবলৈ যোৱাৰ লগত আজি নিউৰেমবাৰ্গতে কেমেৰাৰ দোকানত টেলি-ফোটো লেন্সৰ গ্ৰাহকৰ লগত হাঁহি হাঁহি কথা কোৱাৰ কোনো যোগসূত্ৰ বিচাৰি পোৱা নাই।

অৱশ্যে মই কোনোদিনাখনে এই বিষয়ে প্ৰশ্নও কৰা নাই। সাধাৰণভাৱে জানিব খুজিছোঁ। আগ্ৰহ প্ৰকাশ কৰা নাই।

তথাপিও এই দেশৰ ছোৱালীৰ প্ৰতি মজুমদাৰৰ বিশেষ পক্ষ-

পাণ্ডিত্ব মোৰ চকুত পৰিছে। হাঁহি হাঁহি এদিনাখন শুনালে। কৈছিল ঃ চোৱা মটৰ ৰেচ নাইবা পিকনিকত তোমাৰ আমেৰিকান ছোৱালী ভাল লাগিব। আবেলি পৰত যা-তা গল্প কৰোতে কৰাচী বান্ধবীয়েই প্ৰশস্ত। কিন্তু সংসাৰ কৰিবলৈ হলে জাৰ্মানী ছোৱালীয়েই উপযুক্ত।

তেওঁৰ কথা মই গভীৰ ভাবে গ্ৰহণ কৰিছিলোঁ। পাহৰি গৈছিলো যে এই দেশৰে এজনী ছোৱালী তেওঁ বিয়া কৰাইছে। সেই কাৰণে উত্তৰো সোনকালে মোৰ মুখলৈ আহিছিল। কৈছিলো ঃ আমাৰ দেশৰ ছোৱালীবোৰে কি দোষ কৰিলে? আমাৰ দেশত জানো সংসাৰ নাই? তাতে জানো ঘৰ সংসাৰ মানুহে কৰা নাই?

কৈয়ে ভাব হ'ল ভুল কৰিলোঁ। মজুমদাৰৰ মৌনতা দেখি সেই ধাৰণা মোৰ দৃঢ় হ'ল। আৰু বুজিলোঁ সামান্য এটি কথা লৈ বহুত কথা ক'ব খুজিছিল। মোৰ উত্তৰ শুনি তেওঁ প্ৰসঙ্গ এৰি পেলালে। কিছুপৰিমাণে অপ্ৰস্তুতো হল। বহুত সময় তললৈ চাই থাকিল।

লাজ পালোঁ। সহজ হ'বলৈ ক'লো ঃ তৰ্ক মোৰ চৰিত্ৰৰ এক অপৰিহাৰ্য্য অঙ্গ বুলিয়ে ক'ব পাৰে। মই ঘৰ ভাঙিব খোজা নাই। মোৰ দৃষ্টিকোণ ···।

বাধা দিলে। ম্লান হাঁহি এটি মাৰিলে। চিগাৰেট ডাল ছাইদানিত থৈ ধীৰ, সংযত কণ্ঠেৰে ক'লে ঃ মিউনিক কেনেকুৱা লাগিল? আকৌ ক'ৰবালৈ যাব নেকি?

অতি সাধাৰণ কথা কেইটিৰ উত্তৰ দিবলৈ মোৰ কেই মুহূৰ্ত্তমান পলম হ'ল। ক'লো ঃ এই মাহৰ শেষত বাৰ্লিনলৈ যোৱাৰ কথা আছে।

মজুমদাৰ যেন সহজ হ'ল। হাঁহি ক'লে ঃ এটা শিলেৰে তিনিটা চৰাই মৰা, ৰথ দেখা আৰু কল বেচা, লগতে পাপৰ খোৱাও তোমাৰ হ'ব। ঘূৰি আহাগৈ।

কথা ভালকৈ নুবুজিলোঁ। কৌতূহল লৈ প্ৰশ্ন কৰোঁ ঃ সহজ ভাবে কওঁক। পাপৰ আৰু চৰাইয়ে সকলো গোলমাল কৰি দিলে।

মজুমদাৰে হোঁ হোঁ কৈ হাঁহি দিলে। ক'লে ঃ তুমি আমেৰিকা লৈ গৈছানে ? বাৰ্চিয়ালৈ নিশ্চয় যোৱা নাই।

কলো ঃ নাই, যোৱা নাই। কিয় কওঁকছোন ?

স্নিগ্ধ হাঁহি এটি মাৰি ক'লে ঃ বাৰ্লিনত তুমি সকলো পাবা। অৱশ্যে মই দেখা বাৰ্লিন আজি তুমি হলে দেখা নোপোৱা। বাৰ্লিনৰ আজি অন্য চেহেৰা। এফালে চাবা নিউইয়ৰ্ক আৰু আনফালে মস্কো। 'কুৰফুৰষ্টেনডাম' হল নিউইয়ৰ্ক আৰু 'ষ্টেলিন আলী'ৰ লগত মস্কোৰ তুলনা হয়।

ঘড়ী চাই উঠিব লগা হল। এডাল চিগাৰেট আগবঢ়াই দি মজুমদাৰে কলে ঃ কালি আবেলি মোৰ ঘৰলৈ আহিবা খুব গল্প কৰিব লাগিব। তুমি ডিনাৰ মোৰ ঘৰতেই খাবা।

কিন্তু ডিনাৰ ক'ত। চুপ ক'ত ? সৰু ডাঙৰ নানা ৰবণৰ বিচিত্ৰিত প্লেটত কাটা চামুচৰে সমাৰোহেই বা ক'ত ?

এইয়া যেন ডিনাৰ নহয়—আহাৰ। মজুমদাৰৰ আপ্যায়ন 'হেলপ্ ইয়োৰচেলফ'ৰ বাষ্প মাত্ৰ নাই। সুন্দৰ বিনয়ত, অতি সুন্দৰ অনুৰোধ যেন ঃ আহা, দুটা মুখত দিয়াহি।

সুন্দৰ বগা ভাত। আলু ভজা, অলপ ঘি। মুগৰ ডাইল, মাংসৰ কোৰ্মা। বন্ধা কৰিব টক। পায়সত শেষ।

টেবুলৰ অৱস্থা দেখি হাত চাপৰি বজাই উঠো। আচৰিত হৈ কওঁ ঃ আপুনি কৰিছে কি ? এনেকুৱা সুন্দৰ ব্যৱস্থা কেনেদৰে কৰিলে ?

মজুমদাৰে আনন্দিত হৈ ক'লে ঃ এয়া আৰু কি ব্যৱস্থা ! দৈবাৎ কেতিয়াবা তোমালোকৰ নিচিনা মানুহৰ লগত দেখা হলে ঘৰলৈ

মাত্তি আনি অলপ অচৰপ চেলিব্ৰেট কৰোঁ। এক ধৰণৰ খানা খাই নিশ্চয় বেয়া লাগিছে। ভাত নিশ্চয় তোমাৰ ভাল লাগিব।

উত্তৰত কওঁ: আপুনি আগতে মোক কোৱাহেঁতেন ধুতী পাঞ্জাবী পিন্ধি আহিলোহেঁতেন। হেণ্ডচেক নকৰি নতজানু হৈ আপোনাক প্ৰণাম কৰিলোহেঁতেন। আপুনি মোক ঠগালে।

মজুমদাৰে অবিমিশ্ৰ এক আনন্দৰ হাঁহিত গোটেই পৰিবেশ ভৰাই তুলিলে।

তথাপিও কেনেকুৱা যেন পেট ভৰিল হয়, মুখতো নভৰিল। মুগৰ ডাইলৰ লগত বগা জিৰাৰ তেলনি ক'তা? মাছৰ আঞ্জাত যে মচলাৰ চিহ্নমাত্ৰ নাই।

এইয়া যেন কৃপালনীজীৰ 'শেষেৰ কবিতা'ৰ ইংৰাজী অনুবাদ শেষ অৰণ্যে হ'ল, কবিতা হলে মুঠেই নহ'ল।

খুঁত বৈ গলেও মজুমদাৰৰ আন্তৰিক ব্যৱহাৰ, অতি সুন্দৰ আপ্যায়নত সেইয়া তল পৰি গ'ল। যিখিনি ত্ৰুটী আছিল সেইয়া অক্লেশে মেজৰ ৰস ৰচনাত তল পৰি গ'ল।

এচামুচ পায়স তুলি লৈ মজুমদাৰে প্ৰশ্ন কৰিলে: আল্লচ কেনেকুৱা লাগিল?

মুহূৰ্ত্ততে মোৰ মনতো বিস্বাদত ভৰি গ'ল। পায়সত মিঠা ঠিকেই হৈছিল। কোনোমতে উত্তৰ দিলোঁ: ভালেই। আল্লচ খুব সুন্দৰ লাগিল।

মোৰ বিস্বাদত ভৰা মুখখন এইবাৰ বিস্ময়ত ভৰি উঠিল। মজুমদাৰৰ মুখত ম্লান হাঁহি। শূন্য প্লেটত আচোঁৰ কটিবলৈ ধৰিলে। সুন্দৰ মুখশ্ৰী আগুৰি এক কৰুণ বেদনাৰ সুৰ যেন গোটেই মুখমণ্ডলত দেখা গ'ল। মোৰ মুখৰ ওপৰত চকু ৰাখি ক'লে: দুবছৰমান আগতে ভিয়েনাৰ পৰা ওভোটাৰ পথত আল্লচত মোৰ স্ত্ৰীক জীৱনৰ কাৰণে থৈ

আহিছোঁ। মোৰ আল্পচক খুব ভাল লাগিছিল। কিন্তু আজি হলে মোৰ খুব ভয় লাগে।

গোটেই দেহত শীতল স্পৰ্শ অনুভৱ কৰিলোঁ। সুধিলোঃ দুৰ্ঘটনাত নেকি?

শুকাণ মুখেৰে ক'লে ঃ ঠিক তেনেকুৱাই! মোৰ স্ত্ৰী পেটৰ বেদনাত ভুগিছিল। এজন পৰিচিত চাৰ্জনৰ ওচৰলৈ গৈছিলোঁ। সেই সময়ত আছিল জানুৱাৰী মাহ। ভীষণ ঠাণ্ডা। প্ৰয়োজনীয় নিৰ্দেশ লৈ ওভোটাৰ পথত আল্পচলৈ গৈছিলোঁ।

অষ্ট্ৰিয়াৰ মাজেদি আল্পচত দুদিন কটাই টিৰল হৈ মিউনিকলৈ আহিম এনে বন্দোবস্ত কৰিছিলোঁ।

আল্পচৰ পৰা উভতি অহাৰ মাজ পথতে দিনটো যেন কেনেকুৱা হৈ গ'ল। চাৰিওফালে ধোৱাঁৰে ভৰি উঠিল। বৰফ পৰিবলৈ আৰম্ভ কৰিলে। পথ বিচাৰি উলিওৱা টান হৈ পৰিল। গাড়ীৰ চকা বাৰে বাৰে পিচল খালে।

গাড়ীখন এবাৰ ঘূৰিব খোজতে পাক খাই বাগৰি বাগৰি কিবা এটাত লাগি বৈ গ'ল। লগে লগে অজ্ঞান হৈ পৰিলোঁ।

কিমান সময় অজ্ঞান হৈ আছিলোঁ ক'ব নোৱাৰোঁ। কিহবাৰ স্পৰ্শত মোৰ চেতনা উভতি আহিল। চকু মেলি দেখো যে চাৰিওফাল অন্ধকাৰত ভৰি উঠিছে। তেতিয়াও অবিৰাম ভাবে বৰফ পৰি আছে। সোঁফালে মোৰ কোটত ধৰি কোনোবাই টানিব ধৰিছে। অসহ্য যন্ত্ৰণাত মোৰ গোটেই দেহ অৱশ। লৰ-চৰ কৰাৰ ক্ষমতাও হেৰুৱাই পেলাইছোঁ। অতি কষ্টেৰে ঘূৰি চাই দেখো যে বিৰাট 'চেণ্ট বাৰ্ণাডে' মোৰ কোটত ধৰি টানিব ধৰিছে। আল্পচত মানুহৰ একমাত্ৰ বন্ধু।

কুকুৰটোৰ ডিঙিত কিবা এটা বন্ধা আছে। বুজিলোঁ মদ। অতি কষ্টেৰে বুটাম খুলি সেইটো হাতত তুলি ললোঁ। মুহূৰ্ত্তে

কুকুৰটো অদৃশ্য হৈ গ'ল। তাৰ চিঞৰ লাহে লাহে মিলি গ'ল।

কিছুখিনি নিজে খালোঁ। ভীষণ যন্ত্ৰণাত অৱশ দেহ। ঘূৰিব খোজতেই দেখিলোঁ মোৰ কোটতো তিতি গৈছে।

অন্ধকাৰ। আনকি নিজৰ হাতো ভালকৈ দেখা নাযায়। মোৰ স্ত্ৰীৰ কোনো শব্দই নাই। বাওঁহাতখন দাঙিবৰ উপায় নাই। সোঁহাতখনেৰে জোকাৰি দিলোঁ। মোৰ গাত আহি পৰিলহি। শৰীৰ একেবাৰে ঠাণ্ডা। নিজৰ সকলো শক্তি প্ৰয়োগ কৰি এবাৰ মাত্ৰ চিঞৰি উঠিলোঁ।

কিছুসময় পিচত পুনৰ কুকুৰৰ চিঞৰ কাণত পৰিলহি। উদ্‌গ্ৰীব হৈ বাহিৰৰ অন্ধকাৰৰ ফালে চাই থাকিলোঁ। অকল এটা কুকুৰৰ নহয়, বহুত কুকুৰৰ চিঞৰ।

কুকুৰৰ পিচত মানুহ। উদ্ধাৰকাৰী দলক চেণ্ট বাৰ্ণাডে মাতি লৈ আহিছে। শক্তিশালী টৰ্চৰ তীব্ৰ পোহৰত চাৰিওফাল উদ্ভাসিত হৈ উঠিল।

বহুত আগতেই মোৰ স্ত্ৰীয়ে প্ৰাণ হেৰুৱাই পেলাইছে। আচৰিত! বাহিৰত সামান্য ৰকমৰ আঘাতৰ চিন পৰ্য্যন্ত নাই। মই হস্পিটাললৈ যাব লগা হ'ল। মোৰ হাতখন ঠিক হবলৈ পুৰা তিনমাহ লাগিল। তাৰ পিচত ঘৰলৈ উভতি আহোঁ।

প্ৰথমতে ভাব হৈছিল নোৱাৰিম বুলি। অকলে অকলে থাকিব নোৱাৰিম বুলিয়ে ভাবি লৈছিলোঁ। দিন-দুপৰতে অন্ধকাৰ ঘৰতে সোমাই থাকোঁ।

সময় আৰু সময়! সময়ে মনক শাসনলৈ আনে। আজি মোৰ এলাৰ্জি হলেই ডাক্তৰক দেখুৱাও। সামান্য ভাবে জ্বৰ উঠিলেও ঔষধৰ স্তূপৰে মোৰ মেজ ভৰি উঠে।

নৈৰাশ্যৰ এক শূন্য হাঁহিৰে মজুমদাৰে ঘৰটো ভৰাই দিলে।

খোৱাৰ মেজৰ পৰা চোফাত আহি বহিলোহি। এডাল চিগাৰেট লগাই লৈ কওঁ : আপোনাৰ দেশলৈ উভতি যাবলৈ জানো ইচ্ছা নহয় ?

উত্তৰ দিওঁতে সময় ললে : নাই, নহয়। চেষ্টা কৰিছিলোঁ, কিন্তু নোৱাৰিলোঁ।

উত্তৰ শুনি মই আচৰিত হওঁ। নিজৰ অজ্ঞাতেই প্ৰশ্ন কৰিলোঁ : বাধা কিহৰ ?

চোফাত বহি বাওঁ হাতৰ তলুৱাখন নিৰীক্ষণ কৰি কৰি উত্তৰ যেন দিবই লাগিব এনে সুৰত ক'লে : সেয়া বহুত কথা। সেই দীঘল কাহিনী শুনি হয়তো তোমাৰ ভাল নালাগে। এই প্ৰসঙ্গ নুতুলিলেই মই ভাল পাম।

মজুমদাৰৰ কণ্ঠৰ প্ৰাণশক্তিৰ প্ৰাচুৰ্য্যতা একেবাৰে নিঃস্ব হৈ গ'ল। শূন্য দৃষ্টি। শুকাণ মুখত বিষন্ন কঠিনতা ফুটি উঠে।

সেই ৰাতি মানসিক এক ক্লান্তিত ঘৰলৈ উভতি আহোঁ। বিছনাত ইফাল সিফাল বহুত সময় বাগৰিলোঁ। টোপনি অহা নাই। বাৰান্দাত আহি বহিলোহি। এডালৰ পিচত এডাল চিগাৰেট শেষ হ'ব ধৰিলে। তথাপিও মজুমদাৰৰ ৰিক্ত হাঁহিৰ অনুৰণন মোৰ কাণলৈ নগ'ল। প্ৰচ্ছন্ন অভিমানৰ যেন এক সুৰ তেওঁৰ কথাত শুনিবলৈ পাইছোঁ। মুখৰ হাঁহিত বিষন্ন এক যেন ক্ষোভ দেখা পাইছোঁ।

ৰাতি গভীৰ। মুখৰ চহৰ নীৰৱ। হিমপ্ৰবাহৰ এন্ধাৰত কুঁৱলি ওৰণী, নীয়ন লাইটৰ পোহৰ অব্যক্ত। বিলীয়মান গীৰ্জ্জাৰ চূড়াৰ ওপৰেদি দূৰৈৰ আকাশ অলপ অলপ দেখা গৈছে।

চিঠি লিখিবলৈ বহিলোঁ।

চিঠি লিখাত মই বৰ কষ্ট পাওঁ। আনকি মোক সক ভনী মিনালৈ দুইকলম চিঠি লিখিব লগা হলেও বৰ দিগদাৰী পাওঁ। মিনাই লেখা চিঠি মোৰ হাতৰ ওচৰতে আছে। ইটো-সিটো কথাৰ পিচত লিখিছে: শ্ৰীহীন চেহেৰা লৈ ঠাট্টা কৰতো ভালগাৰ কাৰণ বেচেৰীৰ কোনো হাত নাই। কিন্তু তোমাৰ হাতৰ লেখাই মোক আজনি কৰে, বিস্মিত কৰে, উদ্বিগ্ন কৰি তোলে। ভবিষ্যৎ জানো তুমি ভাবি চাইছা ?

তুমি সুতপাক চিনি পোৱানে ? নিশ্চই চিনি পোৱা ? কেইবছৰমান আগতে যাৰ দেউতাকৰ চকুত ধূলি দি 'এভোগ্যাডৰোব হাইপথেচিচ' বুজাই দি আহিছিলো। চাৰ্লচ ল' বুজোৱাৰ তাগিদাত সপ্তাহ ধৰি চিটুয়েচন তৈয়াৰী কৰিছিলোঁ—সেই সুতপা। মোলৈ লেখা তোমাৰ চিঠি পঢ়িবলৈ দিছিলোঁ, বেচাৰীয়ে চেষ্টা কৰিছিল, নোৱাৰিলে।

চিঠিখন ওভোটাই দি কৈছিল: তোমাৰ দাদাই কৰপোৰেচনৰ স্কুলত পঢ়িছিল নেকি ? ইত্যাদি।

সেই কাৰণে প্ৰথমে বেলেগ কাগজ এখনত লিখি লৈ মিনালৈয়ে লিখিবলৈ বহিলোঁ।

কিন্তু লিখা নহ'ল। ফোনটো বাজি উঠিল। আনফালৰ পৰা কড লফৰ ডিডিৰ স্বৰ ভাঁহি আহিল। উদ্বিগ্ন কণ্ঠ। অসংলগ্ন কথা। লগতে অপ্ৰস্তুতো। ক'লে: হেৰ জেন, মই সেই ফ্ৰলাইনৰ সাক্ষাৎ পাইছোঁ। এখন দোকানত তেওঁক দেখা পাই ঠিক তেওঁৰ প্ৰায় গাতে লাগি থিয় হৈছিলোঁ। আগলৈ হালি কিলাকুটিৰে সামান্য ভাবে তেওঁৰ গাতে আঘাত কৰিছিলো ইচ্ছা কৰিয়েই।

কাম দিলে। পৰিচয় হ'ল। দুই চাৰিটা কথাৰ পিচত আপোনাৰ কথা কলোঁ। ভদ্ৰমহিলাই আপোনাক চিনিয়ে নাপালে। আপোনাৰ লগত পৰিচয়তো দূৰৈৰ কথা, কোনো কালে বোলে

আপোনাৰ নামো তেওঁ শুনা নাই। এবাৰ মোৰ অৱস্থাৰ বিষয়ে ভাবি চাওকছোন।

আপুনি তেওঁৰ নাম মন্দোদৰী বুলি কৈছিল। কিন্তু তেওঁতো নাম শুনিয়েই জ্বলি উঠিছিল। অন্য এটা নাম ক'লে, মোৰ মনত নাথাকিল।

আপোনাৰ সম্পৰ্কে মোক নানান প্ৰশ্ন সুধিলে। মই আপোনাৰ বিষয়ে যি খিনি জানিছিলোঁ। তেওঁক কৈছোঁ। কিন্তু মোৰ ভয় হৈছে কিজানি তেওঁ আপোনাক কিবা বিপদতে পেলায়। আপোনাৰ ঠিকনা তেওঁ মোৰ পৰা নিছে। কিন্তু মোৰ দোষ ক'ত কওকছোন? মই দেখা ছোৱালীজনীৰ ছবিখনে যে আপোনাৰ বেগত আছে সেই বিষয়ে মোৰ অলপো সন্দেহ নাই। ইমান ভুলতো মোৰ হ'ব নোৱাৰে?

মোৰ কণ্ঠত উদ্বিগ্নতা: তাৰ পিচত?

ৰুড্‌লফে উত্তৰ দিলে: তাৰ পিচত কি। হয়তো সকলো ঠিক হৈ গলহেঁতেন, কিন্তু যেতিয়া তেওঁ আপোনাক একোতে নিচিনো বুলি কলে, তেতিয়া আপোনাৰ লগত তেওঁৰ সম্পৰ্কৰ বিষয়ে কলো। বচ, খণ্ডত একেবাৰে জুইৰ দৰে জ্বলি উঠিল। পলাই আহিব খুজিছিলোঁ। কিন্তু এক প্ৰকাৰ আদেশৰ সুৰত আপোনাৰ ঠিকনা মোৰ পৰা ললে। ঠিকনা দি ভুল কৰিলো নেকি? আপোনাক কিবা বিপদত পেলায় জানোচা?

হাঁহি উঠিল। আনফালৰ পৰা বেদনামিহলি সুৰত ৰুড্‌লফে ক'লে: আপুনি হাঁহিছে?

ক'লো: চাওঁক নহঁহাকৈ থাকিব নোৱাৰিলোঁ। আপোনাৰ সম্পূৰ্ণ ভুল। শাৰী আৰু ক'লা চুলিয়ে আপোনাক ঠগাইছে। অৱশ্যে আপোনাৰো দোষ নাই, সকলো চীনা ছোৱালীকে মোৰো একে একে লাগে। ঠিকনা দিছে যদি দিছে বাৰু। মোৰ ইয়ালৈ যদি কাজিয়া কৰিবলৈ আহে মই ঠিক কৰি লম বাৰু।

ৰিচিভাৰ নমাই থৈ অলপ সময় অকলে হাঁহিলো। বিদেশলৈ আহি আমাৰে দেশৰ কোনোবা ছোৱালীক মোৰ কাৰণে বিব্ৰত হোৱা দেখি অলপ শঙ্কাও হ'ল।

তুদিন মান পিচত কাম শেষ কৰি উভতি আহিছিলোঁ। তুই তলাৰ কৰিডৰত পাওচিনৰ গৃহকৰ্ত্ৰীৰ লগত দেখা-দেখি হ'ল। তেওঁৰ মুখত খবৰ পালো এগৰাকী ভদ্ৰমহিলাই মোৰ লগত দেখা কৰিব খোজে। তেওঁৰ কোঠাতে আছে। যদি দেখা কৰিবলৈ ইচ্ছা কৰোঁ মোৰ কোঠালৈ পঠিয়াই দিব পাৰে।

ৰুড্‌লফৰ ফোনৰ কথা মনত পৰিল। অজানা ভয়ত বুকুখন কঁপি উঠিল। শিৰে শিৰে এটি শীতল পৰশ অনুভৱ কৰিলোঁ।

অৱশ্যে সেই মুহূৰ্ত্তত সেই ভাব আতঁৰাই পেলালোঁ। ক'লো: কোঠালৈ আহিবলৈ কওঁক।

কোঠাত সোমাই চিগাৰেট এডাল লগাই লৈ মই অস্থিৰ ভাবে কোঠালিটোতে ঘূৰি ফুৰিলোঁ। বিছনাখন সিচৰিত হৈ আছিল, সেইবোৰ ঠিক কৰি থলো। পায়জামা এটি চকীত পৰি আছিল। সেইটোও ঠিক ঠাইত থলো। আকাশ পাতাল ভাবিবলৈ ধৰিলোঁ। ৰুডফলৰ বুৰ্কামিৰ কাৰণে খঙে উঠিল। শাৰী পিন্ধা ভাৰতীয় ছোৱালী। বঙালী, পাঞ্জাবী নে মাৰাঠী।

এনেসময়তে তুৱাৰত শব্দ হ'ল। পৰ্দ্দাৰ ফাঁকেৰে বগা শাৰীৰ আচল চকুত পৰিল। অতি স্বাভাৱিক কণ্ঠেৰে আহ্বান জনাই তুৱাৰৰ ফালে আগুৱাই আহিলোঁ।

জীৱনত কিমান বাৰ মই আচৰিত হৈছো ক'ব নোৱাৰো, কিন্তু এনেকুৱা ঘটনা জীৱনত ঘটিছে বুলি ভাব হোৱা নাই।

অপৰিচিতাক দেখা পাইয়ে চমকি উঠিলোঁ। যেন ভূতহে দেখা পালোঁ। চিগাৰেট কেচটো হাতৰ পৰা খহি পৰিল। অস্ফুট এক বিস্ময়োক্তি মুখৰ পৰা ওলাই গ'ল। ভৰিৰ তলৰ

কাৰ্পেটখন যেন ছুলিছে। এয়া মই কাক দেখা পাইছোঁ? সপোন দেখিছোঁ নেকি?

একেবাৰেই সাজু হৈ আহিছে। মনে মনে বুদ্ধং দেহি ভাব। মোৰ মুখত কোনো কথা নাই। বহিৰলৈ ক'বও পাহৰি গলো।

কণ্ঠত জড়তা নাই। কণামাত্ৰ দ্বিধা নাই। মোৰ আপদমস্তক এবাৰ চাই ললে। পিচ মুহূৰ্ত্তেতে অপৰিচিতাই প্ৰশ্ন কৰিলে: আপোনাৰ নাম মিঃ সেন?

মোৰ ভাষা যেন হেৰাই গৈছে। উত্তৰ নাছিল। তেতিয়াও মোৰ বিস্ময় আতৰা নাই। আচৰিত হৈ অপলক দৃষ্টিৰে মাত্ৰ চাই ৰ'লোঁ। এয়াও জানো সম্ভৱপৰ? ফটোই জানো কথা কয়?

আকৌ সেই কণ্ঠস্বৰ। মোৰ চকুত চকু ৰাখি ক'লে: আপুনি মোৰ নামত বদনাম কৰি ফুৰিছে কিয়? বাহিৰত কি কৈ ফুৰিছে?

প্ৰস্তুত হৈ ললোঁ। এতিয়াও যদি মুখ নোখোলো বুৰ্বকামি কৰা হ'ব। হাঁহি উৰুৱাই দিব খুজিলোঁ। ক'লো: বুজিছোঁ মোৰ বন্ধু ৰুড্‌লফে আপোনাক কৈছেতো? তেওঁৰ ফোন মই পাইছোঁ। তেওঁ অনুতপ্ত হৈছে। মুৰৰ ক'লা চুলি আৰু শাৰীয়ে তেওঁক বিপাঙত পেলাইছিল। তেওঁৰ হৈ মই আপোনাৰ ওচৰত ক্ষমা বিচাৰিছোঁ। দোষ তেওঁৰ নহয়, ইয়াত আমাৰ কোনো হাতেই নাছিল। সামান্য এটি ভুলে এই বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। আপুনি থিয় হৈ আছে কিয়? বহক।

অপৰিচিতাৰ বহাৰ কোনো আগ্ৰহে দেখা নাপালোঁ। মোৰ কথাতো কিবা কাম হ'ল বুলি মনে নধৰিলে। সেই দৃষ্টি, দেহ বিভ্ৰমত তিৰ্যক এক ভঙ্গী। কণ্ঠস্বৰত অলপো জড়তা নাই। ক'লে: আপোনাৰ বন্ধুৰ ভুল আপুনি আপোনাৰ ডিঙিত চপাই লৈছে, এই সম্পৰ্কে মোৰ কবলৈ একো নাই। তথাপিও আপোনাক মই এটি চিলি ৰিকুৱেষ্ট কৰিম। নিৰ্ভুল সেই ছবিখন জানো এবাৰ চাব পাৰোঁ?

এতিয়া উপায় ? কি কওঁ ! কৰোঁ কি। বেলুনৰ দৰে দমি গলোঁ। ড্ৰয়াৰটো টানিলোঁ। গৰুৰ তলত হাত ফুৰাও। ব্যস্ততাৰ সৈতে এবাৰ ইটো চাও, এবাৰ সিটো চাও।

এটি হাঁহি কাণত পৰিল। কণ্ঠত বিদ্ৰূপৰ আভাষ। ক'লে : আপুনি ফাম্বল কৰিছে। বেগটো বোধহয় আপোনাৰ পকেটতে আছে। ছবিখনতো তাতেই থাকে বুলি শুনিছোঁ।

গৈ থকা গাড়ীৰ চকা যেন ওলাই গ'ল। কি হ'ল ষ্টিয়াৰিংৰ ? ক'ত ব্ৰেক ? সম্পূৰ্ণ হাতৰ বহিৰত। প্ৰচণ্ড এটি খালত মই যেন দুৰ্বাৰ গতিত পৰি যাব খুজিলোঁ।

উত্তৰত কি কৈছিলোঁ ক'ব নোৱাৰো। অকনো পলম নকৰি বেগটো খুলি ছবিখন হাতত তুলি দিলোঁ।

অপৰিচিতাৰ চকু মুখৰ পৰা বিদ্ৰূপৰ ৰেশখিনিও বিলীন হৈ গ'ল। অস্ফুট এক কাতৰোক্তি মুখৰ পৰা ওলাই গ'ল।

আৰু ইফালে মইতো উটি গৈছোঁ ! তৃণখণ্ড আকোৱালি ধৰাও বৃথা। চোফাৰ হেণ্ডেল ধৰি ঘামিব ধৰোঁ।

ডাঙৰ ডাঙৰ টেকনিকেল আৰু এডমিনিষ্ট্ৰেটিভ্ অফিচাৰৰ অজস্ৰ প্ৰশ্নবাণৰ অতি সুন্দৰ আখৰা বহুবাৰ লৈছোঁ। বিপদজনক অস্ত্ৰোপচাৰৰ দিনাও মই মাৰ ওচৰতে আছিলোঁ। ক'তা, এনেভাৱেতো বুকুখন কঁপা নাছিল। তালুতো শুকাই যোৱা নাছিল। কিন্তু আজি ভৰিৰ তলুৱা পৰ্য্যন্ত ঘামি গৈছে কেলেই ? মুৰটোও বিষাইছে ?

এইবাৰ যেন কথা নহয়—এক্‌চপ্লেনেচন। সুধিলে এই ছবিখন ক'ত পাইছিল ? এয়াও জানো আপুনি ভুল বুলি ক'ব ?

মইও এইবাৰ প্ৰস্তুত হৈছিলোঁ। ক'লোঃ আপুনি কিন্তু এতিয়াও নবহিল।

মোৰ কথাত তেওঁৰ চকুৱে মুখে যেন কিহবাৰ "জিলিকনি খেলি

গ'ল। কাণৰ ঝুমকা ঝিলমিল কৈ উঠিল। অচঞ্চল দৃষ্টি মেলি ক'লে : আপোনাৰ লগত মই নাটক কৰিবলৈ অহা নাই।

সহজ ভাবে হাঁহি এটি মাৰি ক'লো : নাটক হয়তো হোৱা নাই। কিন্তু নাটকৰ হ'লে গোন্ধ পাইছোঁ। অৱশ্যে তাৰে সুৰ ইয়াত নহয়, বহুত দূৰৈত। আপোনাৰ ঘৰৰ চাহৰ টেবুলৰ পৰা নহয়। পৰ্দা উঠিছে ভোলা দত্তৰ প্ৰেচৰ পৰা। দৰ্শকৰ চকীৰ পৰা প্ৰথম দৃশ্যৰ সেই পটভূমি হয়তো খুব নয়নাভিৰাম নহয়, কিন্তু শেষ দৃশ্যৰ শেষৰ ফালে আপুনি সকলো মাটি কৰি পেলাব ওলাইছে।

অপৰিচিতাৰ চকুৰ পতাত ধুমুহাৰ সঙ্কেত নামি আহে। ক'লে : আনন্দ কৰিবলৈ আপোনাৰ ইয়ালৈ মই অহা নাই। সেয়া আপুনি জানি থোৱাৰ দৰকাৰ।

উত্তৰত ক'লো : সেই আভাষ আপোনাৰ চকুৰ ঈশান কোণত স্থিৰ হৈ আছে। অৱশ্যে প্ৰতিবাদৰ ধ্বনি তুমি এনেভাবে অহাতো জানো উচিত হৈছে। আপোনাৰ ধৈৰ্য্য কম। আপুনি যদি সকলো কথা শুনিব খোজে মই ক'বলৈ সাজু আছোঁ। মই কম সকলো ভুল। কি ধৰ্মত আপোনাৰ বিশ্বাস নাজানো, তথাপিও কুলগুৰুৰ শপত খাই ক'ব পাৰো, সচাঁৰ বাহিৰে মিছা নকও। ভুল, এৰা ভুলেইতো। অৱশ্যে মোৰ নহয়, আপোনাৰ তো নহয়েই। ভুল হৈছে ভোলাৰ। সি পাপিষ্ঠই তাৰ বউবজাৰৰ অফিচৰ চকীত বহি এয়া নিৰ্বিঘ্নে সমাধা কৰিছে। ভ্ৰান্তিৰ আৰম্ভ বিষুবৰেখাৰ সিপাৰত। নিউৰেমবাৰ্গত নহয়—কলিকতাত। ইয়াত বহি সেই ভুল মই কৰা নাই। পকেটৰ বেগটোৰেও মোৰ একো দোষ কৰা নাই।

অপৰিচিতাৰ চকু দুটি জ্বলি উঠিল। জোৰকৈ ক'লে : আপুনি কি মহৎ উদ্দেশ্যলৈ এই দেশলৈ আহিছে মই ক'ব নোৱাৰোঁ, কিন্তু আলিপুৰৰ বাৰ লাইব্ৰেৰীত হলে আপোনাৰ কাৰণে ঠাই আছিল। ভোলানাথক লৈয়ে আপনি থাকক। কিন্তু মোৰ ঘৰৰ বাৰাণ্ডালৈ

আহি যদি নন্দীৰ দৰে নাচিবলৈ আৰম্ভ কৰে আৰু ভৃঙ্গীৰ দৰে দাঁত নিকটালে মই জানো আপত্তি নকৰিম? এইবোৰ আপুনি কি লিখিছে? মোৰ নাম মন্দোদৰী দেবী? দৈত্যকুলৰ লগত যদি আপোনাৰ মিতিৰালি থাকে থাওক। আপুনি অশোক বনৰ গ্রেটা গার্বোৰ লগত স্বচ্ছন্দে কোর্টচিপ কৰিব পাৰে। যদি আপুনি মোৰ ফটো লৈ যিহকে তিহকে জহাই ফুৰে সেয়া মই হলে সহ্য কৰিব নোৱাৰো। নাম আকৌ দিছে মন্দোদৰী দেবী? মোৰ নতুন নামাকৰণ কৰাৰ অধিকাৰ আপোনাক কোনে দিছে?

ভূপতিত চতুৰ মুষ্টিযোদ্ধা ৰেফাৰীৰ তর্জ্জনীৰ সন্মুখত ইচ্ছা কৰিয়ে উশাহ লয় কিন্তু অনিবার্য্য মুহূর্ত্তত যেনেকৈ থিয় হয়, ঠিক তেনেকৈয়ে মই অলপ সময় ললোঁ। ক'লো: চাওক আপোনাৰ প্রকৃত নাম জনাৰ মোৰ বিন্দুমাত্রও ইচ্ছা নাই। আগ্রহ তো নাইয়েই। মই স্বচ্ছন্দে মন্দোদৰীৰ সলনি সুলোচনা নাইবা সুনয়নী দিব পাৰিলোহেঁতেন, কিন্তু সেয়া বাহুল্য হ'লহেঁতেন। 'সু' বর্জিত নামেই মোৰ পছন্দ হ'ল। আপুনি হয়তো ছবি আকিব নাজানে, সেইকাৰনে কনট্রাষ্ট্ সম্পর্কে আপোনাৰ কোনো ধাৰণাই নাই। বাগদাদৰ সুন্দৰী বেগমৰ ওচৰত হাবচী খোজাৰ এটি বেলেগ এপিল আছে। মই দিয়া নামটোৱে এনেকুৱা কি দোষ কৰিলে বুজিব নোৱাৰিলো, সুব সুব গোন্ধ অৱশ্যে নাই। যিয়ে নাথাকক কিয় সুবাৰী হলে নাছিল। নামতো অতিমাত্রায় মৌলিক। পুৰামাত্রাই এবিষ্ট্রেক্ট। ছবিখন যেতিয়া মোৰ হাতত পৰিছিল, নাম দিবলৈ বেচ কিছুসময় ভাবিছিলোঁ। কেনে অৱস্থাত ৰবি ঠাকুৰে 'নহ মাত, নহ কন্যা, নহ বধু' বুলি লিখিছিল নাজানো ··

মোক বাধা দি মুৰ জোকাৰি ক'লে: আপুনি জানিব নালাগে।

ক'লো: মোক ক'বলৈ দিয়ক। মই পদার্থ বিজ্ঞানৰ ছাত্র, কিন্তু

ৰসবিজ্ঞানত হলে অপদাৰ্থ। তথাপিও অমৌলিক মই কাম কৰি পেলালোঁ। আপোনাৰ নামতো ক্লাচিকৰ পৰাই ললো।

: ক্লাচিকৰ পৰাই ললে ? নাম আপুনি বিচাৰি নাপালে ?

হাঁহি ক'লো : বিচাৰিতো পালোৱেই। ৰবি ঠাকুৰৰ নাম খগেন দত্ত হলে কি লোকচান হলহেতেন ক'ব পাৰে ? চি মজুমদাৰৰ দোকানত শাৰীৰ পাৰি নাইবা ব্লাউজৰ ৰঙ বিচৰাৰ মানে বুজোঁ। কিন্তু নাম বিচাৰি মাৰপিট কৰাৰ কোনো অৰ্থ বুজি নাপাও। অকল আপুনি কিয়, মোৰ জেঠাদেউকে ধৰক……

মোক বাধা দি ক'লে : আপুনি কথা বন্ধ কৰিবনে ? মই আপোনাক ধৰিবলৈ আহিছোঁ। আপোনাৰ বক্তৃতা শুনিবলৈ নহয়। অপ্ৰাসঙ্গিক কথা কৈ আপুনি আচল বক্তব্যৰ পৰা আঁতৰি গৈছে।

হাঁহি ক'লো : প্ৰাসঙ্গিক কথাটোনো কি ? আপুনি কি ক'ব খুজিছে ?

ডিঙি জোকাৰি ক'লে : কি ক'ব খুজিছো আপুনি নাজানে ? আপোনাৰ বেগত মোৰ ছবিখনে কেনেকৈ স্থান পালে মই তাকে জানিব খুজিছোঁ ?

ক'লো : আপুনি কিন্তু এতিয়াও নবহিল।

কিন্তু মোৰ চেষ্টা বৃথা। অবিশ্বাসৰ দৃষ্টি তেওঁ চকুত দেখিলোঁ। ক'লে : বহিবলৈ অহা নাই। আপোনাৰ বক্তব্য আপুনি শেষ কৰক। মোৰ হাতত সময় কম। এই ছবিখন আপুনি কেনেকৈ পালে ?

ক'লো : মোলৈ ভোলাই পঠিয়াইছিল।

লগে লগে প্ৰশ্ন কৰিলে : মহাপুৰুষজন কোন ?

ক'লো : ভোলা মোৰ বন্ধু। এই দেশলৈ আহি নানান কথাৰ শেষত মোৰ নতুন বিপদৰ কথা প্ৰসঙ্গক্ৰমে জানাইছিলোঁ। পিচৰ ডাকত উত্তৰ পালোঁ। লগতে ছবিখনো। মোৰ স্মৰণ শক্তি বৰ বেয়া নহয়। ভোলাৰ চিঠিৰ কথা মোৰ মনত আছে। ভোলাই লিখিছিল :

তোমাৰ প্ৰতি এক বিশেষ ধৰণৰ কৌতূহল, ইচ্ছা বা আগ্ৰহক সমূলি বিনাশ কৰাৰ ঔষধ লগতে পঠিয়াইছো। এই ছবি যতে তত্তে লৈ ফুৰিব পাৰা আৰু প্ৰয়োজন হলে. দেখুৱাই ফুৰিব পাৰা। ইয়াৰ ফলত অযথা সময় নষ্ট নহয়। অৰ্থহীন অলস প্ৰসঙ্গ উঠে। তোমাৰ লগত একেখন মেজত বহি কফি খোৱাৰ তৃষ্ণা এই ছবিখন দেখা পালে যি কোনো বেহিচাবী ললনাৰ বিতৃষ্ণাত ভৰি উঠিব। অপেৰালৈ যোৱাৰ কাৰণেও লগ নধৰে। চিনেমাৰ দুখন টিকেটো কিনি নানে। সামান্য এই ছবিখনেই হ'ব তোমাৰ সাংঘাতিক অস্ত্ৰ। তুমি পৰীক্ষা কৰি চাব পাৰা, চাবা ষ্ট্ৰেপটোমাই-চিনৰ দৰে কাম দিব।

অলপ সময় ৰৈ পুনৰ ক'লো ঃ এনে ভাবেই আপোনাৰ ছবিখন মোৰ হাতলৈ আহে। বাকীখিনি আপুনি জানেয়েই।

অপৰিচিতাই বিস্ময়ৰ সুৰত কৈ উঠিল, কিন্তু আপোনাৰ বন্ধুই মোৰ ছবিখন ক'ত পালে ? এইবোৰ কথা অপুনি মোক বিশ্বাস কৰিবলৈ কয় ?

কৃত্ৰিম খঙৰ আভাস প্ৰকাশ কৰোঁ। ক'লো ঃ বিশ্বাস কৰা নকৰা সম্পূৰ্ণ আপোনাৰ ইচ্ছা। ভোলাইয়ে বা আপোনাৰ ছবিখন পালে ক'ত, সেই তথ্য এই মুহূৰ্ত্তত মোৰ পক্ষে কোৱা টান। আপোনাৰ যদি প্ৰয়োজন তালৈ লিখি মই সেই খবৰ অনাই দিব পাৰোঁ।

অপৰিচিতাই গোটেই মুখমণ্ডলত অবিশ্বাসৰ হাঁহিৰে ভৰাই তুলিলে। ক'লে ঃ আপোনাক দেখিছোঁ গল্প সাজি কোৱাতো পাকৈত। এই দেশৰ ৰাধিকাবোৰ আপোনাৰ লগত প্ৰেম কৰিবলৈ কাফে নাইবা ৰেস্তোৰাত বহি আছে এইবোৰ কথা আপুনি কাক ঃ শুনাইছে ? নিজেকে আপুনি কি বুলি ভাবে ?

ঃ আপোনাৰ হাতত সময় কম বুলিছিল।

ঃ ওঁ, সময় মোৰ কমেই। আপোনাৰ লগত বাজে কথা কৈ

সময় নষ্ট কৰাৰ সময় মোৰ নাই। যোৱাৰ আগতে মই আপোনাক এটি কথা কৈ যাওঁ আপোনাৰ কালৰ পৰা ভৱিষ্যতে কেতিয়াবা যদি মোৰ কিবা কথা কাণলৈ আহে মই আপোনাক হলে এনেয়ে এৰি নিদিও।

• হাঁহি হাঁহি উত্তৰ দিলো : আপুনি ইচ্ছামতে মোক কথা শুনাই গ'ল। মোক আপুনি অশোক বনত কোটচিপ কৰিবলৈ ক'লে। নন্দী-ভৃঙ্গীৰ লগত মোক তুলনা কৰিলে। ততে অৱশ্যে মোৰ কৰ্ব লগা নাই। কিন্তু এটা কথা আপোনাক সোধো, আপোনাক দেখি আপোনাক ধৰিবলৈ কোনোবাই যে পাগল হৈ উঠিব এই ধাৰণা আপোনাৰ কিয় হ'ল ? নিজৰ সম্বন্ধে উচ্ছ ধাৰণা থকা ভাল, সেই বুলি আনক তুচ্ছ কৰি গছৰ ডালৰ গুৰিত ধৰি জোকৰি দিয়াৰো কোনো বাহাদুৰী নাই।

অপৰিচিতা খণ্ডত জ্ঞানশূন্য যেন হ'ল। ক'লে : আপোনাৰ সাহসতো কম নহয় ?

হাঁহি ক'লো : তাত কোনো লোকচান নাই। কাৰণ তাৰ ওপৰত কাৰো ব্যক্তিগত হাত নাই। সাহস জানো দোষৰ ? দুঃসাহস অৱশ্যে বেয়া। ক্ষমা কৰিব, অযথাই হয়তো আপনাৰ সময় নষ্ট হৈছে। বাজে কথাত আপুনি সময় নষ্ট কৰিলে কেনেকৈ চলিব ? শেষত অৱশ্যে মই এইখিনি স্বীকাৰ কৰিম যে আপোনাক অযথা মই বিব্ৰত কৰিছোঁ। আপোনাক অপ্ৰস্তুতো কৰিছোঁ। আপুনি মোক ক্ষমা কৰিব।

অপৰিচিতা ঘূৰি থিয় হ'ল। মুহূৰ্ত্ততে ছবিখন বেগত ভৰাই ললে। অলপো যেন সৌজন্যবোধৰ প্ৰয়োজন নাই। মোৰ সংকুচিত প্ৰশ্ন : আপুনি যায়গৈ ? সামান্য ভদ্ৰতা দেখুৱাৰ সুযোগো আপুনি মোক নিদিলে। এপিয়ালা কফি—

: প্ৰয়োজন নাই।

: আন কিবা ?

শুকান হাঁহি এটি মাৰি ক'লে : আপোনাক অশেষ ধন্যবাদ।

পৰ্দা আঁতৰাই মইও কোঠাৰ পৰা ওলাই আহিলোঁ। তেওঁ আগত, মই পিছত। মই চুলি লিৰিকি-বিদাৰি ক'লো : আপোনাৰ নাই কিন্তু মোৰ হাতত হলে সময় যথেষ্ট আছে। আপোনাৰ ঘৰলৈ মই স্বচ্ছন্দে আগবঢ়াই থব পাৰোঁ।

ঘূৰি থিয় হ'ল। মৃদু হাঁহিয়ে দেখা দিলে। আপদমস্তক এবাৰ নিৰীক্ষণ কৰি ক'লে : ঘৰলৈ আগবঢ়াই থব পৰা মানুহৰ অভাৱ জানো আছে? কিন্তু গোটেই বাটতে মোৰ কাণৰ ওচৰত বক্‌বকাই থাকিলে মোৰ ভাল নালাগিব।

বাওঁ হাতৰ তলুৱা নিৰীক্ষণ কৰি ক'লো : আপোনাৰ আপত্তি থাকিলে......

বাধা দি ক'লে : আপত্তি নহয়, বিপত্তিৰ ভয় পাওঁ। আপুনি বহু ছোৱালী দেখিছে বুলি ধাৰণা হ'ল, অৱশ্যে সেই কথা আপুনিয়েই ভালকৈ জানে। কিন্তু সকলোকে যদি অবলা বুলি ভাবে আপুনি ঠগ খাব লাগিব।

হাঁহি দিলোঁ। ক'লো : আপুনি পাগল হৈছে; অবলা বুলি আপোনাক ক'ম? আপুনি নিঃসন্দেহে সবলা।

কেৰাহিকৈ মোৰ মুখলৈ চালে, তাৰপিচত লাহে লাহে ক'লে : ওঁ, মাত্ৰা অলপ বেচি।

কৈয়ে চিৰিৰে তললৈ নামি গ'ল।

কোঠালৈ উভতি আহি কাগজ কলম লৈ ভোলালৈ লিখিবলৈ বহিলোঁ।

পিচৰ ডাকতে উত্তৰ পালো। ইটো-সিটো কথাৰ পিচত ভোলাই লিখিছে :—

বাতৰি কাকতৰ অফিচলৈ ছবি অহাতো একো দোষৰ কথা নহয়। সদায়ে ডাক আহি আছে, ছবি চপাবলৈ দিয়ে অসংখ্য। তোমালৈ যিখন ছবি মই পঠিয়াইছিলোঁ, সেই খনৰ কথা মোৰ স্পষ্ট মনত আছে। পুৰণি কাগজ চাই সেই ধাৰণা মোৰ দৃঢ় হ'ল। ছোৱালী-জনীৰ নাম অমলিনা ৰয়। ইউনিভাৰচিটিৰ বিপদজনক ইতিহাসৰ ছাত্ৰী। চেহেৰা মোৰ ভালেই লাগিছিল। সেই কাৰণে ব্লকৰ কাম শেষ কৰি কামত আহিব বুলি ভাবি ছবিখন তোমালৈ পঠিয়াই দিও। যি কাৰণত ছবিবোৰ মোৰ হাতলৈ অহা-যোৱা কৰে, সেই নিয়মতেই এই ছবিখনো মোৰ হাতলৈ আহিছিল।

তোমাৰ চিঠি পোৱাৰ পিচত খা-খবৰ লৈ কৰি ছোৱালীজনীৰ বিষয়ে জানিব পাৰিলোঁ। ছোৱালীজনী ডাঙৰ মানুহৰ ঘৰৰ। তেওঁৰ এজন ভায়েক ভাৰত চৰকাৰৰ কোনো চাকৰী লৈ টোকিওত আছে। আন এজন ভায়েক দিল্লীত যিখন বহি মেজত কাম কৰে, কেবিনেটৰ কৰ্ত্তা-সকলৰ চহী-টহী সদায়ে বোলে তাতে দেখা যায়।

তোমাক শাস্তি দিয়াৰ ইচ্ছা থাকিলে এডেনুয়ৰ পৰ্য্যন্ত স্বচ্ছন্দে তেওঁলোকৰ হাত পাব পাৰে। বনলৈ গৈও নিস্কৃতি নাই। পূবলৈ গৈও লাভ নাই। ক্ৰুশ্চেভেও তোমাৰ প্ৰতি সহিষ্ণু নহ'ব। অমলিনাক তুমি মলিন· কৰিছা। বিশ্ব নাৰী সংস্থাৰ পৰা জেনেভাত কনফাৰেন্স, একো বিচিত্ৰ নহয়।

তোমালোকৰ কাহিনী লৈ কলিকাতাৰ ইংৰাজী কাগজত কিউবিষ্ট চুমা বোসৰ দেৰ কলম ব্যাপী পত্ৰাঘাত ৰবিবাৰৰ চাহৰ টেবুলত কেনে ভীষণ ভাবে টেম্পো আনিব মই ভাবিব নোৱাৰোঁ।

আনকি ৰাইটাৰ্চ বিল্ডিংত দিল্লীৰ প্ৰোটেকল দপ্তৰৰ জৰুৰী পত্ৰ তোমাৰ অনুসন্ধানত আহিলেও আচৰিত হোৱাৰ একো নাই। মন্ত্ৰীৰ তাত হয়তো তোমাৰ নামত নতুন ফাইল খোলা হ'ব। তাতে লিখা থাকিব ঃ চাবমিটেড্ টু এইচ. এম. ফৰ্ হিজ্. কাইণ্ড পেৰিউজল।

তোমাৰ ওপৰত মহামান্য মন্ত্ৰী মহোদয় খণ্ডত জ্বলি উঠিব। ফাইলত হয়তো অৰ্ডাৰ দিব: আই. জী. টু স্পীক। তেতিয়া?

মোৰ সামান্য ভুলৰ কাৰণে তুমি যে এনেভাবে ভুগিবলগীয়া হৈছে তাকে শুনি মোৰ লাজতে মৰি যোৱা অৱস্থা। কিন্তু কেনে আচৰিত এই যোগাযোগ? কেনে অবিশ্বাস্য ঘটনা। এইয়া দৈব নহয়—দুৰ্বিপাক।

তুবাৰ চিঠিখন পঢ়িলোঁ। প্ৰবল শীততো মই যেন ঘামিব ধৰিলোঁ।

বাৰ্লিন।

পোন প্ৰথমে ইয়ালৈ আহি যি বৈচিত্ৰ্য মোৰ চকুত পৰিল সেইয়া হৈছে ইয়াৰ বিমানঘাটি। আন আন ঠাইত দেখিছিলোঁ বিমানঘাটিবোৰ লোকালয়ৰ পৰা বাহিৰত। চহৰৰ পৰা দূৰৈত। কিন্তু পশ্চিম বাৰ্লিনৰ বিমানঘাটি 'টেম্পেল-হোফ' চহৰৰ মাজত।

কৰ্মমুখৰ বিমানঘাটি। প্ৰচুৰ কাণ্ড। প্ৰতি মুহূৰ্ত্তে বিমান আহিছে, গৈছে। মানুহ যোৱাৰ যেনেকৈ বিৰাম নাই, অহাৰো তেনেকৈ শেষ নাই। কাৰণ অৱশ্যে আছে। পশ্চিম বাৰ্লিনৰ লগত পশ্চিম জগতৰ প্ৰধান যোগাযোগ হল 'টেম্পে-হোফ'।

বিৰাট চহৰ বাৰ্লিন। সাম্প্ৰতিক ইতিহাসৰ পাতত এই বাৰ্লিনৰ এক বিশেষ স্থান আছে।

নেৰোৰ যেনেকৈ ৰোম ৰোমানসকলৰ নহয়, হিটলাৰো তেনেকৈ বাৰ্লিন জাৰ্মানীসকলৰ নহয়।

হাৰেমৰ বিলাস শয্যাত মদিৰাৰ নিচাৰ লগত নৃত্যৰতা উলঙ্গ নাৰীৰ দেহভঙ্গী নেৰোই উপভোগ কৰিছিল। হিংস্ৰ সিংহৰ মুখত নিৰীহ মানুহক পেলাই দি আনন্দৰ উত্তেজনাত নিজৰ হাতত থকা

আপেলত কামোৰ বহুৱাইছিল। জুইৰ শিখাত সমগ্ৰ ৰোম নগৰী যেতিয়া আক্ৰান্ত, গোটেই দিগন্তব্যাপী মানুহৰ মৰ্মস্পৰ্শী হাঁহাকাৰ আৰু কান্দোনত যেতিয়া আকাশ-পাতাল কঁপি উঠিছে তেতিয়া নেৰোই বীণা বজাই আছিল। উন্মত্ত এক সঙ্গীতৰ বীভৎস আনন্দত তেওঁক আত্মহাৰা হোৱা দেখা গৈছিল। ইতিহাসত এনেকৈয়ে লেখা আছে।

ৰোমৰ ইতিহাস পুৰণি। নেৰোৰ কাহিনীও পুৰণি, আওপুৰণি। কিন্তু বহু শতাব্দীৰ মৃত ধ্বংসস্তূপৰ কবৰৰ মাজৰ পৰা প্ৰাগৈতিহাসিক এই মানুহজনে যেন পুনৰ জন্ম গ্ৰহণ কৰিলে। ইন্ নদীৰ তৰঙ্গ ৰাশিত যিসকলে সেইদিনাখন আনন্দোৎসৱ দেখিছিল তেওঁলোক ভুল কৰিছিল। সেই জলোচ্ছ্বাসত পৃথিৱীৰ প্ৰচণ্ড হতাশা আৰু উৎকণ্ঠা উদ্বেলিত হৈ উঠিছিল। এই মানুহ আৰু বীভৎস। আৰু বেপৰোৱা। আৰু প্ৰস্তুত।

নতুন পটভূমিত এই মানুহে নতুন কৈ দেখা দিলে। ইতিহাসৰ চকা ঘূৰি আছে। সভ্যতাৰ বিবৰ্তনত বহুতো গৈছে, আহিছেও বহুত। হাৰেম নাই। আৰু ভয়ঙ্কৰ নাচঘৰ আছে। হিংস্ৰ সিংহৰ প্ৰয়োজন শেষ হৈছে। তাৰ পাশৰ ক্ষুধাত পৃথিৱীৰ মানুহক নিৰ্মূল কৰা অসম্ভৱ। শিশুৰ হৃদপিণ্ডত যিজনৰ হাত পায়গৈ, বীণাৰ তন্ত্ৰীত হাত বুলোৱাৰ সময়ে বা ক'ত ?

লাহে লাহে নিজৰ শক্তি সংগ্ৰহ কৰে। দোহাই দি অতৰ্কিতে আক্ৰমণ কৰি এক শত্ৰুয়ে আন এজন শত্ৰুক আক্ৰমণ কৰে।

লাখ লাখ মানুহ একালে গৈছে। তীৰ্থস্থানলৈ নহয়, কাৰাগাৰলৈ। সামান্য সন্দেহত হাজাৰ হাজাৰ নিৰীহ মানুহে প্ৰাণ হেৰুৱালে। দিনে ৰাতি গ্যাচ চেম্বাৰত ইহুদী নিধন যজ্ঞ চলিল।

হিটলাৰ অপৰাজেয়। জনসাধাৰণ অসাধাৰণ নহয়। বুদ্ধিজীৱী সকলে দেশ এৰি গুচি গ'ল। লেবৰেটৰী শূন্য, বৈজ্ঞানিক পলাতক।

পাণ্ডুলিপি শেষ নহ'ল, ইউৰোপৰ আন দেশলৈ আহি স্তব্ধ সাহিত্যিকে আকুল উৎকণ্ঠা লৈ লক্ষ্য কৰিলে। ফিউৰৰ সম্পৰ্কে কাগজৰ পাতত একো নাই। এজনবো তিলমাত্ৰ প্ৰতিবাদ নাই। পৃথিৱীৰ টোপনি ভঙা নাই। তেওঁ তেতিয়া আমেৰিকাৰ বাটে পথে বিভ্ৰান্ত হৈ ঘূৰি ফুৰিছিল। তেনে সময়তে খবৰ আহিল তেওঁৰ সমস্ত কিতাপ বাৰ্লিনৰ পথত জ্বলাই দিয়া হৈছে। অনন্যোপায় হৈ তেওঁ আত্মহত্যাৰ পথেই বিচাৰি ললে। হতাশ চিত্ৰকৰে তুলি পেলাই দি দেশ এৰি পলালে। উদ্ধত ৰিভলভাৰৰ সমুখত বহি, হিমলৰ চকু দুটি তেওঁ সুন্দৰকৈ আকিব নোৱাৰিলে। ইতিহাসৰ অধ্যাপক, নীটচেও যিজনৰ অজ্ঞাত নহয়। বিশ্ববিদ্যালয়ৰ ওপৰৰ পৰা জপিয়াই পৰি জীৱনৰ ওপৰত যৱনিকা টানি দিলে। ইমান করুণ ৰাজনৈতিক আত্মহত্যা ইতিহাসত বিৰল।

পৃথিৱীৰ টোপনি হয়তো নাভাঙিল, কিন্তু ফিউৰৰ চকুত হলে টোপনি নাই। এই বাৰ্লিনক কেন্দ্ৰ কৰি আৰম্ভ হয় সভ্যতাৰ বিৰুদ্ধে তেওঁৰ ভয়াবহ পৰিকল্পনা। তেওঁ প্ৰায় পৃথিৱীক গ্ৰাস কৰি পেলাবলৈ উন্মত্তপ্ৰায়।

এখনৰ পিচত এখন দেশ শেষ হ'ল। কিমান জনপদ বিধ্বস্ত হ'ল। সহস্ৰ সহস্ৰ মানুহৰ শোণিতেৰে সেউজীয়া পথাৰ ৰঞ্জিত হ'ল। পকা গম আৰু কোমল শিশু একেলগে জ্বলিব ধৰিলে।

ঐতিহাসিক প্যাৰী অৱৰুদ্ধ। সেইয়া জ্বলিব ধৰিছে। ল্যুভৰ আৰ্ট গেলাৰীত দা-ভিঞ্চিৰ মোনালিচা হিংস্ৰ বাঘৰ পদধ্বনি শুনি কান্দি উঠিল। আফ্ৰিকাৰ বনৰীয়া ক'লা তিৰোতাৰ কোলাত ৰক্তাক্ত শিশুপুত্ৰই থৰথৰকৈ কঁপিছে। ফিউৰৰ দেহৰ নীলা তেজৰ অবিমিশ্ৰতাৰ কুলুকুলু প্ৰবাহত সেয়াতো সামান্য কোনো বিক্ষেপ তোলা নাই, তেনেহলে এই মৰ্মান্তিক প্ৰতিহিংসা কিয় ?

পুবফালৰ পৰা আঘাত আহে। ৰুচিয়াৰ বিৰাট শিল্প আৰু

খনিজ সম্পদ ইউক্ৰেনৰ শস্য ক্ষেত্ৰত আক্ৰমণ হল। সাংঘাতিক ভুলৰ আৰম্ভ ইয়াৰ পৰাই।

এদিনাখন অজেয় পানৎচাৰ বাহিনীৰ চাঁড়াচি অভিযান স্তেলিন-গ্ৰেডৰ গ্ৰানিটৰ প্ৰাচীৰত খুন্দা খাই থমকি ৰ'ল। তাৰ পিচৰ পৰাই আৰম্ভ হল পিচুৱাৰ অভিযান।

এফালে ৰুচ সৈন্য, আনফালে ইংৰাজ আৰু আমেৰিকান বাহিনীয়ে যুদ্ধৰ সকলো ভয়াবহতাক ঠেলি জাৰ্মানীৰ আপোন ভেটিত উপস্থিত হ'লহি।

ভয়ঙ্কৰ যুদ্ধৰ শেষ—যেতিয়া ৰাচিয়াই বাৰ্লিন বিজয় কৰিলে। ফিউৰৰ আত্মহত্যা আৰু নতমস্তক, হতযশ সেনানায়ক সকলৰ আত্মসমৰ্পণত।

শক্তিৰ গৰ্বত মানুহ যে কিমান ক্ৰুৰ, কিমান হিংস্ৰ হ'ব পাৰে অসহায়ৰ প্ৰতি অত্যাচাৰত কিমান যে ভয়াবহ হৈ উঠিব পাৰে তাৰে অজস্ৰ নিদৰ্শন ফিউৰেৰ আৰু তেওঁৰ মুষ্টিমেয় আজ্ঞাবহ সহচৰ কেইজন।

কিন্তু সেই ৰামো নাই, সেই অযোধ্যাও নাই। ফিউৰেৰ নাই। বাৰ্লিনৰ আজি অন্য এক অৱস্থা।

যুদ্ধৰ শেষত জাৰ্মানী চাৰিভাগত বিভক্ত হল। পূৰ্বভাগ ৰাচিয়াৰ দখললৈ গল। পশ্চিমৰ তিনিভাগ ইংৰাজ ফৰাচী আৰু আমেৰিকানৰ হাতলৈ গ'ল। বাৰ্লিন পৰিল ৰুচিয়াৰ অধিকৃত অঞ্চলত। কিন্তু সেইয়া ভাগ হ'ল চাৰিভাগত। পশ্চিম বাৰ্লিন পশ্চিম জাৰ্মানীৰ এলাকা। আন্তৰ্জাতিক ৰাজনীতিত এই সৰু ঠাইডোখৰৰ গুৰুত্ব অপৰিসীম।

আজি বাৰ্লিন পৃথিৱীৰ শান্তিপ্ৰিয় মানুহৰ এক সমস্যা।

বাৰ্লিন যেন ঘুমন্ত ভিচুবিয়াচ। ছাঁইৰে ঢাক খাই থকা জুই উমি উমি জ্বলি আছে। প্ৰতিদিনে লাভা যেন সঞ্চিত হব

ধৰিছে। ভৱিষ্যতে কোনোবা এদিনাখন হয়তো ইয়াৰ জ্বালামুখ প্ৰচণ্ড আবেগত উদ্গীৰণ হ'ব। সেই লাভাৰ স্ৰোত দুৰন্ত বেগত সিচৰিত হৈ নতুন কেনে ইতিহাস ৰচনা কৰিব কোনে জানে?

যুদ্ধত সম্পূৰ্ণ বিধ্বস্ত বাৰ্লিন। পথে পথে প্ৰতি ঘৰত, চিৰিত, দালানত আৰু প্ৰাসাদৰ বাৰান্দত জাৰ্মানী সেনাই ৰুচ সৈনিকৰ লগত মৰণ-পণ সংগ্ৰাম কৰিছে।

বাৰ্লিনৰ পতনত বিজয়ী ৰুচ সৈনিকৰ জয়যাত্ৰাৰ বহুত বিৱৰণ আছে, কাহিনী আছে প্ৰচুৰ। কিন্তু সাধাৰণ জাৰ্মানী সেনাহঁতৰ প্ৰতিৰোধ সংগ্ৰামৰ কথা কতো চকুত নপৰে। সেইদিনাখন নেতাসকল পলাতক। ওচৰত কোনো মাৰ্চাল বা সেনানায়ক নাছিল। তথাপিও সিহঁতে প্ৰতিৰোধ কৰি শত্ৰুসকলক বিস্মিত কৰিছিল। স্তম্ভিত হৈছিল বিজয়ী ৰুচ সৈন্য।

বিচ্ছিন্ন, বিভক্ত সৈন্যসকলৰ ওচৰত সেইদিনাখন কোন আছিল? ফিউৰেৰ নহয়। নীলা তেজৰ প্ৰবাহে তেওঁলোকৰ ধমনীতে প্ৰেৰণা দিয়া নাছিল। নীটচেতো তাৰ ব্যাখ্যা নাই। মাৰ্ক্সবাদতো তাৰ কোনো নতুন উল্লেখ নিশ্চয় নাই।

বিপন্না মাকক উদ্ধাৰ কৰিবলৈ প্ৰেৰণা আহে অন্তৰৰ পৰা। দেশক ৰক্ষা কৰিবলৈ শক্তি পোৱা যায় মাটিৰ পৰাই। তাত ফেচিজিম অৰ্থহীন। কমিউনিজিমো তাত অবান্তৰ। ষ্টেলিনগ্ৰেডো ৰুচ সৈনিকৰ প্ৰতিৰোধ, কমিউনিষ্টৰ যুদ্ধ নহয়— দেশৰ মানুহৰ সংগ্ৰাম। বাৰ্লিনত প্ৰতিৰোধী জাৰ্মানী সেনাসকলৰ সংগ্ৰামত ফেচিষ্টৰ কোনো ভূমিকাই নাছিল। আছিল অতি সাধাৰণ মানুহৰ স্বদেশপ্ৰীতিৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি।

সেই কাৰণে ষ্টেলিনগ্ৰেডৰ ৰুচ সৈনিকে চান্সেলীৰ বাৰান্দত ৰক্তাক্ত জাৰ্মানী সেনাৰ ওঁঠত লাগি থকা হাঁহিটো সেই দিনাখন ঠিক চিনিছিল।

এক যুগ পাৰ হৈ গৈছে তথাপিও ধ্বংসস্তূপৰ স্বাক্ষৰ আৰু মৰ্মান্তিক সেই সংগ্ৰামৰ চিহ্ন আজিও মিলি যোৱা নাই। মেচিনগানৰ গুলিৰ চিহ্ন সদায়ে চকুত পৰে। টেঙ্কৰ গুলিৰ আঘাতত এক এক এলাকা মাত্ৰ ধ্বংসস্তূপত পৰিণত হৈছে।

কিন্তু আমেৰিকানৰ হাতত পৰি পশ্চিম বাৰ্লিনৰ আজি অন্য এক অৱস্থা। চহৰৰ চাৰিওফালে আধুনিক ধৰণৰ নতুন নতুন ঘৰেৰে ভৰি উঠিছে। কোটি কোটি ডলাৰ ব্যয় কৰি আমেৰিকান কৌশলত বাটপথ তৈয়াৰ কৰিছে।

যুদ্ধৰ আগতে বাৰ্লিনৰ শ্ৰেষ্ঠ ৰাজপথ 'লাইপৎচিগাৰ ষ্ট্ৰাচে' আজি পুব বাৰ্লিন ৰুচ এলেকাত। সেই কাৰণে পশ্চিমত গঢ়া হৈছে বিৰাট ৰাজপথ 'কুৰফুৰ ষ্টেনড্ৰাম' আঢৈ মাইল দীঘল। কলিকতাৰ চৌৰঙ্গীক অতি সহজতে হাৰ মানৰ।

পথৰ দুয়োফালে ঐতিহ্যবাহী ছয় মহলা আঠ মহলা ঘৰ। কাঁচৰ নীয়ন পোহৰৰ আৱৰণেৰে আপাদমস্তক সজ্জিত। কিছু দূৰে দূৰে ল্যাম্পপোষ্ট, তাতে দুটাকৈ বিৰাটকায় বাল্ব সুন্দৰ কাঁচৰ আবৰণেৰে ঢকা।

ফুটপাথৰ এফালে দুৰ্মূল্য কাফে-টেৰাচে। গোটেই পথ পোহৰতে জকমকাই থাকে। দুয়োফালৰ ফুটপাথত মানুহৰ ভীৰ মেজে মেজে নৰ-নাৰীৰ হাঁহিৰ গুঞ্জন। বিৰামহীন চিনেমা থিয়েটাৰ। কাঁচৰ শ্বোকেচ। সকলো মিলি প্ৰাচুৰ্য্য আৰু চূড়ান্ত আধুনিক পদ্ধতিৰ চকুত লগা এক উগ্ৰ এক বস্তু বিশেষ।

পশ্চিমৰ পৰা পূবলৈ গৈছে এটি বিৰাট ৰাজপথ। চৌৰঙ্গীৰ নিচিনা বহল চাৰিটা পথ লগ লগলে যিমান বহল হব সিমান বহল। নাম, '১৭ জুন ষ্ট্ৰীট।'

এনেধৰণৰ নামকৰণৰ পিছত ইতিহাস আছে। কেই বছৰমান আগতে পুব বাৰ্লিনৰ কমিউনিষ্ট চৰকাৰৰ বিৰুদ্ধে ইয়াত এক

আন্দোলন হয়। পশ্চিমতো বিক্ষোভ হৈছিল। তাৰিখ আছিল ১৭ জুন। তাৰেই স্মৃতিত এই ৰাজপথৰ নতুন নামকৰণ।

১৭ জুন ষ্ট্ৰীট পোনে পোনে গৈ পূব বাৰ্লিনৰ কচ এলেকাত সোমাইছেগৈ। সীমাৰ ওপৰত পুৰণি এখন বিৰাট গেট। প্ৰায় দিল্লী গেটৰ নিচিনা। নাম 'ব্ৰাণ্ডেনবাৰ্গাৰ গেট।' ওপৰত ৰঙাহঁত ৰঙা পতাকা এখন উৰি আছে।

এই পাৰৰ চেহেৰা সম্পূৰ্ণ অন্য ৰকমৰ। সামান্য পথৰ ব্যৱধান। কিন্তু ভাব হল যেন নতুন দেশলৈহে আহিলোঁ।

পশ্চিম বাৰ্লিনত যেনেকৈ 'কুৰফুৰষ্টেনডাম' পূবত তেনেকৈ 'ষ্টেলিন আলি'। এতিয়াও পথতো সংস্কাৰ কৰি উঠা সম্ভৱপৰ হৈ উঠা নাই।

'ষ্টেলিন আলি'য়ে বা কম কিহত? প্ৰশস্ত ৰাজপথ, ডাঙৰ ডাঙৰ সুন্দৰ ঘৰবোৰ। তথাপিও প্ৰভেদ বহুত। নিয়ন লাইটৰ পোহৰত চকুত লগা বিজ্ঞাপন নাই। নাই কাঁচৰ সমাৰোহ। নাইট ক্লাবে বা কলৈ গ'ল? ফুটপাথত কাফে-টেবাচে ক'তা?

পশ্চিমে কয় পূব বাৰ্লিন দুখীয়া, এয়া তেওঁলোকৰ দৈন্য। পূবৰ মানুহক কোৱা শুনিছো: এয়া দোকানীৰ দেশ নহয়। কোনো প্ৰয়োজন নাই বিজ্ঞাপনৰ। মজুমদাৰৰ কথা মনত পৰিল। পাপৰ আৰু চৰাইৰ হিচাব যেন এতিয়াহে মিলিল। পশ্চিমৰ 'কুৰফুৰ-ষ্টেনডাম' হল নিউইয়ৰ্ক। পূবৰ 'ষ্টেলিন আলি'ক মস্কোৰ লগত তুলনা কৰিব পৰা যায়। দুয়োটাই ইয়াৰে নহয়। এই দেশৰ একোৰে নহয়। দুয়োটাৰ এটাইও জাৰ্মানীৰ অস্তিত্ব স্বীকাৰ নকৰে।

চান্সেলৰীৰ পতনত বাৰ্লিন যুদ্ধ শেষ হয়। এই চান্সেলৰীয়েই হিটলাৰৰ কৰ্মস্থল আছিল। আৰু তাৰে মাটিৰ তলত তেওঁ বাঙ্কাৰ সজাই আছিল। লগত আছিল ইভা ব্ৰাউন। ইয়াতেই বোলে হিটলাৰে আত্মহত্যা কৰিছিল। আৰু দেহো বোলে ইয়াতেই ছাই কৰি পেলোৱা হয়।

মৰণ-পণ সংগ্ৰামৰ পিচত ৰুচ সৈন্যবোৰে চান্সেলীৰ দখল কৰি ডিনামাইটেৰে উৰুৱাই দিয়ে। আৰু ইয়াৰে ইটা আৰু পাথৰেৰে এটি বিৰাট মনুমেণ্ট সজোৱা হ'ল। বাৰ্লিন বিজয়ৰ স্মৰণত আৰু নিহত ৰুচ সৈনিকৰ স্মৃতিত এই মনুমেণ্ট স্থাপিত হ'ল।

চান্সেলীৰ ধ্বংসস্তূপ ৰুচ এলেকাত। কিন্তু মনুমেণ্ট সজা হৈছে পশ্চিম বাৰ্লিনত। দুজন ৰুচ সেনাই দিনে ৰাতিয়ে এই মনুমেণ্ট পহৰা দি আছে। সুন্দৰ সুগঠিত গধুৰ দেহ। কান্ধত টমিগান।

ইয়াতে বহুত সময় গ'ল। মনুমেণ্টৰ পিচত এৰাবাৰীৰ দৰে আজিও বৈ আছে জাৰ্মানীৰ কলঙ্ক। সভ্যতাৰ প্ৰশ্ন, বিধ্বস্ত আধপোৰা 'ৰাইখষ্টাক'।

পূব বাৰ্লিনৰ বহু ভিতৰলৈ সোমাই গলে 'ট্ৰেপটাও পাৰ্ক'। হিটলাৰৰ আমোলত আমোদৰ কাৰখানা আছিল এই পাৰ্ক। বাৰ্লিন বিজয়ৰ পিচত যি সকল সৈনিক জীৱিত আছিল, সেই সকলক চহৰৰ পথৰ পৰা, ঘৰৰ চিৰিৰ পৰা, প্ৰাসাদৰ অলিন্দৰ পৰা দাঙি আনিছিল তেওঁলোকৰ বন্ধুই, তেওঁলোকৰ কমৰেডসকলৰ দেহাৱশেষ।

সেই শৱযাত্ৰাৰ বিৰাম নাছিল। এনেকুৱা মৰ্মান্তিক দৃশ্যৰ তুলনা নাই। দেশৰ স্বাধীনতা অক্ষুন্ন ৰাখাৰ কাৰণে, প্ৰিয়জনৰ পৰা বহু দূৰৈত, বহু সহস্ৰ-মাইল পাৰ হৈ বিদেশত এই সাত হাজাৰ তৰুণৰ মহামৃত্যুৰ তুলনা নাই।

'ট্ৰেপটাও পাৰ্ক'ৰ সকলো আমোদৰ উপকৰণ আতঁৰাই সাত হাজাৰ তৰুণ সৈনিকক ইয়াতে কবৰ দিয়া হয়।

এটি বিৰাট কবৰ। কবৰৰ এফালে এটি মৰ্মৰ মূৰ্ত্তি। মাতৃ মূৰ্ত্তি। দুহাতেৰে বুকু থপৰিয়াই নৈৰাশ্যৰ কান্দোনত ভাঙি পৰিছে। দুফালে পাথৰেৰে খোদাই কৰা দুখন বিৰাট চোভিয়েট পতাকা। মৃতকৰ সম্মানত অৱনমিত।

পতাকাৰ তলত দুফালে দুজন সৈনিকৰ শিলৰ মূৰ্ত্তি। আঠু

কাঢ়ি বহা অৱস্থাত, সোঁহাতত ৰাইফল, আন খন হাতেৰে হেলমেট লৈ থকা অৱস্থাত। মূৰ তল কৰি শ্ৰদ্ধা জনাইছে।

মূৰ্ত্তি দুটাৰ মাজেদি শিলৰ শ্মশানলৈ যোৱা চিৰি। মাজত দীঘল কবৰ। দুয়োফালে পথ। পথৰ কাষত স্তম্ভ। প্ৰত্যেকটো স্তম্ভৰ গাত যুদ্ধৰ কেইবছৰৰ ইতিহাস খোদাই কৰা আছে।

আনটো পাৰত তিনিমহলা ওখ এক স্তম্ভৰ ওপৰত বিৰাট এটা ক'লা শিলৰ মূৰ্ত্তি। এজন চোভিয়েট তৰুণ থিয় হৈ আছে। তৰুণৰ সোঁহাতত খোলা তৰোৱাল। বাওঁহাতেৰে এজনী সৰু ছোৱালীক কোলাত লৈ আছে। ছোৱালীজনীয়ে ভয়ত দুয়োখন হাতেৰে তৰুণক সাবট মাৰি ধৰি আছে। তৰুণৰ গোটেই দেহত সাহস আৰু দৃঢ়তা ফুটি উঠিছে। সুদূৰ আকাশত তেওঁৰ দৃষ্টি নিবদ্ধ।

স্তম্ভৰ মাজত এটা কোঠা। কবৰৰ অনুকৰণত গঢ়া। আৰু এটি স্মৃতিস্তূপ। দেৱালত আঁকা ছবি। ৰাচিয়াৰ বিভিন্ন মানুহৰ ছবি। সকলোৰে দৃষ্টি কবৰৰ ফালে। চকুৱে মুখে বেদনাৰ লগত দুৰন্ত এক দৃঢ়তা আছে। তাতে লেখা আছে—'দেশৰ পৰা বহু দূৰৈত তোমালোক পৰি আছা কিন্তু আমি চিৰদিন তোমালোকৰ শেষ শয়নৰ পহৰাত থাকিলোঁ'।

ধীৰ পদক্ষেপেৰে ওলাই আহিলোঁ। বেলা ইতিমধ্যে বহুত হৈছে। সূৰ্য্য পশ্চিমৰ ফালে ঢলি পৰিছে। কবৰৰ আন এক প্ৰান্তত শাৰী শাৰী সেউজীয়া পাত সূৰ্য্যৰ মিঠা পোহৰত জলমলাই উঠিছে। সূৰ্য্যদেৱতাই যেন মুঠিয়ে মুঠি সোণহে চটিয়াই দিছে।

এই ঐতিহাসিক শ্মশানত ভয় নাই। কাপুৰুষতা নাই। শ্ৰদ্ধাত মন-প্ৰাণ ভৰি উঠে। হৃদয় হয় আপ্লুত। তেনেহলে কান্দোন ?

মাতৃয়েতো কান্দিবই। নীৰৱ কান্দোন বিষন্ন হিম প্ৰবাহত ভিতি কৰি গোটেই বিশ্বত ভেওঁভো ঘূৰি ফুৰিবই।

মূৰ মোৰ দোঁ খাই আহে।

ব্যস্ত কৰফুৰষ্টেনডাম।

যি কাৰণত আড়িয়াদহ হয় এড়েঁদা, পাণিহাটি বহু মানুহৰ মুখত হয় পেনেটি, সেই একে কাৰণতে এই দেশৰ স্থানীয় মানুহে কুৰফুৰ ষ্টেনডামক চুটিকৈ কয় 'কুডাম'।

মোৰ ওলাওঁতেই বহুত সময় গ'ল। গাল দুখন শাসনলৈ অনাই কষ্টকৰ আছিল। এই শীতত গালত পানী কি দৰে লগাম? বৈদ্যুতিক ক্ষুৰ অবশ্যে আছিল। তথাপিও ভৰসা পোৱা নাছিলোঁ।

লেনিনে কৈছিল, চোছিয়েলিজমৰ লগত বিদ্যুৎ শক্তিৰ মিলনত কমিউনিজমৰ জন্ম। মই চোছিয়লিজমত বিশ্বাসী নে নাই সেই কথা ভাবি চোৱা নাই, আৰু এক শ্ৰেণীৰ অতি আধুনিক কবিতাৰ দৰে কমিউনিজমো মোৰ ওচৰত দুৰ্বোধ্য।

তথাপি আগ্ৰহ নেথাকিলেও কৌতুহল হলে যথেষ্ট আছিল। সেই কাৰণে গোৰাদাদাক এদিন প্ৰশ্ন কৰিছিলো।

ফাইলোলজিৰ কৃতী ছাত্ৰ গোৰাদাদা অধ্যাপক সকলৰ বৰ প্ৰিয় পাত্ৰ আছিল। হঠাতে এদিনাখন শুনিবলৈ পালো গোৰাদাদাই ভাষাতত্ত্ব এৰি মানুহৰ তত্ত্ব সন্ধানত লাগি গৈছে। ফিললোজি এৰি পলিটিক্স ধৰিছে।

এদিনাখন খিদিৰপুৰ ডকত দেখাদেখি হৈছিল। সুন্দৰ দেহ মলিন। কোম্পানীৰ যন্ত্ৰপাতি খালাচৰ তদাৰক কৰিবলৈ সেইদিনা যাবলগীয়া হৈছিল। লগত অফিচৰ দামী গাড়ীখনো আছিল। লগত

আছিল চোকাৰ। আৰু সেইসময়ত মই খাটি চাহাৰ। কিন্তু গোৰাদাদাক দেখা পাই এৰি হলে যাব নোৱাৰিলোঁ।

সেই দিনাখন মাত্র কৈছিলোঁ: এইবোৰ আপুনি কি কৰিছে? এসময়ত আপুনি আছিল ভাষাতত্ত্বৰ ছাত্র আৰু এতিয়া বাচি ললে ট্রেড্ ইউনিয়ন? আপুনি আনকি থিচিচখনো শেষ নকৰিলে।

গোৰাদাদাই মোৰ কথা সম্পূর্ণ এৰাই গ'ল। হাঁহি এটি মাৰি ক'লে: তোমাৰ নিশ্চয় সময় নাই, মোৰ হাততো কাম আছে। এদিনাখন মোৰ ঘৰলৈ আহিবা।

তেওঁৰ ঘৰলৈ যোৱা সম্ভৱ হোৱা নাছিল। আৰু এদিনাখন দেখা হ'ল কবীৰ ৰোডত। ক'লো: গোৰাদাদা আপোনাক মোৰ প্রয়োজন আছে। আপুনি মোক ডায়লেক্‌টিক বস্তুবাদ সহজ কৰি বুজাব?

গোৰাদাদাই প্রায় মোক তেওঁৰ ঘৰলৈ টানি লৈ গ'ল। তেওঁক এনেকুৱা আনন্দিত হোৱা আগতে দেখা নাছিলোঁ। একাপ একাপ চাহ আগত লৈ কথা আৰম্ভ কৰিলোঁ। তেৱেঁ কথা আৰম্ভ কৰিলে: ডায়ালেকটিক্ বস্তুবাদ সম্পর্কে প্রশ্ন কৰিছা, এতিয়া তুমি ডায়ালেকটিক কথাতো নো কি জনা দৰকাৰ। শব্দটো আহিছে গ্রীকৰ পৰা, 'ডায়াল্‌এগো' ৰ অৰিজিন। ইয়াৰ অর্থ হ'ল দ্বন্দ্বৰ মাজেদি প্রগতি। আচলতে কথাতো একেবাৰে নতুন নহয়, সেই মান্ধাতাৰ আমোলৰ পৰাই "dialectics was the art of arriving at the truth by disclosing the contradictions in the argument of an opponent and overcoming these contradictions......" মেটাফিজিক্সৰ লগত কিন্তু সাঙৰি নেপেলাবা বৰঞ্চ ধৰা এই—

প্রথমতে সহজ, বহুতখিনিয়ে যেন বোধ্য। কিন্তু তাৰপিচত মই দিগ্‌ভ্রান্ত। গোৰাদাদাই মোক এবাৰতে পেলাই দিলে। ইতিহাসৰ পৰিবর্তনৰ অন্তহীন প্রবাহ, ক্রমবিকাশৰ অসমান গতি,

ফুয়েৰবাখৰ বস্তুবাদ, এঙ্গেলচৰ Anti duhring quantitative changes to qualitative changes, প্ৰায় দেড়ঘণ্টামান ধৰি গোৰাদাদাই অনৰ্গল কৈ গ'ল।

হাঁহি হাঁহি শেষত ক'লে: বিজ্ঞানৰ লগত সাম্যবাদৰ সমন্বয় ডায়ালেকটিক বস্তুবাদৰ চূড়ান্ত সাৰ্থকতা। কিন্তু মই প্ৰথমৰ পৰাই ক'ব লাগিব। তোমাক সহজ ভাবে কোৱা দৰকাৰ। এতিয়া তুমি হেগেলকেই ধৰা……!

হেগেলক ধৰা নহ'ল। কাৰণ অফিচৰ সময় হৈ গৈছে। উঠিব লগা হ'ল।

গোৰাদাদাই মোক আগবঢ়াই দি গ'ল: বিজ্ঞানৰ ছাত্ৰ তুমি, যুক্তিবাদী মন তোমাৰ। ৰাতিপুৱা মই ঘৰতে থাকোঁ, ছুটিৰ দিনাখন ৰাতিপুৱাতেই আহিবা। দেখিছা ফুয়েৰবাখে প্ৰশ্ন ঠিকেই কৰিছে। কিন্তু উত্তৰবিলাক হলে ভুল। এঙ্গেলচৰ dialectics of natureৰ বিষয়ে এদিনাখন কম। ভাল পাবা।

সেই দিনাখনে মই ভাল মজা পাইছিলো। সেয়া মোৰ প্ৰথম আৰু শেষ দিন। দ্বন্দ্বমূলক বস্তুবাদ বুজা মোৰ শেষ হোৱা নাই। সাম্যবাদৰ সৰল বাখ্যা মোৰ অজ্ঞাতেই ৰৈ গ'ল।

অবশ্যে বিদ্যুৎশক্তি হলে বুজোঁ। আৰু তাকে লৈ লৰাচৰাও কৰোঁ। বিদ্যুৎশক্তিত মোৰ প্ৰচুৰ বিশ্বাস। দেশৰ সমৃদ্ধি, মানুহৰ শ্ৰীবৃদ্ধি কৰে বিদ্যুৎশক্তিয়ে। পৃথিৱীৰ নব নব সৃষ্টিৰ প্ৰতিনিয়ত সাৰ্থক গতি দি গৈ আছে বিদ্যুতে।

কিন্তু মোৰ পাণ্ডুৰ মুখশ্ৰীক সুন্দৰ কৰি তোলাৰ তাগিদাত বৈদ্যুতিক ক্ষুৰৰ আশ্ৰয় লবলৈ মই ভয় কৰোঁ। যুক্তি হয়তো নাই। তথাপিও এশ দহ ভোল্টৰ বৈদ্যুতিক ক্ষুৰৰ হাতত মোৰ অসহায় গাল দুখন এৰি দিবলৈ ভয় কৰোঁ। কি জানো যদি কেতিয়াবা তাৰ সামান্য ভ্ৰূক্ষেপ—আক্ষেপ নাইবা বিক্ষেপত পৰিণত হয়, তেতিয়া?

কুডামৰ এখন কাফে-টেৰাচত একাপ কফি লৈ বহিলোঁ। ৰাতি-পুৱাতে চাৰিওফালে হুলস্থুল। তৰুণ তৰুণীসকলৰ কল-গুঞ্জন, পথচাৰীৰ উচ্ছল হাঁহিৰ যেন বিৰাম নাই। ইয়ালৈ বহুত টুৰিষ্টো আহে। বিস্তৰ ৰাজনৈতিক দালালো আছে। পিতৃৰ দানত স্থাপিত কলেজত মূৰ্খ পুত্ৰৰ কমিটিৰ মিটিংত ভুল ইংৰাজীৰ হৈ-চৈ যেনেকৈ মানি লব লগা হয়, উৎকট আমেৰিকান ওস্তাদিও তেনেকৈ বাৰ্লিনত সহ্য হৈ আহিছে।

কালি ৰুড্‌লফৰ অহা কথা আছিল। নিকলৰ এই বন্ধুজনে মোক কেনেকুৱা যেন জয় কৰি পেলাইছে। তেওঁৰ কথামতে তেওঁৰে পৰিচিত হোটেলত উঠিছোহি। মিউনিকত তেওঁ কাম শেষ কৰি অহাৰ কথা। মোৰ লগত এই বন্দোবস্তই আছিল।

মোৰ সম্মুখত এজন বৃদ্ধ। পুৰণি দিনৰ মানুহ। মূৰত টুপি। মুখত চিগাৰ। চকুত গভীৰ দৃষ্টি।

পৰিচয় হ'ল। এনে ধৰণৰ পৰিচয়ত মই অভ্যস্ত হৈ গৈছোঁ। নিৰ্লিপ্ত কণ্ঠ, অতি সাধাৰণ দুই এটা কথাৰ আদান প্ৰদান হ'ল। ইয়াতেই জন্ম, কৰ্মও ইয়াতেই। কথা কৈ কৈ পথলৈ নামি আহিলোঁ।

সুধিলোঁ: যুদ্ধৰ ভয়াবহ দিনবিলাক আপুনি ইয়াতেই কটাইছিল নেকি? আপুনি বাৰ্লিন অৱৰোধৰ সময়ত ক'ত আছিল?

বৃদ্ধই মৃদু হাঁহি এটি মাৰিলে। ক'লে: মোৰ জন্মভূমি এৰি যামেই বা কলৈ?

মই পুনৰ প্ৰশ্ন কৰিলোঁ: সেই ভয়াবহ দিন বিলাকৰ কথা মই জানিব খোজোঁ। শুনিছিলোঁ গোটেই চহৰখন বোলে ধ্বংস হৈ গৈছিল। এটা ঘৰো বোলে বাৰ্লিনত থিয় হৈ থকা নাছিল।

কেই মুহূৰ্ত্তমান বিৰতিৰ পিচত বৃদ্ধই ক'লে: এটা ঘৰো থিয় হৈ নাথাকিলেও মোৰ কোৱাৰ একো নাছিল। মোৰ ঘৰ ধ্বংস হৈ

গলেও মোৰ একো অভিযোগ নেথাকিলহেঁতেন। সামান্য কেইদিন-মান দিনৰ ভিতৰতে নিৰীহ মানুহৰ অমূল্য জীৱন নষ্ট হৈ যোৱা দেখিছোঁ। মোৰ দুই পুত্ৰক হেৰুৱাইছোঁ। এই বাৰ্লিনতে মোৰ স্ত্ৰীও মেচিনগানৰ গুলিত নিহত হৈছিল। কিন্তু এই চহৰৰ কিমান পবিত্ৰ জীৱন আঠ বছৰ ধৰি নিৰ্মূল হৈছিল তাৰ সংখ্যা বাৰ্লিন যুদ্ধত নিহত আৰু আহত হোৱা মানুহতকৈও কম নহয়। ৩৩'ৰ পৰা ৪০' লৈ এই কেই বছৰৰ ভিতৰত বাৰ্লিনৰ বাটে-পথে, বন্দশিবিৰত কোনে মৰ্মান্তিক ধ্বংসলীলা চলিছিল সেই খবৰ জানেনে? মোৰ দুয়োজন পুত্ৰই সৈনিক আছিল। চেন্সেলৰীৰ কাৰ্নিশত ৰুচ সৈন্যৰ গুলিত এজন নিহত হয়। আৰু আন জনৰ মৃত্যুৰ সঠিক ৰহস্য মই নাজানোঁ। অৱশ্যে ৰণাঙ্গনত সৈনিকৰ মৃত্যু অতি সাধাৰণ ঘটনা। কিন্তু মোৰ ভাই টনিক এই বাৰ্লিনৰ পথতে গুলি কৰি মৰা হৈছিল।

কেইমুহূৰ্ত্তমান ৰৈ পুনৰ কবলৈ ধৰিলে: আজিও মোৰ চকুৰ আগত ভাঁহি আছে: সেইদিনাখন আছিল বুধবাৰ, মোৰ জন্মদিন। কলেজৰ পৰা উভতি অহাৰ পথত টনিয়ে এখন ৰেকৰ্ড লৈ আহিছিল। কৈছিল, তোমাৰ জন্মদিনৰ এটা উপহাৰ লগত আনিছোঁ। ৰাইখষ্টাকত জুই লগাৰ আচল ৰহস্য যদি জানিব খোজা, আহা। গ্ৰামোফনত ৰেকৰ্ড লগোৱা হ'ল। ৰেকৰ্ডত প্ৰথমে লা ট্ৰাভিয়াতৰ দুই তিনটামান গৎ তাৰ পিচতে আৰম্ভ হয়—ৰাইখষ্টাকৰ অগ্নিকাণ্ডৰ সত্য ৰূপ। প্ৰচণ্ড উত্তেজনা লৈ ৰেকৰ্ডখন শুনিলোঁ। আতঙ্কত টনিৰ ডিঙি টিপি ধৰিলো। চিঞৰি উঠিলো: ক' তই এই ৰেকৰ্ডখন ক'ত পালি? এই সৰ্বনাশ তই কৰ পৰা মাতি আনিলি?

ক্ষোভ আৰু দুখত টনি ভাঙি পৰিছিল। কৈছিল: বিশ ফেনিগ দি পথৰ পৰা কিনি আনিছোঁ। এই ৰেকৰ্ডখন মই নষ্ট হবলৈ নিদিও। শৈশৱৰ পৰা সঁচা কবলৈ শিকাইছিলা, আজি এই সত্যক তুমি বাধা দিব নোৱাৰিবা।

সেই বাস্তিয়ে টনিক গেষ্টাপোই ধৰি লৈ গ'ল। ঘৰৰ সকলো বস্তু চুৰমাৰ কৰি থৈ গ'ল। টনি হয়তো ভ্যানৰ পৰা পলাব খুজিছিল, মোৰ ভাইৰ ওপৰত একেলগে নটা ৰাইফল গৰ্জি উঠিছিল।

মানুহজন কেইমুহূৰ্ত্তমানৰ কাৰণে উত্তেজনাৰ শেষ প্ৰান্ত পালেগৈ। এক অসহ্য বেদনাত গা-মন কেনেবা হৈ উঠিল।

বুজিলো এই বৃদ্ধ সাধাৰণ মানুহ নহয়। অলপ সময় বৈ কলে: এয়া মাত্ৰ মোৰ শোক নহয়, বাৰ্লিনৰ প্ৰায় প্ৰতিটি পৰিবাৰৰ এয়া মৰ্মান্তিক অভিজ্ঞতা।

কথা কৈ কৈ বহুত দূৰ আগুৱাই আহিছিলোঁ। বৃদ্ধই হাঁহি কলে: আপোনাৰ লগত কথা কৈ ভাল লাগিল। মই আজি কিছু সময় আপোনাৰ লগত থকাহেতেন ভাল পালোঁ হয়, কিন্তু মই এবাৰ ষ্টেচনৰ ফালে যাব লাগিব। মোৰ নাতিনী আজি বাৰ্লিনলৈ অহাৰ কথা।

কৰমৰ্দন কৰি বৃদ্ধই বিদায় ললে।

কিমানেইবা আৰু পথে পথে ঘূৰি ফুৰা যাব পাৰে। লাঞ্চৰ আগতে হোটেললৈ ওভোটাৰে বা লাভ কি। অলপ সময় আলিকেকুৰিত থিয় হৈ চহৰৰ ব্যস্ততা চাবলৈ ধৰিলো।

হঠাতে চকুত পৰিল। প্ৰথমে মোৰ চকুকে বিশ্বাস কৰিব পৰা নাছিলোঁ। যিমানে ওচৰলৈ আহিছে সিমানে স্পষ্ট হৈ আহিছে। চকুৰে সৰিয়হ ফুল দেখা বুলি বোধ হয় ইয়াকে কয়।

উদ্ধত বিভলভাৰৰ সমুখত থিয় হোৱা নাই। বেপৰোৱা কোনো মটৰৰ আগত পৰিছোঁ বুলিও মনত নপৰে। মাত্ৰ ভাব হল, মোৰ সমুখৰ সকলো শূন্য। বেক নাই, হাফ বেকো নাই, ষ্টেনলি ম্যথুজৰ সুতীব্ৰ কিক এটি যেন মোৰ পিচৰ জালখন কপোৱা'ৰ

উদ্দেশ্য তীব্র গতিত আগবাঢ়ি আহিছে। মই যেন ঠিকমতে পজিচন লব পৰা নাই।

সেই কণ্ঠ। সেই তিৰ্যক চাহনি। অমলিনা ৰয় মোৰ প্ৰায় সম্মুখত উপস্থিত। ক'লে: ইয়াতো আপুনি মোৰ পিচ লৈছে?

হাঁহি দিলোঁ, কলোঃ পিচ লোৱা নহয়, সুমুখে লৈছোঁ বুলি কওঁক। দেখিছোঁ আপুনি মোক হুহুৰালে। দুই প্ৰান্তৰ পৰা আহি দেখা-দেখি হ'ল, আৰু আপুনি মোক কৈছে পিচ লোৱা বুলি? আপোনাক ভয় কৰি ঘূৰামেলা বন্ধ কৰিম নেকি? ভূগোলে কয়…।

: আপুনি কথা বন্ধ কৰিব নে? আপোনাৰ ওচৰত জিওগ্ৰাফিৰ লেচন লোৱাৰ মোৰ সময় নাই।

: আপোনাৰ পথো মই আগচি ধৰা নাই। স্বচ্ছন্দৰে আপুনি যাব পাৰে। দেখিছোঁ সময়ৰ অজুহাত ছোৱালীবোৰে পৃথিবীৰ সকলোতে বেচকৈ ৰপ্ত কৰি লৈছে। তথাপিও আপুনি যেতিয়া ৰলেই আপোনাক মোৰ কাৰণে অলপ সময় খৰচ কৰিবলৈ অনুৰোধ কৰিম। আপোনাৰ লগত মোৰ অলপ প্ৰয়োজন আছে।

: আপুনি কি ক'ব খুজিছে?

: এই মন্দোদৰীৰ ঘটনাটোৰ মীমাংসা কৰি পেলাব খোজোঁ।

: তাৰ মানে?

: ভোলাৰ চিঠি পাইছোঁ। সেই চিঠিখন মোৰ পকেটতে আছে। সেইখন আপুনি পঢ়ি চোৱা দৰকাৰ।

: মোৰ কোনো প্ৰয়োজন নাই।

: কিন্তু মোৰ যে আছে। আপুনি এটা মিছা ধাৰণা মোৰ ওপৰত লৈ যাব সেইটো মই হ'বলৈ নিদিও। আপুনি যদি গোটেই ঘটনাটো জানে আপোনাৰ সকলো পৰিস্কাৰ হৈ যাব। আপোনাৰ সকলো সহজ লাগিব।

: নতুনকৈ সহজ হোৱাৰ ইচ্ছা মোৰ নাই।

: কিন্তু মোৰ যে আগ্ৰহ।

: ক্ষমা কৰিব, পথ এৰি দিয়ক।

: পথ মই এৰি নিদিও। মোৰ নিজৰ বিবেক বুলি এটা পদাৰ্থ আছে। অহেতুক আপুনি এটি মিছা ধাৰণা মোৰ ওপৰত লব আৰু মই অপ্ৰস্তুত হৈ থাকিম, এয়া মই মানিবলৈ সম্মত নহওঁ। সেইদিনাখন মই কোৱা কথা আপুনি বিশ্বাস কৰা নাছিল। আপুনি মোৰ কোনো কথাই শুনিবলৈ সম্মত নহয়। অকাৰণতে এই ভুলৰ ভাৰ বঢ়াইয়ে বা লাভ কি ক'ব পাৰেনে? এয়া আমি মীমাংসা কৰি লোৱা দৰ্কাৰ।

: কি মীমাংসা কৰিব?

: চাওঁক, পৃথিৱীৰ কিমান ডাঙৰ সমস্যা, মাৰাত্মক ভুল বুজাবুজি আলোচনাৰ মাধ্যমত সহজ আৰু স্বচ্ছ হৈ যায়গৈ। আৰু আমাৰ মাজৰ এই সামান্য ঘটনাটোৰ মীমাংসা কৰি লব পৰা নাযাবনে? ছবিখন মোৰ পকেটলৈ কেনে ভাবে আহিল সেই কথা আপুনি জনা দৰকাৰ।

: আপুনি এটিৰ পিচত এটি ঘটনা বঢ়াই গৈ আছে।

: সুযোগ যেতিয়া পাইছে কওঁক। কিন্তু অঘটন যে একো ঘটা নাই এয়া মই দাবী কৰিমেই।

: এই ছবিখন আপোনাৰ পকেটত সীমাবদ্ধ থকা হলে মোৰ একে ক্ষতি নহলহেঁতেন, কিন্তু এইভাবে অপপ্ৰচাৰ কৰিব কিয়?

: অপপ্ৰচাৰ? এইবোৰ আপুনি কি কৈছে?

: নহয়? আপোনাৰ দায়িত্বহীন কথাবাৰ্ত্তাই অপপ্ৰচাৰ। মোক কেনেভাবে যে বিব্ৰত কৰিছে আপুনি জানেনে? ছবিখন লৈ আপোনাৰ তাৰ পৰা উভতি আহিলোঁ। বাটত এজনী ছোৱালীৰ লগত দেখাদেখি হ'ল। উপযাচি মোৰ লগত কথা হ'ল। তাৰ পিচত আপোনাৰ বন্ধুৰ দৰে তেৰো পথত এটি চিন দেখুৱা'লে।

আৰু কিমানৰ আগত যে আপুনি কি কৈছে, কোন জানে। মইতো আপোনাৰ একোতেই বাধা দিয়া নাই, তেনেহলে আপুনি কিয় মোৰ বাৰ্লিনলৈ পিচ লৈছে ক'ব পাৰেনে? উত্তৰ দিয়ক?

: পিচ লোৱা কথাতো বেয়া আৰু সেইটো কৰা ভালগাৰ। আপোনাৰ মই পিচ লোৱা নাই। বাটত আৰু দহজনৰ লগত যেনে ভাবে সাক্ষাৎ হয় আপোনাৰ লগতো মোৰ সেই একে নিয়মতে দেখা হ'ল। ভালেই হ'ল। ভোলাৰ চিঠিখন আপোনাক পঢ়িবলৈ দিয়াৰ সুযোগ পালোঁ। কিন্তু আপুনি এনে উত্তেজিত ভাবে কথা কৈছে যে বাটৰ মানুহবোৰে আমাক লক্ষ্য কৰিছে। দেখিছোঁ পুলিচ এজন আমাৰ ফালে আগবাঢ়ি আহিছে। চুখা মোহাৰি নহয়, চুইংগাম চোবাই চোবাই।

অনুমান মিছা নহয়। পুলিচজন সচাঁকৈয়ে আগবাঢ়ি আহিছে। মোলৈ কেৰাহিকৈ চাই মন্দোদৰী দেবী অথবা অমলিনা ৰয়ক সুধিলে সাহায্যৰ প্ৰয়োজন আছে নেকি।

প্ৰথমতে চকুৰে মুখে বিবুদ্ধিৰ ভাব চকুত পৰিল। পিচ মুহূৰ্ত্ততে কৌতুক আৰু কৌতুহলৰ এক স্বচ্ছ হাঁহিত অমলিনা ৰয়ে মুখখন ভৰাই তুলিলে। ক'লে: ধন্যবাদ। বন্ধু মোৰ লগতেই আছে। আপোনাক অশেষ ধন্যবাদ।

আকৌ এবাৰ সেই চাহনি। সন্দেহভৰা দৃষ্টি। পুলিচজনে বিদায় লৈ গুচি গ'ল। দেখিছো পুলিচ সকলোতে সমান।

বেচ এটি উপভোগৰ হাঁহি চকুৰ কোণত দেখা গ'ল। আঙুলি দাঙি ক'লে: দেখিলে ইচ্ছা কৰা হলে মই আপোনাক বিপদত পেলাব পাৰিলোহেঁতেন। ঘানি টনাৰ চাবিকাঠি মোৰ হাতৰ মুঠিতে আছিল।

হাঁহি উত্তৰত ক'লো: মোৰ কিন্তু হাঁহি উঠিছে।

: হাঁহি উঠিছে কিয় ? আপোনাক যে মই বিপদত পেলাব পাৰিলোঁহেতেন এই কথা আপুনি বিশ্বাস নকৰে ?

: একেবাৰেই। বিপদতটো পেলাইছেই। আপোনাৰ অসাধ্য কোনো কৰ্মৰ কথা চিন্তা কৰাও মোৰ যে কল্পনাতীত। কিন্তু মোৰ হাঁহি সেই কাৰণে উঠা নাই।

: তেনেহলে আপোনাৰ হাঁহি উঠাৰ কাৰণ ক'ত ?

: সেই পুলিচজনে মোক হহুৱাইছে-। মই আপোনাক নিচিনোঁ। আপুনিও অথচ মোক চিনিকে নাপায়, কিন্তু পুলিচজনে হলে আপোনাক ঠিক চিনিছে। 'একদম ৰোক্কে, জানানা হ্যায়' বুলি ভাবি মোলৈ কেনে ভাবে খেদি আহিছিল দেখিছিলতো ? ছোৱালীৰ সম্পৰ্কে পৃথিৱীৰ সকলো পুলিচৰ কেনে আচৰিত স্বাভাৱিক চিন্ত্যালৰি।

: কিন্তু আপোনাৰ সুবুদ্ধি কেতিয়া উদয় হ'ব ক'ব পাৰেনে ? বাটত এই দৰে হৈ-চৈ কৰি সুবুদ্ধিৰ পৰিচয় দিছে ?

: মোৰো ঠিক সেই একে প্ৰশ্ন। আমি বাটত কিয় ? বলক না কোনো কাফে-টেৰাচলৈ।

: মোৰ কফি খোৱাৰ ইচ্ছা নাই।

: ইচ্ছা নাই, চেষ্টা কৰাৰ ভাও জুৰিব। ভোলাৰ চিঠিখন আপুনি পঢ়ি চোৱা দৰকাৰ।

: সেইবোৰ চাই লাভ ?

: লাভ হয়তো নহব, কিন্তু মই হলে লোকচানৰ পৰা ৰক্ষা পৰিম। চিঠি পঢ়া শেষ হলে আপুনি কাফে এৰি গুচি যাব, মই কোনো বাধা নিদিও। অকল সেয়ে নহয়, ঘূৰি ঘূৰি আন ক'ৰবাত যদি কোনো দিনাখন দেখাদেখি হয়ও, সেইদিনাখন আপুনি মোক নিচিনিলেও মোৰ কোনো অভিযোগ নাথাকিব। সামান্য ভ্ৰূক্ষেপ নকৰিলেও মোৰ কোনো বেয়া নালাগে। মই আপোনাৰ কথা দিছোঁ আপোনাৰ পথ মই আগুৰি নাথাকোঁ।

অমলিনা বয় নীৰব। মোৰ লগত ধীৰ পদক্ষেপেৰে আগুৱাই আহিল। ভাবিছিলোঁ মন হয়তো অলপ পৰিমানে আৰ্দ্ৰ হৈ উঠিছে। কিন্তু খপ্‌কৈ প্ৰশ্ন কৰিলে : ধৰি লওঁ আপুনি অনেষ্ট, চো হোৱাট্‌, কি সম্পৰ্ক। আপোনাৰ লগত মোৰ কিহৰ খাতিৰ ক'ব পাৰেনে ?

: পুনৰ আপুনি আৰম্ভ কৰিলে। তৰ্ক মই কৰিব পাৰোঁ। অবশ্যে কুতৰ্ক আৰু কুযুক্তি ক্লান্তিকৰ। আপোনাৰ লগত মই সম্পৰ্ক পাতিব খোজা নাই। তথাপিও খাতিৰ অৱশ্যে দোষৰ নহয়। এয়া মাত্ৰ খাতিৰৰ বাবে খাতিৰ। কুলটুৰৰ বুকুৰ ওপৰেদি খোজ কাঢ়ি ফুৰিছে, এয়া আপোনাক কৈ দিব লাগিব নেকি ?

এখন কাফে-টেৰাচত কফি লৈ বহিলোঁ। ভোলাৰ চিঠিখন তেওঁৰ হাতত তুলি দি কফিৰ পাত্ৰ হাতত তুলি ললোঁ। মোৰ কফি শেষ হ'ল, কিন্তু অমলিনা ৰয়ৰ ভোলাৰ চিঠি শেষ নহ'ল। কেতিয়াবা চকুৱে মুখে বিস্ময়, কেতিয়াবা কৌতুহল, কেতিয়াবা একোটা পাতল হাঁহি। বেচ কেইবাৰমান পঢ়িলে। সুলকি যোৱা উলৰ ঘৰ পুনৰ তুলি লবলৈ যি মনোযোগ আৰু স্থিৰ দৃষ্টিৰ প্ৰয়োজন তেওঁৰ চকুত যেনে তাৰেই আভাস পালো।

চিঠিখন ভাঁজ কৰিলে। এনভেলাপটোত ভৰালে। মুৰ তল কৰি মোৰ হাতত তুলি দিলে। শূন্য দৃষ্টি। ভাবলেশহীন চাহনি।

চিঠিখন পকেটত ভৰাই থলোঁ। মাততো যথেষ্ট সৰু কৰি ক'লে : চাওক মিঃ সেন, ইংবাজীত এটি কথা আছে······

বাধা দি ক'লো : এটি নহয়, বহুত আছে। এতিয়া সেই কথা যাওঁক। আপোনাৰ কফি চেঁচা হ'ল।

কফি শেষ হ'ল। কাফে-টেৰাচে এৰি আহিলোঁ। নিস্তব্ধতা।

কোনো কথা নাই। বাটলৈ ওলাই আহিলোঁ। : আপুনি কোনকালে যাব ?

উত্তৰ নহয়, ওলোটা প্ৰশ্ন। ক'লে : আপুনিতো মোক একো প্ৰশ্ন নকৰিলে। চিঠিখন মাত্ৰ পঢ়িলোৱেই। মতামতটো জানিব সুখুজিলে ?

: সেইবোৰ জানি কি লাভ হ'ব ?

: এয়া আপোনাৰ অভিমান।

: আপোনাৰ ওপৰত অভিমান? দেখিছোঁ আপুনি বেচ সুন্দৰ কথা কয়। উইদাউট টিকেটৰ পেচেঞ্জাৰে টিকেট চেকাৰৰ ওপৰত অভিমান কৰি হাওৱাৰ পৰা দাম লয় নেকি ? দাবী নাইবা অধিকাৰ য'ত অনুপস্থিত তাতে অভিমানৰ প্ৰশ্ন উঠে জানো ? আপোনা লগত মোৰ কিহৰ সম্পৰ্ক। আপোনাৰ লগত কিহৰ খাতিৰ কৰ পাৰেনে ? ভোলাৰ চিঠিখন মই আপোনাক পঢ়িবলৈ দিছিল ঠিক কনচিলেচন বা ক্লেৰিফিকেচনৰ মন লৈ নহয়। আপোনাক মাত্ৰ আচল কথাতো জনাবলৈ খুঁজিছিলোঁ। মিটমাট নাইবা সহজ কৰিবলৈ এতিয়া কিমানখিনিয়ে বা সহজ হ'ল সেয়া জনাৰ কৌতূহল মোৰ নাই। আৰু সেই বিষয়ৰ ওপৰত মোক অলপো হাত নাই। আপুনি প্ৰথমদিনাখনেই কৈছিল যে নাটক কৰা চখ্ আপোনাৰ নাই। আৰু চাওঁক অভিনয়ও মই ভালকৈ কৰিব নোৱাৰো। অবশ্যে এই মেলোড্ৰামাৰ আচল উৎস ধৰিব পাৰি আপুনি কিমানখিনি আশ্বস্ত হ'ল নাজানোঁ, মই হলে নিশ্চিন্ত হৈছো। ভোলা মোৰ অকৃত্ৰিম বন্ধু। আপোনাক অপ্ৰস্তুত কৰা মানুহো তেওঁ নহয়। মোক ৰিডিকিউল্ কৰাৰ তেওঁৰ তিলমাত্ৰও আগ্ৰহ নাছিল। আপোনাৰ হোটেল কিমান দূৰ ? আপোনাৰ কাৰণে এখন টেক্সি মাতি দিম নেকি ?

অমলিনা ৰয় মলিন। চলনত ক্লান্ত গতি। দ্বিধাজড়িত

কণ্ঠস্বৰ : আপোনাক ধন্যবাদ। হোটেল মই ঠিক বিচাৰি লম। টেক্সিৰ কোনো প্ৰয়োজন নাই।

হাঁহি এটি মাৰি কলো : মোৰ পথ পুব ফালে।

নিৰ্লিপ্ত এটি হাঁহি ওঁঠৰ কোণত দেখা দিলে। কলে : বেচ্‌ভো, আপুনি যাওকগৈ। নমস্কাৰ।

মূৰ তল কৰি এটি নমস্কাৰ জনাই বিদায় ললোঁ।

ঢং ঢং কৰি ঘড়ীত বাৰটা বাজিল বাজিল। মেঘাচ্ছন্ন দিন। অপস্রিয়মান অমলিনা ৰয় আলিৰ কোণত অদৃশ্য হৈ গ'ল। চেঁচা বতাহ আৰম্ভ হ'ল। সন্ধ্যাৰ কাৰণে কফি টেবাচবোৰে উশাহ লৈছে।

আজি দুদিন হ'ল ৰুড্‌লফ্‌ বাৰ্লিনলৈ আহিছে। একেখন হোটেলতে আছোঁ। ওচৰাওচৰি কোঠা। দুদিন ধৰি তেওঁ কামত ব্যস্ত। ৰাতিপুৱা চাহৰ মেজতো তেওঁক পোৱা দুৰুহ। লাঞ্চতো পোৱা টান। ডিনাৰ খাই বহুত ৰাতিহে তেওঁ উভতি আহে। কি কামত যে ব্যস্ত তেওঁহে জানে।

কথা প্ৰসঙ্গত অমলিনা ৰয়ৰ কথা তেওঁৰ আগত গোটেইখিনি কৈছোঁ। ৰুড্‌লফে মাত্ৰ শুনিছে। মোক কৃত্ৰিম ভৎ'সনা কৰি কৈছে : হাতৰ মুঠিলৈ আনিও এৰি দিলা? তোমাৰ মগজুত দেখিছো একো নাই।

সৰল আৰু সহজ প্ৰকৃতিৰ মানুহ ৰুডলফ্‌। কথা-বতৰাত চাপল্য আছে। লগতে অস্থিৰতাও আছে। বেহিচাবী এই চপলতা মোৰ ভালেই লাগিছে।

মোৰ মৌনতা দেখি তেওঁক প্ৰগলভতাই পালে। ক'লে : সঁচা কবলৈ গলে, ভাৰতীয় ছোৱালী যে দেখিবলৈ ইমান সুন্দৰ হব পাৰে, ইয়াৰ আগতেই মোৰ ধাৰণাই নাছিল। ছোৱালী চাই চাই মোৰ চকু নষ্ট হবৰ উপক্ৰম, কিন্তু এনেকুৱা এনেকুৱা চকু··· ।

বাধা দি ক'লো : দেখিছোঁ, তোমাৰ খুব পছন্দ হৈছে। তোমাৰ কাৰণে ঘটক হম নেকি ?

অপ্ৰস্তুত হৈ ৰুড্‌লফে ক'লে : মোৰতো মুৰ বেয়া হোৱা নাই। বলা না ফ্ৰাঙ্কফুৰ্টলৈ, মোৰ ঘৰ তাতে ! ইয়াৰ পৰা বেচি দূৰ নহয়। মোৰ স্ত্ৰীৰ লগত পৰিচয় কৰাই দিমগৈ। অ্যানাই তোমাক দেখা পালে আনন্দিত হব। ইয়ালৈ আহি ডাঙৰ ডাঙৰ চহৰ হে দেখিছা, গাওঁ তুমি এতিয়াও দেখা নাই। এইবোৰ নেদেখিলে এই দেশৰ বহুত কিবাই নেদেখিবা।

উত্তৰত ক'লো : তোমাৰ লগত ঘুৰিম মই, তোমাৰ স্ত্ৰীৰ লগতো পৰিচয় হব, কিন্তু তুমি কেতিয়াকৈ মোৰ লগত ওলাব পাৰিবা ?

আজি কিন্তু ৰাতিপুৱাৰ পৰাই ৰুড্‌লফ মোৰ লগত থাকিল। কাফে-টেৰাচে, কুডামৰ বাটে-পথে ৰাতিপুৱা ঘুৰিলোঁ।

লাঞ্চৰ পিচত মোৰ কোঠাত বহিয়ে আলোচনা হৈছিল। সন্ধ্যা চিনেমা নে অপেৰালৈ যোৱা হ'ব তাৰেই আলোচনা কৰিছিলোঁ।

হঠাতে ৰুড্‌লফে প্ৰশ্ন কৰিলে : তুমি জানো ৰেজিলৈ গৈছা ? বল হাউচ ৰেজিলৈ ?

মই মুৰ জোকাৰিলোঁ। ৰুড্‌লফ আচৰিত হ'ল। ক'লে : বাৰ্লিনৰ এই অচৰিত নাচঘৰ তুমি এতিয়াও চোৱা নাই ? এনেকুৱা মজাৰ ঠাই তুমি নিশ্চয় জীৱনত দেখা নাই। বাৰ্লিনলৈ আহি ৰেজি নাচাবা সেয়া কেনেকৈ হ'ব ?

ক'লো : ছোৱালীবোৰে ভৰি মেলি মেলি নাচিব আৰু কি? ছোৱালীবোৰৰ এইবোৰ নাচ মোৰ একেবাৰে ভাল নালাগে। আন ক'ৰবালৈ বলা।

ৰুডলফে হাঁহি ক'লে : ছোৱালীবোৰৰ নাচ অৱশ্যে আছে। কিন্তু এনেকুৱা আচৰিত বস্তু যে তুমি জীৱনত পাহৰিব নোৱাৰিবা।

ক'লো : নাইট ক্লাবত তুমি আজিৰ সন্ধ্যা নষ্ট কৰিবা? তাতকৈ এবটল মোজেল লৈ কাফে-টেৰাচতে বহোঁ। প্যাৰীৰ ষ্টুডিওৰ সেই বাকী দিন বিলাকৰ কথা এতিয়াও শুনা হোৱা নাই।

মুৰ জোকাৰি জোকাৰি ৰুডলফে ক'লে : কম কম বাৰু। আজি কিন্তু তালৈকে বলা। আৰু মোজেল মই তোমাক তাতেই খুৱাম। আচলতে তোমাৰ এটা অজুহাত, কুডামৰ পথে পথে ঘূৰি ফুৰাতেই তোমাৰ আনন্দ। এজনক পথত বিচৰা নহয়? পথৰ এক প্ৰান্তৰ পৰা আন প্ৰান্তলৈ তুমি কিহৰ সন্ধান কৰা মই নাজানো নেকি?

ৰুড্‌লফৰ কথা শুনি হাঁহিব লগা হ'ল। তেওঁৰ সহজ কথাত খণ্ড কৰাৰ উপায় নাই। ক'লো : জানোঁ তুমি বহুত কথাই চিন্তা কৰিছা, কিন্তু সেইবোৰ কথা মই সম্পূৰ্ণ পাহৰি গৈছোঁ।

ৰুড্‌লফে ক'লে : অৱশ্যে তোমাক মই দোষ নিদিও। অ্যানাৰ লগত মোৰ প্ৰথম পৰিচয় হয় হামবুৰ্গত। ছুটিৰ পিচত প্যাৰীলৈ উভতি গলোগৈ, কিন্তু কিহৰ ছুটি, কিহৰ প্যাৰী? ৰ'ব নোৱাৰিলো। মিছা অজুহাত লৈ উভতি আহিলোঁ। কিন্তু অ্যানাৰ বাপেক এজন সাংঘাটিক পাষণ্ড আছিল। সেই এজন ফেচিষ্টে বোধহয় যুদ্ধৰ পিচতে হামবুৰ্গৰ সৰ্বত্ৰ বুকু ফুলাই ফুৰিছিল। কম কম হে সকলো কথা। বলা না এবাৰ। অ্যানাই কয়···

নিজৰ কথাৰ জোৰ বুজাবলৈ, নিজৰ বক্তব্য সুন্দৰ আৰু ৰসগ্ৰাহী কৰিবলৈ ৰুডলফে তেওঁৰ স্ত্ৰী অ্যানাৰ প্ৰসঙ্গ তুলিবই।

বুজিলো কডলফে অ্যানাক খুব ভালপায়। বহুত কামৰ মাজতো তেওঁ অ্যানালৈ চিঠি লিখে। ঘৰৰ অৱস্থা ভাল। কথাবাৰ্ত্তাত সেয়াই ধাৰণা হয়। তথাপিও মাক বাপেকৰ ওচৰত পৰিবাৰকে পেলাই ৰাখিছে বা কিয় বুজি হলে পোৱা নাই। এই দেশততো এয়া ৰীতি নহয়।

দুজনৰ কাৰণে এটি ফ্লেট। এখন 'ওপেল' গাড়ী। এটি কুকুৰ, শোৱা কোঠাত দুখন বিভিন্ন বিচনা। মাজত এখন মেজ, এটি ফোন। এক প্ৰান্তত ৰেডিঅ'। ডিনাৰ টেবুলত দুজনৰ বহা ব্যৱস্থা। ৰিফ্রিজাৰেটৰ, অতি সুন্দৰ ডিনাৰ চেট আয়নাৰ আলমাৰীত থোৱা। মেজত সজোৱা ফুল। বাহিৰৰ কোঠাত লোভনীয় চোফা চেট্ আৰু এটি টেলিভিচন। বুক চেলফ এফালে ৰখা তাতে কেইখনমান কিতাপ।

সমস্ত পৰিবেশ আগুৰি 'আমি দুজন' 'আমি দুজন' ভাব। কড্লফক তেনেকুৱা এক পৰিবেশেই মনাব। আৰু সেয়াই স্বাভাবিক।

হয়তো দেশলৈ উভতিছে মাত্ৰ। নিজকে ঠিক কৰি লোৱাত ব্যস্ত। পাঁচজনৰ দৰে গতানুগতিক জীৱন কড্লফৰ নহয় সেয়া জানো। চিনেমা জগত সকলোতে বোধহয় একে। বহুত কথা, আৰু মিছা আশাৰ বোধহয় ইয়াতো শেষ নাই।

শেষ পৰ্য্যন্ত কড্লফৰ কথাই ৰ'ল। বল হাউচ ৰেজিলৈ যোৱাই ঠিক হ'ল। তাত বোলে বিচিত্ৰ অভিজ্ঞতা লাভ কৰিব পৰা যায়। আৰু অভিজ্ঞতা সঞ্চয় কৰিবলৈকেটো মই বাৰ্লিনলৈ আহিছোঁ।

নাইট ক্লাবৰ বিচিত্ৰ সমাৰোহ, উদভ্ৰান্ত যৌবনৰ চূড়ান্ত অপচয়, আৰু ব্যৱসায়ী তৰুণীৰ বিলোল কটাক্ষৰ মাজতে হয়তো নতুন কোনোবা মানুহৰ সাক্ষাৎ পোৱা যাব। নিঃসঙ্গ কোনোবা মানুহৰ

মুখত হয়তো কোনো নতুন অজ্ঞাত কাহিনী শুনিবলৈ পোৱা যাব। ৰুচ সীমাৰ পৰা পলাই অহা কোনো যুবকৰ মৰ্মান্তিক অভিজ্ঞতাৰ গল্প হয়তো শুনা যাব। কোনোৱা কোনো এক ৰূপহীৰ দেহত প্ৰথম কেতিয়া এজন মাৰ্কিন সৈনিকৰ পাশৱ অঙ্গীকাৰ কোনে ভাবে তেওঁৰ সুন্দৰ জীৱন বিষাক্ত কৰি তুলিছিল, তাৰ পিচৰ জীৱন কেনে বিচিত্ৰ জীৱনাতিহাস, হয়তো জানিব পাৰিম।

মোৰ মনত বহু কাহিনী, বহু অভিজ্ঞতা আজি সঞ্চিত হৈছে। বহুত মানুহৰ হাঁহি আৰু কান্দোন, আশা-নিৰাশা, শক্তি আৰু সাহসৰ নানা কথাই আজি মোৰ মনত ভীৰ কৰিছেহি। হয়তো এতিয়াও বহু ঠাই আছে। সেই শূন্যতা মই ভৰাই তুলিব লাগিব।

বল হাউচ ৰেজি।

মাটিৰ তলেদি ৰেলেৰে অৱশেষত আচৰিত নাচঘৰ পালোঁহি। ঘড়ী চাই দেখোঁ যে চাৰে আঠটা বাজিছে। মানুহ অহা আৰম্ভ হৈ গৈছেই। অকল ডেকা গাভৰুৰে ভীৰ নহয়। বৃদ্ধও আছে। প্ৰবেশ মূল্য মাত্ৰ এক মাৰ্ক।

বেচ আহল বহল এটি নাচঘৰ। মাজত বহুত খিনি ঠাই নাচৰ কাৰণে এৰি থোৱা আছে। ৰেঁস্তোৰাৰ দৰে চকী মেজ সজোৱা আছে। আনফালে ষ্টেজ, তলত অৰ্কেষ্ট্ৰা।

বৈচিত্ৰ্য আছে নিশ্চয়। দুয়োফালৰ বেৰত নানা ৰঙৰ পোহৰ। মাজে মাজে সলনি হৈ আছে। দেৱালত ডাঙৰ ডাঙৰ ছবি আঁকি থোৱা আছে। ঠিক ছবি নহয়, অৰ্দ্ধনগ্না নৃত্যৰতা নাৰীৰ অবয়ব। তৰাৰ দৰে ঝাৰৰ পৰা লাইট ওলমি আছে। সমগ্ৰ পৰিবেশ আগুৰি যেন সকলো উল্লাসিত। কোণৰ এখন মেজ দখল কৰি মোজেল আগত লৈ বহিলোঁ।

প্ৰত্যেকখন মেজৰ কাষত এটাকৈ পোষ্ট। তাৰে গাত পোহৰৰ

মাজত মেজৰ নম্বৰ লিখি থোৱা আছে। দূৰৈৰ পৰাও যি কোনো নম্বৰ পঢ়িব পৰা যায়। প্ৰতিখন মেজত একোটাকৈ ফোন। আৰু লগতে আছে কমপ্ৰেষ্ট এয়াৰেৰে চলা টিউব পোষ্ট। যি কোনো মেজৰ উদ্দেশ্যে চিঠি লিখি এটি প্লাষ্টিকৰ খামত ভৰাই টিউবৰ মাজত এৰি দিলে, এয়াৰ চাকচেনৰে সেইটো চেণ্ট্ৰেল ষ্টেচন পাবগৈ। তাৰপৰাই এড্ৰেচীৰ মেজলৈ যায়গৈ।

ছোৱালীবোৰৰ লগত কথা কোৱাৰ এয়া এক যান্ত্ৰিক মিডিয়াম।

অলপ সময় ভিতৰতে মেজবোৰ পূৰ্ণ হৈ গ'ল। আমাৰ পৰা কিছু দূৰৈত দুজন ভাৰতীয় মানুহ চকুত পৰিল। দেখি অনুমান হ'ল উদগ্ৰীব হৈ ছোৱালী বিচাৰিছে।

এনেতে সশব্দে প্লাষ্টিকৰ পিয়ন উপস্থিত হলহি। খামৰ মাজত চিঠি। ২০৯ নম্বৰ মেজৰ পৰা এজনীয়ে লিখিছে: আপুনি অলপ অচৰপ জাৰ্মানী ক'ব পাৰেনে?

কড্‌লফে হাঁহিলে। ক'লে: এনেকুৱা মজাৰ ঘটনা ক'ৰবাত দেখিছা জানো? এনেকুৱা আচৰিত ঠাই পাবা ক'ত?

চিঠিৰ কোনো উত্তৰ নিদিয়াকৈ চিগাৰেট আৰু মোজেলৰ অনুভূতি উপভোগ কৰিব ধৰিলোঁ। কিন্তু প্লাষ্টিক পিয়ন হলে মোৰ দৰে নিৰ্লিপ্ত নহয়। আকৌ সেই শব্দ। সেই আগৰ দৰে চিঠি। আন এগৰাকী সুন্দৰীয়ে লিখিছে: আপুনি মনে মনে আছে কিয়? পৰিচয় হবলৈ ইচ্ছা গৈছে যে।

এইবাৰো উত্তৰ নিদিলোঁ।

ঠিক এনে সময়তে চকুত পৰিল ভাৰতীয় মানুহ দুজনে হৈ চৈ লগাই দিয়া। এজন বোধহয় দাক্ষিণাত্যৰ উপকূলৰ পৰা অহা। আমোদ আহ্লাদত খিলখিলাই হাঁহিছে। আনজনে প্ৰায় জপিওৱা আৰম্ভ কৰি দিছে। কুঁজা হৈ বোধহয় উত্তৰ লিখিছে।

কড্‌লফে ক'লে: এসময়ত ইয়ালৈ আহি কি'যে নকৰিছিলোঁ।

সেই কথা ভাবিলেও আচৰিত হ'ব লাগে। তৰুণ-তৰুণীৰ কাৰ্য্য দেখি কেনেবা লাগে। অ্যানাই এদিনাখন কি কৰিছিল জানা ··।

দ্বিতীয়জন ভাৰতীয়ক দেখিলোঁ। মোৰ মেজৰ ওচৰত উপস্থিত হলহি। ক'লে: কি চাৰ, আপুনি দেখান বহুত চিঠি পাইছে। ক'তা উত্তৰ দেখোন দিয়া নাই। আমি দুজন প্যাৰীৰ পৰা আহিছোঁ। আপুনি বেজিত এনে কি দেখিব ইয়াতকৈ বহুত কিবা তাতে চাই আহিছোঁ।

প্যাৰী সম্পৰ্কে দুই চাৰি আষাৰ কথা সুধিলোঁ। কিন্তু একেবাৰে হতাশ হলোঁ। বুজিলো মানুহজনে ছোৱালীবোৰৰ নাচ আৰু অশ্লীল অঙ্গীভঙ্গীৰ বাহিৰে একোৱে দেখা নাই। ফোৰ্লি চাবলৈ গৈ দূৰবীন ভাড়া কৰি উলঙ্গ নাৰীৰ ফালে চাই দিনৰ পিচত দিন কটাই দিছে। বস্তিলৰ নাম শুনা নাই। ল্যুভৰ সম্পৰ্কে প্ৰশ্ন কৰাত হাঁহি হাঁহি ক'লে: আপুনি যোৱা নাই অথচ খবৰ ৰাখে বিস্তৰ। ল্যুভৰ আকৌ কি? ইয়াৰ ছোৱালীবিলাকো বেচ। কিন্তু আপুনি মনে মনে কিয় আছে?

আকৌ বোধহয় সেইফালে চিঠি আহিল। মোৰ উত্তৰৰ কাৰণে অপেক্ষা নকৰি নিজৰ মেজলৈ দৌৰী গ'ল। আকৌ দুজনে হৈ চৈ লগাই দিছে।

বেজিলৈ দুইধৰণৰ ছোৱালী আহে। পুৰুষৰ লগত বন্ধুত্ব পাতোতে কুমাৰী সকল ব্যগ্ৰ হ'বই, তেওঁলোকৰ প্ৰধান উদ্দেশ্য স্বামী চিকাৰ। কথা বতৰাৰ মাজেদি ঘনিষ্ঠতা হয়। তেতিয়া দুয়োজনে বিচাৰ কৰি চায়, বিয়া কৰালে সুখী হ'ব নে নাই। যদি দুয়োজনৰ ভিতৰত এজনৰো সন্দেহ হয় ঘনিষ্ঠতা লগে লগে নাইকীয়া হয়। শেষলৈ থাকে মাত্ৰ দেখিলৈ সামান্য এটি হাঁহিৰ বিনিময়। সৌজন্য-সূচক হাতৰ জোকাৰ।

আৰু এক শ্ৰেণীৰ তৰুণীৰ সাক্ষাৎ পোৱা যায়। স্বামী চিকাৰ

তেওঁলোকৰ উদ্দেশ্য নহয়। তেওঁলোকৰ উদ্দেশ্যে হট্টগোল কৰা। সেই আমোদেই শেষত হয় গৈ প্ৰমোদ। বহুত তৰুণৰ হাত সলনি হৈ তেওঁ শেষত হয় গৈ জনসাধাৰণৰ ব্যৱহাৰ্য্য সামগ্ৰী বিশেষ। প্ৰচুৰ অভ্যাসত প্ৰলোভনৰ ক্ষমতা বাঢ়ে। আৰু তেওঁলোকৰ চিকাৰ বিকাৰগ্ৰস্থ পুৰুষ মানুহ। তেওঁলোকৰ বিলোপ কটাক্ষত আমাৰ দেশৰ বহুত নিৰীহ ল'ৰাবোৰেই চিকাৰ হয়গৈ?

গোটেই পৰিবেশ আগুৰি ওৱালজ বাজি উঠে। লগতে বিৰামহীন ভাবে তৰুণ-তৰুণীৰ ফোন আৰু চিঠি অহাযোৱা হৈ আছে। জোৰে জোৰে নাচিছে। ষ্টেজৰ ওপৰত থকা নৃত্যছন্দৰ পানীৰ ফোৱাৰাটি বেচ ৰমণীয়। লগতে পাতল পোহৰৰ খেলি-মেলি। এয়া এখন অদ্ভুত ঠাই। সকলো মিলি বল হাউচ ৰেজিয়ে মোক বিস্মিত কৰি তুলিছে।

এনে সময়তে ৰুড্‌লফে মোৰ কোটত ধৰি টানি দিলে। মেজৰ ওপৰত হালি বিস্ফোৰিত চকুৰে ক'লে: হেৰ জেন ২২৮ নম্বৰ মেজলৈ চোৱাচোন? মোৰ চকুক কিমান আৰু অবিশ্বাস কৰিম?

বেচ কিছু দূৰৈত কোণৰ এখন মেজত মোৰ দৃষ্টি স্থিৰ হৈ গ'ল।

মেজ অধিকাৰ কৰি থকা গৰাকী আন কোনো নহয়—অমলিনা ৰয়। নৃত্যৰতা ফোৱাৰাটিৰ ফালে এক দৃষ্টিৰে চাই আছে। অবিমিশ্ৰ এক আনন্দৰ হাঁহি গোটেই মুখ মণ্ডলত দেখা গৈছে। বগা শাৰীৰ লগত মিলাই পিন্ধা এটি পশমৰ ক্লোক। কাণত দীঘল মুক্তা লগোৱা কুণ্ডল। ওচৰত এজন সুদৰ্শন জাৰ্মান যুবক।

ৰুড্‌লফে ক'লে: ফোন কৰা।

বিস্মিত হৈ কওঁ: পাগল নেকি, শেষত গৈ আন এটি গণ্ডগোল কৰিবা নেকি? বহুত হৈ গৈছে, আৰু নেলাগে।

ৰুড্‌লফে ক'লে: ইয়াত ফোন কৰা একো দোষৰ কথা নহয়। বাহিৰৰ ফোন আৰু ৰেজিৰ ফোনৰ বহুত পাৰ্থক্য আছে। তোমাৰ

ইচ্ছা আছে জানো। এনেকুৱা সুযোগ এৰি নিদিবা হেৰ জেন। ছোৱালীক তুমি একোকে নিচিনা। ছোৱালীবোৰৰ মন······

মূৰলৈ দুৰ্বুদ্ধি আহিল। মোক যেন কিহবাই পালে। ৰিচিভাৰ তুলি লৈ ডায়েল কৰিলো। অমলিনা ৰয়ৰ ফোন বাজি উঠা দেখিলোঁ। মইয়ে প্ৰথমতে জাৰ্মানী ভাষাত কথা আৰম্ভ কৰিলোঁ : আপুনি জানো অলপ অচৰপ জাৰ্মানী ক'ব পাৰে ? নাচ জানেনে ?

সিটো প্ৰান্তৰ পৰা কণ্ঠস্বৰ ভাঁহি আহিল : আপোনাক অশেষ ধন্যবাদ। এই দেশৰ নাচৰ লগত মোৰ পৰিচয় নাই। আপুনি কোনখন মেজৰ পৰা কথা কৈছে ?

আমাৰ মেজৰ কাষত এজন যুৱকে বহুতসময় ধৰি ফোনত বক-বকাই আছিল। হয়তো কোনো বিশেষ এক তৰুণীক হাত কৰাত ব্যস্ত আছিল। নিজৰ পৰিচয় গোপন কৰি তেওঁৰ মেজৰ নম্বৰ দিলোঁ। অমলিনা ৰয়ৰ উত্তৰ আহিল : আপোনাৰ লগত কথা কৈ খুব ভাল লাগিল কিন্তু এই দেশৰ নাচ মই এতিয়াও শিকা নাই। মই সঁচাকৈয়ে দুঃখিত।

মই যেন নিজকে সংযত কৰিব নোৱাৰিলোঁ। পোনে পোনে মাতৃভাষাতে কথা আৰম্ভ কৰি দিলো : এই দেশৰ নাচ নাজানিলেও ক্ষতি নাই, ভাঙৰা-টাঙৰা জানিলেও হব ?

অমলিনা ৰয়ৰ হাতৰ পৰা যেন ৰিচাভাৰটো ওলাই পৰিল। মূৰ দাঙি ইফালে-সিফালে চাবলৈ ধৰিলে। নিজকে মই সম্মুখৰ শকত দেহৰ মানুহজনৰ পৰা আঁৰ কৰি মূৰ তল কৰি থাকিলোঁ। মেজৰ ওপৰত মূৰ থৈ ৰুড্‌লফে কৌতুহল হৈ প্ৰশ্ন কৰিলে : কি কথা হ'ল ? আন এখন মেজৰ নম্বৰ কলা কিয় ? সহজ কথাক জটিল কৰি তোলা কিয় ? তোমাৰ মতলব মই একোকে ধৰিব নোৱাৰোঁ।

ইঙ্গিতেৰে ৰুড্‌লফক মনে মনে থাকিবলৈ কলোঁ। দুৱাৰৰ আৰঁত নিজকে লুকুৱাই ৰাখি সামান্য ভাবে মুখ উলিয়াই শিশুবোৰে

যেনেকৈ লুকা-ভাকু খেলে, কড্লকেও অমলিনা বয়ক সেইদৰে চাবলৈ ধৰিলে।

ওৱালজ থামিল। এইবাৰ টিউব পোষ্টৰ শৰণাপন্ন হলো। লিখি পাঠিয়ালো : লগৰ দশানন নো কোন ?

এইবাৰ মেজৰ নম্বৰ গোপন নকৰিলোঁ।

প্ৰবল উত্তেজনাৰ মাজত মাত্ৰ সময় অলপ সময় পিচত প্লাষ্টিকৰ পিয়ন উপস্থিত। অমলিনা বয়ৰ এটি লাইনৰ লেখা : ইয়ালৈ কি চাবলৈ আহিছে ?

উত্তৰ পাঠিয়ালো : কথা সুঘূৰাব, লগৰ দশাননজনৰ পৰিচয় ? আপুনিয়ে বা ইয়ালৈ কি চাবলৈ আহিছে ?

উত্তৰ আহিল : আপোনাৰ কৌতুহলৰ ৰুচিৰ অভাৱ দেখিলোঁ। চাইছোঁ আৰু আচৰিত হৈছোঁ। ভাবিছোঁ পুৰুষ কিমান বৰ্বৰ হ'ব পাৰে।

আকৌ উত্তৰ গ'ল : আপোনালোকে সম্ভাৱ যোগালে পুৰুষবোৰ কিমানলৈ স্থিৰে থাকিব পাৰে ? মনে মনে আছে কিয় ? নাচিলে আপোনাক আৰু ধুনীয়া দেখা যাব।

উত্তৰ আহিল : সকলোৱে নাচিলে নচাব কোনে ?

উত্তৰ পাঠিয়ালোঁ : কিমান জনক নচুৱালে ?

উত্তৰ আহিল : আপোনাৰ প্ৰয়োজন ?

উত্তৰ দিলোঁ : ভোলাৰ কাগজৰ এডিটৰিয়লৰ কাষত বোলে আপোনাৰ কাৰণে ঠাই আছে। প্ৰশ্ন মোৰ নিজৰ নহয়, সাংবাদিকৰ দৃষ্টিকোণৰ পৰা জানিব খুজিছোঁ। আপোনাৰ নচানাচিৰ খবৰ দেশত বহু সৰলাৰো মৰ্মবেদনাৰ কাৰণ হ'ব।

প্ৰায় লগে লগে উত্তৰ আহিল : আপুনি বহুত আগতেই অধিকাৰৰ সীমাৰেখা চেৰাই গৈছে। আপোনাৰ কৌতুহল বন্ধ কৰক। তৰ্ক নকৰিব।

লিখি পাঠিয়ালো : তৰ্ক মই সদায়ে কৰোঁ। সেয়া মোৰ অভ্যাস, গতিকে বশলৈ আনিবলৈ নোৱাৰে। অৱশ্যে কু-তৰ্কৰ লগত হলে নোৱাৰোঁ। আপোনাৰ কথাবোৰ বাতগ্ৰস্থ। বাতিক দোষৰ নহয়, কিন্তু বাত ব্যাধি অসহ্য।

চিঠি আহিল। অমলিনা ৰয়ে লিখিছে : বাতব্যাধিৰ ঔষধৰ কাৰণে মই ঔষধৰ দোকান বিচাৰিম। কালি ৰাতিপুৱা আপোনাৰ লগত থকা বন্ধুজনক মই থকা হোটেলৰ লাউঞ্জত ঘূৰি ফুৰা দেখিছিলো। তেতিয়াই বুজিছিলো আপোনাৰ কিবা মতলব আছে। সেইজনক ক'ৰ পৰা আমদানি কৰিলে ?

মোৰ উত্তৰ : আপোনাৰ কথাত অনুমান হল ঔষধত দোকান-বিলাকেই ৰোগ নিৰাময় কৰাৰ বাবে যথেষ্ট। কিন্তু দেশত চিকিৎসকৰ প্ৰয়োজন আছে এই কথা আপুনি জানি থোৱা দৰকাৰ। পৃথিৱী মানুহে লাউঞ্জত আপোনাৰ কাৰণে ঘূৰি ফুৰিছে, এয়া আপোনাৰ হাস্যকৰ বিলাস।

উত্তৰ নাহিল। সেইফালে ব্যস্ততাৰ লক্ষণ দেখিলোঁ। অমলিনা ৰয়ে আসন এৰি উঠি পৰিছে। লগতে সঙ্গীও। চকীত থোৱা পুলঅভাৰটো লৈ নাচঘৰ এৰি অমলিনা ৰয় গুচি গ'ল।

পৰিশ্ৰান্ত বল হাউচ ৰেজি।

অৱসন্ন সঙ্গীতৰ এক ক্লান্ত ৰেশে গোটেই পৰিবেশ শ্ৰান্তিত পূৰ্ণ কৰি তুলিছে। বহুত আসন খালি হৈ গ'ল। ধোৱাৰ কুণ্ডলী শূন্য মেজৰ ছাইদানিৰ পৰা ওলাই আছে। সুৰ আৰু সুৰাত বিভ্ৰান্ত মানুহৰ চকুত অৱসাদ নামি আহিছে। পানীৰ ফোৱাৰা আবৰ্ত্তনত পৰি যেন আগৰ দৰে হহাঁ নাই।

দুৰ্বল হাঁহিৰ শব্দত উভতি চাওঁ। ক্ষীণকৈ মানুহজনে শিষ্টাচাৰৰ শেষ সীমা ইমান সময়ে অতিক্ৰম কৰি গৈছে। ডিঙিৰ টাই স্খলকি পৰিছে। লগত এজনী ছোৱালী। ৰঙা টানকৈ পিন্ধা সাজপাৰ।

শীৰ্ণ হুবাহুৰ মাজত নিৰ্লিপ্ত যুৱতীৰ দেহ টানি লৈ পাগলৰ দৰে আদৰ কৰিব ধৰিছে।

ঠিক যেন আদৰ বুলি অনুমান নহ'ল। এনেকুৱা আমোদ নহয়। প্ৰমোদো নহয়। স্ফূৰ্ত্তিৰেইবা এয়া কি অদ্ভুত প্ৰকাশ?

ভাব হ'ল, জনবিৰল প্ৰান্তৰত এক মৃত পশুৰ উচ্ছিষ্ট দেহত আপোন পাহৰি গৈছে লোভাতুৰ এক বুভুক্ষু শৃগাল।

কালিলৈ ৰাতিপুৱাতে বোধহয় এওঁ বাৰ্লিন এৰি যাবগৈ। অন্য ক'ৰবালৈ। ফ্ৰাঙ্কফুৰ্ট, হামবুৰ্গ নাইবা বন্‌ৰ পৰা লোভনীয় চাকৰী লৈ কোনোবা এদিনাখন হয়তো দেশলৈ উভতি যাবগৈ। শীত তাপ নিয়ন্ত্ৰিত কক্ষত আকৰ্ষণীয় চকীত হয়তো সনাম্দে গৈ বহিব বোম্বে নাইবা দিল্লীৰ কোনোবা ঠাইত।

এওঁ লগত বহুত কিবাই হয়তো লৈ যাব। বৃদ্ধ পিতাকক দিব বহু দূৰ দেশৰ পৰা অনা বহু ক্লেশত পোৱা নিজৰ মহাৰ্ঘ চাৰ্টিফিকেট। নিজৰ কাৰণে হয়তো জুৰিখৰ পৰা ঘড়ীও লব। লোভনীয় লাইকা কেমেৰা হয়তো সৰু ভায়েকৰ হাতত তুলি দিব।

কিন্তু স্ত্ৰীক দিব কি? সেয়া হয়তো এওঁ সহজতে লগতে লৈ যাব পাৰিব। এই দেশৰ মানুহে বাধা নিদিয়ে, দুৰ্ধৰ্ষ কাষ্টমচ্‌ অফিচাৰে একো গমকে নাপাব। কোলনৰ এক অন্ধ গলিৰ ঘৰৰ পৰা উষ্ণ বিবৰ্ণ এক সুন্দৰীৰ দেহৰ বিষাক্ত কীট নিৰ্বিঘ্নে এওঁৰ পক্ষে হয়তো স্ত্ৰীৰ দেহত তুলি দিয়া সম্ভৱ হ'ব।

: এইবাৰ যোৱা হওঁক। ৰুড্‌লফৰ ক্লান্ত্‌ কণ্ঠস্বৰ।

ঘড়ীলৈ চোৱা অসম্ভৱ। বহুত আগতেই তাৰিখ সলনি হৈ গৈছে চকী এৰি থিয় হলো। ওভাৰকোটটো হাতত লৈ ওলাই আহিলোঁ।

পিচত পৰি ৰ'ল নাচঘৰ। পৰিশ্ৰান্ত ফোৱাৰাৰ অফুৰন্ত চূৰ্ণ বাৰিধাৰা পিচত পেলাই আহিলোঁ। এৰি আহিলোঁ অন্নসত্ৰ বল হাউচ ৰেজি।

পৰ্দ্দা আঁতৰাই মোক দেখা পাই অমলিনা ৰয় কেনেকুৱা যেন আচৰিত হ'ল। কেইমুহূৰ্ত্তমান পিচত অস্ফুট মাতেৰে ক'লে : আপুনি···।

সঙ্কোচৰ হাঁহি মাৰি ক'লো : আপোনাৰ আপত্তি থাকিলে উভতি যাব পাৰোঁ।

বিস্ময়ভৰা কণ্ঠেৰে ক'লে : মোৰ আপত্তি থাকিলে উভতি যাব পাৰে ? এই কথা কবলৈ আহিছে ?

মুৰ জোকাৰি কওঁ : ঠিক ধৰিছে।

পৰ্দ্দাৰ এক প্ৰান্তৰ পৰা হাতখন যেন এৰাই গ'ল।

দ্বিধাজড়িত মাতেৰে কলে : মই জানো আপোনাক আহিবলৈ কৈছিলো ?

হাঁহি উত্তৰ দিলো : কোৱা নাই, কিন্তু কোৱা উচিত আছিল।

অলপ পিচুৱাই অলপ আতৰি গৈ ক'লে : আপুনি মোক আচৰিত কৰিলে। ভিতৰলৈ আহক।

কোঠাৰ ভিতৰলৈ সোমাই গলো। ঠিক প্ৰবেশ নহয়, অনু-প্ৰবেশ। সুন্দৰকৈ কোঠাটো সজাইছে। প্ৰয়োজনীয় বহু বস্তুৰে ভৰ্ত্তি। কোমল বিচনাৰ ওপৰত ·এখন বহী। ওচৰতে কলমটো খোলা অৱস্থাত আছে।

চোফাত বহিলোহি। সন্মুখৰ চোফাৰ হেণ্ডেলত ধৰি অমলিনা ৰয় থিয় হৈ থাকিল। পিন্ধনত গেৰুৱা ৰঙৰ তাঁতৰ শাৰী, সেউজীয়া পাড়ি। ক'লা ৰঙৰ এখন চাদৰ গাত লৈছে। মুৰৰ চুলি তালপাতৰ দৰে টানকৈ বান্ধি লৈছে। মাটিৰ ফালে চাই চাই ক'লে : মোৰ ঘৰ বিচাৰি পাওঁতে আপোনাৰ অসুবিধা হোৱা নাছিলো জানো।

: পৰহি নাচ ঘৰত আপোনাৰ মুখত আপোনাৰ বাসস্থানৰ বিষয়ে জানিব পাৰিলোঁ। লগৰ বন্ধুজনক জেৰা কৰোতেই হোটেলৰ

নাম ওলাই পৰিল। কিবা কামত এই হোটেলৰ কাৰোবাৰ ওচৰলৈ তেওঁ আহিছিল। আপোনাক তেও দেখা পোৱা নাছিল। আপোনাৰ ঘৰ বিচাৰি পাওঁতে মোৰ সেই কাৰণে বিশেষ কষ্ট নহল। কিন্তু আপুনি আনন্দিত হৈছে বুলিতো মোৰ ভাব হোৱা নাই।

অমলিনা ৰয়ে সামান্য হাঁহি এটি মাৰিলে। ক'লে : তাতে আপুনিয়ে বা কিমানখিনি আনন্দিত হব ? আনক বিব্রত কৰি আপুনি আনন্দ পায়, অন্যক খঙ উঠোৱাতে আপোনাৰ তৃপ্তি।

কলো : মই কিন্তু নিৰুপায় হৈ আপোনাৰ ওচৰলৈ আহিছো। বিপদত পৰিয়েই আপোনাৰ শৰণাপন্ন হৈছোঁ। সেই কাৰণেই আপোনাৰ ওচৰলৈ দৌৰি আহিছোঁ।

ওঠৰ হাঁহি গোপন কৰাৰ ব্যৰ্থ চেষ্টা কৰি অমলিনা ৰয় চোফাত বহিলহি। শাৰীৰ আচলৰ একপ্ৰান্ত টানি টানি ক'লে : কি কাৰণে দৌৰিব লগীয়া হ'ল ?

উত্তৰ দিলোঁ : মোৰ দৌৰা দোষৰ নহয়। এই গধুৰ শীতৰ পোচাক, অনভ্যস্ত চাহাবী ঢং, উৎকট ভাষা, আৰু বগা বগা মানুহৰ ভীৰত উশাহ বন্ধ হবলৈ উপক্ৰম। আপোনাৰ লগত দুদণ্ড বহি মাতৃভাষাত কথা পাতিবলৈ আহিলোঁ।

অচঞ্চল দৃষ্টি মেলি ক'লে : আপোনাৰ লগত কেইবাৰমান দেখা-দেখি হৈছিল। কিন্তু আপোনাৰ কথা-বতৰাৰ লক্ষণ দেখি অন্তৰ খুলি কথা পতাৰ কোনো সুযোগ ঘটা নাছিল।

বাধা দি কলো : একেবাৰে সাধাৰণ মানুহৰ দৰে পুৰণিকলীয়া ঢঙত কথা কোৱাতো ভুল। সম্পূৰ্ণ অপছন্দ কৰোঁ। মই কামৰ মানুহ মই আৰেগতকৈ বেগত আস্থাশীল। সেই কাৰণে পোনে পোনে আপোনাৰ হোটেল উপস্থিত হৈছোঁহি।

তুচ্ছ হাঁহি এটি মাৰিলে : আপোনাৰ এই বেহিচাবী বেগ

হয়তো দোষৰ নহয়, কিন্তু ক'ব খোজে নেকি যে আবেগৰ কোনো প্ৰয়োজন নাই।

কলো: হয়তো আছে। আন ঠাইত, অন্য সময়ত সেয়া ভৰা যাব। কিন্তু এই মুহূৰ্ত্তত আবেগ বা বেগ আমাৰ নিশ্চয় প্ৰয়োজন নাই। অৰণ্যে সভ্যতাৰ যাতনা বহুত। পেশাদাৰী ভদ্ৰতা ভাবে কুটীৰ শিল্প। আপোনাৰ লগত মোৰ কথা-বতৰা হোৱা নাই বুলি জানো আপুনি ক'ব খোজে?

এইবাৰ অমলিনা ৰয়ৰ হাঁহি দমাই ৰখা সম্ভৱ নহ'ল। মুৰ দাঙি ক'লে: বিবেকৰ দংশনৰ কাৰণেই আপোনাৰ ইয়ালৈকে অহাৰ কাৰণ নেকি?

মুৰ জোকাৰি কওঁ: তাৰে উৎপত্তি অনুতাপৰ পৰা। ভাৱপ্ৰৱণ মানুহৰ হাস্যকৰ আত্মপ্ৰবঞ্চনা। মোৰ ওচৰত মাত্ৰ সময়ৰ বেহিচাবী বাজে খৰচ। যাওঁক সেই কথা, মই আহিছোঁ পেটৰ যন্ত্ৰণাত, আপুনি এই দেশলৈ কিয় আহিছে?

আগৰ দৰে হাঁহি কলে: প্ৰাণৰ টানত যে অহা নাই সেই বিষয়ে আপুনি নিশ্চিন্ত থাকিব পাৰে।

কৃত্ৰিম শঙ্কা প্ৰকাশ কৰোঁ। কলো: ইয়াতো মোৰ দুঃশ্চিন্তা নগ'ল। উচ্চতৰ গবেষণা মোৰ ওচৰত আৰু ভয়াবহ যেন লাগে। আজিকালি ধাত্ৰী বিদ্যা শিকিবলৈ অহাতো অৰণ্যে কমিছে। চোছিয়েল ষ্টাডিৰ প্লাবন এতিয়া। আপোনাৰ জানো তেনে কিবা মতলবত অহা হৈছে?

: আপোনাৰ কি বুলি অনুমান হয়?

: কোৱা টান। আপনালোকৰ নিচিনা ফাষ্ট ক্লাচৰ মনৰ খবৰ আমি নাপাওঁ। এগৰাকী ফৰাচী মহিলাৰ লগত কথা হ'ল, কেইদিনমানৰ কাৰণে ইয়ালৈ ফুৰিবলৈ আহিছে। কথা প্ৰসঙ্গত জানিলোঁ, গ্ৰীক ডায়োনিচাচ পূজা পাৰ্বনৰ ওপৰত গবেষণা কৰিছে।

আপোনাৰ হয়তো হাইডেলবাৰ্গৰ প্ৰাচীনতম মানুহৰ হাড়-মূৰৰ ওপৰত নতুন কিবা সংগ্ৰহ কৰাৰ তাগিদাত অহা। টমচন ম্যাথিয়ে আৰু লেফেভৰক শেষ কৰি হেপাহ পলোৱা নাই। সেই কাৰণে নতুন পৰিচ্ছেদ উন্মোচন কৰিবলৈ হয়তো প্যাৰীত আড্ডা বহুৱাইছে।

আনন্দৰ হাঁহি চকুৱে মুখে দেখা গ'ল। আগ্ৰহ ভৰা চাহনি। ক'লে : লেফেভৰ কিবা আপুনি পঢ়িছে।

উত্তৰত ক'লো : আন কাক ক'ব, বাক পৰ্য্যন্ত মই পঢ়া নাই। আনাতোলা ফ্ৰাঁ, ডিকেন্স আৰু হুগোৰ নভেলৰ পৰাই ফৰাচী বিপ্লব সম্পৰ্কে হাত ভৰি জোকাৰো।

: কিন্তু এইবোৰ নভেল-নাটকত ইতিহাস ক'ত? গল্পৰ খাতিৰত ইতিহাসক উপলুঙা কৰিবলৈও এওঁলোক পিচ পৰা নাই। অমলিনা বয় যেন আচৰিত হ'ল।

: মইতো মাষ্টৰী কৰাৰ কাম নলওঁ। সেই কাৰণে ছাত্ৰ সকলক ৰসাতললৈ নিয়াৰ ভয় নাই। ক্ৰুজেড যুগ আপোনালোকেই ভালকৈ বুজক, মই 'আইভানহো'তেই আনন্দিত হম। ম্যাথিয়ে নাইবা লেফেভক মই জনাৰ দৰকাৰ নাই, ভবানীপুৰৰ সস্তা চাহৰ দোকানলৈ যাতায়ত থাকিলে নিতান্ত অনিচ্ছা সত্ত্বেও যেনেকৈ ৰেচ কোৰ্চৰ ঘোঁৰাৰ খবৰ জানিব লগা হয়, মোৰ সৰু ভনী মিনাৰ তাড়নাত এইবোৰ শুনিব লগা হৈছে। কাৰ্লাইলেই বা মই ক'ত পঢ়িছোঁ?

তুষ্ট হাঁহি এটি মাৰি অমলিনা বয়ে ক'লে : জানো আপুনি স্বভাৱতে বিনয়ী কিন্তু অতি বিনয়ী সকলক মোৰ ভয় লাগে।

: আপোনাৰ মুখত ফুল চন্দন পৰক বুলি নকওঁ, বোজ-লিপষ্টিকতো আসক্তি আছে বুলি ধাৰণা হোৱা নাই, আপুনি মোক আচৰিত কৰি তুলিছে। এটি অবাধ্য চৰিত্ৰ হিচাবে মোৰ সুনাম বহুদিনৰ। মোৰ চৰিত্ৰত আপুনি বিনয় দেখিলে ক'ত? কিন্তু আপোনাৰ যে বিনয়ৰ যথেষ্ট অভাৱ আছে সেই কথা মই কওঁই।

প্ৰথম দিনাখনৰ সাক্ষাতৰ কথা মই জীৱনত নেপাহৰো। এইবাৰ জোৰ দি কথাবোৰ ক'লো।

: অন্যায় মই একোকে কৰা নাই। অমলিনা ৰয়ে সঙ্কোচৰে কলে।

মইও অসঙ্কোচভাবেই কথাবোৰ ক'লো: ন্যায় অন্যায়ৰ প্ৰশ্ন নহয়। আপুনি সেই ভাবে আহি পৰাতো যে কোনো পুৰুষ সিংহৰ ওচৰতো মাৰাত্মক।

এইবাৰো তেওঁ হাঁহি এটি মাৰিলে: আপুনি ভয় খাইছিল নেকি ?

ক'লো: ভয় নহয়, মৃত্যুক মই সিমানখিনি ভয়ঙ্কৰ বুলি নেভাবোঁ। সেই দিনাখন আপোনাক মোৰ কোঠাত দেখা পাই চিঞৰি উঠিছিলোঁ। বাৰ্নাম হাবি, ডান্সিনান পাহাৰ আগুৱাই আহোতে মেকবেথৰো বোধহয় তেনেকুৱা অৱস্থাই হৈছিল। তথাপিও মনতে ভাবিছিলো চণ্ডালি লম, কিন্তু ফটোগ্ৰাফখনৰ নিখুঁত খবৰ আপুনি জনা থকা কাৰণে লগে লগে সেই মৰ্মান্তিক চিকিৎসকৰ কথা মনত পৰিল। ধৰাশায়ী হলোঁ। ম্যাকডাফৰ ওস্তাদি সহ্য কৰিব পৰা যায়, কাৰণ নাটকখন শেষ কৰাৰ দৰকাৰ আছিল। কিন্তু মোৰ ওপৰত আপোনাৰ এনে কেনে মৰ্মান্তিক পীড়ণ কওকচোন ?

: কিন্তু মোৰ যে অন্য কোনো পথ নাছিল। সেইদিনাখন মোৰো কম ভয় লগা নাছিল। নাটকৰ পিচত এজন বৌ বাজাৰৰ ছেক্সপীয়েৰৰ যে অদৃশ্য হাত আছিল সেইকথা মই সেইদিনখন বিশ্বাস কৰা নাছিলোঁ। অমলিনা ৰয়ৰ কণ্ঠত আত্মপক্ষ সমৰ্থনৰ সুৰ।

: আচলতে আপুনি খুব দুৰ্বল মনৰ মানুহ। তাকে তল পেলাবলৈ নিজকে জোৰকৈ উদ্ধত কৰাৰ চেষ্টা কৰে। ভয় দেখুৱাই জয়লাভ কৰাৰ অপচেষ্টা নিতান্তই পুৰণি ধৰণৰ কথা।

: আপোনাৰ অৱস্থা দেখি সেইদিনাখন ময়ো খুবকৈ হাঁহিছিলোঁ,

কিন্তু মই সেই মুহূৰ্ত্তত পুব বাৰ্লিনলৈ পলাই গৈ আশ্ৰয় লোৱাৰ কথা চিন্তা কৰিছিলোঁ।

মোৰ কথা শুনি অমলিনা ৰয়ে খিলখিলাই হাঁহি দিলে। ক'লে : ঘটনাটো ইমান জটিল আপুনি নকৰিলেই হ'লহেতেন।

: অহেতুক আপোনাৰ খং দেখি ভয় খাইছিলোঁ। সেই কাৰণে খঙ দেখুৱাব লগা হৈছিল।

অমলিনা ৰয়ে ক'লে : খং কৰাৰ কিন্তু মানে নাছিল। তেনে ধৰণৰ জটিলতাৰো প্ৰয়োজন নাছিল।

বাধা দি ক'লো : হয়তো এই ক্ষেত্ৰত নাছিল। চাই থকাৰ পৰিবৰ্ত্তে এনেয়ে থকাই আপুনি ভাল আছিল। বিধাতাই ওঁঠৰ কাষত সেই ক'লা তিলটোৰ কনট্ৰাষ্ট বহুৱাই অতিৰিক্ত জটিলতাৰ বাবে এক প্ৰদৰ্শনী খুলি বহা নাই জানো ?

মূৰ তল কৰি অমলিনা ৰয়ে ক'লে : আপুনি মুখলৈ যি আহে তাকে কৈ দিয়ে। এয়াই আপোনাৰ জানো বদভ্যাস নহয় ?

: বদভ্যাস বৰ্ণনা কৰিবলৈ হলে কিছু পৰিমাণে বেহিচাবী হব লাগিব। তাত দোষ নাই। বজাৰলৈ গৈ পোষ্টকাৰ্ড লিখিব পৰা যায়, কিন্তু আগ্ৰাৰ ওপৰত প্ৰবন্ধ সম্ভৱ কেনেকৈ ?

: তাজমহল আপোনাৰ ভাল লাগিছে ? বিস্ময়ৰ সুৰত অমলিনা ৰয়ে ক'লে।

: অপূৰ্ব। দিল্লীৰ বাদশাহৰ ওপৰত অপোনাৰ হয়তো খঙ আছে, সেই কাৰণে তাজমহল সম্পৰ্কে আপুনি বায়াচড্। ম্যাথিয়ে, লেফেডৰ বাহিৰে আনাতোলা ফ্ৰাঁৰ কিতাপ আপুনি পঢ়া দৰকাৰ। মনতকৈ সম্মানে আপোনাক বেছি পাইছে। কিন্তু জীৱনক মই বহুত বেছি সত্য বুলি জানো।

মূৰ জোকাৰি অমলিনা ৰয়ে ক'লে : মোৰ কিন্তু তাজমহলক কিবা বেছি বেছি লগে।

বাধা দি কওঁ ঃ আপুনিযে যুক্তি দি তাজমহল চাব খোজে। তাজমহল যদি বাহুল্য কিবা হলহেঁতেন গাইকোৰ্ঁৰৰ ৰাণীৰ পৰা আৰম্ভ কৰি মেঙ্গো লেনৰ কেৰাণীয়ে পুৰ্ণিমাত কি চাবলৈ আগ্ৰালৈ যায় ?

অমলিনা ৰয়ে ক'লে ঃ আপুনি খুব সুন্দৰকৈ কথা সজাই পৰাই ক'ব পাৰে বুলি এই ধাৰণা আপোনাৰ মুৰত কোনেনো সুমুৰাই দিছে ?

হাঁহি ক'লো ঃ অতি কম সময়তে সেই ধাৰণা কিন্তু আপোনাৰ মুৰত বদ্ধপৰিপক্ক হৈ গৈছে।

মিছা খঙ দেখুৱাই অমলিনা বয়ে ক'লে ঃ তৰ্ক বাদ দিয়ক। বাৰ্লিনতো চালে, কেনেকুৱা লাগিল।

ঃ ভয়ে ভয়ে কম নে নিৰ্ভয়ে ক'ম ?

ঃ আপুনি নিশ্চয় নতুন কিবা ক'ব। মিঠা হাঁহি এটি মাৰি অমলিনা ৰয়ে সুধিলে।

সহজ সুৰত ক'লো ঃ ইউৰোপৰ আন আন ঠাইৰ কেনে অৱস্থা ক'ব নোৱাৰো। কিন্তু এই দেশৰ খুব কিবা এটা আকৰ্ষণ আছে বুলি মোৰ ধাৰণা নহয়। প্ৰকৃততে এওঁলোক ডাঙৰ মানুহ, প্ৰাচুৰ্য্যৰ কাৰণে বাহিৰৰ পৰা চকুত লাগে। প্ৰাণ ধাৰণ কৰা আমাৰ দেশত সাংঘাটিক কথা। ইয়াতো অভাৱ আছে বোধ হয়, কিন্তু প্ৰাণ ধাৰণৰ দুৰ্বহ যাতনা হলে নাই। গোটেই পৰিবেশ সম্পূৰ্ণ বেলেগ সেই কাৰণে আমাৰ অনভ্যস্ত চকুৱে বিভ্ৰান্ত মানে। ৰঙচঙ্ আৰু গ্লেমাৰ দেখি দিশহাৰা হব লগা হয়। এই দেশৰ কাৰখানাত, বিশ্ববিদ্যালয়ত বহুত কিবা শিকিবৰ সঁচাকৈয়ে আছে, কিন্তু অন্য কিবা বিশেষ সংগ্ৰহ কৰিব লগা আছে বুলি ধাৰণা নহয়। এয়াই মোৰ ধাৰণা। আপোনাৰ মনে কি কয় ?

অমলিনা ৰয়ে; ক'লে ঃ আপোনাৰ লগত ময়ো একমত। এয়া

অকল জাৰ্মানীৰ নহয়, গোটেই ইউৰোপৰে এই অৱস্থা। দাৰিদ্ৰ্যৰ অভিশাপত আমি অপ্ৰস্তুত হৈ আছোঁ। আপুনি ঠিকেই কৈছে, প্ৰাচুৰ্য্যৰ মাজলৈ আহি আমাৰ দীনতাই আমাক আৰু সঙ্কুচিত কৰি দিয়ে। ইউৰোপত কি দেখি বহুতে কলিকতাত লম্ফ-জম্ফ কৰে মই নাজানোঁ। ট্ৰাউজাৰ্চ পিন্ধা হয় সুবিধাৰ কাৰণে, ধুতিক হেয় কৰাৰ কাৰণে নহয়। সময় বচাব লাগিবই, সেই কাৰণে ৰান্ধনিঘৰত প্ৰেচাৰ কুকাৰৰ প্ৰয়োজন মানি লবই লাগিব। মোৰ ভাব হয় ইয়াতকৈ বেছি সংগ্ৰহ কৰাৰ প্ৰয়োজন এই দেশৰ পৰা নাই।

মই উচ্ছসিত হৈ উঠোঁ। ক'লো: মই কিন্তু আপোনাক একেবাৰে ওলোটা বুলি ভাবিছিলোঁ। এগৰাকী স্বয়ংসম্পূৰ্ণ মেম চাহাব বুলি ভাবিছিলোঁ।

অচঞ্চল দৃষ্টিৰে ক'লে: আনৰ সম্পৰ্কে হঠাতে কিবা এটা ধাৰণা কৰিলে ঠগ খাব লাগে। মই এতিয়াও আপোনাৰ প্ৰতি কোনো ধাৰণাই পোষণ কৰা নাই।

আচৰিত হৈ কওঁ: কিয়, আপোনাৰ নোটবুকত প্ৰতাৰকৰ তালিকাত মোৰ নাম এতিয়াও লিখা নাই নেকি?

কোনো উত্তৰ নাহিল। চকু নমাই ললে। বেচ কিছু সময় পাৰ হৈ গ'ল। সঙ্কোচ আৰু অপ্ৰস্তুতৰ ভাব চকুৰে মুখে ফুটি উঠে। ম্লান হাঁহি এটি মাৰি ক'লে: আপোনাৰ নামটো এতিয়াও জনা হোৱা নাই। আপোনাৰ নাম জানো মিঃ সেন?

হাঁহি ক'লো: কিবা এটা নাম দি মাতিলেই হ'ল। এটা হলেই হ'ল।

অমলিনা ৰয়ে ক'লে: সেই বুলি আপোনাক কালিকাপ্ৰসাদ বুলি মাতিলে নিশ্চয় ভাল নালাগিব।

মুৰ জোকাৰি কওঁ: আপুনি যদি মাতিব পাৰে মোৰ আপত্তি নাই। মতাতো কিন্তু টান হ'ব। বাচন-বৰ্ত্তনৰ ফেৰিৱালাই থাপ

এখন বজাই আগে আগে যায়, তেওঁৰ পিচে পিচে এবোজা বাচন লৈ দিনমজুৰী কৰা এজনে অনুসৰণ কৰে। মোক মাত্তিবৰ কাৰণে শেষত তেনে এজন মানুহৰ প্ৰয়োজন হ'ব। চিলিম লৈ খোজকঢ়া সহজ, কিন্তু হোকা বহনৰ যন্ত্ৰণাৰ কথা আপুনি হলে ভাবিব লাগিব।

অমলিনা ৰয়ে ক'লে: ধূমপানৰ নিচা মোৰ নাই। গতিকে হোকাৰো প্ৰয়োজন মোৰ নাই। আপোনাৰ নামটো জানিব পাৰোঁনে?

চোফাত পোন হৈ বহিলোঁ। ক'লো: নিশ্চয়। কিন্তু মোৰ নামৰ পিচত হলে সামান্য ইতিহাস আছে। মোৰ দেউতাৰ নাম পুলকেশ চন্দ্ৰ সেন। সকলো মিলি দেউতাৰ সাতজন ভায়েক-ককায়েক। তেওঁলোকৰ নামৰ আদ্যাক্ষৰত প্ৰভেদ থাকিলেও নামৰ শেষ বৰ্ণ সাতজনৰেই তালব্য 'শ'তে শেষ। কিন্তু এই নিয়ম খুড়াদেউহঁতৰ মাজতেই সীমাবদ্ধ নাথাকিল, তেওঁলোকৰ পুত্ৰহঁতৰ নামাকৰণতো ঠিক একেই নিয়ম চলিল। তালব্য 'শ'ক শিখণ্ডী কৰি ধ্বনিগত মিল ৰাখি, তেওঁলোকৰ মৰ্মান্তিক নামাকৰণ অব্যাহত হৈ ৰ'ল। কিন্তু এই দেশত যি পৰিমাণে নতুন শিশুহঁতৰ 'তালব্য শ' মাৰ্কা নামৰ প্ৰয়োজন দেশে তাৰে যোগান কেনেদৰে দিব? মোৰ পাল যেতিয়া আহিল তেতিয়া বৰ দুৰ্দিন। মোৰ নাম দিবলৈ গৈ খুড়াহঁত মহাচিন্তাত পৰিল।

মোৰ এজন জেঠাদেউ দ্বাৰকেশ চন্দ্ৰ ফৰিদপুৰৰ নাম কৰা উকীল আছিল। বৰ খণ্ডাল ধৰণৰ মানুহ। মনো তেওঁৰ আও-পুৰণি। আমি যিটোক কাউৰী বুলি জানোঁ, তেওঁ তাকে ক'ব 'বায়স' বুলি।

মোৰ নাম লৈ বোলে বহুত কিবাকিবি হৈছিল। মোৰ মা বিদ্ৰোহী, তালব্য শ বৰ্জিত নাম তেওঁৰ পচন্দ। দেউতাই ভয়

খালে। কাৰণ জেঠাদেউক উপেক্ষা কৰাৰ কথা তেওঁ সপোনতো ভাবিব নোৱাৰে। তথাপিও শুনিছিলো মাৰ তাড়ণাত পৰি নিতান্ত অনিচ্ছাসত্ত্বেও এদিন কথা প্ৰসঙ্গত মোৰ নাম 'অজয়' হলে কেনেকুৱা হয় সুধিলে। দেউতাৰ কথা শুনি জেঠাদেউ অলপ সময় দেউতাৰ মুখৰ ফালে চাই কিহবাৰ যেন অনুসন্ধান কৰিলে। তাৰ পিচত ক'লে: উহুঁ হ'ব নোৱাৰে।

দুদিন পিচত মোৰ দোলনাৰ ফালে তৰ্জনী দাঙি মাক শুনাই জেঠাদেউৱে জেঠীক ক'লে: ইয়াৰ নাম কুমাৰেশ। পুলকেশক মই এই বিষয়ে চিঠি লিখি জনাই দিছোঁ। দৰজাৰ আঁৰত মায়ে মোৰ নতুন নামাকৰণ শুনিলে, কিন্তু প্ৰতিবাদ কৰাৰ সাহস হলে নহল। আৰু তেতিয়া মোৰ দোলনাত লম্ফ-জম্ফই সাৰ।

মোৰ কুমাৰেশ নামেই থাকিল। কলিকতাত এই নাম লৈয়ে স্কুলত ভৰ্ত্তি হলোহি। ল'ৰাবোৰে 'বঙাল' 'বঙাল' বুলি মোক জোকাইছিল। এদিনাখন ইংৰাজীৰ শিক্ষকে 'আই হেড'ৰ অৰ্থ কি সুধিলে। মই উত্তৰ দিলো—'মোৰ আছিলোতো'। অকল ছাত্ৰই নহয়, শিক্ষকো হাঁহিত অস্থিৰ। তাৰ পিচৰ পৰাই বাটে পথে-শ্ৰেণীত মোক 'আছিলোঁতো' বুলি জোকাবলৈ ধৰিলে।

সৌভাগ্যক্ৰমে সম্মুখত দীঘলীয়া ছুটী আছিল। কিন্তু দুৰ্দিনৰ দিনাবিলাকে যেন শিং বেকাঁ কৰি দ্ৰুতগতিত আহে। ছুটীৰ পিচত অনিচ্ছা আৰু দুঃসহ বেদনা লৈ স্কুললৈ গলোঁ। সকলো ঠিকে আছিল কিন্তু মৰ্মান্তিক 'আছিলোঁতো' বুলি কোনোৱে পুনৰ আগৰ দৰে নোজোকালে।

এনে সময়তে ভূগোলৰ নতুন শিক্ষক এজন আহিল। পিচত শুনিলো তেখেত নতুন নহয়। বহুদিন বেমাৰত ভুগি ছুটীত আছিল। ক্ষীণ দেহ, খয়ৰা ৰঙৰ দাঁত আৰু ঘূৰণীয়া মূৰটোত ভূগোলৰ কিমান কাণ্ডজ্ঞান আছিল নাজানো, কিন্তু মোৰ নাম দেখি তেওঁৰ কাব্য প্ৰতি-

তাই যেন মুৰ দাঙি উঠিল। নাম মাতিবলৈ গৈ মোৰ নামত ৰ'লছি। আপাদমস্তক এবাৰ চাই ললে: তোমাৰ নাম কুমাৰেশ? বেচ শুৱাইছে। মুৰৰ মাজত টকলা কিয়? মাত্র চাৰিওফালে কেশ।

কাব্যৰ প্রয়োজন সম্পর্কে মোৰ কবলৈ একো নাই, কিন্তু ভূগোল শিক্ষকৰ কবিতাই মোৰ হৃদয়লৈ যি মর্মান্তিক হাহাঁকাৰ কঢ়িয়াই আনিলে সেয়া অবর্ণনীয়। ছুটীৰ পিচত দেখিলোঁ স্কুলৰ প্রায় বোৰ ল'ৰাই কবিতাটো মুখস্থ কৰি পেলাইছে। ইমানদিনে পাহৰি থকা 'আছিলোতো'কো টানি অনা হৈছে। অশান্ত মন লৈ ঘৰলৈ উভতি আহিলোঁ।

স্কুললৈ যোৱা বন্ধ কৰিলো। একমাত্র ভৰসা মা। স্কুল সলনি কৰাত দেউতাৰো অমত নেদেখিলোঁ। কিন্তু মায়ে ক'লে তাৰ আগতে নামটো সলাও। কিছু দিন পিচত স্কুলত ভর্তি হলোঁ। লগতে নামটো সলনি কৰিলো। মোৰ নাম কুণাল সেন। আপুনি মোক কুণাল বুলি মাতিব পাৰে।

অমলিনা বয়ে ক'লে: আপুনি জেঠাদেউৰ পৰা কেনেকৈ ৰক্ষা পৰিল?

: তেওঁৰ হাতৰ পৰা আগতেই ৰক্ষা পাইছিলোঁ। নিতান্ত অনিচ্ছা সত্ত্বেও তেওঁ দেহ ৰাখিব লগা হৈছিল। কিন্তু আপোনাৰ ফালৰ পৰাও জেঠাদেউ আছে নেকি?

অমলিনা ৰয়ৰ মুখত কৌতুহলৰ হাঁহি। ক'লে: নাই, মোৰ ফালে কোনো জেঠাদেউ-জেঠীমা নাছিল। মোৰ দেউতা আছিল একমাত্র, একেবাৰে অদ্বিতীয় পুত্র।

: তেনেহলে আপোনাৰ নামৰ তেনেকুৱা অৱস্থা হ'ল কিয়? কেনিংৰ ভঙা হাটত মাছ দবোৱাৰ পিচত এয়া যেন শেষ বজাৰৰ সস্তা দাম। মন্দোদৰী নাম শুনি আপুনি চকু পকাই আছিল; কিন্তু অমলিনা নামটো বৈয়ে বা এনেকুৱা গর্ব কৰিবলৈ কিটো আছে?

মাতোতাজনৰ কাৰণে কষ্ট নহলেও আয়তনত কিন্তু কালিকা প্ৰসাদৰ ওচৰা-ওচৰি। আৰ্কিমিডিচৰ স্পেচিফিক গ্ৰেভিটিৰ বৈজ্ঞানিক ব্যাখ্যাৰ যেন হিচাব মিলিছে। আপুনি যদি অনুমতি দিয়ে তেনেহলে মই আগৰ ফালে সামান্য সলনি কৰি 'না'টো এমপিউটেট কৰিব খোজোঁ।

অমলিনা ৰয় কৃত্ৰিম ক্ৰোধত যেন ফাটি পৰিল। ক'লে ঃ এয়া আপোনাৰ অনধিকাৰ চৰ্চ্চা।

মই বাধা দি ক'লো ঃ অধিকাৰ অৰ্জন কৰি লব লাগে। অভিধানত অধিকাৰভেদ কথাটো আছে কিয়?

ম্লান হাঁহি এটি মাৰিলে ঃ ইমান কম সময়তে আপোনাৰ এনে কি অধিকাৰ হল?

ঃ আপুনি জোৰ কৈ এনেকুৱা প্ৰশ্ন নকৰিব। অধিকাৰ অৰ্জন কৰাত কেইটিমান মুহূৰ্ত্তই যথেষ্ট। বহুত কথা, বহুত আলোচনা ক্লান্তিকৰ। গোটেই ৰাতি যাত্ৰা চোৱাৰ দৰে। পেচেঞ্জাৰ ট্ৰেনত নাগপুৰলৈ যোৱাৰ দৰে। ডাণ্টেৰ জীৱনত মাত্ৰ দুবাৰমানহে বিয়াত্ৰিচৰ লগত দেখা হৈছিল। কিন্তু ক'ব পাৰে কি অধিকাৰ কি প্ৰেৰণাত তেওঁ 'নৱজীৱন' লিখাৰ ক্ষমতা অৰ্জন কৰিলে। মই ক'ব নোৱাৰিছো আজি ৰাতি আন এখন 'ভিটা নুভা' সৃষ্টি কৰাব প্ৰেৰণাত কলম খুলি বাহোঁ নে নাই। আপুনি মাত্ৰ কিতাপে পঢ়িছে, বুজা হলে নাই।

অলপ সময় অমলিনা ৰয়ে মুৰ তল কৰি ৰ'ল। সুন্দৰভাৱে তৈয়াৰী চটিৰ ওপৰত জৰিৰ কাম মনোযোগ দি চাবলৈ ধৰিলে। লাহে লাহে মুৰতো দাঙিলে। ক'লে ঃ বাৰ্লিনত আপুনি আৰু কেইদিনমান আছে?

মুৰ জোকাৰি কওঁ ঃ ইয়াত থকাৰ পুনৰ ইচ্ছা মোৰ নাই। অৱশ্যে আপুনি যদি ভৰসা দিয়ে মই হোটেলৰ কোঠা আৰু কিছুমান দিন দখল কৰি ৰাখিব পাৰোঁ।

অমলিনা ৰয় চমকি উঠিল।

নীৰৱ পানীৰ মাজত হঠাতে হোৱা এক বিক্ষেপত যেনেকৈ বৃত্তাকাৰ শান্ত ঢউ উঠি জলাশয়ৰ শীতল গাবে বৈ সেউজীয়া ঘাঁহৰ ওপৰত হেৰাই যায়গৈ, অমলিনা ৰয়ৰ মুখশ্ৰী আগুৰি চমকি উঠাৰ বেশো তেনে ভাৱেই আঁতৰি গ'ল।

কেইমুহূৰ্ত্তমান পিচত অমলিনা ৰয়ে কলে ঃ কালিলৈ দুপৰীয়া মই মিউনিকলৈ যাম। বাৰ্লিন মই কালিয়ে এৰি যামগৈ।

ঃ কাৰ্য্যসূচীৰ জানোঁ সলনি কৰিব পৰা নাযায় ?

ঃ হয়তো পৰা যায়। কিন্তু লাভ কি ?

অমলিনা ৰয় মুৰ তল কৰি ৰ'লে। খিড়িকীৰ মিঠা ৰ'দ তেওঁৰ ভৰিৰ ওচৰত পৰিছেহি। দৃষ্টি তাতে স্থিৰ হৈ আছে। চকুৰ পতাত ক্লান্তিৰ স্তূপ। মুখত ম্লান ক্ষীণ হাঁহিৰ ৰেখা।

চিগাৰেটটো ছাইদানীত পেলাই দি উঠি পৰিলোঁ। কপা মাতেৰে অমলিনা ৰয়ে কলে ঃ যায়গৈ নেকি ?

অচঞ্চল দৃষ্টিৰে মাত্ৰ কেইমুহূৰ্ত্তমান চাই থাকো। পৰ্দ্দা আঁতৰাই কোঠাৰ পৰা ওলাই আহিলোঁ।

অমালিনা ৰয়ও লগতে আহিল। বহুত চিৰি নামোতে বহুত সময়ও লাগে। মই মনে মনে আছোঁ। অমলিনা ৰয়ো নীৰৱ। সৌজন্যসূচক কোনো কথাও হোৱা নাই। ভাবান্তৰো নাই। আঠুকাঢ়ি নাইবা মুৰ তল কৰি নহয়, শেষ হ'ল এটি নমস্কাৰত।

কপালৰ খয়াৰী ৰঙৰ ফোঁটটোৰ তলৰ ম্লান দৃষ্টি নবোদিত সূৰ্য্যৰ গাত দূৰৈৰ পৰা উটি অহা এটুকুৰা মেঘৰ দৰে ভাব হল। চকিত ভ্ৰূলতাত এক বলাকা যেন উধাও হৈ গৈছে কোনোবা সুদূৰত।

ধীৰে পদক্ষেপেৰে মই ওলাই আহিলোঁ। এখন টেক্সীত উঠি কুড়ামলৈ যাবলৈ ড্ৰাইভাৰক নিৰ্দ্দেশ দিলোঁ।

অতি সুন্দৰ কুঁড়াম অসহ্য লাগিল। কাফে-টেবাচে মন শাসনলৈ আনিব নোৱাৰিলে। মানুহৰ ভীৰ আৰু ব্যস্ততাও অসহ্য লাগিল। হোটেললৈ উভতি আহিলোঁ।।

বিছনাত ইফাল-সিফাল কৰি আছোঁ। ইয়াতো ভাল নালাগিল। কিতাপ এখন উলিয়াই লৈ পঢ়িবলৈ ললোঁ। কিন্তু এটা বৰ্ণও মূৰত নোসোমাল। কাগজ কলম উলিয়াই লৈ মালৈ লিখিব বহিলোঁ। নোৱাৰিলোঁ।

ৰাতিটো তেনেদৰেই পাৰ হৈ গ'ল। ৰাতিপুৱাই কড্‌লফো কিবা কামত ওলাই গ'ল। ইফালে মোক কিবা এক দুৰ্নিবাৰ আকৰ্ষণত অমলিনা ৰয়ৰ হোটেললৈ কোনোবাই যেন টানি নিলে।

খোজ কাঢ়ি বহুত দূৰ পথ আগুৱাই আহিছিলোঁ। ভীষণ ঠাণ্ডা। বতাহে যেন গাত বিন্ধিবহে ধৰিছে। কিবা ভাবি এখন কফিৰ দোকানত সোমাই পৰিলোঁ। কফি খাওঁতে বহুত সময় নিয়ালো। এটা কথাৰ পিচত আন এটা কথা, এক চিন্তাৰ পৰা আন এটি চিন্তা, একো যোগসূত্ৰ নৰখাকৈ মাত্ৰ ভাবিছোঁ। কাফে এৰি ওলাই আহিলো। হঠাতে ভাব হল ঘূৰি ঘূৰি পুনৰ নিজৰ হোটেলতে সোমাইছোঁহি।

বহুত সময় ধৰি বিছনাত পৰি থাকিলোঁ। পূবফালৰ খিড়িকীৰে আকাশখন চকুত পৰে। নীলা আকাশৰ গাত বগা মেঘৰ ক্লান্ত গতিক পিচ পেলাই এজাক বন্য চৰাই উৰি গৈছে। হয়তো শীতৰ কাৰণেই আন দেশলৈ উৰি গৈছে। ইহঁতৰ কোন দেশত ঘৰ? বৰফৰ কোন গিৰি গহ্বৰত ইহঁতৰ ঘৰ কোনে ক'ব পাৰে। ডন নদী পিচত পেলাই ৰাইন আৰু দানাউ নদী পাৰ হৈ ইহঁতৰ যাত্ৰা বা ক'ত শেষ হ'ব?

পাক খাই খাই বিমান এখন ওপৰলৈ উঠি আহিল। অস্পষ্ট শব্দ শুনা গৈছে—। লাহে লাহে ওপৰত উঠি বহু দূৰৈত বিমান খন মিলি গ'লগৈ।

দুৱাৰত শব্দ শুনি উভতি চাওঁ। হোটেলৰ এজন কৰ্মচাৰী সোমাই আহিল। টেলিফোনটো লাৰি-চাৰি চাই ক'লে ঃ আপোনাৰ ফোনটোৱে কাম কৰা নাই। সেই কাৰণে বোধহয় আপোনাৰ পৰা কোনো সহাঁৰি পোৱা নাই। আপোনাক দেখা কৰিবলৈ এগৰাকী ভদ্ৰ মহিলা আহিছে। তেখেত বাৰাণ্ডাতে বৈ আছে। মই এতিয়াই ফোনটো ঠিক কৰি দিয়াৰ ব্যৱস্থা কৰিছোঁ।

কোঠাৰ পৰা ওলাই আহিলোঁ। অমলিনা ৰয়ে বাহিৰৰ ঘৰবোৰ এক দৃষ্টিৰে চাই আছে। বাহিৰৰ পোহৰ আহি তেওঁৰ গাত পৰিছেহি। বগা শাৰীত থকা ৰূপালী বনকৰা সূতাৰ ৰশ্মি জলমলাই উঠিছে।

চকুৱে চকুৱে পৰাত এটি সুন্দৰ মিঠা হাঁহি মাৰিলে। আগুৱাই আহি ওভাৰকোটটো মোৰ হাতত তুলি দি ক'লে ঃ আপুনি দেখিছো হোটেলতে আছে।

ঃ আপোনাৰ কাৰণেই অপেক্ষা কৰিছিলোঁ।

ঃ মোৰ কাৰণে অপেক্ষা কৰিছিল। তাৰ মানে ?

ঃ জানিছিলোঁ আপুনি আহিব।

কোঠাত সোমাই চাৰিওফালে এবাৰ নিৰীক্ষণ কৰিলে। চোফাত বহিল। হেঙাৰত ওভাৰকোটটো ওলোমাই থৈ ময়ো বহিলোঁ।

অমলিনা ৰয়ে ক'লে ঃ বিশেষ এটা কামত এইফালেই আহিছিলোঁ। বিশেষ প্ৰয়োজনো আছিল। তাৰোপৰি আপুনি মোৰ তাত আপোনাৰ চিগাৰেট কেচ্‌টো পেলাই থৈ আহিছিল।

কৃত্ৰিম বিস্ময়ৰ সুৰত লাহে লাহে ক'লো ঃ কালি মই কেচটো আপোনাৰ তাত ইচ্ছা কৰিয়ে পেলাই থৈ আহিছিলোঁ।

ঃ কেচটো ইচ্ছা কৰিয়ে পেলাই থৈ আহিছিল ! চকুৱে মুখে অমলিনা ৰয়ৰ হাঁহিয়ে দেখা দিলে।

হাঁহি কলো ঃ এনেয়ে আজি আপুনি মোৰ ওচৰলৈ অহা উচিত

আছিল। আৰু আপুনি বোধহয় আহিলোঁ হয়, কিন্তু আপুনি অলপ জেদী ধৰণৰ, সেইকাৰণেই মই ভয় খাইছিলোঁ। আৰু সেইকাৰণেই কালি এক সহজ অজুহাত থৈ আহিছিলোঁ।

অমিলনা ৰায়ে সুধিলে: আপুনি এনে কি মহাপুৰুষ যে দৰ্শনলাভৰ কাৰণে অজুহাত বিচাৰিব লাগিব ?

: মহাপুৰুষৰ দৰ্শন য'তে ত'তে মিলে। কেইঅনা মান খৰচ কৰিলে পাঁচঘণ্টামান কালিঘাটত পৰি থাকিব পৰা যায়। স্কুল চিগাৰেট কেচৰ অজুহাত বৰঞ্চ তাত অবান্তৰ। অতি সাধাৰণ মানুহৰ সাক্ষাৎ আৰু অতি সাধাৰণ মনহে আজিকালি পোৱা দুস্কৰ। প্ৰেষ্টিজ, কমপ্লেক্স, এটিকেট আৰু ভদ্ৰতাৰ সীমা পাৰ হৈ মানুহৰ ওচৰ চপা বৰ কষ্টকৰ কথা।

মাজতে কথা কাঢ়ি লৈ অমলিনা ৰয়ে ক'লে: আপুনি অতিশয় দাম্ভিক প্ৰকৃতিৰ মানুহ। নিজকে তুচ্ছ কৰি, নিজকে আঁৰত ৰাখি আপুনি আপোনাৰ অহমিকাৰ পৰিচয় দিয়ে মাত্ৰ। এয়া এক ধৰণৰ বিলাস।

: আপুনি খণ্ড কৰিলে কিন্তু যিহকে তিহকে কয়। আজি আপোনাক ইমান সুন্দৰ দেখা গৈছে যে আপোনাৰ লগত তৰ্ক কৰি খণ্ড উঠোৱাৰ ইচ্ছা যোৱা নাই।

অমলিনা ৰয় যেন পৰাজিত হল এনে এক ভাৰত ক'লে: আপোনাৰ লগত মই নোৱাৰো। আপুনিও যি ইচ্ছা তাকেই কয়।

প্ৰসঙ্গ ঘূৰাই সহজ কৰিবলৈ কওঁ: আজি আবেলি মিউনিকলৈ যাব নেকি ? বাৰ্লিন জানো আজি সৰ্চাকৈয়ে এৰি যাব ?

: নিশ্চয়। তৎক্ষণাত উত্তৰ দিলে।

: নিশ্চয়কৈ কোৱা টান ?

: তাৰ মানে ?

: মানে সকলোৱে অনিশ্চিত। তাৰোপৰি জৰুৰী কামত বৈ থোৱাতো জানো অসম্ভৱ!

: আপুনি কিমান কথা ক'ব পাৰে? আজি গোটেই দিন কৰিলে কি?

মুৰ জোকাৰি কওঁ: একোৱে কৰা নাই। প্ৰায় গোটেই দিন হোটেলতে আছোঁ। ৰাতিপুৱা মাত্ৰ এবাৰ আপোনাৰ হোটেলৰ ফালে গৈছিলো।

বিস্ময় ভৰা কণ্ঠেৰে অমলিনা ৰয়ে ক'লে: মোৰ হোটেললৈ কেতিয়া গৈছিল?

: যোৱাহেঁতেন অৱশ্যে ৰাখিব নোৱাৰিলেহেঁতেন। কিন্তু মাজ বাটৰ পৰাই উভতি আহিছিলো।

: উভতি আহিল কিয়! দাম বঢ়ালেনেকি?

: কেনেকুৱা যেন মৰেল চাপোৰ্ট নাপালোঁ।

অমলিনা ৰয়ে খিলখিলাই হাঁহিব ধৰিলে। ক'লে: সেইবোৰো আপোনাৰ আছে নেকি? শুনি আশ্বস্ত হলোঁ। যোৱা-হেঁতেন কিন্তু ভালেই লাগিলহেতেঁন। গোটেই ৰাতিপুৱাটো মই হোটেলতে আছিলোঁ। হাততো বিশেষ কাম একো নাছিল। প্ৰচলিত নিয়ম-কানুন আজিৰ পৰা আপুনি মানি চলিবলৈ ধৰিলে কিয়? এইবোৰ কায়দা-কানুনতো আপুনি বেয়া কথা বুলিয়ে জানে। খৰধৰকৈ অহাটোৱেইতো আপোনাৰ স্বভাৱ বুলি জানোঁ। দেখিছোঁ আপনাৰ নাৱৰ বেগ কমিছে। ক'ৰবাৰ পৰা অহা এজাক বতাহে যেন পালৰ ওপৰত অন্যায়ভাবে আবেগৰ লহৰ তুলিছে। আচলতে আপোনাৰ ভিতৰৰ মানুহজনৰ সন্ধান মই সেই দিনাখনেই পাইছিলো। প্ৰথম দিনাখনেই মই আপোনাক ঠিক চিনিছিলোঁ। সজাই-পৰাই কথাৰে আপুনি আনক বিভ্ৰান্ত কৰে। আনক দিগভ্ৰান্ত কৰি দূৰৈৰ পৰা হাত চাপৰি বজায়। কওঁক মই জানো ভুল কৈছোঁ?

ছুয়োফালে মূৰ জোকাৰি কওঁ : আপোনাক মই মোতকৈও কম বুদ্ধিৰ বুলি ভাবিছিলোঁ। এতিয়া দেখিছোঁ অকল বিদ্যাই নহয়, বুদ্ধিও আপোনাৰ যথেষ্ট আছে। আপুনি মোক ঠিকেই চিনিছে।

: বাৰু আপুনি কবিতা-তবিতাও লিখে নেকি ? অমলিনা বয়ে প্ৰশ্ন কৰিলে।

: নিলিখো। একালত চেষ্টা কৰিছিলো। কলেজৰ লেবৰেটৰীত প্ৰেমৰ কবিতাৰ ৰসাল ছন্দ ভাবিবলৈ গৈ তীব্ৰ এক ৰাসায়নিক পদাৰ্থৰ বেৰসিক বটল ওলোটাই দিছিলো। বাওঁহাতখন পুৰি গৈছিল।

: কবিতা লিখা এৰিলে মাত্ৰ বেৰসিক বটলৰ আঘাত পায় ?

হাঁহি কলো : সেইবোৰ মই নেজানো। জোৰকৈ সেইবোৰ হোৱা নাযায়। সেইকাৰণে কাব্যজগতত অনুপ্ৰবেশ বন্ধ কৰি, প্ৰচুৰ উৰুলি আৰু শঙ্খধ্বনিৰ মাজত কাৰখানাৰ গৃহপ্ৰবেশেই বহুত বেচি সহজ হ'ল। পশ্চিম দিগন্তত ৰক্তিম সূৰ্য্যৰশ্মিৰ শোভাতকৈ ৰঞ্জন ৰশ্মিৰ সূক্ষ্ম এটি তাঁৰৰ খবৰ বহুত আগতেই ধাতস্থ কৰা গ'ল।

অমলিনা বয়ে ক'লে : চৰ্চা যেতিয়া আছিল এৰি দিয়া ঠিক হোৱা নাই।

: দেখিছো বিপদত পেলালে। একালতটো বহুত চৰ্চ্চা আছিল। আগতে বহুত কিবাই কৰিছিলো। ভাল ক্ৰিকেট খেলিছিলো। মোৰ ফাষ্ট বোলাৰ হিচাবে সুনাম আছিল। টেনিচত আপোনাৰ হাত কেনেকুৱা নাজানো। সৰুতে ধেমালিতে ৰন্ধা বঢ়া কৰা নাছিল জানো ? সেই বুলি আজি এই হোটেলত আপুনি দৰাকইনা খেল খেলিলে ঘটনা কেনেকুৱা হ'ব কওঁকছোন ?

অতি ক্ষিপ্ৰতাৰে থিয় হৈ অপ্ৰস্তুত হৈ কলে : আপোনাৰ মুখত বান্ধোন নাই।

অমলিনা বয় খিড়িকীৰ ওচৰলৈ গ'ল। বাহিৰৰ পোহৰ গাত পৰিছেহি।

দেখিলো মেজত তেওঁ কিবা নিৰীক্ষণ কৰিছে। মোৰ ওপৰত চকু থৈ কলে আপোনাৰ ঘড়িটো বন্ধ হৈ আছে।

হাঁহি হাঁহি কলো ঃ মালিকৰে উশাহ নোহোৱা হবলৈ ধৰিছে। ঘড়িৰ দোষ কি ? আপোনাৰ হোটেলৰ কোঠালৈ যাবৰ মোৰ কোনো অজুহাতৰ দৰকাৰ নহব। চিগাৰেট কেচটো স্বচ্ছন্দে দি দিব পাৰে।

অপ্ৰস্তুতৰ হাঁহিৰে অমালিনা ৰয়ে কলে ঃ একেবাৰে পাহৰি গৈছিলো। ইমান সময় ভাবেই হোৱা নাছিল।

চিগাৰেট কেচতো হাতত তুলি ললোঁ। এডাল চিগাৰেট লগাই চোফাত বহিলোহি। অমলিনা ৰয় আগৰ আসনলৈ উভতি আহিল।

হাঁহি হাঁহি কলো ঃ মানুহৰ ভুল সময় বিশেষে তেওঁৰ বৰ ডাঙৰ কামত আহে। অঙ্কৰ বহীত সেইয়া মৰ্মান্তিক হলেও মোৰ দৰে ইতৰজনে সেই ভুলৰ দোহাই দি বহুত সময়ত লাভ কৰে।

অমালনা ৰয়ে শূন্য দৃষ্টিৰে চাই থাকিল।

অলপ সময় একো নোকোৱাকৈ বহি থাকিলোঁ। তাৰ পিচত লাহে লাহে প্ৰশ্ন কৰোঁ ঃ আপুনি মিউনিকত ক'ত উঠিব ?

কপাঁ কপাঁ মাতেৰে উত্তৰ দিলে ঃ সেই খবৰ ৰাখি আপোনাৰ কি লাভ ?

হাঁহি এটি মাৰি কলো ঃ জনাহেঁতেন মোৰ কামত লাগিলহেঁতেন।

এক মুহূৰ্ত্ত মোৰ চকুৰ ওপৰত চকু ৰাখি অমলিনা ৰয় মুৰ তল কৰি বহি থাকিল। আনতমুখত ম্লান হাঁহিৰ ৰেখা। কলে ঃ আপুনি কামৰ মানুহ। প্ৰয়োজনীয় ঠিকনাৰ মাজত মোৰ অবান্তৰ খবৰে হয়তো আপোনাকো বিব্ৰতেই কৰিব। আপোনাৰ নোটবুকতো পৃথিৱীৰ সকলো মানুহৰ ঠিকনা বহন কৰাৰ ঠায়ে বা ক'ত ?

ঃ আপুনি ভয় খাইছে ? মোৰ কিবা এক জনাৰ অদম্য এটা ইচ্ছা হল। জোৰ অৱশ্যে মই নকৰোঁ।

অমলিনা বয়ৰ কণ্ঠত সঙ্কোচৰ সুৰ। কলে : জোৰ কৰা মানুহ আপুনি নহয়। আপোনাৰ মাত্র ইচ্ছা হয়, কৌতুহল হয় মাত্র। আগ্ৰহ নাই একোতেই। দায়িত্বহীনৰ লগত পৰিচয় হোৱা যায় বন্ধুত্ব হলে নহয়।

কিবা এক বেদনাই যেন গোটেই মুখমণ্ডল আগুৰি পেলালে। অলস নয়নত সংশয়ৰ এক প্রচ্ছায়া নামি আহে।

মোৰ সহজ কথাৰ মাজতো বিভ্ৰান্ত সুৰ যেন নামি আহে। ক'লো : দোষ আপনাৰ নহয়, মোৰেই। আনন্দৰ কাৰণে দায়িত্ব-হীন কথাৰে আপোনাক সদায়ে বিব্রত কৰিছোঁ; হঠাতে ইয়াত আপোনাৰ লগত দেখা-দেখি হ'ল। তাত অৱশ্যে একো ক্ষতি হোৱা নাই। কিন্তু কালি যদি আপুনি মোক আপোনাৰ হোটেলৰ দুৱাৰমুখৰ পৰা গুছি আহিবলৈ কলেহেঁতেন বোধহয় ভালেই কৰিলেহেঁতেন। বিশ্বাস কৰক, মোৰ সেই কাৰণে বেয়া নেলাগিল-হেঁতেন। মোৰ কোনো অভিযোগেই নেথাকিলহেঁতেন। সেই কথা কবলৈ পায় মোৰ ভালেই লাগিছে, বিন্দুমাত্র চিন্তা নকৰাকৈ কৈ পেলাইছোঁ। মোৰ চৰিত্ৰৰ অবাধ্য এই ভাল লগাক শাসনলৈ আনিব পৰা নাই। আপোনাক বিব্রত কৰিছোঁ, অকলে মই ঘৰলৈ উভতি আহি শেষত অপ্রস্তুতো হৈছোঁ। আপোনাৰ খবৰ জানি মোৰ লাভ কি? মোৰ লগত আপোনাৰ যিখিনি পৰিচয়, তাতকৈ হোটেলৰ পাওনাদাৰ সকলৰ লগত আপুনি বহুত বেচি হাঁহি কথা ক'ব লগীয়া হৈছে।

কোনো উত্তৰ নিদিলে। চোফা এৰি অমলিনা বয় থিয় হ'ল। সুধিলে : আপুনি বাৰ্লিন কেতিয়াকৈ এৰিব? নিউৰেমবাৰ্গলৈ অলপতে উভতি যাবগৈ নেকি। আপুনি কি ভাবিছে কওঁকছোন?

: ক'তা। একোতো ভবা নাই।

: আপোনাৰ ঘড়ী বন্ধ হৈ আছে কিন্তু মই ৰ'লেতো নহ'ব।

টেক্সী তলত থৈ আহিছোঁ। ইয়াত বহি থাকি কি কৰিব ? মোৰ লগত এয়াৰ অফিছলৈ বলক না।

: ভাবিছিলোঁ আজি আপুনি মিউনিকলৈ যোৱাটো স্থগিত ৰাখিব।

: সম্ভৱ নহব। টিকেট আদি সকলো ৰেডি। তাৰোপৰি মোৰ এনেয়ে বহুত পলম হৈ গৈছে ?

আচৰিত, অমলিনা ৰয়ে হাঁহিছে।

হোটেলৰ পৰা ওলাই আহোঁতে পৃথিৱীৰ বুকুলৈ সন্ধ্যা নামি আহিছে। সুন্দৰকৈ সজোৱা দোকানবোৰ পোহৰত জলমলাই উঠিছে। মানুহৰ ভীৰত কাফে-টেৰাচে পৰিপূৰ্ণ। ডাঙৰ ডাঙৰ ঘৰবোৰৰ দেৱালত নিয়নৰ বিজ্ঞাপনবিলাক শীতত থৰ্‌থৰ্‌কৈ কঁপিছে। পোহৰবোৰ আগুৰি বিভিন্ন পোকৰ আবৰ্ত্ত।

অমলিনা ৰয়ৰ দুচকুত চকুপানী। ইচ্ছা কৰিছিলোঁ, এই সুৰময় পথ যেন শেষ নহয়।

বহুত দূৰ আগুৱাই আহি হঠাতে ভাব হ'ল বহুত প্ৰশ্ন আৰু বহুত কথাৰ যি স্তূপ লগত আনিছিলো, অফুৰন্ত এক শূন্যতাত সেইবোৰ ক'ৰবাত যেন হেৰাই গ'ল।

টেক্সী এয়াৰ অফিচৰ সন্মুখত ৰ'লহি। গোটেই পথ অমলিনা ৰয় নীৰবে আছিল। ময়ো নিৰ্বাক।

এয়াৰ অফিচৰ বিৰাট গাড়ী যাত্ৰী আৰু মাল-বস্তুৰে ভৰি উঠিছে। গাড়ী এৰাৰ প্ৰায় সময় হৈ আহিছে।

টেক্সীৰ গা লাগি এখন 'ওপেল-কাপিটেন'। ষ্টিয়াৰিং হুইলত মমৰ দৰে আঙুলিৰে ক'লা পোচাক পৰিহিতা এক সুন্দৰী ললনাই ওচৰৰ এক যুৱকক অনৰ্গল কিবা যেন বুজাব ধৰিছে। যুৱকে সুন্দৰীক কথাৰ মাজতে কেইবাবাৰো চুমা খালে।

কিন্তু কাৰ চুমা কোনে খায়? সুন্দৰীৰ চুমাৰ ফালে লক্ষ্যই নাই। সোণালী এবোজা চুটি চুলি জোকাৰি নিজৰ অতি প্ৰয়োজনীয় বক্তব্য শেষ কৰাত ব্যস্ত।

গাড়ীৰ ভিতৰৰ নিস্তব্ধতা ভঙ্গ কৰি টেক্সীড্ৰাইভাৰে জনালে, টেম্পেল-হোফৰ বাচ যাবলৈ ৰেডি। টেক্সীৰ পৰা নমা দৰকাৰ।

অমলিনা ৰয়ৰ ফালে চকু পৰোতেই মোৰ চকু নত হৈ আহিল।

কিন্তু কি আচৰিত অমলিনা ৰয়। সেই পূৰ্বৰ হাঁহি ওঁঠত লাগি আছে। আয়ত নয়নত কৌতূহলী এক চাৱনি। লাহে লাহে এখন হাত মোৰ ফালে আগবঢ়াই দিলে।

মৰ্মান্তিক সৌজন্যবোধ।

হাতত সামান্য এটি চাপ দি কঁপা মাতেৰে ক'লে: আউফ ভিডাৰজেহেন।

এয়া মাত্ৰ জানো কোৱাৰ খাতিৰত কোৱা। তাৰ মাজত নাছিল জানো কোনো আন্তৰিকতা?

কোমল হাতখন তেতিয়াও মোৰ হাতৰ মুঠিত। আধা অন্ধকাৰৰ মাজত অমলিনা ৰয়ৰ সুন্দৰ মুখশ্ৰীত সুন্দৰ হাঁহি এটি মধুৰ আবেশত ভৰি উঠে।

বাহুবন্ধন শিথিল হৈ আহে। ড্ৰাইভাৰ অধৈৰ্য্য হৈ উঠে। এয়াৰওৱেজৰ গাৰী এৰিবৰ সময় হ'ল। পিচমুহূৰ্ত্ততে ড্ৰাইভাৰে প্ৰায় চিঞৰি উঠিল: কুচ্, কুচ্! কুচ্, কুচ্!!

ড্ৰাইভাৰৰ কথাত অমলিনা ৰয় যেন চমকি উঠিল। ৰুদ্ধ কণ্ঠৰ পৰা কিবা কথা ওলাই আহিল। মোৰ কাণত নপৰিল। আৰু ওচৰলৈ, আৰু ওচৰলৈ অমলিনা আহিল।

: অমলিনা।

: কুণাল!

: অমলিনা।

ঃ কোৱা কুণাল !

ঃ অমলিনা মই আজি তোমাক যাবলৈ নিদিও। তুমি থাকি যোৱা। মোৰ বহুত কথা ক'বলৈ আছে। আজি মই তোমাক যাবলৈ নিদিও অমলিনা।

ড্ৰাইভাৰৰ ধৈৰ্য্যৰ বান্ধ ভাঙি পৰিল। আকৌ সেই কথাঃ কুচ্ কুচ্। টেম্পেল-হোফৰ গাড়ী এবোঁ এবোঁ।

মোৰ বুকুৰ পৰা সামান্য ভাবে মুৰতো দাঙি অমলিনাই ক'লে ঃ ড্ৰাইভাৰক হোটেললৈ উভতি যাবলৈ কোৱা কুণাল।

ৰাতিৰ গাঢ় এন্ধাৰ বহুত আগতেই নামি আহিছে। কিন্তু সন্ধ্যা আকাশৰ সোণালী পোহৰ একোৱে ঢাকিব পৰা নাই। বাৰ্লিনত পোহৰৰ মালা এধাৰিহে যেন ওলমি আছে।

মাত্র নিওনৰ পোহৰত কুঁৱলীৰ প্রলেপ পৰিছে। গোটেই চহৰৰ বুকুত বগা বৰফৰ মিহি আচল এখন যেন সিঁচৰিত হৈ আছে। সমুখৰ পৰা অহা গাড়ীৰ হেড্লাইটৰ পোহৰত অমলিনা মাজে মাজে জলমলাই উঠিছে। তেওঁৰ কপালৰ দুই প্রান্ত টানি বন্ধা মূৰৰ চুলি বৰফমিহলি চেঁচা বতাহত আউলি বাউলি হৈ মোৰ চকুৱে মুখে পৰিছেহি।

অমলিনাৰ ওঁঠৰ কোণৰ লাজমিহলি মনোহৰ আনন্দৰ হাঁহি গোটেই মুখমণ্ডলতে সিঁচৰিত হৈ পৰিছে। ভ্রূলতাত ক্ষয়িষ্ণু এক ক্লান্ত বলাকা যেন পাহাৰ পাৰ হৈ সমুদ্রৰ শেষত আন কোনো দেশৰ সেউজীয়া ঘাহনিৰ হাতবাউল দেখা পাইছে। হৃদয় মোৰ আত্মহাৰা। শুকান বেলাভূমিক যেন প্লাবিত কৰি থৈ গ'ল এই সীমাৰ সিপাৰৰ একাজলি নিৰ্ম্মল পানীয়ে।

ক্লান্ত বাৰ্লিন। আমাৰো চকুত নামিছে শ্রান্তি। বাৰ্লিনলৈ গধুৰ টোপনি নামি আহিছে। আমাৰো।

* * *